● গুৱাহাটী, যোৰহাট আৰু তেজপুৰৰ পৰা প্ৰকাশিত

গুৱাহাটী (০৩৬১) ২২৬১৯২৩
চাৰ্কুলেচন ঃ ম'বাইল ঃ ৮৪৮৬৯৮০২৮১
বিজ্ঞাপন ঃ ম'বাইল ঃ ৯৮৬৪৮৯৭১৭৫
যোৰহাট ঃ (০৩৭৬) ২৩৭১৮৯৫, তেজপুৰ ঃ (০৩৭১২) ২২১৫৫১, ডিব্ৰুগড় ঃ (০৩৭৩) ২৩২৭৮৫৯
হোৱাটছএপ ঃ ৭৬৩৮০৫৮০৫৪ (সম্পাদনা)
agradoot@gmail.com
editor.agradoot@gmail.com
■ কাকত নাপালে ফোন কৰক ঃ ৯১০১২-৩৮০০৩

# দৈনিক অগ্ৰদূত

সামাজিক দায়বদ্ধতাত অবিচল

www.dainikagradoot.in

**দিগ্‌দৰ্শন**

প্ৰকৃত বুদ্ধিমত্তাৰ পৰিচয় কেৱল জ্ঞান নহয়, বৰঞ্চ কল্পনাহে।

এলবাৰ্ট আইনষ্টাইন
*বিজ্ঞানী*



৭ সাতদিনতে সুস্থ অ'মিক্ৰন আক্ৰান্ত ৯৯ শতাংশ ৰোগী
১৫ ভাৰতক দ্বিতীয় সুযোগ দিলে শ্বাৰ্দুলে
৪ চৰু উদঙোৱা মূল্যবৃদ্ধি, আসন্ন নিৰ্বাচন আৰু মহামাৰী

RNI-Regd No. 62953/96 ■ সপ্তবিংশতিতম বছৰ ● ৯০তম সংখ্যা ● গুৱাহাটী ● বুধবাৰ ২০ পুহ ১৪২৮ ভাস্কৰাব্দ ৫ জানুৱাৰী ২০২২ চন ■ DAINIK AGRADOOT ● Guwahati ● Wednesday 5 January 2022 মূল্য ঃ ৯.০০ টকা

■ অ'মিক্ৰনৰ প্ৰভাৱত ক'ভিড বিস্ফোৰণ আমেৰিকাত ■ অধিকাংশ স্থানতে ভয়াৱহ ৰূপ ধাৰণ 'ডেলমিক্ৰন'ৰ ■ অৰ্থনীতিক কেন্দ্ৰ কৰি চিন্তিত বাইডেন চৰকাৰ ■ লক্ষ লক্ষ লোক গৃহবন্দী

# এদিনতে সংক্ৰমিত ১০ লক্ষাধিক

■ নিউজ ব্যুৰ'
**ৱাশ্বিংটন, ৪ জানুৱাৰী ঃ** ক'ভিড-১৯ৰ বিস্ফোৰণ দেখা পালে আমেৰিকাই। অ'মিক্ৰনৰ প্ৰভাৱত দেশখনত এদিনতে ১০ লক্ষাধিক লোক আক্ৰান্ত হোৱাত স্বাভাৱিকতে চিন্তাত পৰিছে জ' বাইডেন চৰকাৰ। আমেৰিকাৰ স্বাস্থ্য বিভাগে সদৰী কৰিছে যে ক'ভিডৰ প্ৰথম দুটা লহৰৰ তুলনাত দেশখনত এইবাৰ সংক্ৰমণৰ হাৰ তিনি গুণ বেছি। জ'নছ হ'পকিন্স বিশ্ববিদ্যালয়ৰ তথ্যত প্ৰকাশ পাইছে যে সোমবাৰে



আমেৰিকাত নতুনকৈ আক্ৰান্ত হয় ১০ লাখ ৪২ হেজাৰ লোক। উল্লেখ্য যে আমেৰিকাত হোৱা সংক্ৰমণত সম্প্ৰতি ক'ভিডৰ চালিকাশক্তিৰ ভূমিকা পালন কৰিছে নতুন প্ৰজাতি অ'মিক্ৰনে। যাৰ বাবে ব্যাপক হাৰত বাঢ়িছে আক্ৰান্তৰ সংখ্যা। মাত্ৰ চাৰি দিনতে দেশখনত আক্ৰান্তৰ সংখ্যা দুগুণ বৃদ্ধি পাইছে। ইয়াৰ পূৰ্বে আমেৰিকাত এদিনত সৰ্বাধিক আক্ৰান্তৰ অভিলেখ আছিল প্ৰায় ছয় লাখ। অৱশ্যে কালি সেই অভিলেখ ভংগ কৰি ১০ লক্ষাধিক লোক ১০ পৃষ্ঠাত চাওক



কৰ'নাৰ প্ৰতিষেধক গ্ৰহণৰ বাবে শাৰী পাতিছে স্কুলীয়া ছাত্ৰই, তেজপুৰত মঙলবাৰে।

## শিলচৰৰ পৰা দিল্লীলৈ নিয়াৰ পথত ৪৮ টন বাৰ্মিজ চুপাৰি জব্দ শ্ৰীৰামপুৰত

ৰাজহুৱা বিতৰণ ব্যৱস্থাৰ চাউলো জব্দ

অগ্ৰদূত বাৰ্তা
**শ্ৰীৰামপুৰ, ৪ জানুৱাৰী ঃ** আজি পুৱতি নিশা অবৈধভাৱে বহিঃৰাজ্যলৈ সৰবৰাহ কৰা বিপুল পৰিমাণৰ বাৰ্মিজ চুপাৰি আৰু ৰাজহুৱা বিতৰণ ১০ পৃষ্ঠাত চাওক

## দৰমহা মুকলিৰ দাবীৰে দ্বিতীয় দিনাও প্ৰতিবাদ সাহিত্য সভাৰ কৰ্মচাৰীৰ

চৰকাৰৰ ওপৰত দোষ জাপিলে প্ৰধান সম্পাদকে

ষ্টাফ ৰিপ'ৰ্টাৰ
**গুৱাহাটী, ৪ জানুৱাৰী ঃ** অনাদায় হৈ থকা চাৰি মাহৰ দৰমহা মুকলিকে ধৰি কে'বাটাও দাবীৰে আজি দ্বিতীয় দিনাও মহানগৰস্থিত ভগৱতী প্ৰসাদ ১০ পৃষ্ঠাত চাওক

## নগাঁৱত বেংক, শিক্ষানুষ্ঠানত একেদিনাই ১৮জন ক'ভিড আক্ৰান্ত

চিআৰপি জোৱানৰ অ'মিক্ৰন পৰীক্ষা সম্পন্ন

বিশেষ সংবাদদাতা
**নগাঁও, ৪ জানুৱাৰী ঃ** নগাঁও জিলাত সম্প্ৰতি ক'ভিড-১৯ৰ সংক্ৰমণ বৃদ্ধি পোৱা পৰিলক্ষিত হৈছে। নগাঁও জিলা স্বাস্থ্য বিভাগৰ সূত্ৰই প্ৰকাশ কৰা ১০ পৃষ্ঠাত চাওক

## ৰঙিয়াত আৰক্ষীৰ গুলিৰ মাজতো পলায়ন ড্ৰাগছ মাফিয়াৰ

চাৰি লাখ মূল্যৰ ব্ৰাউন ছুগাৰ জব্দ, ধৃত ভগ্নী

অগ্ৰদূত বাৰ্তা
**ৰঙিয়া, ৪ জানুৱাৰী ঃ** ৰঙিয়াত আজি আৰক্ষীৰ গুলিৰ পৰা কথমপি ৰক্ষা পৰে এজন ড্ৰাগছ মাফিয়া। অভিযুক্ত ড্ৰাগছ মাফিয়াজনে ১০ পৃষ্ঠাত চাওক



| তাপমাত্ৰা | সৰ্বোচ্চ | সৰ্বনিম্ন |
|---|---|---|
| গুৱাহাটী | ২৫° | ১২° |
| ডিব্ৰুগড় | ২৪° | ১০° |
| দিল্লী | ২২° | ১৩° |
| কলকাতা | ২৩° | ১৩° |
| মুম্বাই | ৩১° | ২৩° |
| চেন্নাই | ২৮° | ২২° |
| বাংগালুৰু | ২৭° | ১৪° |
| শ্বিলং | ১৮° | ০৬° |

*৪ জানুৱাৰী, ২০২২*

## চেঙা তেল



*শাসক দলত যোগ দিম বুলি সাজি-কাচি আহিলো, আগবঢ়াই নিবলৈ কোনো নাই দেখোন!*

■ আৰক্ষীৰ আন্তঃগাঁথনিৰ বাবে চৰকাৰে ব্যয় কৰিব ২৫শ কোটি ■ আলফাৰে আলোচনাৰ দিশত এশ খোজ বাকী ■ গণৰাজ্য দিৱসত বন্ধ নিদিবলৈ আহ্বান ■ চান্দা সংস্কৃতি বন্ধ কৰা হ'ব

# মে'ৰ ভিতৰত ৪৬ হেজাৰক নিযুক্তি ঃ শৰ্মা

**ঘৰুৱা সম্পৰ্কৰ বাবে ঘাটোৱাৰক নৈশভোজলৈ আমন্ত্ৰণ ঃ মুখ্যমন্ত্ৰী**

ফেব্ৰুৱাৰীত জনজাতিকৰণ সন্দৰ্ভত জনগোষ্ঠীয় সংগঠনৰে আলোচনা হ'ব

অগ্ৰদূত বাৰ্তা
**দুলীয়াজান, ৪ জানুৱাৰী ঃ** 'আলফাৰ স'তে আলোচনাৰ গতি বৰ্তমানে এখোজ আগবাঢ়িছে, এতিয়াও এশ খোজ বাকী আছে।' দুলীয়াজানত অসম আৰক্ষীৰ অধীক্ষক সন্মিলনত অংশগ্ৰহণৰ পাছত এই মন্তব্য কৰিলে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই। আজি সন্মিলনৰ অন্তিম দিনাৰ কাৰ্যসূচীত উপস্থিত থকাৰ পাছত এক সংবাদমেলত মুখ্যমন্ত্ৰী ড° শৰ্মাই আলফাৰ সন্দৰ্ভত পুনৰ কয়, 'কেন্দ্ৰীয় চৰকাৰৰ লগত বৰ্তমানে আলোচনাত থকা সংগঠনসমূহৰ সফল সমাপ্তিৰ পাছতেই আলফা (স্বাধীন) আৰু কেন্দ্ৰীয় চৰকাৰৰ আলোচনা সুদূৰ প্ৰসাৰী হ'ব।' মুখ্যমন্ত্ৰীয়ে লগতে অহা ২৬ জানুৱাৰীৰ গণৰাজ্য দিৱসত বন্ধৰ আহ্বান নিদিবলৈ আলফা (স্বা)ক আহ্বান জনায়। ইপিনে, জ্যেষ্ঠ কংগ্ৰেছ নেতা পৱন সিং ঘাটোৱাৰে যোৱা নিশা মুখ্যমন্ত্ৰীৰ স'তে নৈশভোজত অংশগ্ৰহণ কৰাক কেন্দ্ৰ কৰি সৃষ্টি হোৱা বিতৰ্কৰ সন্দৰ্ভতো ড° শৰ্মাই স্থিতি স্পষ্ট কৰে। প্ৰাক্তন কেন্দ্ৰীয় মন্ত্ৰীজনে বিজেপিত যোগ ১০ পৃষ্ঠাত চাওক



■ বিশ্বাসহীনতাৰ ৰাজনীতিত ৰাজ্যসভাৰ আসন লাভতো অনিশ্চয়তা কংগ্ৰেছৰ ■ বিৰোধী দলসমূহক ঐক্যবদ্ধ কৰাৰ প্ৰচেষ্টা আৰম্ভ

## মাৰ্চত খালী হ'ব ৰিপুন-ৰাণীৰ আসন, হিচাপ-নিকাচ কৰিও নিমিলা অংক



ষ্টাফ ৰিপ'ৰ্টাৰ
**গুৱাহাটী, ৪ জানুৱাৰী ঃ** অহা মাৰ্চত খালী হ'বলগীয়া অসমৰ দুখন ৰাজ্যসভাৰ আসনৰ দ্বিতীয়খন দখলৰ হিচাপ-নিকাচ কৰিও নিমিলা অংকত বন্দী হৈছে কংগ্ৰেছ। কংগ্ৰেছৰ ৰিপুন বৰা আৰু ৰাণী নৰহৰ খালী হ'বলগীয়া আসন দুখনৰ নিৰ্বাচনলৈ হাতত সময় থাকিলেও দ্বিতীয়খন যাতে বিৰোধীয়ে দখল কৰিব পাৰে তাৰ বাবেই আগতীয়াকৈ প্ৰস্তুতি চলোৱা হৈছে। প্ৰধান বিৰোধী দল হিচাপে কংগ্ৰেছে এই ক্ষেত্ৰত ১০ পৃষ্ঠাত চাওক

**■ ৰাজ্যত এদিনতে কৰ'নাত আক্ৰান্তৰ সংখ্যা ৪৭৫ জনলৈ বৃদ্ধি**

## অসমৰ পৰা মেঘালয়লৈ যোৱা লোকৰ শৰীৰত অ'মিক্ৰন সংক্ৰমণৰ সন্দেহ

ষ্টাফ ৰিপ'ৰ্টাৰ
**গুৱাহাটী, ৪ জানুৱাৰী ঃ** ক'ভিডে অসমতো আকস্মিকভাৱে সৃষ্টি কৰিছে উদ্বেগজনক পৰিস্থিতিৰ। দেশৰ কে'বাখনো ৰাজ্যত অ'মিক্ৰনৰ সমান্তৰালকৈ ক'ভিডেও ইতিমধ্যে ভয়াৱহ ৰূপ ধাৰণ কৰিছে। অসমতো আজিৰ দিনটোত ক'ভিড আক্ৰান্তৰ সংখ্যা ৪৭৫ জনলৈ বৃদ্ধি হয়। ইয়াৰে ১৯০ জনেই হ'ল কামৰূপ মহানগৰৰ। যোৱা ২৪ ঘণ্টাত সম্পন্ন হোৱা ৩৬,৭৮১টা নমুনা পৰীক্ষাৰ জৰিয়তে আজিৰ আক্ৰান্তসকলৰ তথ্য পোহৰলৈ আহে। দিনটোত আক্ৰান্তৰ হাৰ ১.২৯ শতাংশ। কামৰূপ মহানগৰৰ পাছতে সৰ্বাধিক আক্ৰান্তৰ তথ্য পোহৰলৈ অহা জিলাকেইখন হ'ল ক্ৰমে কামৰূপ (৮০), যোৰহাট (২৮) আৰু নগাঁও (২১)। কালি ১০ পৃষ্ঠাত চাওক

## সীমা সমস্যাক লৈ মেঘালয়ৰ মন্ত্ৰীৰে পুনৰ বৈঠক বৰাৰ

গুৱাহাটীত আঞ্চলিক সমিতিৰ আলোচনা

ষ্টাফ ৰিপ'ৰ্টাৰ
**গুৱাহাটী, ৪ জানুৱাৰী ঃ** অসম আৰু মেঘালয়ৰ ছটা স্থানত থকা সীমা বিবাদ মীমাংসাৰ উদ্দেশ্যে গঠিত ৰাজ্য দুখনৰ মন্ত্ৰী পৰ্যায়ৰ এখন আঞ্চলিক সমিতিৰ বৈঠক আজি গুৱাহাটীত অনুষ্ঠিত হয়। অসমৰ কামৰূপ আৰু মেঘালয়ৰ পশ্চিম খাচি পাহাৰ জিলাৰ সীমাৰ পৰিস্থিতি অধ্যয়নৰ বাবে গঠিত ৰাজ্য দুখনৰ সমিতি দুখনে আজিৰ বৈঠকত শীঘ্ৰে মীমাংসাত উপনীত হোৱাৰ আশা প্ৰকাশ কৰে। উল্লেখ্য যে অসমৰ সমিতিখনৰ অধ্যক্ষ হ'ল কৃষি মন্ত্ৰী অতুল বৰা আৰু মেঘালয়ৰ ১০ পৃষ্ঠাত চাওক





## উৎকোচ লৈ সচিবালয়তে গ্ৰেপ্তাৰ হ'ল মহিলা কৰ্মচাৰী

ষ্টাফ ৰিপ'ৰ্টাৰ
**গুৱাহাটী, ৪ জানুৱাৰী ঃ** ৰাজধানী দিছপুৰৰ সচিবালয় কক্ষত আজি নগদ চাৰি হেজাৰ টকা উৎকোচ লৈ থকাৰ মুহূৰ্তত বড়োলেণ্ড কল্যাণ বিভাগৰ জ্যেষ্ঠ প্ৰশাসনিক সহায়ক সীমা দেৱীক দুৰ্নীতি নিবাৰক আৰু তদাৰকী কোষে হাতে-লোটে ধৰা পেলায় আৰু তাৎক্ষণিকভাৱে গ্ৰেপ্তাৰ কৰে। দুৰ্নীতি নিবাৰক আৰু তদাৰকী কোষৰ সূত্ৰই সদৰী কৰা অনুসৰি, অভিযুক্ত সীমা দেৱীয়ে এগৰাকী ব্যক্তিৰ ১০ পৃষ্ঠাত চাওক

■ ৰাজহ বৃদ্ধিৰ কৌশল ■ বৰ্ধিত ৰাজহৰ ভিত্তিতেই আকাৰ বাঢ়িব ৰাজ্যিক বাজেটৰ

## ভূমিৰ নতুন মূল্য নিৰ্ধাৰণৰ পাছত সম্পত্তি কৰ এশ শতাংশ পৰ্যন্ত বৃদ্ধিৰ যোজা

ষ্টাফ ৰিপ'ৰ্টাৰ
**গুৱাহাটী, ৪ জানুৱাৰী ঃ** সাধাৰণ জনতাক মাধমাৰ শোধাই কৰ বৃদ্ধিৰ তৎপৰতা আৰম্ভ কৰিছে ৰাজ্য চৰকাৰে। তাৰ অংশৰূপে শীঘ্ৰে বৃদ্ধি পাব সম্পত্তি কৰৰ পৰিমাণ। এই সম্পৰ্কত অলপতে ৰাজ্যিক কেবিনেটে সিদ্ধান্ত গ্ৰহণ কৰে। এই বিষয়ে মুকলিকৈ প্ৰকাশ কৰাৰ বিপৰীতে ইয়াক কাৰ্যকৰী কৰিবলৈ ফাইলৰ কাম আৰম্ভ কৰি দিয়ে। ইতিমধ্যে ভূমিৰ নতুনকৈ মূল্য নিৰ্ধাৰণ প্ৰক্ৰিয়া চৰকাৰে আৰম্ভ কৰিছে। প্ৰথম পৰ্যায়ত কামৰূপ মহানগৰ জিলাত ভূমি কৰ বৃদ্ধিৰ প্ৰস্তাৱ গ্ৰহণ কৰি ৰাইজৰ পৰা মতামত বিচৰা হৈছে। সম্পত্তি কৰ বৃদ্ধিৰ সন্দৰ্ভত বিভাগীয় সূত্ৰই প্ৰকাশ কৰে যে চৰকাৰৰ ৰাজহ বৃদ্ধিৰ অন্যতম উৎস হ'ল ১০ পৃষ্ঠাত চাওক

## মীন মহল উন্নয়নৰ পুঁজি সোমাল বিষয়াৰ ব্যক্তিগত একাউণ্টত

সদৰ অনুসূচিত জাতি যুৱ-ছাত্ৰ পৰিষদ

ষ্টাফ ৰিপ'ৰ্টাৰ
**গুৱাহাটী, ৪ জানুৱাৰী ঃ** অনুসূচিত জাতি যুৱ-ছাত্ৰ পৰিষদ, অসমে আজি অসম মীন উন্নয়ন নিগম লিমিটেডৰ বিৰুদ্ধে ছয় কোটি টকা আত্মসাতৰ অভিযোগ উত্থাপন কৰে। পৰিষদে উল্লেখ কৰে যে উক্ত ধনৰাশি নিগমৰ একাংশ বিষয়াই মীন মহল ১০ পৃষ্ঠাত চাওক


**ভাৰতলৈ দৰব প্ৰস্তুতৰ ৭০ ভাগ ৰাসায়নিক সামগ্ৰী আহে চীনৰ পৰা**

## আত্মনিৰ্ভৰ শ্ল'গানৰ মাজতে ঔষধৰ কেঁচা মালৰ চীনৰ পৰা আমদানি বৃদ্ধি

এবছৰত আমদানি বাঢ়িল ১৯ শতাংশ

■ নিউজ ব্যুৰ'
**নতুন দিল্লী, ৪ জানুৱাৰী ঃ** অন্তহীন সীমান্ত বিবাদত হুংকাৰ দিলেও এতিয়াও ভাৰত দৰব প্ৰস্তুতৰ ক্ষেত্ৰত চীনৰ ওপৰত নিৰ্ভৰশীল হৈয়ে আছে। আত্মনিৰ্ভৰশীল ভাৰতৰ শ্ল'গান দি অহা নৰেন্দ্ৰ মোদী চৰকাৰৰ তথ্য অনুসৰিয়ে জ্বৰ-চৰ্দি, কাহৰ পৰা আৰম্ভ কৰি কেন্সাৰৰ দৰব প্ৰস্তুতৰ বাবে প্ৰতিবেশী চীনেই ১০ পৃষ্ঠাত চাওক






**ইতিমধ্যে ৪৬টা ৰূপৰ পৰিৱৰ্তন ■ কিমান সংক্ৰামক এই ভাইৰাছ নিশ্চিত নহয় বিজ্ঞানী**

## ইহু ঃ ফ্ৰান্সত চিনাক্ত কৰ'নাৰ নতুন প্ৰজাতি

■ নিউজ ব্যুৰ'
**নতুন দিল্লী, ৪ জানুৱাৰী ঃ** বিশ্বজুৰি ত্ৰাসৰ সৃষ্টি কৰা ক'ভিডৰ নতুন প্ৰজাতি অ'মিক্ৰনক লৈ আতংক অব্যাহত থকাৰ সময়তে বিজ্ঞানীসকলে দক্ষিণ ফ্ৰান্সত ক'ভিডৰ আন এক নতুন প্ৰজাতি চিনাক্ত কৰিছে। ফ্ৰান্সৰ এটা বিজ্ঞানীৰ দলে এই দাবী কৰে। এই নতুন প্ৰজাতিটোক ইহু (আইএইচইউ, দ্য বি.১.৬৪০)



বুলি চিনাক্ত কৰা হৈছে। ইনষ্টিটিউট আইএইচইউ মেডিটেৰেণী সংক্ৰমণৰ গৱেষকসকলে কমেও ১২ টা সংক্ৰমণত এই নতুন প্ৰজাতি চিনাক্ত কৰে আৰু ইয়াক আফ্ৰিকাৰ দেশ কেমেৰুণলৈ ভ্ৰমণৰ স'তে সম্পৰ্কিত কৰা হৈছে। অৱশ্যে গৱেষকসকলে উল্লেখ কৰে যে সংক্ৰমণ আৰু প্ৰতিষেধকৰ পৰা সুৰক্ষাৰ ক্ষেত্ৰত এই ১০ পৃষ্ঠাত চাওক

দৈনিক অগ্ৰদূত
গুৱাহাটী, ৫ জানুৱাৰী, ২০২২ বুধবাৰ পৃষ্ঠা তিনি

# ভাতনাপাইতিত বাল্যবিবাহ কৰাই বিপদত নাবালিকাৰ পিতৃ-দৰা

**কলগাছিয়া, ৪ জানুৱাৰী ঃ** ১৭ বছৰীয়া কিশোৰীক বিয়া কৰাবলৈ গৈ বিপদত পৰা ঘটনা এটি পোহৰলৈ আহিছে। তথ্য মতে, নৱাগত শিমলীতোলা গাঁৱৰ নুৰ হুছেইনৰ পুত্ৰ আতিকুলৰ লগত নাবালিকাক বিয়া পাতিবলৈ গৈ কেৱল মাত্ৰ দৰা-কইনাই নহয়, বিপদত পৰিছে আলোপতি চৰ থানা অঞ্চলৰ কিশোৰীগৰাকীৰ পিতৃৰ লগতে শিমলীতোলা থানা অঞ্চলৰ নৱাগত শিমলীতোলা গাঁৱৰ কে'বাজনো লোক। প্ৰায় দুমাহ পূৰ্বে লুকাই-চোৰকৈ পাতে এক বাল্যবিবাহ। কোনোৱে একো নোকোৱাৰ সুযোগতে যোৱা ছয় পৃষ্ঠাত চাওক

## সোঁতৰ বিপৰীতে



■ অনিয়ন্ত্ৰিত বজাৰ ব্যৱস্থাৰ মাজতে বৰবৰী-বৰীপাৰাৰ কৃষকৰ মূৰত ৰামটাঙোন

# বন্যহস্তীৰ উপদ্ৰৱে স্তিমিত কৰিছে ৰবৰ খেতিৰ



**আলোপতি, ৪ জানুৱাৰী ঃ** কৰ্ম ব্যস্ততাই দুখন গাঁৱৰ মূল পৰিচয়। কৰ্ম ব্যস্ততাৰ যোগেদি নতুন অৰ্থনৈতিক বিপ্লৱৰ সূচনা কৰাৰ প্ৰয়াস কৰিছে গোৱালপাৰা জিলাৰ দুধনৈ সমষ্টিৰ অন্তৰ্গত বৰবৰী আৰু বৰীপাৰা গাঁওবাসীয়ে। ৰংজুলি উন্নয়ণ খণ্ডৰ অন্তৰ্গত উল্লেখিত দুয়োখন গাঁৱত বসবাস কৰে তিনি শতাধিক পৰিয়াল। দুয়োখন গাঁৱৰ অধিকাংশ পৰিয়াল চাকৰিৰ লগতে ব্যৱসায়ী। অৰ্থনৈতিকভাৱেও অধিকাংশ পৰিয়াল সবল বুলিয়েই ক'ব পাৰি। ব্যৱসায় আৰু চাকৰিমুখী জীৱন-জীৱিকাৰ লগতে গাঁওখনৰ আছে আন এক সুকীয়া পৰিচয়। দুয়োখন গাঁৱৰ প্ৰতিটো পৰিয়ালৰ প্ৰতিজন ব্যক্তি কৰ্ম কৰি ভাল পায়। অৰ্থাৎ কৰ্ম ব্যস্ততাই দুয়োখন গাঁৱৰ মূল পৰিচয়। গাঁওবাসীয়ে ৰবৰ খেতি কৰি নতুন অৰ্থনৈতিক বিপ্লৱৰ সূচনা কৰাৰ প্ৰয়াস কৰি বহু পৰিমাণে সফল হোৱাৰ লগতে আন ১০খন গাঁৱৰ বাবে আদৰ্শ দাঙি ধৰিব পাৰিছে। ব্যৱসায়, চাকৰিত ব্যস্ত থকাৰ উপৰিও দুয়োখন গাঁওৰ অধিকাংশ পৰিয়ালে কম-বেছি পৰিমাণে কৰিছে ৰবৰ খেতি। পুৱা পাঁচ বজাৰ পৰা ১০ বজালৈ অধিকাংশ পৰিয়াল ব্যস্ত থাকে নিজৰ ৰবৰ খেতিডৰাত। একাংশ লোকে জনোৱা মতে ৰবৰ খেতিয়ে দুয়োখন গাঁওৰ অৰ্থনৈতিক বিকাশ ঘটালেও সাম্প্ৰতিক সময়ত একাধিক সমস্যাত জুৰুলা ৰবৰ উৎপাদকসকল। অনিয়ন্ত্ৰিত বজাৰ ব্যৱস্থাৰ বাবে উপযুক্ত মূল্যৰ পৰা বঞ্চিত হৈছে ৰবৰ উৎপাদকসকল। স্থানীয় অঞ্চলত উৎপাদিত ৰবৰৰ কোনো বিশেষ বজাৰ নথকাত উৎপাদিত ৰবৰসমূহ দূৰ দূৰণিলৈ বিক্ৰীৰ বাবে নিবলগীয়া হোৱাত অতিৰিক্তভাৱে ধন ব্যয় কৰিবলগীয়া হোৱা পৰিলক্ষিত হৈছে। তদুপৰি সাম্প্ৰতিক সময়ত অঞ্চলটোৰ ৰবৰ খেতিয়কৰ আন সমস্যা হৈছে বনৰীয়া হাতীৰ উপদ্ৰৱ। বনৰীয়া হাতীৰ উপদ্ৰৱৰ বাবে বিগত বছৰ কেইটাত নতুনকৈ ৰবৰ খেতি কৰি সৰ্বস্বান্ত হৈছে বহু খেতিয়কে। অনিয়ন্ত্ৰিত বজাৰ ব্যৱস্থাৰ লগতে বনৰীয়া হাতীৰ উপদ্ৰৱে কিছু পৰিমাণে হ'লেও স্তিমিত কৰিছে অঞ্চলটোৰ ৰবৰ খেতিয়কৰ আশা-আকাংক্ষাক।



১০৫ বছৰতো তজবজীয়া মাজুলীৰ কেৰেলাগাঁৱৰ ককা বংশীধৰ দত্তৰ জন্মদিন উদ্‌যাপন গাঁওবাসীৰ, মঙলবাৰে।

# হাটশিঙিমাৰীৰ উপ পঞ্জীয়কৰ কাৰ্যালয়ত উত্তেজনা

■ দুই বজালৈকে কাৰ্যালয়ত অনুপস্থিত পঞ্জীয়ন বিষয়া




**মানকাচৰৰ, ৪ জানুৱাৰী ঃ** দক্ষিণ শালমাৰা-মানকাচৰ জিলাৰ সদৰ হাটশিঙিমাৰীৰ নিচেই কাষৰ খাৰুৱাবান্ধাত অৱস্থিত হাটশিঙিমাৰী উপ পঞ্জীয়কৰ কাৰ্যালয়ত আজি আবেলি দুই বজালৈকে উপপঞ্জীয়ন বিষয়াসহ সৰহসংখ্যক বিষয়া-কৰ্মচাৰী উপস্থিত নোহোৱাত মাটিৰ দলিলৰ কাম কৰিবলৈ অহা ভুক্তভোগী ৰাইজ ক্ষোভিত হৈ পৰাৰ লগতে কাৰ্যালয়ৰ পৰিবেশ উত্তপ্ত কৰি তোলে। উল্লেখ্য যে কেইবাদিন ধৰি মানকাচৰ সমষ্টিৰ দূৰ-দূৰণিৰ মানকাচৰ, সুখচৰ, পিপুলবাৰী, কালাপানী, দিয়াৰা, কাকৰীপাৰা অঞ্চলৰ পৰা বহু লোকে মাটিৰ দলিল কৰিবলৈ আহে যদিও উপ-পঞ্জীয়কৰ কাৰ্যালয়টোত কোনো পঞ্জীয়ক নথকাত পঞ্জীয়কৰ দায়িত্বত থকা দক্ষিণ শালমাৰা-মানকাচৰ জিলাৰ নিৰ্বাচনী বিষয়া বিভাষ মেধিয়ে আবেলি দুই বজাৰ পাছতহে ছয় পৃষ্ঠাত চাওক

# সদৰ নগৰ একোখন জিলাৰ দাপোণ ঃ মন্ত্ৰী নেওগ

■ গোলাঘাট নগৰৰ উন্নয়নৰ বাবে ৭৭ কোটি টকা অনুমোদন ■ ১০খন আঁচনিৰ আধাৰশিলা স্থাপন বিত্তমন্ত্ৰীৰ

**বিশেষ সংবাদদাতা**

**গোলাঘাট, ৪ জানুৱাৰী ঃ** 'নতুন বছৰৰ আৰম্ভণিতে গোলাঘাট নগৰবাসীৰ বাবে আহিল শুভ বতৰা। নগৰৰ আন্তঃগাঁথনি উন্নয়নৰ বাবে ৭৭ কোটি অনুমোদন দিছে ৰাজ্য চৰকাৰে।' এই মন্তব্য বিত্ত আৰু সমাজ কল্যাণ মন্ত্ৰী অজন্তা নেওগৰ। আজি গোলাঘাট নগৰৰ সমন্বয় পথাৰ (ৰাজহুৱা খেলপথাৰ)ত আয়োজিত এক অনুষ্ঠানত কেন্দ্ৰীয়ভাৱে নগৰ আন্তঃগাঁথনি উন্নয়ন পুঁজি (চিআইডিএফ)ৰ অধীনত গোলাঘাট নগৰত ১০খন আঁচনিৰ আধাৰশিলা স্থাপন কৰি মন্ত্ৰী নেওগে পুনৰ কয়, 'চিআইডিএফৰ অধীনত গোলাঘাট নগৰৰ আন্তঃগাঁথনি উন্নয়নৰ বাবে উক্ত ৭৭ কোটি টকা অনুমোদন দিয়া হৈছে। ইয়াৰে সৰ্বাধিক পুঁজি খোৱাপানী যোগান আঁচনিৰ বাবে ধাৰ্য কৰা হৈছে।' নেওগে কয় যে যমুনাৰ পানী খোৱাৰ উপযোগী কৰি যোগান ধৰাৰ বাবে ১১ কোটি টকাৰ আঁচনিৰ পুঁজি মঞ্জুৰ হৈছে। আন এখন নগৰীয়া পানী যোগান আঁচনিৰ বাবে ন কোটি টকা অনুমোদন হৈছে। অৰ্থাৎ মুঠ ৩০ কোটি টকা কেৱল পানী যোগান আঁচনিৰ বাবে ধাৰ্য কৰা হৈছে। ইয়াৰোপৰি নগৰখনৰ বাট-পথ আৰু নলা-নৰ্দমাসমূহ সঠিকভাৱে নিৰ্মাণ কৰি পানী ওলাই যাব পৰাকৈ উন্নীতকৰণৰ বাবে ২৩ কোটি টকা অনুমোদন দিয়া হৈছে বুলি মন্ত্ৰী নেওগে ছয় পৃষ্ঠাত চাওক

# খেৰণিৰ দিক্লেমত বনৰীয়া হাতীৰ আক্ৰমণত এজন নিহত



**অগ্ৰদূত বাৰ্তা/বিশেষ সংবাদদাতা**

**ডংকামোকাম/খেৰণি, ৪ জানুৱাৰী ঃ** পশ্চিম কাৰ্বি আংলং জিলাৰ খেৰণি বনাঞ্চলিক কাৰ্যালয়ৰ অন্তৰ্গত দিক্লেমত বনৰীয়া হাতীৰ আক্ৰমণত এজন লোকৰ থিতাতে মৃত্যু হয়। দিক্লেম-হাৱাইপুৰ সংযোগী পথৰ দাঁতিত থকা জংঘলৰ মাজত উদ্ধাৰ হয় মৃতদেহটো। আজি দিনৰ ছয় পৃষ্ঠাত চাওক

# প্ৰণৱ কুমাৰ বৰ্মনলৈ সাহিত্যজ্যোতি বঁটা

■ ২০ বছৰত ৪৯খনকৈ গ্ৰন্থ



**বিশেষ সংবাদদাতা**

**নলবাৰী, ৪ জানুৱাৰী ঃ** সাহিত্য চৰ্চাৰ জৰিয়তে সুস্থ পৰিৱেশ সৃষ্টি, সমাজ জীৱনলৈ সৃষ্টিশীলতাৰ জাগৰণ অনা আৰু সুস্থ জীৱনবোধ প্ৰতিষ্ঠাৰ বাবে দীৰ্ঘ সময়জুৰি কাম কৰি অহা অসমৰ এক উল্লেখযোগ্য সাহিত্য সংস্থা উত্তৰ লক্ষীমপুৰৰ 'নতুন সুৰ প্ৰকাশনে' ২০২২ৰ সাহিত্য জ্যোতি বঁটা আগবঢ়াইছে অসমীয়া সাহিত্য ক্ষেত্ৰৰ বিশেষকৈ কাব্য সাহিত্য ক্ষেত্ৰৰ নক্ষত্ৰ স্বৰূপ প্ৰণৱ কুমাৰ বৰ্মনলৈ। যোৱা ৩০ ডিচেম্বৰত এই ঘোষণা সদৰী কৰিছে সংস্থাটোৰ দুই সহঃসঞ্চালক পংকজ সভাপণ্ডিত আৰু সঞ্জীৱ উপাধ্যায়ে। আনহাতে, ইতিমধ্যে কে'বাটাও বঁটা গ্ৰহণ কৰিবলৈ অসন্মতি প্ৰকাশ কৰা কবি-লেখক বৰ্মনে এইবাৰ উক্ত বঁটা প্ৰথমবাৰলৈ গ্ৰহণ কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰিছে। ছয় পৃষ্ঠাত চাওক

# ডিগবৈত আটক এজন আলফাৰ সংযোগকাৰী

**ডিগবৈ, ৪ জানুৱাৰী ঃ** ৰাজ্যখনত যোৱা কিছু মাহৰ পৰা নিষিদ্ধ ঘোষিত সংগঠন আলফা (স্বাঃ)-ই একপক্ষীয়ভাৱে অস্ত্ৰ বিৰতি ঘোষণা কৰি ৰখাৰ সময়তে ডিগবৈত এজন সংযোগকাৰীক আটক কৰে। উজনি অসমৰ বিশেষকৈ তিনিচুকীয়া জিলাৰ বিভিন্ন প্ৰান্তৰ যুৱক-যুৱতীসকলে আলফা (স্বাঃ)ৰ প্ৰতি আকৃষ্ট হৈ যোগদান কৰাৰ বাতৰি প্ৰকাশ পাই থকাৰ সময়তে আলফাৰ সংযোগকাৰী আটক হোৱাক লৈ জিলাখনত বৰ্তমানো আলফা (স্বাঃ)ৰ ছয় পৃষ্ঠাত চাওক

# ভূৰাগাঁৱত বিধায়কক কাষত বহুৱাই জলসম্পদ বিভাগক হুংকাৰ

কাৰ্যবাহী অভিযন্তা-চক্ৰ বিষয়াক উপায়ুক্ত নহা পৰ্যন্ত আৱদ্ধ কৰাৰ মুকলি আহ্বান



**অগ্ৰদূত বাৰ্তা**

**ভূৰাগাঁও, ৪ জানুৱাৰী ঃ** ইতিমধ্যে মৰিগাঁও জিলা জলসম্পদ বিভাগে ভূৰাগাঁৱৰ পশ্চিমাঞ্চলত মথাউৰি নিৰ্মাণৰ কাম আৰম্ভ কৰিছে যদিও ভূৰাগাঁও পাঁচআলিত একাংশ লোকে ভূৰাগাঁও হৰিচৰণ সৰকাৰ উচ্চতৰ মাধ্যমিক বিদ্যালয় আৰু ভূৰাগাঁও মহাবিদ্যালয়খনৰ পাছফালেদি মথাউৰি নিৰ্মাণৰ দাবীত সভা আদি অনুষ্ঠিত কৰি আছে। কালি ভূৰাগাঁও আই বিত মৌজাদাৰ মাধৱ সিঙৰ ছয় পৃষ্ঠাত চাওক

# হাৰমতীত বনৰীয়া হাতীৰ গচকত এজন নিহত

**অগ্ৰদূত বাৰ্তা**

**বান্দৰদেৱা, ৪ জানুৱাৰী ঃ** লখিমপুৰ জিলাৰ হাৰমতী আঞ্চলিক বন বিভাগৰ অন্তৰ্গত হাৰমতীৰ বগলী বনাঞ্চলত আজি আবেলি প্ৰায় পাঁচ বজাত বনৰীয়া হাতীৰ আক্ৰমণত এজন লোকৰ মৃত্যু হয়। হাৰমতী আঞ্চলিক বন বিষয়াই জানিব দিয়া মতে, হাৰমতীৰ তিনি নম্বৰ দৰখাস্ত গাঁৱৰ চুটি গুৰুং (৫০) নামৰ লোকজনে বগলী বনাঞ্চলৰ পৰা খৰি আনিবলৈ গৈ হাতীৰ আক্ৰমণত অকালতে মৃত্যুক আঁকোৱালি লয়। হাৰমতী আঞ্চলিক বন বিষয়াৰ নেতৃত্বত হাৰমতী আৰক্ষী চকীৰ আৰক্ষীয়ে বনকৰ্মীৰ সহযোগত বনাঞ্চলৰ পৰা চুটি গুৰুঙৰ মৃতদেহ হাৰমতী আৰক্ষীয়ে লৈ আনে। ইফালে, আহৰীয়ে সকলো ব্যৱস্থা কৰি গুৰুঙৰ মৃতদেহ মৰণোত্তৰ পৰীক্ষাৰ বাবে লখিমপুৰ অসামৰিক চিকিৎসালয়লৈ প্ৰেৰণ কৰে। উল্লেখ্য যে আজি কিছুদিন ধৰি লখিমপুৰ জিলাৰ সীমান্তৱৰ্তী, হাৰমতীৰ বগলী, দ্ৰোৰপ্ৰাং, মইজুলি, সোণাজুলি আদি অঞ্চলত বনৰীয়া হাতীয়ে বনাঞ্চলৰ পৰা জনবসতি অঞ্চলত প্ৰৱেশ কৰি উৎপাদিত শস্যৰ ক্ষতিসাধন কৰাৰ লগতে ৰাইজৰ নিদ্ৰাহৰণ কৰি আহিছে।

# ধোদৰ আলিক লৈ পুনৰ ৰাজনীতি

■ চাৰিলেন নহয় দুইলেন যুক্তহে হ'ব ■ নিৰ্মাণকাৰ্য বাদ পৰি যাব মৰিয়নিৰ একাংশ

**অগ্ৰদূত বাৰ্তা**

**মৰিয়নি, ৪ জানুৱাৰী ঃ** মৰিয়নি বিধানসভা সমষ্টিৰ ৰাইজৰ যোগাযোগৰ লাইফলাইন স্বৰূপ ঐতিহাসিক ধোদৰ আলিক লৈ চৰকাৰৰ পুনৰ ৰাজনীতি আৰম্ভ হৈছে। দীৰ্ঘদিন ধৰি পথটো নিৰ্মাণ নকৰাৰ ফলত জনসাধাৰণে জীয়াতু ভূগি আহিছিল; কিন্তু বিগত মৰিয়নি সমষ্টিৰ উপ-নিৰ্বাচনৰ আগতে এই ধোদৰ আলিৰ নিৰ্মাণ কৰা হ'ব বুলি চৰকাৰে ঘোষণা কৰিছিল। আনকি চাৰি লেনযুক্ত পথলৈ এই ধোদৰ আলি উন্নীতকৰণ কৰা হ'ব বুলিও মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই ঘোষণা কৰিছিল; কিন্তু মৰিয়নি সমষ্টিৰ উপ-নিৰ্বাচনৰ টোপ গিলাৰ পাছত মুখ্যমন্ত্ৰী ড° শৰ্মা নেতৃত্বাধীন বিজেপি চৰকাৰৰ মিথ্যাচাৰ পুনৰ প্ৰকাশ হৈছে। শেহতীয়াকৈ পথটো নিৰ্মাণৰ বাবে চৰকাৰে প্ৰস্তুতি চলাইছে যদিও তাতো বৈষম্য পৰিলক্ষিত হৈছে। এই সন্দৰ্ভত চৰকাৰী এক উচ্চস্তৰীয় সূত্ৰই জানিবলৈ দিয়া মতে, ধোদৰ আলিৰ উন্নীতকৰণৰ বাবে ইতিমধ্যে চৰকাৰে যাৱতীয় কাম-কাজ আৰম্ভ কৰিছে। অসম মালাৰ অধীনত 'আসাম ছেকেণ্ডাৰী ৰোড নেটৱৰ্ক ইম্প্ৰুভমেন্ট প্ৰজেক্ট (এএছআৰআইপি) আঁচনিৰ অধীনত পথটোত নিৰ্মাণ কৰা হ'ব বুলি সূত্ৰটোৱে জানিবলৈ দিছে। ইতিমধ্যে ইয়াৰ বাবে প্ৰশাসনীয় অনুমতি প্ৰদান কৰা বুলিও জানিব পৰা গৈছে। ইয়াৰ বাবে এছিয়ান ইনফ্ৰাষ্ট্ৰাকচাৰ ডেভলেপমেণ্ট বেংক (এআইআইডি)ৰ পৰা অৰ্থ সাহায্য আগবঢ়াইছে বুলিও সূত্ৰটোৱে লগতে জানিবলৈ দিছে। উল্লেখ্য যে ধোদৰ আলিৰ উন্নীতকৰণ হ'লেও চাৰিলেনযুক্ত নহয়। পূৰ্বৰ দৰেই দুইলেন যুক্তকৈহে নিৰ্মাণ হ'ব ধোদৰ আলি। মুখ্যমন্ত্ৰী ড° শৰ্মাই ঘোষণা কৰাৰ দৰে ছয় পৃষ্ঠাত চাওক

# অভি-নীল হত্যাকাণ্ডৰ এই পৰ্যন্ত ৬৭ জনৰ সাক্ষীৰ শুনানি গ্ৰহণ

■ পৰৱৰ্তী শুনানিৰ দিন ২৪ আৰু ২৯ জানুৱাৰী ধাৰ্য

**বিশেষ সংবাদদাতা**

**নগাঁও, ৪ জানুৱাৰী ঃ** সমগ্ৰ দেশ কঁপাই যোৱা অভি-নীল হত্যাকাণ্ডৰ বিচাৰ প্ৰক্ৰিয়াৰ ধাৰাবাহিক শুনানি অব্যাহত আছে। আজিও নগাঁও জিলা আৰু সত্ৰ ন্যায়াধীশৰ আদালতত অনুষ্ঠিত শুনানিত আৰু এজন লোকৰ সাক্ষ্য গ্ৰহণ কৰা হয়। সাক্ষ্য গ্ৰহণ কৰা লোকজন অভি-নীল হত্যাকাণ্ডৰ লগত জড়িত থকা এজন অভিযুক্তৰ পিতৃ বুলি জানিব পৰা গৈছে। সময়ৰ অসুবিধাৰ বাবে যোৱা ২১ ডিচেম্বৰত অনুষ্ঠিত শুনানিত বিষ্ণুৰাম খাকলাৰী নামৰ লোকজনৰ সাক্ষ্য গ্ৰহণ কৰিবলৈ সক্ষম হোৱা নাছিল। আজি গ্ৰহণ কৰা এইজন সাক্ষী লৈ ইতিমধ্যে সংশ্লিষ্ট আদালতে আৰক্ষী সহ ৬৭ জন লোকৰ সাক্ষ্য গ্ৰহণ কৰিছে। উল্লেখ্য যে আদালতে মুঠ ৭১ জন লোকৰ সাক্ষ্য গ্ৰহণ কৰিব। ফলত এতিয়াও চাৰিজন লোকৰ সাক্ষ্য ল'বলৈ আছে। ইপিনে, অভি-নীলৰ পিতৃয়ে আজি সাক্ষ্যদান কৰা লোকজনৰ পৰা ইতিবাচক সাক্ষ্য লাভ কৰাৰ সম্ভাৱনা নাই বুলি দাবী কৰিছে। দিনজোৰা শুনানিৰ অন্তত আদালতে অহা ২৪ আৰু ২৯ জানুৱাৰীৰ দুটা দিন পৰৱৰ্তী শুনানিৰ দিন ধাৰ্য কৰিছে। উল্লেখযোগ্য যে ২০১৮ৰ আঠ জুনত কাৰ্বি আংলঙৰ মনোৰম দৃশ্য উপভোগ কৰি উভতি অহাৰ পথত ছয় পৃষ্ঠাত চাওক

# এফ চি আইত চাকৰি দিয়াৰ নামত সৰকালে আঠ লাখ টকা

■ ভুক্তভোগীৰ অভিযোগৰ ভিত্তিত পিতৃ-কন্যাক গ্ৰেপ্তাৰ

**বিশেষ সংবাদদাতা**

**নগাঁও, ৪ জানুৱাৰী ঃ** ভাৰতীয় খাদ্য নিগম (এফ চি আই)ত চাকৰি দিয়াৰ নামত নিবনুৱাক লুণ্ঠন চলাই নগাঁও আৰক্ষীৰ হাতত গ্ৰেপ্তাৰ হ'ল এহাল পিতৃ-কন্যা। ধৃত পিতৃ-কন্যাৰ নাম প্ৰদীপ সৰকাৰ আৰু পাপৰি সৰকাৰ। অভিযোগ অনুসৰি, এই হাল পিতৃ কন্যাই নগাঁৱৰ ফৌজদাৰীপট্টিৰ বি বি বৰা পথত এটা ভাড়া ঘৰ লৈ তাতে জব কনচালটেন্সীৰ এজেন্সী এটা খুলি চাকৰিৰ বেহা পাতিছিল। কেন্দ্ৰীয় চৰকাৰৰ অধীনস্থ ভাৰতীয় খাদ্য নিগম অথবা ৰেল বিভাগত চাকৰি দিয়াৰ নামত এই দুই পিতৃ-কন্যাই বহুতৰে পৰা সংগ্ৰহ কৰিছিল বৃহৎ পৰিমাণৰ ধন। মূলতঃ শিলচৰৰ বাসিন্দা প্ৰদীপ সৰকাৰৰ বিৰুদ্ধে এগৰাকী প্ৰবঞ্চিত প্ৰাৰ্থী দ্বীবেন্দ্ৰ স্যানাল আৰু তেওঁৰ মাতৃ শুভ্ৰা স্যানালে নগাঁও সদৰ আৰক্ষী নিবেশত এখন এজাহাৰ দাখিল কৰিছিল। সেই অভিযোগৰ ভিত্তিত নগাঁও সদৰ আৰক্ষী থানাৰ ছয় পৃষ্ঠাত চাওক

# শিক্ষাবিদ-সাহিত্যিক পৱন কুমাৰ বৰুৱাৰ মৃত্যু



**গুৱাহাটী, ৪ জানুৱাৰী ঃ** বিশিষ্ট কবি, নিবন্ধকাৰ, কটন কলেজৰ অসমীয়া বিভাগৰ অৱসৰপ্ৰাপ্ত মুৰব্বী অধ্যাপক পৱন কুমাৰ বৰুৱা (৭৮)ৰ কালি মৃত্যু হয়। অসম সাহিত্য সভাৰ প্ৰাক্তন সহকাৰী সাধাৰণ সম্পাদক বৰুৱাৰ কালি মহানগৰীৰ এখন ব্যক্তিগত হাস্পতালত মৃত্যু হয়। মহানগৰীৰ বেলতলাৰ সোণালী পথ নিবাসী বৰুৱা কিছুদিন ধৰি অসুস্থ হৈ আছিল। যোৱা ৩০ ডিচেম্বৰত তেওঁক বেলতলাৰ জয়ানগৰৰ এজাইল হাস্পতালত ভৰ্তি কৰোৱা হৈছিল। ১৯৪৪ৰ পহিলা এপ্ৰিলত ছিপাঝাৰৰ দুৱাহাটী গাঁৱত জন্মগ্ৰহণ কৰা বৰুৱাই ছিপাঝাৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ত স্কুলীয়া শিক্ষা গ্ৰহণ কৰিছিল। ইয়াৰ পাছতে ১৯৬৫ত কটন কলেজৰ পৰা অসমীয়াত সন্মানসহ স্নাতক ডিগ্ৰী লোৱাৰ বিপৰীতে ১৯৬৭ত গুৱাহাটী বিশ্ববিদ্যালয়ৰ পৰা স্নাতকোত্তৰ ডিগ্ৰী লাভ কৰে। পৰৱৰ্তী সময়ত গোলাঘাট দেবৰাজ ৰয় কলেজত কৰ্মজীৱন আৰম্ভ কৰি পৰৱৰ্তী সময়ত ১৯৮১ত কটন কলেজত প্ৰৱক্তাৰূপে যোগদান কৰে। ইয়াৰ পূৰ্বে তেওঁ তুৰা চৰকাৰী কলেজ আৰু যোৰহাট বিজ্ঞান কলেজতো শিক্ষকতা কৰিছিল। ২০০২ত কটন কলেজৰ অসমীয়া বিভাগৰ মুৰব্বী অধ্যাপকৰূপে অৱসৰ গ্ৰহণ কৰা বৰুৱাই কাব্যচৰ্চাৰে সাহিত্য জীৱন আৰম্ভ কৰি পিছলৈ ভাষা-সাহিত্যৰ সংস্কৃতি আদি বিভিন্ন বিষয়ত নিবন্ধ লিখে। সাহিত্যৰ ক্ষেত্ৰখনত বৰুৱাৰ সুকীয়া পৰিচিত আছিল। তেওঁ 'অসমীয়া গদ্যশৈলী আৰু অন্যান্য' আৰু এখন কবিতাপুথি ৰচনা কৰাৰ উপৰি ছয় পৃষ্ঠাত চাওক

■ মূল্যবান যন্ত্ৰৰ ৰক্ষণাবেক্ষণৰ সময় নাই বন বিভাগৰ

# চামগুৰিৰ বাঁহ হস্তশিল্প উৎপাদন কেন্দ্ৰ এৰাবাৰীত পৰিণত



**অগ্ৰদূত বাৰ্তা**

**চামগুৰি, ৪ জানুৱাৰী ঃ** ৰাজ্যখনৰ লাখ লাখ নিবনুৱা কৰ্মসংস্থাপনৰ বাবে উপাৰ্জনহীন হৈ থকা সময়ত ৰাজ্য চৰকাৰৰ বন বিভাগৰ অধীনস্থ বাঁহ হস্তশিল্প প্ৰশিক্ষণ কেন্দ্ৰ এটা এৰাবাৰীত পৰিণত হৈছে নগাঁও জিলাৰ চামগুৰিত। দিছপুৰত চৰকাৰ সলনি হোৱাৰ পাছতে উৎপাদন কেন্দ্ৰটো এলাগী হোৱাৰ অভিযোগ উঠিছে। উল্লেখ্য যে বিগত কংগ্ৰেছ চৰকাৰৰ আমোলৰ প্ৰাক্তন বনমন্ত্ৰী ৰকিবুল হুছেইনৰ গৃহ সমষ্টি চামগুৰিৰ বাজিয়াগাঁৱত এটা বাঁহ হস্তশিল্প উৎপাদন কেন্দ্ৰ এটা স্থাপন কৰিছিল। বন বিভাগে বহল দৃষ্টিভংগীৰে স্থাপন কৰা বাঁহ হস্তশিল্প উৎপাদন কেন্দ্ৰটোত আত্মসহায়ক গোটকে আদি কৰি নিবনুৱাক বাঁহৰ দ্বাৰা নিৰ্মাণ কৰিব পৰা সামগ্ৰীৰ প্ৰশিক্ষণৰ ব্যৱস্থা কৰিছিল। উৎপাদন কেন্দ্ৰটোত প্ৰশিক্ষণ দিবলৈ বাঁহ কটা, বাঁহ ফলা, বাঁহ চিজনিং কৰা, ফাৰ্ণিচাৰ বনোৱা মূল্যবান যন্ত্ৰসমূহ ইন্দোৰৰ পৰা আনি স্থাপন কৰিছিল বুলি বন বিভাগৰ এক সূত্ৰত প্ৰকাশ। সূত্ৰটোৱে জনোৱা মতে, একাংশ আত্মসহায়ক ছয় পৃষ্ঠাত চাওক

# নৱম শ্ৰেণীৰ ছাত্ৰই লিখিলে দুখনকৈ ইংৰাজী ভাষাৰ উপন্যাস

ফেকাল্টি হায়াৰ ছেকেণ্ডাৰীৰ ছাত্ৰ অয়ন আৰ্যৰ দ্বিতীয়খন উপন্যাস উন্মোচন



**অগ্ৰদূত বাৰ্তা**

**উত্তৰ গুৱাহাটী, ৪ জানুৱাৰী ঃ** 'আজিৰ দিনটো কেৱল এখন বিদ্যালয়ৰ বাবেই নহয় সমগ্ৰ অসমৰ বাবে এটা গৌৰৱৰ দিন। কাৰণ এজন নৱম শ্ৰেণীৰ ছাত্ৰই অসমবাসীক এখন উপন্যাস উপহাৰ দি নিজৰ অদম্য সৃজনশীল প্ৰতিভাৰ পৰিচয় দাঙি ধৰিছে।' এই মন্তব্য আনন্দৰাম বৰুৱা ভাষা কলা সংস্কৃতি গৱেষণা সংস্থা, অসমৰ সঞ্চালক ড° দিলীপ ছয় পৃষ্ঠাত চাওক

দৈনিক অগ্ৰদূত

গুৱাহাটী বুধবাৰ ২০ পুহ ১৪২৮ ভাস্কৰাব্দ ৫ জানুৱাৰী ২০২২



# সমতাই মহামাৰীৰ সমাধান

সমগ্ৰ বিশ্বতে পুনৰ কৰ'না ভাইৰাছৰ সংক্ৰমণ বৃদ্ধি পাবলৈ ধৰিছে। ভাৰতত এই ভাইৰাছৰ তৃতীয়টো ঢৌ ইতিমধ্যে আৰম্ভ হৈছেই বুলি কোৱা হৈছে। আনহাতে, বিশ্বৰ প্ৰতিখন দেশতেই কৰ'না ভাইৰাছৰ নৱতম মাৰাত্মক সংস্কৰণ অ'মিক্ৰনৰ প্ৰাদুৰ্ভাৱো পৰিলক্ষিত হৈছে। এনে সামগ্ৰিক গোলকীয় পৰিস্থিতিত সহজেই বিশ্বৰ পৰা কৰ'না ভাইৰাছ আৰু তাৰ নিত্য নতুন সংস্কৰণসমূহ নাইকিয়া হ'ব বুলি আশা কৰিব নোৱাৰি।

পিছে বিশ্ব স্বাস্থ্য সংস্থাৰ মুখ্য বিষয়া টেড্ৰছ আধানম ঘেব্ৰেয়েচাছে কৈছে যে যদিহে অসমতা আঁতৰ কৰিব পৰা যায় তেন্তে ২০২২ৰ ভিতৰতেই বিশ্বৰ পৰা কৰ'নাক বিদায় দিয়াটো সম্ভৱ হৈ উঠিব। তেওঁ আক্ষেপ কৰি কৈছে যে কেতবোৰ দেশৰ সংকীৰ্ণ জাতীয়তাবাদী মনোভাৱ আৰু প্ৰতিষেধক মজুতকৰণৰ ফলত বিশ্বত সমতা ভংগ কৰা হৈছে আৰু অ'মিক্ৰনৰ দৰে মাৰাত্মক ভাইৰাছ সৃষ্টিৰ অনুকূল পৰিৱেশৰ সৃষ্টি হৈছে। এনে ধৰণৰ অসমতা যদি বাঢ়ি গৈ থাকে, তেনেহ'লে মহামাৰীৰ প্ৰকোপো বাঢ়ি গৈ থাকিব আৰু মহামাৰী নিয়ন্ত্ৰণ অথবা মহামাৰী সম্পৰ্কে আগতীয়াকৈ পূৰ্বানুমান কৰাটোও সম্ভৱ নহ'ব বুলি বিশ্ব স্বাস্থ্য সংস্থাৰ মুৰব্বী বিষয়াগৰাকীয়ে কৈছে।

বিশ্ব স্বাস্থ্য সংস্থাৰ এই সকীয়নি বৰ্তমান অতি গুৰুত্বপূৰ্ণ। মহামাৰীৰ সংক্ৰমণ ৰোধ সুকীয়া সুকীয়াকৈ কৰাটো অসম্ভৱ। বৰ্তমান গোলকীয় আদান-প্ৰদান তথা মুক্ত বাণিজ্যৰ দিনত কোনো দেশেই পলুৰ লেটাৰ দৰে নিজকে সুৰক্ষিত কৰি ৰাখিব নোৱাৰে। বৰ্তমান কেতবোৰ দেশত প্ৰতিষেধকৰ নাটনিৰ বাবেই হওক বা চৰকাৰৰ ভুল নীতিৰ বাবেই হওক, হেজাৰ হেজাৰ মানুহ প্ৰতিষেধকৰ নিয়মীয়া ডোজৰ পৰা বঞ্চিত হৈছে। বিশ্বত কে'বা দশকৰ অধ্যয়ন আৰু পৰীক্ষা-নিৰীক্ষাৰ পাছত স্বাস্থ্যসেৱাৰ যি প্ৰগতি বা উন্নয়ন সাধিত হৈছিল মহামাৰীয়ে সেই উন্নয়নক প্ৰত্যাহ্বানৰ সন্মুখীন কৰাইছে। অসমতাৰ ফলত বহু লোকে মহামাৰীৰ উপৰি সোঁচৰা তথা অন্যান্য ৰোগৰ চিকিৎসাৰ পৰা বঞ্চিত হৈ আছে।

অ'মিক্ৰন, ডেল্টা ইত্যাদি কৰ'না ভাইৰাছৰ নতুন সংক্ৰমণক লৈ বিশ্ব স্বাস্থ্য সংস্থা অতিশয় চিন্তিত। অ'মিক্ৰন পোনতে আফ্ৰিকাত আৱিষ্কৃত হৈছিল যদিও অতি কম সময়ৰ ভিতৰতেই আমেৰিকা যুক্তৰাষ্ট্ৰ আৰু ইউৰোপত এইবিধ মাৰাত্মক ভাইৰাছ উদ্বেগজনকভাৱে বিয়পিবলৈ ধৰিছে। অ'মিক্ৰন ভাইৰাছৰ সংক্ৰমণে স্বাস্থ্যসেৱা ব্যৱস্থা তথা স্বাস্থ্য কৰ্মীসকলৰ ওপৰত অধিক হেঁচাৰ সৃষ্টি কৰিব। ক'ভিড-১৯ৰ সমান্তৰালভাৱে ইয়াৰ নতুন নতুন মাৰাত্মক সংস্কৰণসমূহে বিশ্বত ২০২২তো বিভীষিকাৰ সৃষ্টি কৰিব পাৰে বুলি আশংকাৰ সৃষ্টি হৈছে।

বিশ্বৰ সকলোবোৰ দেশে সমন্বয়ৰ মাজেৰে যদিহে এই মহামাৰীৰ বিৰুদ্ধে যুঁজ নকৰে, তেনেহ'লে এইবিধ ভাইৰাছৰ আক্ৰমণ ৰোধ কৰিব পৰা নহ'ব। বিশ্ব স্বাস্থ্য সংস্থাই এই নতুন বছৰৰ মাজভাগৰ ভিতৰত বিশ্বৰ ৭০ শতাংশ লোকক পূৰ্ণ প্ৰতিষেধক দিয়াৰ ব্যৱস্থা কৰিবলৈ পৰামৰ্শ আগবঢ়াইছে। বিশ্বৰ সকলো দেশে প্ৰাথমিক স্বাস্থ্যসেৱা ব্যৱস্থা যদিহে উন্নত নকৰে, তেনেহ'লে কৰ'না মহামাৰী সহজে ৰোধ কৰিব নোৱাৰিব। স্বাস্থ্যই সকলো নিয়ন্ত্ৰণ কৰে। জনস্বাস্থ্য যদিহে বিপদৰ গৰাহত পৰে তেনেহ'লে সকলো দেশৰেই অৰ্থনীতি, ৰাজনীতি আনকি সংস্কৃতিও বিপদৰ গৰাহত পৰিব। গতিকে ভাইৰাছৰ বিৰুদ্ধে মাৰবান্ধি সমন্বয়ৰ মাজেৰে বিশ্ববাসীয়ে আগনাবাঢ়িলে ক'ভিড-১৯ৰ বিৰুদ্ধে সফল সংগ্ৰাম চলোৱাটো সম্ভৱ নহ'ব। নতুন বছৰৰ আৰম্ভণিতেই বিশ্বৰ সকলো দেশৰ চৰকাৰে এই কথাখিনি যিমান সোনকালে উপলব্ধি কৰে, সিমানেই মংগল।


## নৱবৰ্ষৰ পুৰস্কাৰ

# চৰু উদঙোৱা মূল্যবৃদ্ধি, আসন্ন নিৰ্বাচন আৰু মহামাৰী

নতুন ইংৰাজী বছৰটোত আমি চৰকাৰৰ পৰা উপহাৰ হিচাপে পাইছো জোতা, কাপোৰ, সূতা, পেকেজিং সামগ্ৰীৰ পৰা আৰম্ভ কৰি নিত্য ব্যৱহাৰ্য বয়বস্তুৰ ওপৰত পাঁচ শতাংশৰ পৰা ১২ শতাংশ জি এছ টি বৃদ্ধি— অৰ্থাৎ এইবোৰ সামগ্ৰীৰ লগতে আনুষংগিক সামগ্ৰীৰ তীব্ৰ মূল্যবৃদ্ধি। এই জি এছ টিৰ বৰ্দ্ধিত হাৰ পহিলা জানুৱাৰীৰ পৰা কাৰ্যকৰী হোৱাৰ কথা আছিল যদিও সম্ভৱতঃ পাঁচখন ৰাজ্যৰ আসন্ন নিৰ্বাচনলৈ চাই ২৮ ফেব্ৰুৱাৰীলৈকে এই জি এছ টিৰ নতুন নিৰিখ স্থগিত ৰাখিছে।

দেশত আসন্ন নিৰ্বাচনে জনসাধাৰণক মূল্যবৃদ্ধিৰ কবলৰ পৰা সাময়িকভাৱে ৰক্ষা কৰা দেখা যায়। এতিয়া মিঠাতেলৰ দাম কিঞ্চিৎ পৰিমাণে হ্ৰাস পাইছে। আৰু কেতবোৰ সামগ্ৰীৰ দামো হ্ৰাস পাইছে সাময়িকভাৱে। কাৰণ সন্মুখত নিৰ্বাচন। নিৰ্বাচন গ'লেই সুদে-মূলে উচুল কৰা হ'ব এইখিনি কম হোৱা মূল্য। তথাপি এতিয়াও অত্যাৱশ্যকীয় সামগ্ৰীৰ দাম যথেষ্ট বেছি। চৰকাৰে এহাতে বিনামূলীয়া গেছৰ কানেকচন দিছে মহিলাসকলক, আনহাতে, গেছৰ দাম বঢ়াইছে প্ৰতিটো চিলিণ্ডাৰত। এতিয়া এটা চিলিণ্ডাৰৰ মূল্য প্ৰায় এহেজাৰ টকা। ৰন্ধন গেছত চৰকাৰে দিয়া অনুদান হ্ৰাস পাই প্ৰায় শূন্য হৈছেগৈ। গ্ৰামাঞ্চল তথা নগৰাঞ্চলৰ দৰিদ্ৰ মহিলাৰ বাবে এতিয়া এহেজাৰ টকাত চিলিণ্ডাৰ ক্ৰয় কৰাটো বাহুল্য হৈ পৰিছে। গতিকে বিনামূলীয়া গেছৰ সংযোগ তথা চিলিণ্ডাৰবোৰ এতিয়া গৃহস্থৰ বাবে হাৰমালত পৰিণত হৈছে। আমি দেখিছো বিনামূলীয়া গেছৰ সংযোগ পোৱা প্ৰায়বোৰ পৰিয়ালেই খৰিৰেই ৰন্ধা-বঢ়া কৰি আহিছে। এনেদৰে প্ৰায়বোৰ চৰকাৰী আঁচনি ভেঁকোভাওনাত পৰিণত হৈছে। নিৰন্তৰ মূল্যবৃদ্ধি হৈ থাকিলে মানুহক চৰকাৰী সাহায্য বা অনুদান দিলেও কোনো লাভ নহয়। এহাতেৰে দি আনখন হাতেৰে লৈ যোৱাৰ লেখীয়া হয়।

পিঁয়াজৰ দাম যোৱা ফেব্ৰুৱাৰীত কিলোত ২০/২৫ টকা আছিল। এতিয়া পিঁয়াজৰ দাম ৪৫/৫০ টকা হৈছেগৈ। এতিয়াৰ পৰা চিমেন্ট, ইস্পাত, গাড়ী-মটৰৰ যন্ত্ৰপাতি, খাদ্য প্ৰদান, পৰিবহণ আৰু আনকি এ টি এমৰ পৰা ধন উলিওৱাৰ দামো বৃদ্ধি পাব। বিৰোধীসকলে কৈছে যে বস্ত্ৰ উদ্যোগৰ স'তে জড়িত ১৫ লাখ লোকে চাকৰি হেৰুৱাব বস্ত্ৰৰ ওপৰত জি এছ টি বৃদ্ধি প্ৰস্তাৱৰ বাবে। সূতা আৰু বস্ত্ৰৰ লাগতিয়াল কেঁচামালৰ ৮৩ শতাংশ অসংগঠিত খণ্ডৰ পৰা আহে। ফলত শিপিনী তথা দুখীয়া লোকসকল ক্ষতিগ্ৰস্ত হ'ব। জোতা-ছেণ্ডেল আদি উদ্যোগৰ সৰহভাগ অসংগঠিত ক্ষেত্ৰৰ বাবে দুখীয়াসকলহে ক্ষতিগ্ৰস্ত হ'ব। জি এছ টি কাউন্সিলে কৰ বৃদ্ধি কৰাৰ প্ৰস্তাৱটো চৰকাৰে নিৰ্বাচনলৈ চাই স্থগিত ৰাখিছে। যদিহে চৰকাৰে দেশখনৰ সাধাৰণ লোক ক্ষতিগ্ৰস্ত হোৱাটো নিবিচাৰে, তেনেহ'লে জি এছ টি কাউন্সিলৰ প্ৰস্তাৱ বাতিল ঘোষণা কৰা উচিত আছিল বুলি সকলোৱে কৈছে। নতুন বছৰৰ অন্যতম চৰকাৰী সুখবৰ এয়ে যে অসমত হেনো বিদ্যুতৰ মাচুল পুনৰ বৃদ্ধি কৰিব। লোড শ্বেডিং নোহোৱাকৈ বিদ্যুৎ যোগান দিবলৈ বিদ্যুৎ কোম্পানী সমৰ্থ হওক বা নহওক, বিদ্যুতৰ মূল্যবৃদ্ধিৰ বাবে তেওঁলোক প্ৰায় উদ্যত। এইবাৰ ডিচেম্বৰৰ শেষৰ ফালে গোসাঁইগাঁৱলৈ গৈ বিদ্যুৎ কৰ্তনৰ অদ্ভুত অভিজ্ঞতা সঞ্চয় কৰিলো। প্ৰতিটো সন্ধ্যা কমেও তিনি-চাৰিঘন্টাকৈ এঘন্টা-দুঘন্টাৰ বাবে লোড শ্বেডিং। সি যি কি নহওক, মূল্যবৃদ্ধিৰ প্ৰকোপে এইবাৰ ভোগালী বিহুটোও সেৰেঙা কৰি তুলিব যেন ধাৰণা হৈছে।



**নিউজ স্কেন**

**গীতাৰ্থ পাঠক**

খাদ্য, উপভোক্তা পৰিক্ৰমা আৰু গণ-বিতৰণৰ ওপৰত গঠিত ষ্টেণ্ডিং কমিটী এখনে যোৱা মাৰ্চতেই কেতবোৰ পৰামৰ্শ আৰু মতামত আগবঢ়াইছিল। এই কমিটীয়ে অত্যাৱশ্যকীয় সামগ্ৰী আইন-১৯৫৫ৰ অধীনত অত্যাৱশ্যকীয় সামগ্ৰীৰ তালিকাখন সময়ে সময়ে পৰ্যালোচনা কৰি এই তালিকাত অধিক উপভোক্তাৰ সামগ্ৰী অন্তৰ্ভুক্ত কৰিবলৈ পৰামৰ্শ আগবঢ়াইছিল। কমিটীয়ে আক্ষেপ কৰি কৈছিল যে ২০০৬ৰ পাছত অত্যাৱশ্যকীয় সামগ্ৰীৰ তালিকাখনত নতুন সামগ্ৰী অন্তৰ্ভুক্ত কৰি আইনখন সংশোধন কৰা নাই। ষ্টেণ্ডিং কমিটীৰ পৰামৰ্শ পৰামৰ্শ হৈয়েই আছে। কৃত্ৰিম নাটনি সৃষ্টি কৰাটো ৰোধ কৰাৰ বাবে ওপৰত উল্লেখ কৰা অত্যাৱশ্যকীয় সামগ্ৰীবোৰৰ জৰুৰীকালীন ভঁৰাল ৰাখিবলৈ পৰামৰ্শ দিয়া হৈছিল। এই ক্ষেত্ৰত চৰকাৰে কি কৰিছে, সেয়া আমাৰ জ্ঞাত নহয়।



**দেশত আসন্ন নিৰ্বাচনে জনসাধাৰণক মূল্যবৃদ্ধিৰ কবলৰ পৰা সাময়িকভাৱে ৰক্ষা কৰা দেখা যায়। এতিয়া মিঠাতেলৰ দাম কিঞ্চিৎ পৰিমাণে হ্ৰাস পাইছে। আৰু কেতবোৰ সামগ্ৰীৰ দামো হ্ৰাস পাইছে সাময়িকভাৱে। কাৰণ সন্মুখত নিৰ্বাচন। নিৰ্বাচন গ'লেই সুদে-মূলে উচুল কৰা হ'ব এইখিনি কম হোৱা মূল্য**

এইখন কমিটীয়ে প্ৰতিবেদনখনত উল্লেখ কৰিছিল যে ২০১৬ৰ পৰা ২০২০ৰ ভিতৰত চৰকাৰৰ খাদ্যৰ মান নিয়ন্ত্ৰণ ভংগ কৰা বহু সামগ্ৰীৰ নমুনা ধৰা পৰিছে। অৰ্থাৎ স্বাস্থ্যৰ পক্ষে ক্ষতিকাৰক খাদ্যসামগ্ৰী বজাৰত বিক্ৰী হৈ আছে। পিছে এই কালছোৱাত এই আইনৰ অধীনত দোষী সাব্যস্ত হোৱাৰ পৰিমাণ ১৬০৫ৰ পৰা ৮২১লৈ হ্ৰাস পাইছে। ফুড চেফ্‌টি এণ্ড ষ্টেণ্ডাৰ্ড অথ'ৰিটী অৱ ইণ্ডিয়াৰ কেন্দ্ৰ আৰু ১০টা বাণিজ্য কেন্দ্ৰ স্থাপনৰ পৰামৰ্শ দিয়া হৈছিল; কিন্তু সেইটো হৈ উঠা নাই। কমিটীৰ প্ৰতিবেদনে ইয়াকেই সূচাইছে যে দেশত ভেজাল মানহীন খাদ্যসামগ্ৰী বজাৰত বাঢ়িছে অথচ এইবোৰ নিৰীক্ষণ কৰি চৰকাৰী ভেজালকাৰীক শাস্তি দিয়া নাই। দেশত খেতি চপোৱাৰ ক্ষেত্ৰত যথাযথ ব্যৱস্থাৰ অভাৱ আৰু শীতল ভাণ্ডাৰ যথেষ্ট পৰিমাণে নথকাৰ ফলত ৩০ শতাংশ খাদ্যশস্য বিনষ্ট হয় বুলি কোৱা হৈছে। এই ক্ষেত্ৰতো উৎপাদিত খাদ্যশস্যৰ ৩০ শতাংশ বিনষ্ট হোৱাটো ৰোধ কৰাৰ বাবে চৰকাৰে কোনো ধৰণৰ ব্যৱস্থা লোৱা নাই।

খাদ্যশস্যৰ মূল্য নিয়ন্ত্ৰণ বিভাগে বয়বস্তুৰ দাম নিয়ন্ত্ৰণৰ বাবে ঠায়ে ঠায়ে প্ৰাইছ ৰিপ'ৰ্টি চেন্টাৰ বা সংক্ষেপে পি আৰ চি স্থাপন কৰিছে। পিছে ভালেকেইখন ৰাজ্যত মাত্ৰ এটা পি আৰ চিহে আছে। ওপৰত উল্লেখ কৰা ষ্টেণ্ডিং কমিটীখনে সৰ্বসাধাৰণ মানুহে যাতে বয়বস্তুৰ প্ৰকৃত বজাৰ মূল্য জানিব পাৰে, তাৰ বাবে এনে পি আৰ চি অধিক স্থাপনৰ পৰামৰ্শ দিছিল যদিও এই পৰামৰ্শও চৰকাৰে কাৰ্যকৰী কৰা নাই। ৰন্ধন গেছ আৰু পেট্ৰ'ল-ডিজেলৰ মূল্য অন্যান্য চুবুৰীয়া ৰাজ্যৰ স'তে ৰিজাই এইবোৰৰ ওপৰত আৰোপিত অত্যধিক কৰ হ্ৰাস কৰাৰ পৰামৰ্শ সুদীপ বন্দোপাধ্যায়ৰ নেতৃত্বাধীন এই সংসদীয় ষ্টেণ্ডিং কমিটীখনে দিছিল যদিও চৰকাৰে এইবোৰ পৰামৰ্শৰ এটাও মানি নল'লে। যদি ষ্টেণ্ডিং কমিটীখনৰ পৰামৰ্শ চৰকাৰে মানি নলয়, তেনেহ'লে এনে কমিটীবোৰ গঠন কৰে কিয়, সেয়া ভাবি চাবলগীয়া বিষয়।

গোৱা, মণিপুৰ, উত্তৰ প্ৰদেশ, উত্তৰাখণ্ড আৰু পাঞ্জাৱ— এই পাঁচখন ৰাজ্যৰ আসন্ন নিৰ্বাচনে মূল্যবৃদ্ধি হয়তো সাময়িকভাৱে হোৱাত বাধা দিব। বৰ্তমান পৰিস্থিতিত শাসক দলে বুজি পাইছে যে মানুহৰ মনত ক্ষোভ জমা হ'ব ধৰিছে। প্ৰধানমন্ত্ৰী, মুখ্যমন্ত্ৰী আৰু অন্যান্য মন্ত্ৰীসকলে যিমান পাৰে সিমান বিভিন্ন আঁচনি তথা প্ৰকল্পৰ আধাৰশিলা স্থাপন কৰিবলৈ লৈছে। নিৰ্বাচনৰ সময়ত স্থাপন কৰা এনে হেজাৰ হেজাৰ আধাৰশিলা কলিতেই মৰহি যোৱা ফুলৰ দৰে হেৰাই গৈছে। সি যি কি নহওক, বহুতেই এতিয়া সন্দেহ প্ৰকাশ কৰিছে যে নিৰ্বাচন অনুষ্ঠিত হ'ব নে নহয়। বিশেষকৈ ক্ষিপ্ৰগতিত শাসক দলৰ ভাবমূৰ্তি ম্লান হৈ অহা তথা নিৰ্বাচনী জয়ৰ সম্ভাৱনা হ্ৰাস পোৱা উত্তৰ প্ৰদেশৰ নিৰ্বাচনক লৈ সম্প্ৰতি চৰ্চা চলা দেখিবলৈ পোৱা গৈছে। চৰকাৰৰ বাবে সুবিধা এয়ে হৈছে যে দেশত কৰ'নাৰ তৃতীয় এটি ঢৌৰ সৃষ্টি হৈছে। ফলত শাসক দলে প্ৰস্তুত কৰা এছ অ' পিয়ে যাতে শাসক দলক নিৰ্বাচনী প্ৰচাৰত সুবিধা দিয়ে সেইটো চৰকাৰে চাব। আনহাতে, মহামাৰী নিয়ন্ত্ৰণৰ বাবে ঘোষণা কৰা এছ অ' পিয়ে যাতে বিৰোধীসকলক অসুবিধাত পেলায়, তাৰো ব্যৱস্থা শাসক দলে কৰাৰ সম্ভাৱনা আছে। আনহাতে, শাসক দলে মহামাৰীক আওকাণ কৰি বৃহৎ বৃহৎ নিৰ্বাচনী সমাৰেশ অনুষ্ঠিত কৰি দেশত অধিক পৰিমাণে মহামাৰী বিয়পাই দিয়াৰ সম্ভাৱনা নুই কৰিব নোৱাৰি। যোৱা অসম বিধানসভা নিৰ্বাচনৰ সময়ত আমি দেখিছিলো কেনেদৰে ৰাজনৈতিক দলে বিশেষকৈ শাসক দলে মহামাৰীক আওকাণ কৰি বৃহৎ বৃহৎ সমাৰেশ অনুষ্ঠিত কৰিছিল। যোৱা দুই জানুৱাৰীৰ দিনা উত্তৰ প্ৰদেশৰ মীৰুটত বৃহৎ সমাৰেশ অনুষ্ঠিত কৰি মেজৰ ধ্যানচাঁদ ক্ৰীড়া বিশ্ববিদ্যালয়ৰ আধাৰশিলা স্থাপন কৰিছিল। এই সমাৰেশত প্ৰায় কোনোৱেই মাস্ক পিন্ধা দেখা পোৱা নগ'ল। নিৰ্বাচন হ'বলগীয়া ৰাজ্যসমূহত শাসক দলে অনুষ্ঠিত চৰকাৰী অনুষ্ঠানবোৰক একপ্ৰকাৰৰ নিৰ্বাচনী সভালৈ ৰূপান্তৰিত কৰা দেখা যায়। যদিও নিৰ্বাচনী আচৰণ বিধিত স্পষ্টভাৱে কোৱা আছে যে শাসক দলে তেওঁলোকৰ চৰকাৰী আসনখন নিৰ্বাচনী প্ৰচাৰৰ বাবে ব্যৱহাৰ কৰিব নালাগে তথাপি নিৰ্বাচন আয়োগৰ এই আচৰণ-বিধি শাসক দলে উলংঘা কৰা দেখা যায়। নিৰ্বাচন আয়োগেও যোৱা নিৰ্বাচনসমূহত শাসক দলক সাহায্য কৰাৰ বাবে বিভিন্ন ধৰণৰ পক্ষপাতিত্বমূলক সিদ্ধান্ত লোৱা দেখিছো।

সি যি কি নহওক, এইবাৰৰ পাঁচখন ৰাজ্যৰ নিৰ্বাচনত মূল্যবৃদ্ধি এক জ্বলন্ত নিৰ্বাচনী ইছ্যু হোৱা উচিত। শাসক দলে উত্তৰ দিয়ক কিয় এই আকাশলংঘী মূল্যবৃদ্ধি? বিৰোধীসকলেও ৰাইজক বুজাওক, তেওঁলোকে জনসাধাৰণৰ জ্বলন্ত সমস্যাসমূহ দাঙি ধৰাৰ বাবে কি ভূমিকা গ্ৰহণ কৰিছে।

*ফোন ঃ ৯৪৩৫০৪৮৪৮৪*

## খোলা মঞ্চ

# অসমীয়া ভাষাৰ অস্তিত্বৰ সংকট এতিয়াও আছেনে?



**অসমীয়া** ভাষা, সাহিত্য, সংস্কৃতি অসমীয়া জাতিৰ দাপোণ স্বৰূপ। অতীজৰে পৰা হাড়ে-হিমজুৰে ভালপোৱা অসমীয়া জাতিৰ পুৰোধা সাহিত্যৰ কাণ্ডাৰীসকলে বহু প্ৰচেষ্টাৰে জাতিটোৰ ভাষাক জীয়াই ৰাখিবলৈ কৰা আপ্ৰাণ চেষ্টাৰ কথা অসমৰ বুৰঞ্জীৰ পাতত চিৰ যুগমীয়া হৈ থকাৰ সময়তেই অসমবাসীৰ মনলৈ ভাষা, সাহিত্য, অস্তিত্বৰ সংকট অহাৰ প্ৰশ্ন উদয় হোৱাটো অতি পৰিতাপৰ কথা হৈ থিয় দিছে।

অসমীয়া ভাষাৰ অস্তিত্বৰ সংকট বৰ্তমান নাই বুলি ক'ব পাৰো যদিও অনাগত দিনত এই সংকটে গা কৰি উঠিব পাৰে বুলি বহুজনে শংকা প্ৰকাশ কৰি আহিছে। ইংৰাজ শাসনৰ আগৰে পৰা বহু ক্ষেত্ৰত প্ৰচলিত বঙলা ভাষাক আঁতৰ কৰিবৰ বাবে উপায় বিচাৰি আনন্দৰাম ঢেকিয়াল ফুকন, পদ্মনাথ গোহাঞি বৰুৱা, গুণাভিৰাম বৰুৱা, লক্ষ্মীনাথ বেজবৰুৱা আদি বহুজন অসমপ্ৰেমী ব্যক্তিয়ে অসমীয়া ভাষাৰ আলোচনী, পত্ৰিকা প্ৰকাশ কৰিছিল। অসমীয়া ভাষাৰ স্থায়িত্ব আনিবৰ বাবে পশ্চিমৰ দেশত অসমীয়া ভাষাপ্ৰেমী নাথন ব্ৰাউনে অসমীয়া ব্যাকৰণখন ৰচনা কৰিলে। সেই সময়তে খ্ৰীষ্টান মিছনাৰীসকলেও অসমীয়া ভাষাৰ অস্তিত্ব ৰক্ষাৰ হেতু বহু ধৰণৰ প্ৰচেষ্টা চলোৱাৰ কথা জনা যায়।

বৰ্তমান অসমীয়া সাহিত্যৰ ভঁৰাল চহকী হৈছে বুলি আমি ভাবিছো যদিও বিশ্ব দৰবাৰত যেনেদৰে আগুৱাই লৈ যাব পাৰিব লাগিছিল, সেইটো যেন অন্য সাহিত্যৰ তুলনাত হোৱা নাই। সাহিত্যইহে ভাষাটোৰ মান বহু উচ্চ স্তৰলৈ লৈ গৈ এটা জাতিক প্ৰতিষ্ঠা লাভ কৰাত সহায় কৰে; কিন্তু আজি যেন ভাষাটো শুদ্ধকৈ শিকাৰ জাতীয় চেতনাকণো বহু মানুহৰ মনৰ পৰা হেৰাই গৈছে। কি ভাষা শিকিলে নিজৰ বেছি লাভ হ'ব, তেনে ভাষাৰ প্ৰতি অনুৰাগ বাঢ়ি গৈছে। সেয়েহে ৰাজ্যখনত চুবুৰিয়ে চুবুৰিয়ে ইংৰাজী মাধ্যমৰ বিদ্যালয়ে গা কৰি উঠিছে। এচাম লোকে ইংৰাজী ভাষা শিক্ষাদানেৰে ব্যৱসায় আৰম্ভ কৰি নিজৰ অৰ্থ উপাৰ্জনৰ দিশটো টনকিয়াল কৰাত ব্যস্ত। দেশৰ উঠি অহা প্ৰজন্মই নিজৰ মাতৃভাষাটো জানিছেনে নাই তাৰ প্ৰতি কোনো ভ্ৰূক্ষেপ নাই।

**অনু বৰা হাজৰিকা,** লেখিকা

ভাৰতৰ ভিতৰৰে বহু ৰাজ্যত নিজৰ মাতৃভাষাটো প্ৰথমে লিখিব আৰু পঢ়িব জনাৰ পাছতহে অন্য ভাষাৰ শিক্ষাত জোৰ দিয়ে। ই এক জাতীয় চেতনাবোধৰ নিদৰ্শন বুলি ক'ব লাগিব। পশ্চিমীয়া বহু দেশত নাগৰিকত্ব পাবলৈ সেই দেশৰ ভাষা পঢ়িব আৰু লিখিব জনাৰ পাছত পৰীক্ষা দি উত্তীৰ্ণ হ'ব লাগিব। এই নিয়ম চৰকাৰে বলৱৎ কৰি দেশৰ আইন-শৃংখলা অটুট ৰাখি দেশৰ জনগণৰ ওপৰত চকু ৰাখে।

বিদেশৰ পৰা অহা ব্যক্তিয়ে অসমীয়া জাতিক ভাল পাই অসমীয়া ভাষাক স্থায়ীভাৱে জীয়াই ৰাখিবলৈ কৰা প্ৰচেষ্টাৰ কথা জানিও আজিৰ বহু সাহিত্যিকৰ সন্তানে অসমীয়া লিখিব আৰু পঢ়িব নজনাৰ কথা ব্যক্ত কৰা শুনা যায়। সেইসকলে দুখ প্ৰকাশ কৰি কয়— 'মই নিজে ৰচনা কৰা সাহিত্য সম্ভাৰবিলাক সন্তানে পঢ়িব নাজানে।' সেই কথা মই নিজে শুনাৰ পাছত ভাবিছিলো তাৰ বাবেতো সন্তান দায়ী নহয়। সন্তানক পশ্চিমীয়া সংস্কৃতিৰে ডাঙৰ কৰি নিজৰ ভাষাটোক ভাল পাবলৈ নিশিকোৱাৰ ফলতে সেই সন্তানে কেতিয়াও নিজৰ মাতৃভাষা, সাহিত্যৰ প্ৰতি অনুৰক্ত হ'ব নোৱাৰে। এনেদৰে উঠি অহা নৱ প্ৰজন্মক যদি আমি অভিভাৱকবিলাকে ভাষা-সাহিত্যৰ জ্ঞানৰ পৰা আঁতৰাই ৰাখো, তেতিয়া দেশলৈ ভাষাৰ অস্তিত্বৰ সংকট নামি নাহিব বুলি ক'ব নোৱাৰো।

*ফোন ঃ ৯৪৩৫০৬১৪৪৭*

# ভাৰতীয় সংবিধান ৰচনাৰ ইতিবৃত্ত

**১৯৪৭ৰ জুলাইত ব্ৰিটিছ পাৰ্লিয়ামেণ্টত ভাৰতীয় স্বাধীনতা আইন পাছ হয়। এই আইন মানি ব্ৰিটিছ ভাৰত ভাঙি ভাৰত আৰু পাকিস্তান অধিৰাজ্য স্থাপন হয়। এই অধিৰাজ্য দুখনৰ আইন সভাক যিকোনো আইন পাছ কৰাৰ অধিকাৰ দিয়ে**

**সংবিধান** হ'ল দেশৰ মৌলিক আইন। দেশৰ চৰকাৰৰ মূলনীতিবোৰ প্ৰতিফলিত হয় সংবিধানত। সংবিধানে কেৱল যে চৰকাৰৰ বিভিন্ন অংগৰ গঠন আৰু কাম-কাজৰ ৰূপৰেখাহে ঠিক কৰে তেনে নহয়, সংবিধানে চৰকাৰৰ মতে দেশৰ জনতাৰ সম্পৰ্ক কেনেকুৱা হ'ব, সেই কথাও কৈ দিয়ে। ব্ৰিটিছ যুক্তৰাষ্ট্ৰৰ বাহিৰে বিশ্বৰ সকলোবোৰ গণতান্ত্ৰিক ৰাষ্ট্ৰতে লিখিত সংবিধান আছে।

স্বাধীনতাৰ পাছত আমাৰ দেশত সংবিধান ৰচনাৰ কাৰণে এটি গণ পৰিষদ গঠন কৰা হৈছিল। এই গণ পৰিষদেই ভাৰতীয় সংবিধানৰ ৰচয়িতা আৰু প্ৰৱৰ্তক। ঔপনিবেশিক যুগৰ বিভিন্ন আইন আৰু চনদে এই সংবিধানৰ ওপৰত প্ৰভাৱ পেলাইছিল। গতিকে বৰ্তমান ভাৰতৰ সংবিধান ৰচনাৰ ইতিহাস আলোচনাৰ আগতে সেই পুৰণি চনদ আৰু আইনবোৰৰ ইতিহাস জানি লোৱা প্ৰয়োজন।

**সংবিধান ৰচনাৰ পটভূমি ঃ** ১৬০০ খ্ৰীষ্টাব্দত ব্ৰিটিছসকলে ভাৰতলৈ আহে প্ৰথম বণিকৰ বেশত। বাণিজ্যৰ সুবিধাৰ কাৰণে তেওঁলোকে ইষ্ট ইণ্ডিয়া কোম্পানী নামেৰে এটি সংস্থা চালু কৰিছিল। কোম্পানীয়ে ৰাণী এলিজাবেথৰ পৰা 'ইষ্ট ইণ্ডিজ' অৰ্থাৎ দক্ষিণ-পূব এছিয়াত বাণিজ্য কৰাৰ অধিকাৰ চনদ লাভ কৰে। প্ৰথম অৱস্থাত চনদৰ সময়সীমা আছিল ১৫ বছৰ। লগতে আৰু কোৱা হৈছিল চৰকাৰ বা ব্ৰিটিছ জনগণৰ কোনো ধৰণৰ ক্ষতি নহ'লে চনদৰ সময়সীমা আৰু বঢ়োৱা হ'ব। অধিকাৰ পোৱাৰ পাছত কোম্পানীয়ে স্থানীয় শাসকসকলৰ পৰা মাটি আৰু অন্যান্য নানা ধৰণৰ সুযোগ-সুবিধা আদায় কৰে আৰু বাণিজ্য কেন্দ্ৰ স্থাপন কৰে। কোম্পানী পৰিচালনাৰ বাবে স্থানীয় শাসকসকলক আইন, সংবিধান, আদেশ (অৰ্দাৰ) আৰু অধ্যাদেশ জাৰি কৰাৰ অধিকাৰো দিয়া হৈছিল। ১৬০৯ আৰু ১৬৬১ৰ চনদৰ পুনৰ নবীকৰণ কৰাৰ পাছত কোম্পানীৰ সময়সীমা আৰু বৰ্ধিত কৰা হয়।



১৮ শতিকাৰ মাজভাগ পৰ্যন্ত ইষ্ট ইণ্ডিয়া কোম্পানীৰ ধ্যানজ্ঞান সকলো আছিল মূলতঃ বাণিজ্য। কিন্তু মোগল সাম্ৰাজ্যৰ দুৰ্বলতাৰ সুযোগ লৈ ভাৰতত যি অৰাজকতাৰ সৃষ্টি হয় সেই পৰিস্থিতিৰ পূৰ্ণ সদ্ব্যৱহাৰ কৰি কোম্পানীটো ভাৰতৰ প্ৰভু হৈ পৰে। ১৭৫৭ত পলাচীৰ যুদ্ধত কোম্পানীয়ে জয়লাভ কৰাৰ পাছত ই আৰু বেছি সুদৃঢ় হৈ পৰে। ১৭৬৫ত কোম্পানীয়ে চাহ আলমৰ ওচৰৰ পৰা বাংলা, বিহাৰ আৰু ওড়িছাৰ দেওৱানি আদায় কৰি লয়। ইয়াৰ ফলস্বৰূপে কোম্পানীয়ে ৰাজস্ব আদায় আৰু বিচাৰ বিভাগীয় কাজ-কৰ্ম পৰিচালনাৰ দায়িত্ব পায়। ভাৰতৰ মাটিতে স্থাপিত হয় কোম্পানীৰ সাৰ্বভৌমত্ব।

ইতিমধ্যে কোম্পানীৰ কাজ-কৰ্ম নিয়ন্ত্ৰণৰ কাৰণে ব্ৰিটিছ চৰকাৰে একাধিক চনদ আৰু আইন পাছ কৰে। এইবোৰৰ ভিতৰত কেইখনমান উল্লেখযোগ্য আইন হ'ল যথাক্ৰমে ১৭৭৩ৰ ৰেগুলেটিং আইন, ১৭৯১ৰ সংশোধনী আইন, ১৭৮৪ৰ পিটৰ ভাৰত আইন, ১৭৮৬ৰ আইন আৰু ১৭৯৩, ১৯১৩, ১৮৩৩ আৰু ১৮৫৩ৰ চনদ আইন। ১৮৫৭ৰ মহাবিদ্ৰোহৰ পাছত কোম্পানীৰ শাসন ব্যৱস্থা অবলুপ্ত হয়। ব্ৰিটিছ চৰকাৰে ১৮৫৮ৰ ভাৰত চৰকাৰ আইন অনুযায়ী ভাৰতৰ শাসনভাৰ নিজৰ হাতত তুলি লয়।

১৮৫৮ৰ পাছত ব্ৰিটিছ চৰকাৰে ভাৰত শাসন কৰিবৰ বাবে একাধিক আইন পাছ কৰিছিল। ব্ৰিটিছ চৰকাৰে পাছ কৰা এই আইনবোৰৰ ভিতৰত উল্লেখযোগ্য হ'ল ১৮৬৯, ১৮৯২ আৰু ১৯০৯ৰ ভাৰতীয় কাউন্সিল আইন আৰু ১৯১৯ৰ ভাৰতীয়সকলৰ প্ৰত্যাশা পূৰণ কৰিবলৈ ব্যৰ্থ হয়। ফলস্বৰূপে প্ৰশাসনিক কাম-কাজত ভাৰতীয়সকলৰ বৃহত্তৰ অংশগ্ৰহণৰ সুযোগ-সুবিধা আদায়ৰ দাবীত নেতৃবৰ্গই আন্দোলন আৰু বেছি তীব্ৰ কৰিব ধৰে।

১৯৩৫ত ভাৰতীয় জাতীয় কংগ্ৰেছে দাবী কৰে যে কোনো ধৰণৰ বিদেশী হস্তক্ষেপ নোহোৱাকৈ ভাৰতীয়সকলক নিজৰ সংবিধান ৰচনাৰ অধিকাৰ দিব লাগিব। জৱাহৰলাল নেহৰুৱে প্ৰাপ্তবয়স্ক ভোটাধিকাৰৰ ভিত্তিত এটি গণ পৰিষদ গঠনৰ দাবী জনায়। ব্ৰিটিছ চৰকাৰে কিন্তু দ্বিতীয় বিশ্বযুদ্ধ আৰম্ভ হোৱাৰ আগলৈ এই দাবীত কোনো ধৰণৰ কৰ্ণপাত কৰা নাছিল। কিন্তু ১৯৪০ত পৰিস্থিতিৰ তীব্ৰ চাপত পৰি ব্ৰিটিছসকলে স্বশাসিত ভাৰতৰ কাৰণে এটি নতুন সংবিধান ৰচনাৰ অধিকাৰ ভাৰতীয়সকলক দিবলৈ সন্মত হয়। ১৮৪২ত চ্যাৰ ষ্টাফোৰ্ড ক্ৰিপচে কিছুমান প্ৰস্তাৱ লৈ ভাৰতবৰ্ষলৈ আহে। তেওঁৰ মূল উদ্দেশ্য আছিল যুদ্ধৰ সময়ত যিকোনো উপায়েৰে ভাৰতবাসীৰ সহযোগিতা বজাই ৰখা। কিন্তু তেওঁৰ প্ৰস্তাৱ কংগ্ৰেছ বা মুছলিম লীগ কোনোৱেই মানি লোৱাটো সম্ভৱপৰ হৈ নুঠিল। ইয়াৰ পাছত ১৯৪৪ (চি আৰ ফৰ্মূলা) আৰু ১৯৪৫ (ওৱাভেল পৰিকল্পনা)ত সাংবিধানিক জটিলতা দূৰ কৰিবৰ বাবে যথেষ্ট চেষ্টা কৰা হৈছিল যদিও, সেয়া কিন্তু ফলপ্ৰসূ হৈ নুঠিল। পৰৱৰ্তী কালত ১৯৪৬ত কেবিনেট মিছনৰ প্লেনৰ বলত সমস্যাৰ সমাধান হয়। এই প্লেনত সংবিধান ৰচনাৰ কাৰণে গণ পৰিষদ স্থাপনৰ কথা উল্লেখ কৰা হয়। ইয়াৰ পাছত আৰু যিমানদিন সংবিধান ৰচনা কৰা হয়, সিমানদিন ভাৰতৰ সকলোবোৰ প্ৰধান ৰাজনৈতিক দলৰ প্ৰতিনিধিসকলক লৈ কেন্দ্ৰত এটি অন্তৰ্বৰ্তী চৰকাৰ গঠনৰ কথাও কোৱা হয়।

**অনিতা গোস্বামী**

১৯৪৭ৰ জুলাইত ব্ৰিটিছ পাৰ্লিয়ামেণ্টত ভাৰতীয় স্বাধীনতা আইন পাছ হয়। এই আইন মানি ব্ৰিটিছ ভাৰত ভাঙি ভাৰত আৰু পাকিস্তান অধিৰাজ্য (ডে'মিনিয়ন) স্থাপন হয়। এই অধিৰাজ্য দুখনৰ আইন সভাক যিকোনো আইন পাছ কৰাৰ অধিকাৰ দিয়ে।

১৯৪৭ৰ ১৪ আৰু ১৫ আগষ্টতে মাজনিশা গণ পৰিষদৰ এখন বিশেষ অধিবেশন বহে। এই অধিবেশনত ভাৰতৰ শাসন ক্ষমতা হস্তান্তৰিত হয়। ক্ষমতা হস্তান্তৰৰ পাছত গণ পৰিষদৰ সংবিধান আৰু আইন প্ৰণেতাৰ যৌথ ভূমিকা পালন আৰম্ভ হয়। এনেদৰে ক্ৰমে গণ পৰিষদেই হৈ উঠে ভাৰতৰ প্ৰথম চনদ। ১৯৫২ৰ সাধাৰণ নিৰ্বাচনৰ সকলো কাম গণ পৰিষদে চলাই যায়।

**সংবিধান ৰচনাৰ ইতিহাস ঃ** আগতেই উল্লেখ কৰা হৈছে যে ১৯৪৬ৰ কেবিনেট মিছন প্ল্যানৰ অধীনত ভাৰতৰ গণ পৰিষদ গঠিত হয়। এই গণ পৰিষদৰ মুঠ সদস্য সংখ্যা আছিল ৩৮৯ জন। ইয়াৰ ভিতৰত প্ৰদেশবিলাকৰ আছিল ২৯২ জন, দেশীয় ৰাজ্যবোৰৰ ৯৩ জন, চিফ কমিচনাৰ শাসিত প্ৰদেশবোৰৰ এজন আৰু বালুচিস্তানৰ এজন সদস্য। সেই চনৰে অৰ্থাৎ ১৯৪৬ৰ ন ডিচেম্বৰত গণ পৰিষদৰ প্ৰথম অধিবেশন অনুষ্ঠিত হয়। অন্তৰ্বৰ্তী সভাপতি হিচাপে নিৰ্বাচিত হয় গণ পৰিষদৰ প্ৰবীণতম সদস্য ড° সচ্চিদানন্দ সিংহ। ভাৰতীয় বিভাগৰ পাছত মুছলিম লীগে তেওঁলোকৰ সদস্যসকলক প্ৰত্যাহাৰ কৰি লয়। ফলস্বৰূপে গণ পৰিষদৰ সদস্য সংখ্যা কমি গৈ হয়গৈ মাত্ৰ ২৯৯ জন। ইয়াৰ ভিতৰত প্ৰদেশবোৰৰ ১২৯ জন আৰু দেশীয় ৰাজ্যবোৰৰ পৰা সদস্য আছিল ৭০ জন। গণ পৰিষদে সংবিধান ৰচনাৰ বাবে ১৩ খন কমিটী গঠন কৰা হয়। এই কমিটীবোৰৰ ৰিপোৰ্ট অনুসৰি ড° ভীমৰাও ৰামজী আম্বেদকাৰৰ নেতৃত্বত সাত সদস্যৰে খচৰা কমিটী সংবিধানেৰে খচৰা প্ৰস্তুত কৰা হয়।



১৯৪৮ৰ জানুৱাৰীত খচৰাটো প্ৰকাশিত হয়। লগতে সমগ্ৰ দেশবাসীক খচৰাটো সম্পৰ্কত আলোচনা আৰু সংশোধনী প্ৰস্তাৱৰ কাৰণে আঠৈ মাহ সময় দিয়ে। এই সময়ছোৱাৰ ভিতৰত ৭৬৩৫ টা সংশোধনী প্ৰস্তাৱ আহে। এই প্ৰস্তাৱসমূহৰ ভিতৰত ২৪৭৩ টা প্ৰস্তাৱ আলোচনাৰ পাছত বাতিল হৈ যায়।

১৯৪৬ৰ ডিচেম্বৰৰ পৰা ১৯৪৯ৰ নৱেম্বৰ পৰ্যন্ত গণ পৰিষদৰ মুঠ ১১ খন অধিবেশন অনুষ্ঠিত হয়। সংশোধনী প্ৰস্তাৱ অনুযায়ী দেশবাসী, গণমাধ্যম, প্ৰাদেশিক আইনসভা আৰু গণ পৰিষদ কৰ্তৃক আলোচনা আৰু সংশোধন কৰা হয়। ইয়াৰ পাছত ১৯৪৯ত ২৬ জানুৱাৰীত খচৰাখনত গণ পৰিষদৰ সভাপতিয়ে স্বাক্ষৰ কৰে। গণ পৰিষদৰ অন্যান্য সদস্যসকলে এই খচৰাত স্বাক্ষৰ কৰে ১৯৫০ৰ ২৬ জানুৱাৰীত। নাগৰিকত্ব, নিৰ্বাচন, অন্তৰ্বৰ্তী সংসদ আৰু সাময়িক আৰু হস্তান্তৰযোগ্য বিষয়বোৰ ১৯৪৯ৰ ২৬ নৱেম্বৰত কাৰ্যকৰী হৈ যায়। এনেদৰে দুবছৰ ১১ মাহ ১৮ দিনৰ প্ৰচেষ্টাত ৰচিত হয় ভাৰতৰ সংবিধান।

*ফোন ঃ ৯৮৬৪২৯৫০২৪*

দৈনিক অগ্ৰদূত



# মানুহ সদায় দৌৰ প্ৰতিযোগিতাৰ ঘোঁৰা হয় থাকিবনে?

**জয়কান্ত শৰ্মা (কনিষ্ঠ)**

**কুৰুক্ষেত্ৰৰ** যুদ্ধত অৰ্জুনৰ ৰথৰ সাৰথি আছিল শ্ৰীকৃষ্ণ। এজন সাধাৰণ ব্যক্তি, সখা বা শাসক মাত্ৰ। ৰথখনো সাধাৰণ। দুই চকাযুক্ত ৰথখন চাৰিটা শক্তিশালী ঘোঁৰাই টানে। ঘোঁৰাই লেকাম অৱশ্যে শ্ৰীকৃষ্ণৰ হাতত। সেইটোৱেই আচল কথা। গীতাৰ দৰে মহান গ্ৰন্থ লিখা, পঢ়া আৰু দহজনৰ আগত পাঠ কৰাৰ প্ৰয়োজনীয়তাও তাতেই।

দৰাচলতে ভগৱান শ্ৰীকৃষ্ণ অকল অৰ্জুনৰ ৰথৰ সাৰথিয়েই নহয় প্ৰতিজন ব্যক্তিৰেই জীৱন সাৰথি। তেৱেঁই বিচাৰ, বিবেচনা আৰু বিবেক (লেকাম)। ৰথৰ ঘোঁৰা চাৰিটাক আমি যদি কাম, ক্ৰোধ, লোভ, মোহ, নামৰ মাতাল ঘোঁৰা (প্ৰবৃত্তি) কেইটাই অনুবৰতে চেকুৰী ফুৰিব খোজে। আমাৰ ৰথ নামৰ চঞ্চল মনটোক টানি লৈ ফুৰে মাতাল ঘোঁৰা কেইটাই। মনৰ তাড়নাত দেহ বা শৰীৰটোৱে দৌৰি মৰে প্ৰতিযোগিতাৰ ঘোঁৰাৰ দৰে।

তীব্ৰ বেগী ৰথখনে (মনটোৱে) আমাক ধন-সম্পদ, বস্তু-সামগ্ৰীৰে ভৰপূৰ ৰংচঙীয়া ৰাজলৈ লৈ যায়। আমি যাওঁ। তাত গৈ আমি লাজ-লজ্জাহীন, লালায়িত পশু হৈ পৰো। ধন-সম্পদ, বস্তু-সামগ্ৰী আদি আহৰণত সময়, শক্তি আৰু অৰ্থৰ অপচয় কৰো। বিচৰা মতে সেইবোৰ নাপালে অন্যায়-অবিচাৰ, হিংসা-হত্যাৰ আশ্ৰয় লৈ আমি হঠাতে নৰপিশাচো হওঁ।

আচলতে সত্য যুগ, কলি যুগ বুলি কোনো কাল নাই। এইবোৰ আমাৰ মনৰ অৱস্থা। মানুহৰ মনটোৱে সৰগক নৰক আৰু নৰকক সৰগ কৰিব পাৰে। আমাৰ মনৰ অৱস্থা, আমাৰ স্বভাৱ- চৰিত্ৰ আৰু কৰ্মই সত্য যুগ নতুবা কলি যুগক আহ্বান কৰে। সৎ চিন্তা, সৎ কৰ্ম আৰু সৎ বুদ্ধিয়ে সত্য যুগ ৰচনা কৰে, তেনেদৰে বস্তু-সামগ্ৰীৰ প্ৰতি লোভ-লালসা, ধন-সম্পদৰ প্ৰতি অদম্য স্পৃহা আৰু তাক নাপাই কৰা হিংসা-হত্যাই কলি যুগক নামাতিনো কাক মাতিব। মনৰূপী ৰথখনৰ চকা দুটা হৈছে সময়চক্ৰ আৰু জীৱন চক্ৰ। সময় গতিশীল। ৰথখনো (মন) গতিশীল। তীব্ৰবেগী ৰথখনে কেতিয়াবা সময়ৰো আগত দৌৰিব খোজে আৰু কেতিয়াবা সময়ক ধৰি বান্ধি ৰাখিবলৈ ধৃষ্টতাও কৰে। কিন্তু সময়ক বান্ধি ৰাখিব পাৰি জানো? সৃষ্টি পাতনিৰ পৰা সময়চক্ৰ আগবাঢ়িছে বিৱৰ্তন, বিকাশ আৰু বিস্তাৰক বোকোচাত লৈ। প্ৰকৃতিৰ চিৰ শাশ্বত নীতি হ'ল ক্ৰমবিৱৰ্তন, শৃংখল আৰু বিস্তাৰণ।

জীৱন চক্ৰত জীৱৰ জন্ম, বৃদ্ধি-বিকাশ আৰু মৃত্যু বা বিনাশ অৱধাৰিত। মানুহ বা আন জীৱৰ জন্মৰ লগতে মৃত্যু লাগি আছে। সাঙোৰ খাই আছে প্ৰবৃত্তি। লোভ-লালসা, কামনা-বাসনা ইত্যাদি আছে উপসৰ্গ হৈ। সৃষ্টি চক্ৰই সময় চক্ৰ আৰু জীৱন চক্ৰক পৰিচালিত কৰি থকাৰ মাজতে সৃষ্টি হলে ধ্বংস বা বিনাশ অনিবাৰ্য কৰিও তোলে। কিন্তু প্ৰকৃতিৰ সৃষ্টি পৰিকল্পনাত জীৱনবোৰ তেজ-মঙহ আৰু চেতন মনৰ হোৱা হেতুকে সুখ-দুখ, বিষাদ-বেদনা, হাঁহি-কান্দোন আদি অনুভৱ-অনুভূতিপ্ৰৱণ হয়। উন্নত জীৱ হিচাপে মানুহ নামৰ জীৱবিধৰ লোভ-মোহ, কামনা-বাসনা, ঈৰ্ষা, হিংসা আদি আহি পৰাটো তেনেই স্বাভাৱিক হৈ পৰে। তাৰ পাছতো মানুহৰ মন-মগজুত কৃষ্ণৰূপী বিচাৰ-বিবেচনা বা বিবেক থকা হেতুকে লোভ-মোহ, কামনা, ঈৰ্ষা-অসূয়া আদিক নিয়ন্ত্ৰিত কৰি ৰখাও অস্বাভাৱিক নহয় অৱশ্যে।

কৃষ্ণৰূপী সাৰথিক আমি আমাৰ জীৱনৰ সাৰথি কৰি ল'ব পাৰিলে, ৰথৰ ঘোঁৰা (ৰিপু)ক সঠিক ঠাইত লেকাম লগাব পাৰিলে আমি আমাৰ পশুত্বলৈ অৱনমিত হোৱাৰ পৰা ৰক্ষা কৰিব পাৰিম নিশ্চয়। সত্য যুগৰ সহজ-সৰল, সত্য-নিষ্ঠাবান মানুহ হ'ব পাৰিম সাৰথিৰ হাতৰ লেকাম আমাৰ নিজৰ নিজৰ হাতত বা অন্তৰত ৰাখি।

আজিৰ এই সময় প্ৰকৃতিৰ সৃষ্টি চক্ৰত আউল লগা সময়। প্ৰাকৃতিক সম্পদবোৰ বিচাৰ-বিবেচনাহীনভাৱে আহৰণ কৰি ধন ঘটা সময়। ৰাজহুৱা ধন-সম্পদবোৰ গো-গ্ৰাসে গিলি নোদোকা হোৱাৰ সময়। প্ৰতিজন লোক প্ৰতিযোগিতাৰ ঘোঁৰা হোৱাৰ সময়। সৃষ্টি চক্ৰৰ ভাৰসাম্য নষ্ট কৰি শৃংখল ভঙা আৰু প্ৰকৃতি বিনাশ কৰা সময় এয়া। আজিৰ সমাজ ব্যৱস্থা ধন-সম্পদ আহৰণ কৰি ভোগ কৰা, বৃহৎ কিবা এটা কৰি চমৎকাৰ সৃষ্টি কৰা আৰু বাজি বা প্ৰতিযোগিতাত জিকি সমাজৰ পৰা বাঃ বাঃ লোৱাৰ সময়। সেই কাৰণেই এই কাল কলি কাল। কলি কালত বেয়াবোৰহে ভাল হয়। ভাল লোক, জ্ঞানী-গুণীৰ পৰিৱৰ্তে ধন-ঐশ্বৰ্যৰ পূজা হয় ভাল।

সকলোবোৰ মানুহে সেইবোৰকে স্বীকাৰ কৰি নতুবা প্ৰাধান্য দি চকু মুদি থাকিব জানো চিৰকাল? দুষ্ট-অধৰ্মী (কৌৰৱ)ক দমন কৰি সাধু-শান্ত (পাণ্ডৱ)ক পালন কৰা কৃষ্ণক আমি আমাৰ জীৱনৰ সাৰথি কৰি নলম জানো? আমাৰ জীৱন ৰথৰ ঘোঁৰাবোৰক যেনি-তেনি চেকুৰী ফুৰিব দিমনে সদায়। নিশ্চয় নিদিওঁ। প্ৰকৃতিৰ সৃষ্টি চক্ৰৰ মহান আঁচনিত আউল লাগিবও নিদিয়ে বিবেকবান মানুহে। অধিক প্ৰাপ্তিৰ বাসনা পৰিহাৰ কৰি হিংসা-হত্যা, ঈৰ্ষা-অসূয়া মানুহে কমাব নিজ গুণেৰে। প্ৰাপ্তি-অপ্ৰাপ্তিৰ চিন্তা, হতাশা-নিৰাশা আৰু উদ্বিগ্নতা কমাই আনি সুন্দৰভাৱে জীয়াই থকাৰ বাবে সুন্দৰ পৰিৱেশ মানুহেই ৰচনা কৰিব লাগিব। সত্য যুগক আকৌ আহ্বান কৰিব মানুহে নিজৰ সৎ বুদ্ধি, সৎ চিন্তা আৰু সৎ কৰ্মৰে।

অৱশ্যে ভোগবাদী অৰ্থনীতিত অৰ্থ আহৰণ আৰু ভোগ সৰ্বোচ্চ জীৱন সামাজিক দস্তুৰ হৈ পৰে বুলি ক'লেও ভুল কোৱা নহয় চাগৈ। ধন-সম্পদ, ঘৰ-মাটি আৰু বস্তু-সামগ্ৰী গোটোৱা উদ্দেশ্যটোৱেই প্ৰথম আৰু প্ৰধান লক্ষ্য হৈ পৰে। এনে সামাজিক পৰিৱেশত উচ্চ চিন্তা, সৎ জীৱন যাপন আৰু সহজ-সৰল জীৱন ধাৰণ প্ৰণালী বহুতৰ নহয় পছন্দ। মানুহৰ মান-মৰ্যাদা পৰিমাপন হয় প্ৰাপ্তিৰ পথাৰত, ঐশ্বৰ্যৰ ভঁৰালত আৰু সঘনে হয় ক্ষমতা হস্তগত কৰাৰ ক্ষেত্ৰত। সেই কাৰণেই হ'বলা অৰ্থ আহৰণৰ প্ৰতিযোগিতাত দৌৰি থকা প্ৰতিযোগীজনে ন্যায়-নিষ্ঠা, দয়া-কৰুণ, পৰোপকাৰ আদি মূল্যবোধ পাহৰি পেলায়। কেৱল সম্পদ আহৰণ কৰা মন্ত্ৰহে আওৰাই। প্ৰাপ্তিৰ প্ৰত্যাশাই পাপ কৰ্মকো বিনাদ্বিধাই কৰি যোৱাত প্ৰেৰণা যোগায়। আৰু যোগাই প্ৰেৰণা সম্পদশালী হোৱাত।

মুক্ত বাণিজ্য নীতিত আকৌ দেশৰ মানুহ একো-একোজন গ্ৰাহক। বণিয়াবোৰে মানুহক গ্ৰাহক কৰিহে ক্ষান্ত থাকে। উদ্যোগ, কল-কাৰখানা আদিত উৎপাদিত হোৱা বস্তু-সামগ্ৰী কিনি আনি মানুহৰ কৃত্ৰিম প্ৰয়োজনবোৰ পূৰণ কৰিবলৈও একপ্ৰকাৰ বাধ্য কৰাই আকৰ্ষণীয় আৰু চকুত ছাট মাৰি ধৰা বিজ্ঞাপনেৰে। বস্তুৰ বিজ্ঞাপনবোৰ সংস্থাবোৰে এনেভাৱে বাৰ বাৰ সমপ্ৰচাৰ কৰে যে সেইবোৰ বস্তু নহ'লে বা সংগ্ৰহ নকৰিলে আমাৰ জীৱনবোৰ ব্যৰ্থ হ'ব। সাৰ্থক, সুখী আৰু ঐশ্বৰ্যশালী জীৱন যাপন কৰিবলৈ উক্ত সামগ্ৰী কিম্বা আহিলাবোৰ লাগিবই। মটৰ-গাড়ী, যন্ত্ৰ বিশেষ আচবাব আদিৰ ক্ষেত্ৰতো একেই কথা। বিজ্ঞাপনে আমাৰ মন-মস্তিষ্কত এনে চিন্তা-ভাব সুমুৱাই দিব যে সময়ৰ লগত খোজ মিলাই চলিবলৈ সেইবোৰ আহৰণ কৰিবই লাগিব নহ'লে যেন আমাৰ জীৱনবোৰেই বৃথা হৈ যাব। অসাৰ হয়।

আজিৰ পৰিৱেশত অতৃপ্ত মানুহৰ মস্তিষ্কত এটা কথাই অনবৰত ক্ৰিয়া কৰি থাকে সেইটো হ'ল 'মোক লাগে, লাগে আৰু লাগে।' আন এটা বস্তুই প্ৰতিটো ক্ষণতে খেলা কৰি থাকে, সেইটো হ'ল 'এইটো নহ'ল, এইটো নাপালো, এইটো নকৰিলো। জীৱনত কি হ'ল, কি পালো আৰু কি কৰিলো? '

সুখ-সন্তুষ্টিৰে জীৱন কটাবলৈ আমাক বাৰু কি কি বস্তু লাগে? কি কি হ'লে আমাৰ জীৱনবোৰ চমকি উঠিব বা কি নহ'লে জীৱনলৈ এন্ধাৰ নামি আহিব? মানুহৰ আকাংক্ষাইতো সদায় কয় মোক ধন-সম্পদ লাগে, প্ৰতিপত্তি লাগে, সমাজৰ পৰা মান-সন্মান পাব লাগে। ভোগ আৰু বিষয়-বাসনা পূৰণ কৰি সুখ-সমৃদ্ধি বৃদ্ধি কৰি সমাজক সুখী হোৱাৰ ছবি এখন দেখুৱাব লাগে। মানুহৰ পৰা প্ৰশংসা বুটলিবলৈ সকলোতকৈ সুন্দৰ ঘৰ এটা থাকিব লাগে, সেই ঘৰটোৰ সন্মুখত এখন নামী-দামী গাড়ী ৰখাই থোৱা অৱস্থাত সদায় থাকিব লাগে যাতে মানুহে ঘূৰি ঘূৰি চাই, কিবা এটা মন্তব্য দি যায়।

কিন্তু একেখিনি মানুহে এইটো ভাবিবলৈ টান পায় যে সৎ আৰু সুখী জীৱন যাপন কৰিবলৈ মানুহক ইমান বস্তু-সামগ্ৰী, ঘৰ-মাটি বা মটৰ গাড়ীৰ প্ৰয়োজন মুঠেই নাই। সাধাৰণ উপাৰ্জনেৰে, অতি সাধাৰণ বয়-বস্তুৰে মানুহে সুন্দৰভাৱে সুখী জীৱন যাপন কৰিব পাৰে। আজিৰ মানুহে মন নকৰে যে সুন্দৰ, সৰল আৰু সুখী জীৱনৰ আধাৰ হ'ল— নিস্বাৰ্থ মন, দুৰ্নীতিমুক্ত কৰ্ম আৰু আত্মবিশ্বাসী নিৰ্ভয় জীৱন। প্ৰকৃতাৰ্থত সহজ-সৰল-শান্তিপূৰ্ণ জীৱনেই সুখী জীৱন।

এই দুঃসময়ত মানুহৰ মনত এই যে লাগে লাগে, মোৰ ভাববোৰে (সকলো সময়তে) মগজুত বাহাৰ পাতি বহি থাকে তাৰ বাবেই 'আমাৰ', 'আমি', 'সকলোৰে' ভাববোৰে কোনোমতে মগজুত প্ৰৱেশ কৰিব নোৱাৰে। আত্মকেন্দ্ৰিকতা, ক্ষুদ্ৰতা আৰু ঠেক মানসিকতাই সামূহিক চিন্তা-চৰ্চাক সদায় গৱা মাৰি ধৰি থাকে। মানুহক আৰু লাগে' 'আৰু লাগে' ভাবৰ তাগিদাই তেওঁক ধন-সম্পদ আহৰণৰ প্ৰতিযোগিতাত নমাইহে এৰে। সেই কাৰণেই নেকি সৰ্বত্ৰ সহযোগিতাৰ পৰিৱৰ্তে প্ৰতিযোগিতা, সৃষ্টিশীলতাৰ সলনি ধ্বংসকামিতা আৰু অনন্ত ভোগৰ ভ্ৰাতৃত্ব বাসনাৰ তাড়না হৈ পৰিছে বৰ্তমান সমাজ জীৱনৰ বাস্তৱতা।

মানুহৰ লোভ-লালসাৰ আকাৰ বা প্ৰকাৰ নাই। অৰ্থ-সম্পদ আহৰণৰ কোনো সীমা সংখ্যা নাই। কামনা-বাসনা পূৰণৰো কোনো মাপ-কাঠি নাই। সেয়ে মানুহে সম্পদ আহৰণ, কামনা-বাসনা পূৰণ কৰোতে কৰোতে জীৱনটো প্ৰায় শেষ হয়। পোৱা-নোপোৱা, লাগে-নালাগেৰ হিচাপ কৰি অন্তিম জীৱন কালত পস্তাই। অনুতাপ কৰে। তেওঁৰ যে জীৱনটো যাপন কৰাই নহ'ল শেষ মুহূৰ্ততহে গম পায়। কিন্তু তেতিয়ালৈ বহু দেৰি হৈ যায়। ভুল সংশোধন বা ক্ষতি পূৰণৰ সময়কণো যেন অতিবাহিত হৈ যায়। অনুতপ্ত লোকে তেনে মুহূৰ্তত বিবেকৰূপী শ্ৰীকৃষ্ণক বিচাৰিলেও অৱশ্যে নাপায়। পাব নোৱাৰে, কাৰণ নিয়ন্ত্ৰণহীন প্ৰতিযোগিতাৰ তীব্ৰবেগী মাতাল ঘোঁৰাই তেওঁক বহু দূৰলৈ লৈ যায়, য'ৰ পৰা উদ্ধাৰ পোৱাৰ উপাই নাই। নাই কোনো সুবিধাজনক ব্যৱস্থা তাৰ পৰা ঘূৰি অহাৰ।

অন্তৰ্যামী ভগৱান শ্ৰীকৃষ্ণই জানে যে তেওঁক বিচাৰি অহা বা আহ্বান কৰি হাবাথুৰি খোৱা লোকবোৰ একো একোটা অজ্ঞান ঘোঁৰাহে। দৌৰ প্ৰতিযোগিতাৰ মাতাল ঘোঁৰা। ধন-সম্পদ, বস্তু-সামগ্ৰী, আৰামী আচবাব আহৰণ কৰা দৌৰ প্ৰতিযোগিতাত ভাগৰি পৰা ঘোঁৰা, মানুহ নহয়। দৌৰি দৌৰি ভাগৰি পৰাতহে কৃষ্ণৰূপী বিবেকৰ আশ্ৰয় বিচাৰিছে। সম্পদ আহৰণত মত্ত থকা সময়ত তেওঁৰ দ্বাৰা বিচাৰ-বিবেচনা এবাৰো কৰা হোৱা নাছিল, বিবেকক প্ৰশ্ৰয় দিয়া নাছিল, আৰু ভবা নাছিল অকণো শেষ ফালৰ কথা। লোভ-লালসাৰ লেকামডাল আনকি টানি চাবও খোজা নাছিল এবাৰো। বৃহৎ পৰিমাণৰ অৰ্থ-সম্পদৰ মালিক হ'বলৈ পাৰে মানে দৌৰিছিল মাতাল ঘোঁৰা (কাম, ক্ৰোধ, লোভ, মোহ)ৰ ৰথ (মন)ত উঠি। তীব্ৰ বেগী ৰথখন ৰোৱা বা ৰখোৱাৰ চিন্তা মনলৈ এবাৰো অহা নাছিল যেতিয়ালৈকে গাত বল, শক্তি, ক্ষমতা আৰু তাড়না আছিল।

সকলোৱে জনা কথাটো হ'ল সৎপথেৰে বৃহৎ পৰিমাণৰ ধন-সম্পদ আহৰণ কৰিব নোৱাৰি। বেঁকা পথ নোলোৱাকৈ অতি সোনকালে ধনী হ'বও নোৱাৰি। কম দিনতে ধনী হোৱা লোকৰ কিবা নহয় কিবা অসৎ বা অনীতিৰ পথ থাকিবই লাগিব। অন্যায়ভাৱে উপাৰ্জন কৰা ধনেৰে ভোগ বঢ়াব পাৰি কিন্তু সুখ-সন্তুষ্টি গঢ়িব নোৱাৰি। অসৎ পথ লৈ, অন্যায়ক প্ৰশ্ৰয় দি দেখাৰ সম্পত্তি কৰিব পাৰিলেও মানৰ সম্পদ গঢ়িব নোৱাৰি। সন্তানক মানুহ কৰিবও নোৱাৰি। 'কুপুত্ৰ কলিৰ নৰ্কী' বুলিও কথা এটা নাই জানো।

তাৰ উপৰি মানুহৰ মন আৰু বিবেকৰ মাজত সদায় চলি থকা সংঘাতে মানুহক সুখ-শান্তি দিয়াৰ পৰিৱৰ্তে ৰোগকহে মাতে। উদ্বিগ্নতা আৰু অন্তৰ্দ্বন্দত ভুগি থকা মানুহ বেমাৰী হ'বলৈ বাধ্য। কুচিন্তা বা দুশ্চিন্তাই মানুহৰ মন বিকাৰগ্ৰস্তও কৰি তোলে। অতিমাত্ৰা গতি মানে বিস্তৰ ক্ষতি। অতি ভোগ বা প্ৰতি ভোজনত বেমাৰ বেছি। ৰোগাগ্ৰস্ত জীৱনে ধন-সম্পদৰ মাজৰ পৰা সুখ-শান্তি বুটলি ল'ব পাৰে জানো? নোৱাৰে। দিন প্ৰতিদিন যিকোনো প্ৰতিযোগিতাত নামি দৌৰি দৌৰি ভাগৰি পৰা মানুহৰ সুখ-শান্তি থাকে বুলি ক'ব নোৱাৰি।

প্ৰায় সকলো কথাতে মানুহে চুবুৰীয়া বা আন মানুহৰ লগত নিজক ৰিজাই চায়। মানুহৰ এইটো স্বভাৱগত দোষ বুলিও ক'ব পাৰি। আনৰ লগত নিজক তুলনা কৰি সুখ-সন্তুষ্টি লভাৰ পৰিৱৰ্তে মানুহে ঈৰ্ষাৰ জুইত দগ্ধ হয়। মনৰ সুখ-শান্তিখিনিও সেই অগ্নিত পুৰি ছাই কৰে। তাকে কৰি মনলৈ দুনাই সুখ-শান্তি ঘূৰাই আনিবতো নোৱাৰেই থকাখিনি হেৰুৱাই পাছত হাহাকাৰ কৰে। অনুতাপত দগ্ধ হৈ নিজে নিজে স্বীকাৰোক্তি কৰে—'সুখ-শান্তি নোহোৱা জীৱনৰ অৰ্থইবা কি থাকিল?'

অৱশ্যে, ধন-সম্পদৰ দেৱীয়ে সৎ মানুহৰ সুখ-শান্তিময় গৃহত প্ৰায়ে প্ৰৱেশ নকৰে। তেওঁ প্ৰৱেশ কৰে দুৰ্নীতিপৰায়ণ, অসাধু আৰু অসৎ লোকৰ অশান্তজৰ্জৰ ঘৰত। সৎ কৰ্ম, সৎ চিন্তা আৰু ন্যায়-নিষ্ঠা আদিৰ লগত ধন-সম্পদ, ঐশ্বৰ্য আৰু ক্ষমতাৰ সহঅৱস্থান প্ৰায়ে নহয়। সততাই মানুহৰ কাৰণে সম্পদশালী ভাগ্য বিধাতা হ'ব নোৱাৰে। মানুহে সুখ-শান্তিৰ নিজৰাত অৱগাহন কৰিব পাৰে মনৰূপী ৰথৰ মাতাল ঘোঁৰা (ৰিপু)ক সঠিক স্থানত লেকাম টানি (বিচাৰ-বিবেচনামূলক কৰ্মৰে)হে।

*ফোন ঃ ৮৮২২১৮৮৬৭৯*

# হাতীৰো পিছলে পাৰ সজ্জনৰো বুৰে নাও

**ৰামচন্দ্ৰ চুতীয়া**

হাতীৰো পিছলে পাৰ সজ্জনৰো বুৰে নাও—আন এটি সুন্দৰ বাণী। জীৱনটো ভালকৈ চলাবলৈ প্ৰথমৰে পৰা অনুশীলনৰ প্ৰয়োজন। তাকে কৰিব নোৱাৰিলে জীৱনটোৱেই বিফল হোৱাৰ পূৰ্ণ সম্ভাৱনা আছে। তৰুণ শক্তিয়ে সেইকথাটো জনা উচিত। ভীমৰ গদা ঘূৰাবলৈ গাত প্ৰথমতে ভীমৰ বল-শক্তি আহৰণ কৰাহে উচিত হ'ব। তাকে নকৰি বুকু পাতি অকালতে গুলি খাই মৰিলে, জীৱনটো সাৰ্থকতো নহয়েই আনকি উদ্দেশ্যও পূৰণ নহয়।

**তেজ** দিম তেল নিদিওঁ, জীৱন দিম মাটি নিদিওঁ। সুন্দৰ, শুনিবলৈকে ভাল লাগে। এইবোৰ বাণী আজিকালি অসমীয়া মানুহৰ অতি চিনাকি আৰু আপোন। এনে ভাষাৰ উদ্ভাৱকো কিন্তু অসমীয়া নিজে। অসমীয়াই কিবা এটা অঘটন ঘটিলেই হাউতকৈ ৰাজপথলৈ ওলাই গৈ তেনে ভাষা প্ৰয়োগ কৰি, আন্দোলন একোটা কৰাত লাগি যাব পাৰে। তেওঁলোক এইবোৰ কামৰ বাবে সদায় জাগ্ৰত হৈ থাকে। বহিৰাগত এচামে সেয়েহে চাই-চিতি কদম আগবঢ়াব লগা হয়। তেনে আন্দোলন এঘন্টাৰ পৰা ছবছৰ পৰ্যন্ত চলিব পাৰে। কৃষক আন্দোলন এবছৰহে চলিল, কেন্দ্ৰীয় চৰকাৰে ধাতু উৰি যোৱাৰ ভয়ত ততাতৈয়াকৈ দুয়োখন সদনতে আঁঠুকাঢ়ি তাৰ সামৰণিৰ ব্যৱস্থা কৰিলে। অসমীয়ালৈও যে ভয় নকৰে তেনে নহয়, কৰে, কিন্তু অসমীয়া মানুহক কিনিকুটি নিজৰ ফলীয়া কৰি লোৱাৰ কিটিপ বা যাদুটোও কেন্দ্ৰই ভালকৈ জানে। কেন্দ্ৰই অসমৰ বহুতো ভীম-দুৰ্যোধনক মধুৰ শংখধ্বনি শুনাই শান্তিৰ পৰশেৰে শান্ত-সমাহিত কৰি, যশোদাই কৃষ্ণক শোৱাই থোৱাৰ দৰে চিৰকাললৈ গভীৰ নিদ্ৰাত শোৱাই থ'ব পাৰে। সেই কামটো কৰাত বৰ সহজ নহ'লেও কুম্ভকৰ্ণৰ টোপনি প্ৰদান কৰিবলৈ বিশেষবাণ নিক্ষেপ কৰি মূল আন্দোলনৰ পৰা আঁতৰাই বৃহত্তৰ দেশ আৰু স্বজাতিৰ অৰ্থে জীৱন উৎসৰ্গিবলৈ বৰদান কৰিব পাৰে। বৰ প্ৰাপ্তি হ'লেই ভস্মাসুৰহঁতে আনন্দ-উলাহত মতলীয়া হৈ দধীচিৰ দৰে দেহদান পৰ্যন্ত দি চিৰনিদ্ৰাত পৰিব পাৰে। অসমীয়া উদাৰ আৰু মহান যে। এনেদৰে চিৰনিদ্ৰাত পৰা হনুমান-ভক্তসকলে খাই-বই লোদোৰ-পোদোৰ হৈ সংসাৰৰ যতবোৰ ভোগ-বিলাস আছে, সেইবোৰো অৱশ্যেই আহৰণ কৰি জীৱন ধন্য কৰিব পাৰে। পৰজন্মৰ স্বৰ্গ সুখৰ কাৰণে কোনেও ৰৈ থকাত নাই। ওমৰ খয়ামৰ দৰে 'আজিয়েই দিয়া কাইলৈ কিয়, কোনে জানে মোৰ কাইলৈ কি হ'ব, হেজাৰ হেজাৰ বছৰ বিয়পা হয়তো অতীতে সামৰি থ'ব' বুলি ভয়তে সুযোগ পাওঁতেই বাঘৰ দৰে থাপ মাৰি তাক হস্তগত কৰি লয়। আত্মাভিমানী অসমীয়াই একালত কাৰো বেজী এটাও নলৈছিল, এতিয়া আকৌ সুবিধা পালে আনৰ হাতী এটাও ঘৰতে আনি বান্ধি থ'ব খোজে।

ব্ৰহ্মদেশৰ পৰা মানসকল আহি তিনিবাৰ অসমক নৰক দৰ্শন কৰোৱাৰ পাছৰ পৰাই অসমীয়াসকলে লেংমৰা পদ্ধতিটো বৰ ভালকৈ প্ৰয়োগ কৰিবলৈ ল'লে। বদন বৰফুকনেই ইয়াৰ আৰম্ভণি কৰোতাজন বুলি আমাৰ মনে ধৰে। খেনোৱে অৱশ্যে আতন বুঢ়াগোহাঞিৰ নামটোও ল'ব খোজে। আমি বুৰঞ্জী নজনা মানুহ, জনাসকলে সেই বিষয়টো নিৰ্ণয় কৰিব। লেংমৰা স্বভাৱটো থকাৰ বাবে এতিয়া সুবিধাই সুবিধা। অসমীয়া জাতি মহান বুলি কৈয়ে, কথাই প্ৰতি কথা সলনি কৰি এতিয়া বৰঘৰ-মাৰল ঘৰত পিতপিতাই ফুৰিব পাৰি। তেনে কৰিলে অতীতৰ দুখ-বেদনা পাহৰি থাকিব পাৰি আৰু বৈষয়িক উন্নতিকো অতি সহজতে আয়ত্বলৈ আনিব পাৰি। ৰাইজো সেই তেওঁলোকৰ কোনো কথাৰে গভীৰলৈ যাবলৈ অকণিকে সময় নাই।

আজিকালি কানীয়া-ভঙুৱা নহয় যদিও, ইকাটি-সিকাটি নকৰা স্বভাৱটো থকাৰ বাবে তেওঁলোকৰ মূৰৰ ওপৰত উঠি আনে টিঘিল-ঘিলাই তাণ্ডৱ নৃত্য দি থাকিলেও, তেওঁলোকে মাত এষাৰ মাতিবলৈ সাহস নহয়। কেতিয়াবা পাহৰণিতে কাছই গাটো লৰাই ভূমিকম্পৰ সৃষ্টি কৰিলেও অসমীয়াই গাটো অলপ চম্ভালিবলৈও কাটি-কুটা নকৰে বৰঞ্চ বিশাল সমুদ্ৰৰ দৰে পিঠি পাতি বহি থাকে। চল পোৱাবোৰে তেতিয়া সন্ধিয়াৰ নামঘৰৰ নামঘৰীয়াই দবা কোৰোৱাৰ দৰে অসমীয়াৰ পিঠিত ধমহ-ধমহকৈ ইচ্ছামতে কোবাব পাৰে। তেতিয়াও অসমীয়াই মুখ মেলি বহি থাকে, একো নকয়। কোনোবাই অম্বিকাগিৰীৰ দৰে সজাগ কৰিব খুজি কিবা এষাৰ ক'লে, তেওঁকে চুইহে নিকিলোৱাকৈ থাকে। দুৰ্গাপূজাত 'ৰূপং দেহি ধনং দেহি' বুলি দেৱীক প্ৰাৰ্থনা জনোৱাৰ দৰে চাটুকাৰ শ্ৰেণীটোৱে অনবৰতে ক্ষমতাসীনসকলক তৈলমৰ্দন কৰি 'অন্নং দেহি অন্নং দেহি' বুলি চিঞৰি থাকে। 'গাখীৰতে ম'হৰ খুঁটি, সান্দহতে হাত' বুলি ক্ষমতাৱানসকলে সেই কামত পৰমানন্দিত হৈ তেওঁলোকৰ গুণ-গান গাওঁতাসকলক হিয়া উবুৰিয়াই মৰমেৰে উপচাই দিয়ে। বেচেৰাহঁতে ক'ব নোৱাৰাকৈয়ে, সেইটি পৰতে মাটি, পানী, ভাষা-সংস্কৃতি সকলো হৰণ কৰি ৰাজহাড়ডাল ভাঙি গুড়ি কৰি দিয়ে, যাতে আগলৈ মূৰ তুলি কেনিও চাব নোৱাৰে।

গীতাত কোৱা হৈছে কৰ্মই ধৰ্ম। কৰ্ম মানে নিজ কৰ্ম, কিন্তু আমি কিমানে নিজ কৰ্ম কৰো, ভাবি চাইছোনে? কৃষকে কৃষি নকৰে, চৰকাৰী চাকৰিয়লে ঠিকমতে চাকৰি নকৰে, ছাত্ৰই পঢ়া-শুনাত মন নিদি 'বাহিৰা' কাম কৰি ফুৰে-আন্দোলনো এটা বাহিৰা কাম, সেই কথা তেওঁলোকক কোনেও বুজাব নোৱাৰে। স্বামী-স্ত্ৰীয়ে আজিকালি ঘৰুৱা কামতকৈ সভাই-সমিতিয়ে উপস্থিত থাকি দেশ সেৱা কৰোতেই অধিক সময় যায়। আগতে ঘৰুৱা কামৰ উপৰি ল'ৰা-ছোৱালীৰ প্ৰতিপালন কৰোতে পৰিয়ালবোৰে যথেষ্ট সময় খৰচ কৰিছিল। সেই কাৰণেই ল'ৰা-ছোৱালীয়ে সাংসাৰিক জ্ঞান-অভিজ্ঞতা লাভ কৰিছিল আৰু সমাজ গঢ়ি সমাজৰ কল্যাণ সাধন কৰিছিল। আজিকালি বহুতো ল'ৰা-ছোৱালীয়ে সমাজ কি নাজানে, আনকি পৰিয়ালৰ মানুহকো কেনেকৈ ব্যৱহাৰ কৰিব লাগে তাকো নাজানে। যান্ত্ৰিক-সভ্যতাই মানুহক এতিয়া সৰুৰ পৰা বৰলৈ সকলোকে যন্ত্ৰৰ দৰে অনুভূতিহীন কৰি গঢ়ি তুলিলে। সময়ৰ তেনে গতিত মানুহ সম্পূৰ্ণ সলনি হ'ল। এতিয়া কোনেও কাৰো কথা ভাবিব নালাগে। নিজৰ কথাও ভাবিব নলগা দিন আহিল। হাতত ধন থাকিলেই হ'ল। ধন কাৰণে পিতৃ-মাতৃ জীয়াই থকালৈকে বৰকৈ ভাবিব নালাগে। কোনোবা পিতৃ-মাতৃয়ে ধনৰ যোগান ধৰিব নোৱাৰিলে নানান যন্ত্ৰণাৰ সম্মুখীন হ'ব লগাত পৰে। ঘৰ-বাৰী বেচিবলৈ বাধ্য কৰে, তাকো কৰিব নোৱাৰিলে নিজৰ ঘৰখনকে জ্বলাই বীৰত্বৰ চানেকি প্ৰতিষ্ঠা কৰে। সেইটোও কৰিব নোৱাৰিলে পৰশুৰামৰ দৰে হাতত পৰশু ধৰি মাতৃ বা পিতৃকো হত্যা কৰিব পাৰে। যদি সেইটোও কৰিব নোৱাৰে, তেন্তে গাড়ীৰে দূৰলৈ নি অজান স্থানত বুঢ়া কালত পেলাই থৈ আহিব পাৰে। জীৱনৰ সকলো মৰম-চেনেহ দি লালন-পালন কৰা পিতৃ-মাতৃক গৃহহীন পথৰ ভিক্ষাৰীলৈ সলনি কৰিব পাৰে। সেইখনেই বৰ্তমান আমাৰ সমাজ। তেজ দিম তেল নিদিওঁ বোলা এচাম নতুন পুৰুষৰ আপোন ঘৰখনৰ প্ৰতি এইবোৰ কেনে নিৰ্দয় আচৰণ। সৰুৰ পৰা স্কুল-কলেজত বা চাকৰি জীৱনত সেইবোৰহে শিকিল নে যি নিজৰ পিতৃ-মাতৃকো অনাদৰ-অৱহেলা কৰি তিল তিলকৈ হত্যা কৰিবলৈ; এই কথা নকওঁ, আজিৰ সমাজৰ সকলো নতুন পুৰুষ অধোগতিত পতিত হ'ল। আছে, এতিয়াও এশ্ৰেণী সুসন্তান আছে, যি সমাজ ব্যৱস্থাক শ্ৰদ্ধাৰ্হ আদৰণি জনায়। তেওঁলোকৰ ছত্ৰছায়াত পিতৃকুল, সমাজ ব্যৱস্থাই আগস্থান পায়। সেইসকল সুযোগ্য সন্তানেই সমাজক আজিও ন-ৰঙেৰে ৰঙীন কৰি ৰাখিব খোজে। তেওঁলোকৰ বাবেই সমাজ আজিও অৰ্থপূৰ্ণ হৈ আছে। সমাজ বৰ্তি আছে। জাতি এটা গঢ়িবলৈ সৰুৰ পৰা ডাঙৰলৈকে সকলোৱে সংগ্ৰাম কৰিব লাগিব। অভিজ্ঞ-জ্ঞানীজনৰ পৰা জীৱন-সংগ্ৰামৰ অ আ জানি-শুনি, পদে পদে আগবাঢ়িবলৈ সচেষ্ট হ'ব লাগিব। অতীতৰ পৰা আমি দেখি বা ঠেকি শিকি আহিছো, জীৱন গঢ়িবলৈ আমাক সাধনা লাগিব। সাধনা অবিহনে কোনো কামতে সফলতা লাভ কৰিব নোৱাৰি। গতিকেই পঢ়া কালছোৱাত. অৰ্থাৎ শিশু কালৰে পৰা আমি সচেতন হ'ব লাগিব। দায়িত্বশীল হ'লেহে দায়িত্ব পালন কৰি জীৱন পথত আগবাঢ়িব পাৰিব। আমি এইটো নকওঁ যে ছাত্ৰই কোনো আন্দোলন কৰিব নালাগে।



অসমৰ দৰে নেতৃত্বহীন ৰাজ্যৰ বাবে কেতিয়াবা আন্দোলন কৰিব লগা হ'ব পাৰে। কিন্তু সেই কামটো কৰোতে আমি আমাৰ কৰ্তব্য সম্পূৰ্ণ পাহৰি যাব নালাগিব। আন্দোলনৰ লগতে পঢ়া-শুনা সমান্তৰালভাৱে চলাব পাৰিব লাগিব, তেহে জীৱনত মানুহ হোৱাৰ জ্ঞান লাভ কৰিব পৰা যাব। ডাঙৰে কৰিব লগা কাম একোটাত ছাত্ৰই সকলো সময়তে লাগি থকাৰ কোনো অৰ্থ নাই। বেয়া ৰাজনীতিকে ছাত্ৰক নিজৰ কামত খটুৱাই ছাত্ৰৰ ভৱিষ্যৎ ধ্বংস কৰাৰ কোনো অধিকাৰ নাই। তেওঁলোকৰ অলাগতিয়াল উপদেশ-বাণীয়ে ছাত্ৰৰ জীৱনলৈ কেতিয়াও অমানিশা নমাই অনা উচিত নহয়। নিজৰ কামত প্ৰথমে পূৰঠ হৈহে বাস্তৱ জীৱনৰ সংগ্ৰামত ভৰি দিব লাগিব। তাকে নকৰি তেজ দিম তেল নিদিওঁ বুলিলেও কেন্দ্ৰই নিব লগা হ'লে তাক নিবই। বুকু পাতি গুলি খালেও আমাৰ জীৱনটোৰ বাদে আন কাৰোৰ একো ক্ষতি নহয়। সোৱণশিৰি বান্ধটো নিৰ্মাণৰ সময়ত প্ৰধানমন্ত্ৰীৰ পৰা তললৈকে সকলোৱে যি যি কথা দিছিল, তাক কোনেও পালন নকৰিলে। বাংলাদেশৰ বেৰাখন সম্পূৰ্ণ কৰিব বুলি কৈছিল, তাকো নকৰিলে। কেন্দ্ৰ কিয় ৰাজ্যখনৰ নেতৃত্বয়ো আজি সাত বছৰেও একো কৰা নাই। এইবোৰ কৈ থাকিলে বিষয়টোৰ পৰা আঁতৰি যোৱাহে হ'ব, গতিকেই সেই দিশৰ বিষয়ে আৰু কথা নবঢ়ালাও। হাতীৰো পিছলে পাৰ সজ্জনৰো বুৰে নাও—আন এটি সুন্দৰ বাণী। জীৱনটো ভালকৈ চলাবলৈ প্ৰথমৰে পৰা অনুশীলনৰ প্ৰয়োজন। তাকে কৰিব নোৱাৰিলে জীৱনটোৱেই বিফল হোৱাৰ পূৰ্ণ সম্ভাৱনা আছে। তৰুণ শক্তিয়ে সেইকথাটো জনা উচিত। ভীমৰ গদা ঘূৰাবলৈ গাত প্ৰথমতে ভীমৰ বল-শক্তি আহৰণ কৰাহে উচিত হ'ব। তাকে নকৰি বুকু পাতি অকালতে গুলি খাই মৰিলে, জীৱনটো সাৰ্থকতো নহয়েই আনকি উদ্দেশ্যও পূৰণ নহয়।

*ফোন ঃ ৯৪৩৫৪ ৮৬১৯৩*

**তেজ** দিম তেল নিদিওঁ, জীৱন দিম মাটি নিদিওঁ। সুন্দৰ, শুনিবলৈকে ভাল লাগে। এইবোৰ বাণী আজিকালি অসমীয়া মানুহৰ অতি চিনাকি আৰু আপোন। এনে ভাষাৰ উদ্ভাৱকো কিন্তু অসমীয়া নিজে। অসমীয়াই কিবা এটা অঘটন ঘটিলেই হাউতকৈ ৰাজপথলৈ ওলাই গৈ তেনে ভাষা প্ৰয়োগ কৰি, আন্দোলন একোটা কৰাত লাগি যাব পাৰে।

# লাওটো একেবাৰে সোৱাদ নাই

**মইনুল ইছলাম**

**সময়** তেতিয়া পুৱা ৮-৩০ বাজিছিল। এগৰাকী মহিলা উধাতু খাই থানালৈ আহিল। মোক বৰ দুখ আৰু খঙেৰে ক'লে—'ছাৰ, মই বৰ মৰমেৰে এজোপা জাতিলাও ৰুইছিলো। গোবৰ-জাবৰ দি বৰ আপডাল কৰিছিলো। লহ-পহকৈ বাঢ়ি আহিছিল। এটা লাও লাগিছিল। আমি ভাবিছিলো, পূৰঠ হ'লে ভালকৈ আঞ্জা ৰান্ধি খাম। কিন্তু পূৰঠ হৈ উঠিছিলহে মাথোঁ। যোৱা নিশা কোনো বদমাচ লোকে লাওটো এফাল কাটি আনফাল ঠাৰিতে ৰাখি লৈ গ'ল। মোৰ খুব বেয়া লাগিল আৰু খঙো উঠিল। মই ওচৰৰ মানুহক গোৰাল গালি পাৰিলো কিন্তু কোনো লোকে স্বীকাৰ নকৰিলে। মোক কিবা এটা বিচাৰ কৰি দিয়ক' বুলি মোক মহিলাগৰাকীয়ে মৌখিকভাৱে অভিযোগ দিলে।

ঘৰৰ ওচৰৰ কাৰোবাৰ ওপৰত আপোনাৰ সন্দেহ হৈছে নেকি বুলি সোধাত মহিলাগৰাকীয়ে চুবুৰীয়া 'ভাইজান'ৰ ওপৰত সন্দেহ হোৱা বুলি কয়। মইনো কি এজাহাৰ দিম আৰু ছাৰ, কেৱল দুখ আৰু খং উঠাৰ বাবেহে জনাইছো। পাৰিলে কিবা তদন্ত এটা কৰিলে ভাল পাম বুলিও লগতে মোক কয় মহিলাগৰাকীয়ে।

মই উক্ত 'ভাইজান' নামৰ লোকজনক থানালৈ মাতি পঠোৱাত সি থানাত হাজিৰ হ'ল আৰু লগতে সেই মহিলাগৰাকীও উপস্থিত হ'লহি। মহিলাগৰাকীৰ মৌখিক অভিযোগৰ ভিত্তিত মই চুৰি হোৱা লাওটোৰ সম্পৰ্কত 'ভাইজান' নামৰ লোকজনক সোধা-পোছা কৰো। মহিলাগৰাকীৰ উপস্থিতিত 'ভাইজান'ক সোধাত সি টপৰাই ক'লে—'ঐ লক্ষীমাই, লাওটো মৱেই খালো অ'। বহুত দিনৰ পৰাই মন কৰি আছিলো। সেই বাবে পূৰঠ হোৱাত যোৱা নিশা তহঁত সোনকালে শুই থকাৰ বাবে মই তহঁতৰ হেন্দালীৰ লাওটো এফাল ঠাৰিডালত লগাই ৰাখি আনফাল কাটি আনি ৰাতিয়েই আঞ্জা ৰান্ধি খালো। কিন্তু এটা কথা লক্ষীমাই, লাওটো যে একেবাৰে সোৱাদ নাই। মই তোৰ কাৰণে এফাল ৰাখি থৈ আহিছো নহয়। তই সেইফালে আঞ্জা ৰান্ধি খালে গম পাবি। লাওটো একেবাৰে সোৱাদ নাই।' লগতে 'ভাইজানে' মহিলাগৰাকীক ক'লে—'তই মোক পুৱাই ভালকৈ সোধা হ'লে কৈ দিলোহেঁতেন। কিন্তু তই ইমান বেয়াকৈ গোৱাল গালি পৰাৰ বাবে মই ভয়তে মাত মতা নাছিলো।'

অৱশেষত মহিলাগৰাকীয়ে ক'লে—উপায় নাই আৰু ছাৰ। মই কেতিয়াও ভবাই নাছিলো, এনে চোৰৰ সন্মুখীন হ'ম।' 'ভাইজান' তুমি যোৱাগৈ, ময়ো যাওঁ আৰু ছাৰ বুলি কৈ বৰ বেজাৰ মনেৰে মহিলাগৰাকী থানাৰ পৰা ওলাই গুচি গ'ল। ময়ো দুয়োকে থৰ লাগি চাই থাকিলো।

*ফোন ঃ ৯৪৩৫১৯৩৯৫৪*

## তৃতীয়বাৰলৈ ক'ভিডত সংক্ৰমিত হ'ল তৃণমূল কংগ্ৰেছৰ বাবুল সুপ্ৰিয়



**নিউজ ব্যুৰ', কলকাতা, ৪ জানুৱাৰী ঃ** কৰ'নাৰ দুপালি প্ৰতিষেধক গ্ৰহণৰ পাছতো তৃতীয়বাৰৰ বাবে ক'ভিড ১৯ত আক্ৰান্ত হ'ল তৃণমূল কংগ্ৰেছৰ নেতা-সংগীত শিল্পী বাবুল সুপ্ৰিয়। সুপ্ৰিয়ৰ পত্নী আৰু পিতৃও কৰ'নাত সংক্ৰমিত হৈছে। টুইট কৰি সুপ্ৰিয়ই আজি কয়, 'তৃতীয়বাৰৰ বাবে কৰ'নাত আক্ৰান্ত হ'লো। প্ৰথমবাৰ ২০২০ৰ ২০ নৱেম্বৰত মোৰ শৰীৰত ক'ভিডৰ সংক্ৰমণ হৈছিল। ইয়াৰ পাছত ২১ এপ্ৰিল, ২০২১ত পুনৰ কৰ'নাত আক্ৰান্ত হৈছিলো। এইবাৰ তৃতীয়বাৰৰ বাবে সংক্ৰমিত হ'লো।'

## নৱবৰ্ষৰ প্ৰথমদিনাই ৩০৪ বিলিয়ন ডলাৰলৈ সম্পত্তি বৃদ্ধি মাস্কৰ



**নিউজ ব্যুৰ', টেক্সাছ, ৪ জানুৱাৰী ঃ** বিশ্বৰ সবাতোকৈ ধনী ব্যক্তি তথা টেছলা আৰু স্পেচএক্সৰ স্বত্বাধিকাৰী এলন মাস্কৰ বাবে নৱবৰ্ষৰ আৰম্ভণি যথেষ্ট ৰোমাঞ্চকৰ হ'ল। দৰাচলতে বছৰৰ প্ৰথমদিনটোতে মাস্কৰ সম্পত্তিৰ পৰিমাণ যথেষ্ট বৃদ্ধি পালে। মাত্ৰ এদিনতে বিশ্বৰ ধনাঢ্য ব্যক্তিজনৰ মুঠ সম্পত্তিৰ পৰিমাণ ৩০৪ বিলিয়ন ডলাৰলৈ বৃদ্ধি হ'ল। মাস্কে সোমবাৰে প্ৰতি ঘণ্টাত উপাৰ্জন কৰিছিল ১.৪১ বিলিয়ন ডলাৰ। বিশ্বৰ সবাতোকৈ ধনাঢ্য ব্যক্তি মাস্কৰ বৈদ্যুতিক গাড়ী নিৰ্মাতা কোম্পানী টেছলাৰ শ্বেয়াৰ মূল্য যথেষ্ট বৃদ্ধি পোৱাৰ ফলতে তেওঁৰ মুঠ সম্পত্তিৰ পৰিমাণো বৃদ্ধি পালে। মাস্কৰ মুঠ সম্পত্তিৰ পৰিমাণ মাত্ৰ এদিনতে ৩৩.৮ বিলিয়ন ডলাৰ অৰ্থাৎ ভাৰতীয় মুদ্ৰাত ২,৫১,৭১৫ কোটি টকা বৃদ্ধি পালে। নৱবৰ্ষৰ প্ৰথম দিনা পুঁজি বজাৰত টেছলাৰ শ্বেয়াৰ মূল্য ১৪ শতাংশ বৃদ্ধি পায়। কোম্পানীটোৰ শ্বেয়াৰ মূল্য সোমবাৰে ১৩.৫ শতাংশ বৃদ্ধিৰে ১,১৯৯.৭৮ ডলাৰলৈ বৃদ্ধি পালে।

## শীঘ্ৰে শুক্ৰযান প্ৰেৰণ কৰিব ভাৰতে ঃ ঘোষণা ইছৰ'ৰ মুৰব্বীৰ

**নিউজ ব্যুৰ', নতুন দিল্লী, ৪ জানুৱাৰী ঃ** কৰ'নাৰ সংক্ৰমণৰ ফলত মহাকাশ অভিযানৰ ধাৰাবাহিকতা বিগত ডেৰ বছৰে ব্যাহত হৈ আছে। কিন্তু এনে পৰিস্থিতিৰ মাজতো ভাৰতে মহাকাশ গৱেষণাৰ ক্ষেত্ৰত প্ৰস্তুতি ব্যাপক কৰি তুলিছে। ভাৰতীয় মহাকাশ গৱেষণা প্ৰতিষ্ঠান ইছৰ'ৰ শীৰ্ষ বিষয়া কে শিৱানে প্ৰকাশ কৰা অনুসৰি গগনযান অভিযানৰ বাবে যাৱতীয় প্ৰস্তুতি অব্যাহত ৰখা হৈছে। শিৱানে কয়, 'মানৱ ৰেটেড এল ১-১০ বিকাশ ইঞ্জিন, ক্ৰায়'জেনিক ষ্টেজ, ক্ৰু এস্কেপ ছিষ্টেম ম'টৰ আৰু ছাৰ্ভিচ মডিউল প্ৰকালচন ছিষ্টেমৰ পৰীক্ষণ অব্যাহত আছে। গগনযান অভিযানৰ জৰিয়তে মহাকাশলৈ ভাৰতে মহাকাশচাৰীক প্ৰেৰণ কৰিব। এই অভিযানৰ অন্তিম দিন হৈছে ২০২২ৰ ১৫ আগষ্ট। নিৰ্দিষ্ট দিনৰ পূৰ্বে গগনযান অভিযানক বাস্তৱায়িত কৰাৰ আপ্ৰাণ চেষ্টা চলোৱা হৈছে।' ইছৰ'ৰ মুৰব্বীয়ে লগতে প্ৰকাশ কৰা অনুসৰি, ২০২৪ বৰ্ষৰ ভিতৰতে ভাৰতে শুক্ৰযান প্ৰেৰণৰ অভিযানো সম্পন্ন কৰিব। যদিহে ২০২৪ত এই অভিযান চলোৱা সম্ভৱ নহয়, তেতিয়া ২০২৬ত ভাৰতে শুক্ৰযান অভিযানৰ পৰৱৰ্তী সুযোগ লাভ কৰিব বুলি শিৱানে জানিবলৈ দিয়ে।



## কৰ'নাত আক্ৰান্ত দিল্লীৰ মুখ্যমন্ত্ৰী অৰবিন্দ কেজৰিৱাল



**নিউজ ব্যুৰ', নতুন দিল্লী, ৪ জানুৱাৰী ঃ** ক'ভিডত সংক্ৰমিত হ'ল দিল্লীৰ মুখ্যমন্ত্ৰী তথা আম আদমী পাৰ্টি (আপ)ৰ মুৰব্বী অৰবিন্দ কেজৰিৱাল। মুখ্যমন্ত্ৰীজনৰ শৰীৰত ক'ভিডৰ মৃদু উপসৰ্গ ধৰা পৰিছে। আজি পুৱাতে টুইট কৰি নিজে এই কথা ব্যক্ত কৰিলে কেজৰিৱালে। টুইটত মুখ্যমন্ত্ৰীজনে এইদৰে কয়, 'মই ক'ভিড পজিটিভ। মৃদু উপসৰ্গ আছে। ঘৰতে নিভৃতবাসত আছো। যিসকল ব্যক্তি মোৰ সংস্পৰ্শলৈ আহিছিল তেওঁলোকক ক'ভিড পৰীক্ষণ কৰাবলৈ অনুৰোধ জনালো। নিভৃতবাসত থাকক।'

**মধুমেহ, উচ্চ ৰক্তচাপ, যক্ষ্মাত আক্ৰান্ত লোক অ'মিক্ৰনত সংক্ৰমিত হ'লে আৰোগ্য লাভত অধিক সময়ৰ প্ৰয়োজন হৈছে**

# সাতদিনতে সুস্থ অ'মিক্ৰন আক্ৰান্ত ৯৯ শতাংশ ৰোগী, তেন্তে শংকা কিহৰ?

**নিউজ ব্যুৰ' নতুন দিল্লী, ৪ জানুৱাৰী ঃ** দেশজুৰি পুনৰ কৰ'নাৰ সংক্ৰমণ দ্ৰুতগতিত বৃদ্ধি পাইছে। যোৱা ২৪ ঘণ্টাত ভাৰতত নতুনকৈ কৰ'নাত আক্ৰান্ত হ'ল ৩৭,৩৭৯ জন লোক আৰু এই ভাইৰাছৰ সংক্ৰমণৰ প্ৰাণ হেৰুৱালে ১২৪ জন লোকে। আনহাতে, বিগত এদিনত দেশত ১১,০০৭ জন ক'ভিড ৰোগী সুস্থ হ'ল। বৰ্তমানে ক'ভিডত আৰোগ্য লাভৰ হাৰ হৈছে ৯৮.১৩ শতাংশ। মঙলবাৰলৈকে ভাৰতত ক'ভিডৰ নতুন প্ৰজাতি অ'মিক্ৰনত ১৮৯২ জন লোক আক্ৰান্ত হ'ল আৰু ইয়াৰে ৭৬৬ জন ৰোগী সুস্থ হৈ উঠিছে। দেশৰ ভিতৰতে সৰ্বাধিক ৫৬৮ জন অ'মিক্ৰন আক্ৰান্তক মহাৰাষ্ট্ৰত আৰু দ্বিতীয় সৰ্বাধিক ৩৮২ জন ৰোগী দিল্লীত চিনাক্ত কৰা হৈছে। দিল্লীৰ যশোদা হাস্পতালত চিকিৎসক পি এন অৰোৰাই জনোৱা অনুসৰি, ৯৯ শতাংশ অ'মিক্ৰনত আক্ৰান্ত ৰোগী মাত্ৰ এসপ্তাহতে সুস্থ হৈ উঠিছে। অ'মিক্ৰনত আক্ৰান্ত ৰোগীসকলৰ



ক্ষেত্ৰত তেনে বিশেষ শাৰীৰিক সমস্যাই এতিয়ালৈকে দেখা দিয়া নাই। কিন্তু ডাঃ অৰোৰাৰ মতে, ডেল্টাৰ তুলনাত অ'মিক্ৰন কম মাৰাত্মক যদিও সকলোৱে এই প্ৰজাতিৰ সংক্ৰমণক লৈ সচেতন হোৱা অতি জৰুৰী। ডেল্টাৰ তুলনাত অ'মিক্ৰন অধিক দ্ৰুতগতিত সংক্ৰমণ হোৱাৰ ফলতো এই নতুন প্ৰজাতি ক'ভিডৰ সংক্ৰমণৰ প্ৰতি সকলোৱে সতৰ্কতা অৱলম্বন কৰা উচিত। ডাঃ অৰোৰাৰ মতে, মধুমেহ, উচ্চ ৰক্তচাপ, যক্ষ্মাৰ দৰে ৰোগত আক্ৰান্ত লোক অ'মিক্ৰনত সংক্ৰমিত হ'লে আৰোগ্য লাভৰ ক্ষেত্ৰত অধিক সময়ৰ প্ৰয়োজন হৈছে। ৯৯ শতাংশ অ'মিক্ৰন আক্ৰান্ত সাতৰ পৰা ১০ দিনৰ ভিতৰত সুস্থ হোৱাৰ বিপৰীতে আন ৰোগত আক্ৰান্ত ব্যক্তি অ'মিক্ৰনত সংক্ৰমিত হ'লে সুস্থ হ'বলৈ অধিক সময়ৰ প্ৰয়োজন হৈছে। এনেবোৰ জটিলতাৰ প্ৰতি লক্ষ্য ৰাখি অ'মিক্ৰনৰ সংক্ৰমণত লঘুভাৱে নল'বলৈ পৰামৰ্শ দিলে ডাঃ অৰোৰাই।

## দৈনিক চাৰি লাখ আক্ৰান্ত, পাঁচদিনৰ নিভৃতবাসৰ নিয়ম আমেৰিকাত হ'ল প্ৰৱৰ্তিত



**নিউজ ব্যুৰ', ৱাশ্বিংটন, ৪ জানুৱাৰী ঃ** এসপ্তাহ পূৰ্বে কৰ'নাৰ দৈনিক সংক্ৰমণ আছিল গড়ে আঢ়ৈ লাখৰ ভিতৰত। সাতদিনত পৰিস্থিতিয়ে অধিক ভয়াৱহ ৰূপ ধাৰণ কৰিলে আমেৰিকাত। সম্প্ৰতি আমেৰিকাত দৈনিক চাৰি লাখ লোক ক'ভিড-১৯ত সংক্ৰমিত হৈছে। ফলত দেশখনত চিকিৎসালয়ত ৰোগীৰ সংখ্যা যথেষ্ট বৃদ্ধি পাইছে। কৰ'নাৰ এনে ত্ৰাস সৃষ্টিকাৰী সংক্ৰমণ বৃদ্ধিৰ মাজতে আমেৰিকাত পূৰ্বৰ ১৪ দিনৰ পৰিৱৰ্তে 'কোৱাৰেণ্টাইন' অৰ্থাৎ নিভৃতবাসৰ দিনৰ সংখ্যা পাঁচলৈ হ্ৰাস কৰা হ'ল। কৰ'নাত নতুনকৈ সংক্ৰমিত হোৱা লোকে পাঁচদিন নিভৃতবাসত থাকিব লাগিব আৰু বিচ্ছিন্নবাসৰ পাছত কৰ'নাৰ পৰীক্ষণৰো প্ৰয়োজন নহ'ব। এই নতুন নিয়ম প্ৰৱৰ্তন কৰিলে আমেৰিকাৰ স্বাস্থ্য বিভাগে। ইউৰোপত অ'মিক্ৰন সৰ্বাধিক সংক্ৰমিত হৈছে। কিন্তু আমেৰিকাত ডেল্টা আৰু অ'মিক্ৰন উভয় প্ৰজাতিৰ ক'ভিডৰ সংক্ৰমণ সমানে বৃদ্ধি পাইছে। সেয়েহে চিকিৎসক-গৱেষকে আমেৰিকাৰ সাম্প্ৰতিক ক'ভিড সংক্ৰমণক 'ডেলমিক্ৰন' বুলি অভিহিত কৰিছে। অৰ্থাৎ কোনো এক অঞ্চলত একে সময়তে ডেল্টা আৰু অ'মিক্ৰনৰ সংক্ৰমণ বৃদ্ধি পাইছে। আমেৰিকাত ক'ভিড সংক্ৰমণ ব্যাপক হোৱাৰ ফলত বহু অঞ্চলৰ বাসিন্দা সম্প্ৰতি ক'ভিডাতংকত বাসগৃহত আবদ্ধ হৈ আছে। ফলত প্ৰশাসনিক কাম-কাজ বাধাগ্ৰস্ত হোৱাৰ লগতে ব্যৱসায়-বাণিজ্যৰ ব্যাপক ক্ষতি হৈছে।



## মুম্বাইত পুনৰ হ'ব পাৰে তলাবন্ধ, মেয়ৰে দিলে ইংগিত

**নিউজ ব্যুৰ', মুম্বাই, ৪ জানুৱাৰী ঃ** ভাৰতত কৰ'নাৰ সংক্ৰমণ শেহতীয়াভাৱে পুনৰ যথেষ্ট বৃদ্ধি পাইছে। মহাৰাষ্ট্ৰতো ক'ভিডৰ নতুন প্ৰজাতি অ'মিক্ৰনসহ ডেল্টাৰ ব্যাপক সংক্ৰমণ অব্যাহত আছে। ক'ভিড পৰিস্থিতিৰ প্ৰতি লক্ষ্য ৰাখি মুম্বাইত পুনৰ তলাবন্ধৰ সম্ভাৱনা প্ৰকট হৈছে। ইতিমধ্যে মুম্বাইৰ মেয়ৰ কিশোৰী পেডনেকৰে এই সন্দৰ্ভত ইংগিত দি ক'লে যে মহাৰাষ্ট্ৰত যদিহে ক'ভিডৰ দৈনিক সংক্ৰমণে ২০০০ৰ সীমা অতিক্ৰম কৰে, তেন্তে মুম্বাইক পুনৰ তলাবন্ধ কৰিবলৈ বাধ্য হ'ব। ইফালে, ঝাৰখণ্ডতো আজিৰে পৰা আংশিক তলাবন্ধ ঘোষণা কৰা হৈছে। ৰাজ্যখনত কৰ'নাৰ সংক্ৰমণ বৃদ্ধিৰ প্ৰতি লক্ষ্য ৰাখি সকলোবোৰ শিক্ষানুষ্ঠান, দোকান-পোহাৰ আৰু ধৰ্মীয় স্থানক বন্ধ ৰাখিবলৈ নিৰ্দেশ দিয়া হৈছে। হাৰিয়ানাৰ পাছত পঞ্জাৱ চৰকাৰেও ক'ভিড প্ৰতিৰোধৰ বাবে নিশা ১০ বজাৰ পৰা পুৱা পাঁচ বজালৈকে সান্ধ্যআইন প্ৰৱৰ্তনৰ কথা ঘোষণা কৰিলে।

## ১২ লাখ জনসংখ্যাৰ চীনৰ চহৰ হ'ল সম্পূৰ্ণ তলাবন্ধ, নাগৰিকক ঘৰৰ বাহিৰ নোলাবলৈ নিৰ্দেশ

**নিউজ ব্যুৰ', বেইজিং, ৪ জানুৱাৰী ঃ** চীনত কৰ'নাৰ পুনৰ সংক্ৰমণ বৃদ্ধিৰ প্ৰতি লক্ষ্য ৰাখি পৃথক প্ৰদেশত ইতিমধ্যে তলাবন্ধ ঘোষণা কৰা হৈছে। মধ্য চীনত ১১.৭ লাখ জনসংখ্যাৰ যুঝাউ চহৰত ইতিমধ্যে প্ৰশাসনে সম্পূৰ্ণ তলাবন্ধ ঘোষণা কৰিলে। শেহতীয়াভাৱে চীনৰ এইখন চহৰত কৰ'নাত সংক্ৰমিত তিনিজন ৰোগীক চিনাক্ত কৰা হৈছিল। হেনান প্ৰদেশৰ এইখন চহৰত বাছ আৰু টেক্সিৰ সেৱা কিছুদিন পূৰ্বে বন্ধ কৰা হৈছিল। ইতিমধ্যে চহৰখনত সকলোবোৰ শ্ব'পিং ম'ল, সংগ্ৰহালয় আৰু পৰ্যটকৰ কেন্দ্ৰসমূহ বন্ধ কৰি দিয়া হৈছে। চীনৰ ক'ভিড সংক্ৰমণৰ সন্দৰ্ভত প্ৰকৃত




তথ্য এতিয়ালৈকে উপলব্ধ হোৱা নাই। প্ৰকাশিত তথ্য অনুসৰি যোৱা বছৰৰ ১০ আগষ্টত চীনত ১৪৩ জন ক'ভিড ৰোগী চিনাক্ত কৰা হৈছিল। ইয়াৰ পাছত দেশখনত যোৱা ১৮ ডিচেম্বৰত পুনৰ ১২৫ জন ক'ভিড ৰোগী ধৰা পৰিছিল। যোৱা ২৬ ডিচেম্বৰৰ পৰা ৩১ ডিচেম্বৰলৈকে দেশখনত ২০০-২০৯ জন লোকৰ ক'ভিড পৰীক্ষণৰ ফলাফল 'পজিটিভ' হৈছিল। যোৱা পহিলা জানুৱাৰীত ২৩১ ক'ভিড আক্ৰান্তক দেশখনত চিনাক্ত কৰা হৈছিল। ইয়াৰ পাছতে চীনৰ কে'বাখনো চহৰত পুনৰ সম্পূৰ্ণ তলাবন্ধ ঘোষণা কৰা হৈছে। প্ৰশাসনে পৰৱৰ্তী নিৰ্দেশনা জাৰি নকৰালৈকে চহৰৰ বাসিন্দাসকলক নিজৰ ঘৰত আবদ্ধ থাকিবলৈ নিৰ্দেশ দিছে।

## এইমছ-ছফডৰজংগ হাস্পতালত ৮০ চিকিৎসক কৰ'না আক্ৰান্ত




**নিউজ ব্যুৰ', নতুন দিল্লী, ৪ জানুৱাৰী ঃ** দেশৰ ৰাজধানী দিল্লীত দ্ৰুতগতিত সংক্ৰমণ বৃদ্ধি পাইছে ক'ভিড-১৯ৰ। কৰ'নাৰ নতুন প্ৰজাতি অ'মিক্ৰনৰ সংক্ৰমণো দিল্লীত সৰ্বাধিক হৈছে। দিল্লীৰ কে'বাখনো চিকিৎসালয়ত ক'ভিড-১৯ত সংক্ৰমিত হৈছে চিকিৎসক। দেশৰ সৰ্ববৃহৎ চিকিৎসালয় অখিল ভাৰতীয় আয়ুৰ্বিজ্ঞান প্ৰতিষ্ঠান (এইমছ) দিল্লীত কৰ্মৰত ৫০ জন চিকিৎসকক কৰ'নাত আক্ৰান্ত হোৱা হেতুকে নিভৃতবাসত ৰখা হৈছে। দিল্লীৰে ছফডৰজংগ হাস্পতালত শেহতীয়াভাৱে ছজন চিকিৎসক কৰ'নাত সংক্ৰমিত হ'ল। বিগত এসপ্তাহত ছফডৰজংগ চিকিৎসালয়ত কৰ্মৰত ২৩ জন চিকিৎসক কৰ'নাত আক্ৰান্ত হ'ল। দিল্লীত কৰ'নাৰ সংক্ৰমণ বৃদ্ধিৰ প্ৰতি লক্ষ্য ৰাখি এইমছ কৰ্তৃপক্ষই চিকিৎসকসকলৰ শীতকালীন ছুটী বাতিল কৰিলে।



## প্ৰথমদিনাই দেশত ৪১ লাখ কিশোৰ-কিশোৰীয়ে ল'লে ক'ভিডৰ প্ৰতিষেধক

**নিউজ ব্যুৰ', নতুন দিল্লী, ৪ জানুৱাৰী ঃ** কালিৰে পৰা ভাৰতত ১৫-১৮ বছৰ বয়সীয়া কিশোৰ-কিশোৰীসকলৰ ক'ভিড টিকাকৰণ অভিযান আৰম্ভ কৰা হৈছে। কিশোৰৰ টিকাকৰণ অভিযানৰ প্ৰথম দিনটোতে দেশজুৰি ক'ভিড প্ৰতিষেধক গ্ৰহণ কৰিলে ৪১ লাখ কিশোৰ-কিশোৰীয়ে। কেন্দ্ৰীয় স্বাস্থ্য মন্ত্ৰণালয়ে আজি এই তথ্য প্ৰকাশ কৰি কয় যে টিকাকৰণৰ ক্ষেত্ৰত কিশোৰ-কিশোৰীসকলে বিপুল উৎসাহ প্ৰদৰ্শন কৰিছে। সোমবাৰে নিশা ৯-৩০ বজালৈকে ভাৰতত মুঠ ৪১ লাখ ২৭ হেজাৰ ৪৬৮ জন কিশোৰ-কিশোৰীয়ে ক'ভিড প্ৰতিষেধক গ্ৰহণ কৰিলে। দেশজুৰি মঙলবাৰৰ পুৱালৈকে ৫১ লাখৰো অধিক কিশোৰ-কিশোৰীয়ে ক'উইন প'ৰ্টেলৰ জৰিয়তে টিকাকৰণৰ বাবে নিজৰ নাম পঞ্জীয়ন কৰিলে।

## সকলো কেন্দ্ৰীয় বিশ্ববিদ্যালয়ত নামভৰ্তিৰ বাবে অনুষ্ঠিত হ'ব সংযুক্ত প্ৰৱেশ পৰীক্ষাৰ



**নিউজ ব্যুৰ' নতুন দিল্লী, ৪ জানুৱাৰী ঃ** ইঞ্জিনিয়াৰিং আৰু চিকিৎসা বিজ্ঞানৰ শিক্ষানুষ্ঠানত নামভৰ্তিৰ বাবে আয়োজন কৰা জে ই ই আৰু নীট পৰীক্ষাৰ আৰ্হিত এতিয়াৰে পৰা দেশৰ সকলো কেন্দ্ৰীয় বিশ্ববিদ্যালয়ত নামভৰ্তিৰ বাবে অনুষ্ঠিত কৰা হ'ব সংযুক্ত প্ৰৱেশ পৰীক্ষাৰ। এই ব্যৱস্থা ২০২২-২৩ শিক্ষাবৰ্ষৰ পৰা ভাৰতত প্ৰযোজ্য হ'ব। কেন্দ্ৰীয় শিক্ষা মন্ত্ৰণালয়ে দেশৰ সকলোবোৰ কেন্দ্ৰীয় বিশ্ববিদ্যালয়ত নামভৰ্তিৰ বাবে একক প্ৰৱেশ পৰীক্ষা অনুষ্ঠিত কৰাৰ দায়িত্ব নেচনেল টেষ্টিং এজেন্সী (এন টি এ)ক অৰ্পণ কৰিছে। প্ৰথম পৰ্যায়ত কেন্দ্ৰীয় বিশ্ববিদ্যালয়ত স্নাতক পাঠ্যক্ৰমত নামভৰ্তিৰ বাবে একক প্ৰৱেশ পৰীক্ষা অনুষ্ঠিত কৰা হ'ব। দিল্লী বিশ্ববিদ্যালয়, কাশী হিন্দু বিশ্ববিদ্যালয় আৰু এলাহাবাদ বিশ্ববিদ্যালয়সহ সৰহসংখ্যক প্ৰধান কেন্দ্ৰীয় বিশ্ববিদ্যালয়ে নামভৰ্তিৰ একক পৰীক্ষা অনুষ্ঠিত কৰাৰ প্ৰতি সন্মতি প্ৰকাশ কৰিছে। উল্লেখ্য যে ভাৰতত সম্প্ৰতি প্ৰায় ৫০ খন কেন্দ্ৰীয় বিশ্ববিদ্যালয় আছে আৰু ইমানদিনে এইসমূহ বিশ্ববিদ্যালয়ে পৃথককৈ প্ৰৱেশ পৰীক্ষা অনুষ্ঠিত কৰি আহিছে।

## শ্ৰীনগৰত সেনাৰে সংঘৰ্ষত নিহত দুই সন্ত্ৰাসবাদী



**নিউজ ব্যুৰ', শ্ৰীনগৰ, ৪ জানুৱাৰী ঃ জম্মু-কাশ্মীৰৰ শ্ৰীনগৰৰ চহৰতলিত নিৰাপত্তা বাহিনীৰ স'তে হোৱা দুটা সংঘৰ্ষত ধৰাশায়ী হ'ল দুজন সন্ত্ৰাসবাদী। ইফালে, আৰ্ণিয়াত আন্তৰ্জাতিক সীমান্ত পাৰ হ'বলৈ গৈ বি এছ এফৰ গুলিত নিহত হ'ল এজন পাকিস্তানী অনুপ্ৰৱেশকাৰী। আজি পুৱাতে শ্ৰীনগৰৰ শালিমাৰ বাগৰ হাৰৱান অঞ্চলত সন্ত্ৰাসবাদীৰ সন্ধানত সেনাই অভিযান চলোৱাৰ সময়তে সন্ত্ৰাসবাদীৰ স'তে নিৰাপত্তা বাহিনীৰ সংঘৰ্ষৰ সূত্ৰপাত ঘটিছিল। দীৰ্ঘ সময় ধৰি হোৱা গুলীয়াগুলিৰ পাছত অঞ্চলটোৰ পৰা দুজন সন্ত্ৰাসবাদীৰ মৃতদেহ উদ্ধাৰ কৰা হয়। সংঘৰ্ষত নিহত এজন সন্ত্ৰাসবাদী লস্কৰ-ই-তৈবাৰ কমাণ্ডাৰ আছিল।**

## দেশৰ ৭৫ শতাংশ অ'মিক্ৰন আক্ৰান্ত মহানগৰৰ বাসিন্দা

**নিউজ ব্যুৰ', নতুন দিল্লী, ৪ জানুৱাৰী ঃ** দেশত ইতিমধ্যে কৰ'নাৰ সংক্ৰমণৰ তৃতীয়টো ঢৌ আৰম্ভ হৈছে। এই কথা প্ৰকাশ কৰিলে ভাৰতৰ ক'ভিড টাস্ক ফ'ৰ্চৰ মুৰব্বী চিকিৎসক এন কে অৰোৰাই। চৰকাৰী তথ্যত উল্লেখ কৰা অনুসৰি, দেশৰ মুঠ অ'মিক্ৰন আক্ৰান্তৰ ৭৫ শতাংশই হৈছে মুম্বাই, দিল্লী, কলকাতাৰ দৰে মহানগৰৰ বাসিন্দা। সমগ্ৰ দেশত ১,৮৯২ জন লোক অ'মিক্ৰনত মঙলবাৰলৈকে আক্ৰান্ত হৈছিল। ইয়াৰে ৭৬৬ ৰোগী ইতিমধ্যে সুস্থ হৈ উঠিছে। মহাৰাষ্ট্ৰত ৫৬৮, দিল্লীত ৩৮২, কেৰালাত ১৮৫, ৰাজস্থান ১৭৪, গুজৰাটত ১৫২, তামিলনাডুত ১২১ লোক অ'মিক্ৰনত আক্ৰান্ত হৈছে। ৫০ৰ অধিক অ'মিক্ৰন আক্ৰান্তক চিনাক্ত কৰা হৈছে তেলেংগানা, কৰ্ণাটক আৰু হাৰিয়ানাত। ওড়িছাত ৩৭ আৰু পশ্চিমবংগত ২০ অ'মিক্ৰন আক্ৰান্ত বৰ্তমানলৈকে ধৰা পৰিছে।



## ওড়িছা উচ্চ ন্যায়ালয়ৰ মুখ্য ন্যায়াধীশৰ অধিবক্তালৈ আহ্বান ঃ মোক 'মাই লৰ্ড' বুলি নক'ব

**নিউজ ব্যুৰ', কটক, ৪ জানুৱাৰী ঃ** ওড়িছা উচ্চ ন্যায়ালয়ত এক আমোদজনক ঘটনা সংঘটিত হ'ল। উচ্চ ন্যায়ালয়ৰ মুখ্য ন্যায়াধীশ এছ মুৰলীধৰে অধিবক্তাসকলক আহ্বান জনাই ক'লে যে তেওঁক যাতে কোনেও 'মাই লৰ্ড' বা 'ইয়ৰ লৰ্ডশ্বিপ' বুলি সম্বোধন নকৰে। কালি মুখ্য ন্যায়াধীশজনৰ বিচাৰপীঠে এক গোচৰৰ শুনানিৰ সময়ত এইদৰে আহ্বান জনাই অধিবক্তাসকলক কয়, 'সকলো অধিবক্তা আৰু সংশ্লিষ্ট পক্ষক মোৰ আহ্বান যে তেওঁলোকে এই বিচাৰপীঠৰ ন্যায়াধীশসকলক 'মাই লৰ্ড' বা 'ইয়ৰ লৰ্ডশ্বিপ' বা 'ইয়ৰ অনাৰ' বুলি সম্বোধন কৰাৰ পৰা বিৰত থাকে। ইয়াৰ পৰিৱৰ্তে অন্য ধৰণৰ সম্বোধন, যিসমূহ ন্যায়ালৰ মৰ্যাদা উপযোগী হয় যেনে 'ছাৰ' বুলি কৰিব পাৰিব।' মুখ্য ন্যায়াধীশজনৰ এনে আহ্বানক অধিবক্তাসকলে আদৰণি জনাইছে। ওড়িছা উচ্চ ন্যায়ালয়ৰ বাৰ এছ'চিয়েচনৰ সম্পাদক জে কে লংকাই মুখ্য ন্যায়াধীশ মুৰলীধৰৰ সিদ্ধান্তক আদৰণি জনাই কয় যে অন্যান্য ন্যায়াধীশসকলেও এই পদক্ষেপ গ্ৰহণ কৰা উচিত। 'এয়া এক স্বাগতমযোগ্য পদক্ষেপ। অন্যান্য ন্যায়াধীশ, অধিবক্তা আৰু বাদী-বিবাদীয়েও



ইয়াক পালন কৰা উচিত। 'ছাৰ' সম্বোধন 'মাই লৰ্ড'ৰ দৰেই সন্মানজনক।' লংকাই এইদৰে কয়। উল্লেখ্য যে ১৯৭০ৰ দশকতে ওড়িছা উচ্চ ন্যায়ালয়ে ন্যায়াধীশক 'ছাৰ' সম্বোধন কৰাৰ বাবে প্ৰথম পদক্ষেপ গ্ৰহণ কৰিছিল যদিও বৰ্তমানলৈকে আদালতৰ কাম-কাজত অধিবক্তাসকলে ন্যায়াধীশক 'ইয়ৰ লৰ্ডশ্বিপ' বুলি সম্বোধন কৰি আহিছে।

## উত্তৰ প্ৰদেশত কংগ্ৰেছৰ মাৰাথনত পদপিষ্ট হ'ল আহত কে'বাজনো লোক



**নিউজ ব্যুৰ', লক্ষ্ণৌ, ৪ জানুৱাৰী ঃ কৰ'নাৰ সংক্ৰমণৰ মাজতে উত্তৰ প্ৰদেশত ৰাজনৈতিক কৰ্মসূচীত অংশ ল'বলৈ গৈ পদপিষ্ট হৈ আহত হ'ল কে'বাজনো লোক। আজি ৰাজ্যখনৰ বলেলিত কংগ্ৰেছে আয়োজন কৰা মাৰাথন দৌৰ প্ৰতিযোগিতাত অংশ লোৱাৰ সময়ত হোৱা হেঁচা-ঠেলাত পদপিষ্ট হৈ কে'বাগৰাকীও কিশোৰী আৰু মহিলা গুৰুতৰভাৱে আহত হ'ল। কংগ্ৰেছ নেত্ৰী সুপ্ৰিয়া অৰুণৰ দ্বাৰা আয়োজিত এই মাৰাথনত অংশ লৈছিল সহস্ৰাধিক প্ৰতিযোগীয়ে। উত্থাপিত অভিযোগ অনুসৰি, কৰ'না কালত আয়োজিত এই মাৰাথনত সামাজিক দূৰত্ব বিধি আৰু মাস্ক পৰিধানৰ নিয়ম মানি চলা নাছিল। দৌৰ আৰম্ভ হোৱাৰ সময়তে হোৱা হেঁচা-ঠেলাত কে'বাজনো লোক মাটিত বাগৰি পৰে আৰু তেওঁলোকক পদপিষ্ট কৰি আন লোকসকলে দৌৰ মাৰিছিল। অৱশ্যে লগে লগে আয়োজকে পৰিস্থিতি নিয়ন্ত্ৰণ কৰাৰ ফলত বৃহৎ দুৰ্ঘটনা সংঘটিত নহ'ল।**

## ২৫ হেজাৰলৈ বৃদ্ধি পাব দৈনিক সংক্ৰমণ, সপ্তাহান্তিকত সান্ধ্যআইন দিল্লীত



**নতুন দিল্লী, ৪ জানুৱাৰী ঃ** দেশৰ লগতে দিল্লীতো পুনৰ ক'ভিড পৰিস্থিতি উদ্বেগজনক হ'ল। জানুৱাৰীৰ মাজভাগত দিল্লীত কৰ'নাৰ দৈনিক সংক্ৰমণ ২৫ হেজাৰৰ অধিক হ'ব পাৰে। এনে আশংকাতে কম্পমান হ'ল দেশৰ ৰাজধানী। পৰিস্থিতি নিয়ন্ত্ৰণ কৰিবলৈ নৈশ সান্ধ্যআইনৰ লগতে অহা সপ্তাহান্তিকৰ পৰা দিল্লীত সান্ধ্যআইন জাৰি কৰা হ'ল। অহা শুকুৰবাৰৰ নিশা ১০ বজাৰ পৰা সোমবাৰৰ পুৱা পাঁচ বজালৈকে দিল্লীত বলৱৎ থাকিব সান্ধ্যআইন। কেন্দ্ৰীয় স্বাস্থ্যমন্ত্ৰী মনসুখ মাণ্ডব্যই আজি এই কথা প্ৰকাশ কৰি কয় যে এই মুহূৰ্তত দেশৰ ৰাজধানীত ক'ভিড পৰিস্থিতিয়ে যি ৰূপ ধাৰণ কৰিছে তাৰ প্ৰতি লক্ষ্য ৰাখিলে অহা আঠ জানুৱাৰীৰ ভিতৰত দিল্লীত দৈনিক সংক্ৰমণ আঠৰ পৰা নহেজাৰ হোৱাৰ সম্ভাৱনা আছে। সংক্ৰমণ নিয়ন্ত্ৰণ কৰিব নোৱাৰিলে ১৫ জানুৱাৰীৰ ভিতৰতে ২০-২৫ হেজাৰলৈকে দৈনিক সংক্ৰমণ বৃদ্ধি পাব পাৰে।

■ ৰাইজক যোগান ধৰিব পৰা নাই জমাবন্দী কপি, মাটিৰ প্ৰমাণপত্ৰ

# বিগত দুটা মাহে ডিমৌ চক্ৰ বিষয়া কাৰ্যালয়ত নাই ইণ্টাৰনেট সেৱা

**অগ্ৰদূত বাৰ্তা**
**ডিমৌ, ৪ জানুৱাৰী ঃ** ডিমৌ ৰাজহ চক্ৰ কাৰ্যালয়ত যোৱা দুটা মাহে ইণ্টাৰনেট সেৱা নথকাৰ অজুহাতত কাৰ্যালয়টোৰ বিষয়া-কৰ্মচাৰীয়ে ডিমৌৰ জনসাধাৰণক যোগান ধৰিব পৰা নাই জমাবন্দি কপিৰ লগতে মাটিৰ প্ৰমাণ পত্ৰ আদি। চক্ৰ বিষয়া কাৰ্যালয়টোত থাওৱা সমষ্টিৰ বকতা, থাওৰা, নিতাই আৰু পানীদিহিং মৌজাৰ জনসাধাৰণে মাটিৰ জমাবন্দি কপি, মাটিৰ প্ৰমাণ পত্ৰ, বছেৰেকীয়া আয়ৰ প্ৰমাণ পত্ৰ উলিয়াবৰ বাবে আবেদন দাখিল কৰি থোৱাৰ পাছতো চক্ৰ বিষয়া কাৰ্যালয়ৰ বিষয়া-কৰ্মচাৰীয়ে আবেদনকাৰীক যোগান ধৰিব পৰা নাই উল্লেখিত প্ৰমাণ পত্ৰসমূহ। যাৰবাবে সমষ্টিটোৰ চাৰিওটা মৌজাৰ বিভিন্নজন মাটিৰ মালিক তথা আবেদনকাৰীক কাৰ্যালয়টোত বিগত দুটা মাহে তাঁতবাতি কৰিও লাভ কৰা নাই প্ৰয়োজনীয় প্ৰমাণ পত্ৰ। একাংশ লোকে এই প্ৰতিবেদকক কৰা অভিযোগ মতে ইণ্টাৰনেট সম্পৰ্কীয় কোনো ধৰণৰ কামেই ডিমৌ ৰাজহ চক্ৰ বিষয়া কাৰ্যালয়টোত নোহোৱাৰ ফলত দূৰ-দূৰণিৰ পৰা অহা দৰিদ্ৰ জনসাধাৰণে জীয়াতু ভূগিবলগীয়া হৈছে। এটা সদাব্যস্ত চৰকাৰী কাৰ্যালয়ত প্ৰায় দুটামাহে ইণ্টাৰনেট সেৱা বন্ধ হৈ থকাৰ অজুহাতত খাতিখোৱা দৰিদ্ৰ লোকসকলক তথা আবেদনকাৰী শিক্ষাৰ্থীসকলক প্ৰয়োজনীয় প্ৰমাণ পত্ৰ যোগান ধৰিব নোৱৰাৰ ক্ষেত্ৰতো ডিমৌ ৰাজহ চক্ৰ বিষয়াগৰাকীয়ে বিশেষ গুৰুত্ব প্ৰদান কৰা পৰিলক্ষিত হোৱা নাই। ডিমৌৰ সচেতন ৰাইজে অতি শীঘ্ৰে কাৰ্যালয়টোত ইণ্টাৰনেট সেৱা সূচল কৰি দৰিদ্ৰ ৰাইজ তথা আবেদনকাৰীক মাটিৰ প্ৰমাণ পত্ৰসমূহ তাৎক্ষণিকভাৱে প্ৰদান কৰাৰ ব্যৱস্থা গ্ৰহণ কৰিবলৈ শিৱসাগৰ জিলা উপায়ুক্তলৈ আহ্বান জনাইছে।



মাজুলীত জনস্বাস্থ্য কাৰিকৰী বিভাগৰ পানী যোগান কেন্দ্ৰ মুকলি অনুষ্ঠানত সত্ৰাধিকাৰ ড° পীতাম্বৰ দেৱ গোস্বামীসহ বিশিষ্ট ব্যক্তিসকল

## অভয়াপুৰী মহাবিদ্যালয়ত কাঠফুলা খেতি বিষয়ক চাৰ্টিফিকেট পাঠ্যক্ৰমৰ উদ্বোধন



**অগ্ৰদূত বাৰ্তা**
**অভয়াপুৰী, ৪ জানুৱাৰী ঃ** অভয়াপুৰী মহাবিদ্যালয়ৰ উদ্ভিদ বিজ্ঞান বিভাগৰ উদ্যোগত কালি কাঠফুলা খেতি বিষয়ক চাৰ্টিফিকেট পাঠ্যক্ৰমৰ উদ্বোধন অনুষ্ঠিত হয়। মহাবিদ্যালয় প্ৰাংগণত আয়োজিত অনুষ্ঠানত সভাপতিত্ব কৰে মহাবিদ্যালয়ৰ উপাধ্যক্ষ অধ্যাপক চিন্তামনি দেৱশৰ্মাই। উদ্ভিদ বিজ্ঞান বিভাগৰ মুৰব্বী অধ্যাপক ড° সুব্ৰত সৰকাৰে পাঠ্যক্ৰমটোৰ আহ্বায়ক হিচাপে আদৰণি ভাষণ প্ৰদান কৰে। পাঠ্যক্ৰমটোৰ সমন্বয়ক ড° অশোক কুমাৰ দাসে পাঠ্যক্ৰমৰ নিয়মাৱলী আৰু আগন্তুক কাৰ্যক্ৰমৰ বিষয়ে অৱগত কৰে। ইয়াৰ পাছতে মহাবিদ্যালয়ৰ অধ্যক্ষ ড° সদানন্দ নাথে মুখ্য অতিথি হিচাপে ছাত্ৰ-ছাত্ৰীসকলক পাঠ্যক্ৰমৰ প্ৰয়োজনীয়তা সম্পৰ্কে বিৱৰণ ব্যাখ্যা কৰে আৰু পাঠ্যক্ৰম সুকলমে সম্পূৰ্ণ কৰাৰ বাবে উপদেশ আগবঢ়ায়। পাঠ্যক্ৰমৰ মূল সমল ব্যক্তি তথা ৰঙামাটি এছ চি এছ কৃষি মহাবিদ্যালয়ৰ অধ্যাপক ড° গুণদ্ধ কুমাৰ উপমূন্যৰে পাঠ্যক্ৰমটোৰ উপযোগিতাৰ কথা উল্লেখ কৰি বক্তৃতা দাঙি ধৰে। অনুষ্ঠানৰ আঁত ধৰে অধ্যাপিকা ডিম্পী চৌধুৰীয়ে আৰু শেষত শলাগৰ শৰাই আগবঢ়ায় অধ্যাপিকা তৃষ্ণা ৰয় প্ৰধানীয়ে।

## শ্ৰীমন্ত শংকৰদেৱ সংঘৰ যোৰহাট জিলা শাখাৰ বাৰ্ষিক অধিবেশন লাইখুঁটা স্থাপন

**অগ্ৰদূত বাৰ্তা ,**
**লাহদৈগড়, ৪ জানুৱাৰী ঃ** শ্ৰীমন্ত শঙ্কৰদেৱ সংঘৰ যোৰহাট জিলা শাখাৰ ৬৭ সংখ্যক বাৰ্ষিক অধিবেশনখন হোলোঙাপাৰ আঞ্চলিক শাখাৰ আতিথ্যত কৰ্মযোগী মুখ্যেশ্বৰ শইকীয়া সমন্বয় ক্ষেত্ৰত অনুষ্ঠিত হ'ব অহা ৯ জানুৱাৰীত দিহা গজপুৰীয়াত দিনৰ ১০ বজাত জিলা শাখাৰ সভাপতি মুকুল গগৈয়ে লাইখুঁটা স্থাপন কৰিব। মুকুল গগৈৰ সভাপতিত্ব অনুষ্ঠিত মুকলি সভা উদ্বোধন কৰিব শ্ৰীমন্ত শঙ্কৰদেৱ সংঘৰ যোৰহাট জিলা শাখাৰ সম্পাদক মুকুল বৰুৱাই। মুকলি সভাত উপস্থিত থাকিব শ্ৰীমন্ত শঙ্কৰদেৱৰ সংঘৰ শৰণ সদস্য ভুৱন শইকীয়া, ডম্বৰু বৰুৱা, শ্ৰীমন্ত শঙ্কৰদেৱৰ সংঘৰ শিশু আইমাতৃ কল্যাণ সমিতিৰ সম্পাদিকা ফুনু বৰা গগৈ, মুলৰ সদস্য ৰুদ্ৰধৰ বৰা, নবীন চন্দ্ৰ বৰা , প্ৰফুল্ল চন্দ্ৰ গগৈ আদি জিলা শাখাৰ বিষয়ববীয়া। আদৰণি সমিতিৰ সভাপতি গঙ্গাৰাম বৰা, কাৰ্যকৰী সভাপতি সৌৰভ হাজৰিকা আৰু সম্পাদক দ্বীজেন শইকীয়াই ভকত বৈষ্ণৱৰ উপস্থিতি কামনা কৰিছে ।

## গোৱালপাৰাৰ বৃদ্ধাশ্ৰমত ভাৰতীয় ষ্টেট বেংকৰ বস্ত্ৰ বিতৰণ

**অগ্ৰদূত বাৰ্তা**
**মাটিয়া, ৪ জানুৱাৰী ঃ** গোৱালপাৰা চহৰৰ সাত নম্বৰ ৱাৰ্ডৰ মহিলা বৃদ্ধাশ্ৰমত কালি ভাৰতীয় ষ্টেট বেংকে কম্বল, চাদৰ, শাৰী, চুৰেটাৰ আদি বস্ত্ৰৰ লগতে ফল-মূল আদি বিতৰণ কৰে। ভাৰতীয় ষ্টেট বেংকৰ বঙাইগাঁও মণ্ডলৰ মাণ্ডলিক প্ৰৱন্ধক গুৰুপদ হালদাৰ আৰু গোৱালপাৰা শাখাৰ প্ৰৱন্ধক আমিনুল হকে বৃদ্ধাশ্ৰমখনত উপস্থিত হৈ আশ্ৰমৰ বৃদ্ধাসকলৰ মাজত বস্ত্ৰ সামগ্ৰীসমূহ বিতৰণ কৰে। লগতে আজি চহৰৰ ভালুকডুবীত থকা মহিলা মণ্ডল, নগাঁৱৰ উদ্যোগত স্থাপন কৰা এখন বৃদ্ধাশ্ৰমতো বৃদ্ধাসকলৰ মাজত শীতৰ বস্ত্ৰ বিতৰণ কৰে। ইপিনে, জিলাখনৰ জলেশ্বৰত নতুনকৈ স্থাপন কৰা শংকৰ-আজান বৃদ্ধাশ্ৰমতো যোৱা এক জানুৱাৰীত বস্ত্ৰ সামগ্ৰী বিতৰণ কৰে।

## গোসাঁইগাঁও মহকুমা প্ৰশাসনৰ গণৰাজ্য দিৱস উদ্‌যাপন সন্দৰ্ভত সভা

**অগ্ৰদূত বাৰ্তা**
**গোসাঁইগাঁও, ৪ জানুৱাৰী ঃ** আগন্তুক দিৱস উদ্‌যাপন সম্পৰ্কে আলোচনাৰ্থে গোসাঁইগাঁও মহকুমাৰ মহকুমাধিপতিৰ কাৰ্যালয়ৰ সভাকক্ষত মহকুমা প্ৰশাসনৰ আহ্বান ক্ৰমে যোৱা তিনি জানুৱাৰীত এখন সভা অনুষ্ঠিত হয়। মহকুমাটোৰ বিভিন্ন বিভাগৰ মুৰব্বী বিষয়া, বিভিন্ন ৰাজনৈতিক তথা অৰাজনৈতিক দল-সংগঠনৰ ব্যক্তিবৰ্গৰ উপস্থিতিত গণৰাজ্য দিৱস উদ্‌যাপন সম্পৰ্কে আলোচনাৰ্থে আয়োজিত সভাত সভাপতিত্ব কৰে গোসাঁইগাঁও মহকুমাৰ মহকুমাধিপতি মাচান্দা পাৰতিনে। তেওঁ প্ৰতি বছৰৰ দৰেই এইবেলিও সুচাৰুৰূপে গণৰাজ্য দিৱস উদ্‌যাপন কৰাৰ ক্ষেত্ৰত সভাত উপস্থিত ব্যক্তিবৰ্গৰ লগতে বিভিন্ন চৰকাৰী বিভাগৰ পৰামৰ্শ আৰু সহযোগিতা কামনা কৰে। সভাত সহকাৰী আয়ুক্ত প্ৰিয়ংকৰ প্ৰতিম ডেকা, কাৰ্যবাহী দণ্ডাধীশ ৰৌশিনুল আলম, জিলা নিৰ্বাচনী বিষয়া আহমেদ্দুলাহ ঠাকুৰীয়া, গোসাঁইগাঁৱৰ ৰাজহ চক্ৰ বিষয়া কমলজ্যোতি বৰা, গোসাঁইগাঁও সদৰ থানাৰ ভাৰপ্ৰাপ্ত বিষয়া অমৰজ্যোতি বাইলুং, চিআৰপিএফ তথা এছএছবিৰ বিষয়বৰ্গ, বিপিএফ দলৰ গোসাঁইগাঁও জিলা সমিতিৰ কে'বাগৰাকী বিষয়ববীয়াৰ লগতে মহকুমাটোৰ বিভিন্ন বিভাগৰ মুৰব্বী বিষয়াসকলৰ উপৰি গোসাঁইগাঁও প্ৰেছ ক্লাব আৰু শ্ৰীৰামপুৰ প্ৰেছ ক্লাবৰ বিষয়ববীয়াসকল উপস্থিত থাকে।

## বালিপৰাত ১৪ কাৰ্টন বীয়েৰ জব্দ ঃ আটক এজনক



**অগ্ৰদূত বাৰ্তা**
**তেজপুৰ, ৪ জানুৱাৰী ঃ** অৰুণাচলত প্ৰস্তুত কৰা সুৰা বিসংগতিপূৰ্ণ নথিপত্ৰ নতুবা চোৰাংভাৱে ৰাজ্যৰ বিভিন্ন স্থানৰ লগতে আন ৰাজ্যলৈয়ো সৰবৰাহ হৈ থকা বহু ঘটনা পোহৰলৈ অহাৰ মাজতে কালি বিয়লি এক বিশেষ সূত্ৰৰ তথ্যৰ ভিত্তিত শোণিতপুৰৰ চাৰিদুৱাৰত আৰক্ষী আৰু আবকাৰী বিভাগে চলোৱা এক যুটীয়া অভিযানত এখন ট্ৰাকত কঢ়িয়াই অনা বহু পৰিমাণৰ অৰুণাচলী সুৰা জব্দ কৰাৰ লগতে এজন লোকক আটক কৰে। আৰক্ষীয়ে প্ৰকাশ কৰা অনুসৰি, অৰুণাচল প্ৰদেশৰ নাহৰলগুনৰ পৰা অহা আৰ জে ১৪ জি জি ০৪২৩ নম্বৰৰ এখন কণ্টেইনাৰত এই সুৰা কঢ়িয়াই অনা হৈছিল বঙাইগাঁৱলৈ। বিয়লি চাৰিদুৱাৰ আৰক্ষী থানাৰ বালিপাৰাত আৰক্ষীয়ে চলোৱা তালাচীৰ সময়ত কণ্টেইনাৰখনত অৰুণাচলত তৈয়াৰ কৰা বিয়েৰৰ পাঁচশ মিলিলিটাৰ কেন ভৰ্তি তিনিশ কাৰ্টন আৰু ৬৫০ মিলিলিটাৰ বটলৰ থকা ১১ শ কাৰ্টনসহ মুঠ ১৪শ কাৰ্টন উদ্ধাৰ কৰা হয়। উল্লেখ্য যে বঙাইগাঁৱলৈ অনা এই বিয়েৰৰ কাৰ্টনসমূহৰ বিপৰীতে থকা নথি বিসংগতিপূৰ্ণ আছিল বুলি প্ৰকাশ কৰিছে আৱকাৰী বিভাগে। ঘটনা সন্দৰ্ভত কণ্টেইনাৰখন জব্দ কৰাৰ লগতে চালক তথা পশ্চিমবংগৰ দাৰ্জিলিঙৰ খাৰিবাৰী থানাৰ অন্তৰ্গত বুধচিংজোতে গাঁৱৰ সতি বাসিন্দা দেৱব্ৰত শীল (৩৭)ক আটক কৰা হয়। ঘটনা সন্দৰ্ভত চাৰিদুৱাৰ থানাত ৰুজু হোৱা গোচৰৰ ভিত্তিত অনুসন্ধান অব্যাহত ৰাখিছে আৰক্ষীয়ে।

■ কৃষ্ণাইত আৰক্ষীৰ অভিযান অব্যাহত

## থৰহৰি কম্পমান ট্ৰেফিক আইন ভংগকাৰী

**অগ্ৰদূত বাৰ্তা**
**কৃষ্ণাই, ৪ জানুৱাৰী ঃ** গোৱালপাৰা জিলাৰ কৃষ্ণাইত আৰক্ষীৰ ভয়ত থৰহৰি কম্পমান ট্ৰেফিক আইন ভংগকাৰী। হেলমেট নিপিন্ধাকৈ বাইক চলোৱা, ছীটবেল্ট ব্যৱহাৰ নকৰা, মদ খাই গাড়ী চলোৱা সকলোৰে দুচকুত এতিয়া আতংক । কাৰণ এই আইন ভংগকাৰীৰ বিৰুদ্ধে অভিযান অব্যাহত ৰাখিছে গোৱালপাৰা জিলাৰ কৃষ্ণাই আৰক্ষী থানাৰ সিংঘমে। ক'ব খোজা হৈছে কৃষ্ণাই আৰক্ষী থানাত নতুনকৈ যোগদান কৰা ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া পল হ্লিমচাঙৰ কথা। ইতিমধ্যে সকলোৰে মুখত সিংঘম উপ নামেৰে পৰিচিত হৈ পৰা বিষয়াজনে প্ৰতিদিনে কৃষ্ণাই অঞ্চলৰ বিভিন্ন স্থানত তালাচী চকী বহুৱাই ট্ৰেফিক আইন নমনা লোকসকলৰ পৰা পাঁচশ আৰু এহেজাৰ টকাকৈ জৰিমনা বিহিছে। ২৬ ডিচেম্বৰৰ পৰা অব্যাহত আছে এই অভিযান। এই অভিযান কালত বিষয়াজনক সততে সংগ দিছে আৰক্ষীৰ উপ-পৰিদৰ্শক কছেৰ আলী আহমেদ তথা এক সক্ৰিয় আৰক্ষী বাহিনীয়ে। ইতিমধ্যে কুকুৰকাটা, নাবাৎ আদিত অভিযান চলোৱা আৰক্ষীয়ে আজি কৃষ্ণাইৰ উপৰি পাইকান, বেকীপুল সকলোতে চলায় অভিযান। এই তালাচীৰ সময়ত নথিপত্ৰ নথকা ই-ৰিক্সাবোৰকো লক্ষ্য কৰি লয় আৰক্ষীয়ে। আৰক্ষীৰ তৎপৰতাত এতিয়া কৃষ্ণাইত আইন ভংগকাৰীৰ তিঘিলঘিলনি যথেষ্ট নিয়ন্ত্ৰণলৈ আহিছে।

## চান্দ সদাগৰৰ মেৰঘৰৰ সমীপত আদৰ্শ অংগনৱাড়ী কেন্দ্ৰৰ আধাৰশিলা স্থাপন



**ছয়গাঁও, ৪ জানুৱাৰী ঃ** দক্ষিণ কামৰূপৰ ছয়গাঁও সমষ্টিৰ ঐতিহ্যমণ্ডিত চান্দ সদাগৰৰ মেৰঘৰৰ সমীপত কালি আবেলি সমাজ কল্যাণ বিভাগৰ তৰফৰ পৰা এটা আদৰ্শ অংগনৱাড়ী কেন্দ্ৰৰ প্ৰস্তাৱিত গৃহ নিৰ্মাণৰ আধাৰশিলা স্থাপন কৰা হয়। মঠপাৰা গাঁৱত নিৰ্মাণ হ'ব লগা অংগনৱাড়ী গৃহটো উদ্বোধন কৰে গুৱাহাটী লোকসভা সমষ্টিৰ সাংসদ কুইন ওজা আৰু ছয়গাঁও সমষ্টিৰ বিধায়ক ৰেকিবুদ্দিন আহমেদে। অসমত প্ৰায় তিনিহেজাৰ এনে আদৰ্শ অংগনৱাড়ী কেন্দ্ৰ স্থাপন কৰা হ'ব যদিও ছয়গাঁৱৰ উক্ত কেন্দ্ৰটো বিশেষভাৱে নিৰ্মাণ কৰাৰ চিন্তা-চৰ্চা কৰাৰ কথা উল্লেখ কৰে সাংসদ ওজাই। আধাৰশিলা স্থাপনৰ পাছতে মঠপাৰাত থকা সভাগৃহত আয়োজন কৰা মুকলি সভাত সাংসদ ওজাই অসম চৰকাৰৰ এনে পদক্ষেপক প্ৰশংসা কৰে। সভাতে বিধায়ক আহমেদে কামৰূপ জিলাখন উন্নয়ন কৰাৰ ক্ষেত্ৰত অসমৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা, বিত্তমন্ত্ৰী অজন্তা নেওগ আৰু সাংসদ ওজাই কৰা পদক্ষেপক প্ৰশংসা কৰে। বিধায়ক আহমেদে সাংসদ কুইন ওজাক জাপি, চেলেং, এৰী চাদৰ আদিৰে সম্ভাষণ জনায়। কামৰূপ জিলাৰ সমাজ কল্যাণ বিষয়া ৰুবুল শৰ্মাই আঁত ধৰা সভাখনত ছয়গাঁৱৰ সমাজ কল্যাণ বিভাগৰ চিডিপিঅ' পুষ্পা গোস্বামীয়ে সন্মানীয় ব্যক্তিসকলক সম্ভাষণ জনায়। কেন্দ্ৰটোৰ নামত ২৫ লাখ টকা অহা বুলি জানিবলৈ দিয়ে জিলা সমাজ কল্যাণ বিষয়া শৰ্মাই। সভাত উপস্থিত থাকে কামৰূপ জিলাৰ অতিৰিক্ত উপায়ুক্ত মনালী জৈন, দক্ষিণ কামৰূপ জিলা বিজেপিৰ সভাপতি ধনেশ্বৰ তালুকদাৰ, নিৰ্মাণ সমিতিৰ সভাপতি প্ৰদীপ কুমাৰ চৌধুৰী, ছয়গাঁৱৰ খণ্ড উন্নয়ন বিষয়া কনকলতা দেৱী, সমাজ কল্যাণ বিষয়া পুষ্পা গোস্বামী, কামৰূপ জিলাৰ জনজাতি পৰিষদৰ অধ্যক্ষ লাৱণ্য বড়ো প্ৰমুখ্যে ভালেমান বিশিষ্ট ব্যক্তি। সভাৰ আৰম্ভণিতে গুৱাহাটীৰ সাংসদ ওজা আৰু বিধায়ক আহমেদে গছপুলি ৰোপণ কৰে।

## নগাঁৱত বীৰ লাচিত সেনাৰ জোঁৰ সমদলত বাধা আৰক্ষীৰ

**বিশে, সংবাদদাতা**
**নগাঁও, ৪ জানুৱাৰী ঃ** অসমীয়া ভাষা সংকটত পৰাৰ আশংকাত বীৰ লাচিত সেনাৰ কেন্দ্ৰীয় সমিতিয়ে ৰূপায়ণ কৰা জোঁৰ সমদলত নগাঁৱত আৰক্ষীয়ে বাধা প্ৰদান কৰে। কেন্দ্ৰীয় সমিতিৰ আহ্বান মৰ্মে বীৰ লাচিত সেনাৰ নগাঁও জিলা সমিতিয়ে জোঁৰ সমদল কাৰ্যসূচী গ্ৰহণ কৰিছিল। কালি সন্ধিয়া নগাঁৱৰ নেহেৰুবালিৰ পৰা সংগঠনটোৰ নগাঁও জিলা সমিতিয়ে জোঁৰ সমদল উলিয়াবলৈ প্ৰস্তুতি চলোৱাৰ সময়তে সমদলটোক নগাঁও আৰক্ষীয়ে বাধা প্ৰদান কৰে। জোঁৰ সমদলৰ খবৰ লাভ কৰিয়েই নেহেৰুবালিত উচ্চ পদস্থ আৰক্ষী বিষয়াসহ উপস্থিত হয় আৰক্ষীৰ এটা বৃহৎ দল। বীৰ লাচিত সেনাৰ প্ৰতিবাদী কাৰ্যসূচীৰ অনুমতি নথকাৰ অভিযোগত বাধা প্ৰদান কৰে আৰক্ষীৰ দলে। প্ৰতিবাদী কাৰ্যসূচীত নগাঁও আৰক্ষীয়ে বাধা প্ৰদান কৰা কাৰ্যক গৰিহণা দিয়ে বীৰ লাচিত সেনাৰ জিলা সমিতিয়ে।

## ড° হৰিচৰণ দাসক দেশী যুৱ-ছাত্ৰ পৰিষদৰ সম্বৰ্ধনা

**বিশেষ সংবাদদাতা**
**বিলাসীপাৰা, ৪ জানুৱাৰী ঃ** দেশী যুৱ-ছাত্ৰ পৰিষদৰ উদমাৰী শাখা সমিতিয়ে পহিলা জানুৱাৰীত অৰণ্য সুৰক্ষা সমিতি অসমৰ সচিব প্ৰধান, লেখক, গৱেষক, বিলাসীপাৰা মহাবিদ্যালয়ৰ গ্ৰন্থাগাৰিক তথা পৰিৱেশ অধ্যয়নৰ শিক্ষক ড° হৰিচৰণ দাসক সম্বৰ্ধনা জ্ঞাপন কৰে। বিলাসীপাৰা মহকুমাৰ ৰাজহুৱা গ্ৰন্থাগাৰত আয়োজিত সম্বৰ্ধনা সভাত সংগঠনটোৰ উদমাৰী শাখাৰ সম্পাদক ফিৰদৌছ আলমৰ লগতে সংগঠনটোৰ কৰ্মকৰ্তা ক্ৰমে মিজানুৰ ৰহমান, মহিছিদ আলী, বাপ্পী আলী, নুৰল আমিন সৰকাৰ আৰু আমিনুৰ ৰহমানে তেওঁক দেশী গামোচা আৰু গ্ৰন্থেৰে সম্বৰ্ধনা জনায়। অনুষ্ঠানত লোকশিল্পী আব্দুল কৰিম খান, জ্যেষ্ঠ সাংবাদিক দয়াল পাল উপস্থিত থাকে। ড° দাসে পৰিষদক আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰে আৰু ইংৰাজী নৱবৰ্ষৰ শুভেচ্ছা জ্ঞাপন কৰে।

# নতুন শিক্ষা নীতিয়ে জাতীয় বিদ্যালয়ৰ ক্ষতি নকৰে ঃ বিনোদ তালুকদাৰ

■ ঘগ্ৰাপাৰৰ বনভাগ জাতীয় বিদ্যালয়ৰ প্ৰতিষ্ঠা দিৱসৰ সামৰণি

**অগ্ৰদূত বাৰ্তা**
**ঘগ্ৰাপাৰ, ৪ জানুৱাৰী ঃ** নলবাৰী জিলাৰ ঘগ্ৰাপাৰ ৰাজহ চক্ৰৰ অন্তৰ্গত বাঘমাৰা গাঁওস্থিত বনভাগ জাতীয় বিদ্যালয়ত নৱম সংখ্যক প্ৰতিষ্ঠা দিৱস কালিৰে পৰা দুদিনীয়া কাৰ্যসূচীৰে অনুষ্ঠিত হয়। এই উদ্দেশ্যে ছাত্ৰ-ছাত্ৰীসকলৰ শাৰীৰিক, মানসিক আৰু বৌদ্ধিক বিকাশৰ বাবে বিভিন্ন খেল-ধেমালি, সংগীত, আধুনিক নৃত্য আদি প্ৰতিযোগিতা অনুষ্ঠিত হয়। প্ৰথমদিনা বনভাগ জাতীয় বিদ্যালয়ৰ পৰিচালনা সমিতিৰ সভাপতি থানেশ্বৰ লহকৰে পতাকা উত্তোলন কৰি কাৰ্যসূচী আৰম্ভ কৰাৰ পাছত বন্তি প্ৰজ্বলন আৰু ছহিদ তৰ্পণ কৰে ক্ৰমে অধ্যক্ষ বিনোদ তালুকদাৰ আৰু উপাধ্যক্ষ হেলিম আহমেদে। দুপৰীয়া খেল-ধেমালি আৰু কবিতা আবৃত্তি প্ৰতিযোগিতা অনুষ্ঠিত হয়। কালি পুৱা বৃক্ষৰোপণ কাৰ্য সম্পন্ন হয়। বিদ্যালয় পৰিচালনা সমিতিৰ সভাপতি থানেশ্বৰ লহকৰৰ সভাপতিত্বত অনুষ্ঠিত ছাত্ৰ-ছাত্ৰী অভিভাৱক-শিক্ষকৰ মাজত এক মত বিনিময় অনুষ্ঠান অনুষ্ঠিত হয়। অনুষ্ঠানত বিদ্যালয় পৰিচালনা সমিতিৰ উপদেষ্টা মুকুন্দ হালৈ, অভিভাৱক দেৱেন লহকৰ, জাকিৰ হুছেইন, গমীৰ আলী, ফাকাৰুদ্দিন আহমেদ, সাংবাদিক দ্বিজেন ডেকা আদিয়ে মত বিনিময় কৰে। অধ্যক্ষজনে কয় যে নতুন শিক্ষানীতিয়ে জাতীয় বিদ্যালয়ত কোনো ধৰণৰ অসুবিধাৰ সৃষ্টি নকৰে। কেৱল আমি নীতি-নিয়ম পালন কৰিব লাগিব বুলি সদৰী কৰে। কিয়নো এই শিক্ষা-নীতিয়ে জাতীয় বিদ্যালয় প্ৰথমৰ পৰা বলৱৎ হৈ আহিছে বুলি মন্তব্য কৰে। অনুষ্ঠানত কে'বাগৰাকী ছাত্ৰীয়ে গীত পৰিবেশন কৰাৰ লগতে উদীয়মান শিল্পী কুসুম পাছক, জাকিৰ হুছেইন আদিয়ে কালজয়ী গীত পৰিবেশন কৰে।

## পকামূৰা উচ্চ মাধ্যমিক বিদ্যালয়ৰ বৰ্ষজোৰা সোণালী জয়ন্তী আৰম্ভ

**ষ্টাফ ৰিপৰ্টাৰ**
**যোৰহাট, ৪ জানুৱাৰী ঃ** পকামূৰা উচ্চ মাধ্যমিক বিদ্যালয়ৰ বৰ্ষজোৰা সোণালী জয়ন্তী কালিৰে পৰা আৰম্ভ হৈছে। বিদ্যালয়খনৰ অধ্যক্ষ জয়ন্ত হাজৰিকাই পতাকা উত্তোলন কৰি কাৰ্যসূচীৰ মুকলি কৰাৰ পাছতে প্ৰাক্তন প্ৰধান শিক্ষক, উদ্‌যাপন সমিতিৰ কাৰ্যকৰী সভাপতি প্ৰণৱ হাজৰিকাই স্মৃতি তৰ্পণ কৰি প্ৰতিষ্ঠাৰ পৰা বৰ্তমানলৈকে বিদ্যালয়খনত জড়িত থাকি প্ৰয়াতসকলৰ আত্মাৰ সদগতিৰ অৰ্থে পুষ্পাঞ্জলি অৰ্পণেৰে স্মৃতি তৰ্পণৰ মুকলি কৰে আৰু উপস্থিতসকলেও পুষ্পাঞ্জলি অৰ্পণ কৰে। তাৰ পাছতে গছ-পুলি ৰোপণ কৰে ৭০ নম্বৰ মধ্য খণ্ডীয়া গাঁও পঞ্চায়তৰ সভানেত্ৰী ৰূপৰেখা শইকীয়াই। শিক্ষক নয়নমণি কলিতাই আঁত ধৰা, প্ৰাক্তন বৰ্তমানৰ শিক্ষাৰ্থী সমাৰোহত অধ্যক্ষজনে ১৯৭২ৰ তিনি জানুৱাৰীৰ পৰা ২০২২ৰ তিনি জানুৱাৰীলৈকে বিদ্যালয়খনৰ সফলতা, উন্নতি, ৰাইজ-বিভাগীয় সহযোগিতা আদিৰ সম্পৰ্কত উল্লেখ কৰে। উদ্‌যাপন সমিতিৰ সভাপতি হেমন্ত কলিতাই বৰ্ষজোৰা সোণালী জয়ন্তীৰ পৰিকল্পনা ব্যাখ্যা কৰি ৰাইজ, চৰকাৰ, বিভাগীয় কৰ্তৃপক্ষৰ সহযোগিতা কামনা কৰে। প্ৰাক্তন বৰ্তমানৰ শিক্ষাৰ্থীসকলে স্মৃতি ৰোমন্থনৰ লগতে বহুকেইগৰাকীয়ে নৃত্য প্ৰদৰ্শন, গীত পৰিৱেশন কৰে। সন্ধিয়া ৫০ গৰাকী ব্যক্তিয়ে একোগছিকৈ কৰা বন্তি প্ৰজ্বলনৰ কাৰ্যসূচীৰ মুকলি কৰে ভূমিদাতা পৰিয়ালৰ অমূল্য বৰঠাকুৰে।

## নামতি সুৰ সপ্তক সংগীত মহাবিদ্যালয়ৰ উদ্যোগত শিল্পী দিৱস উদ্‌যাপনৰ প্ৰস্তুতি

**অগ্ৰদূত বাৰ্তা**
**নামতি, ৪ জানুৱাৰী ঃ** বৃহত্তৰ নামতি অঞ্চলৰ শিল্প সাধনাৰ অন্যতম কৰ্ষণ কেন্দ্ৰ সুৰ সপ্তক সংগীত মহাবিদ্যালয়ৰ উদ্যোগত আৰু স্থানীয় ৰাইজৰ সহযোগত অহা ১৬ আৰু ১৭ জানুৱাৰীত বিস্তৃত কাৰ্যসূচীৰে শিল্পী দিৱস উদ্‌যাপনৰ প্ৰস্তুতি চলোৱা হৈছে। দিৱস উপলক্ষে গ্ৰহণ কৰা কাৰ্যসূচী অনুসৰি প্ৰথম দিনা পৰিৱেশ নিকাকৰণৰ পাছত গছপুলি ৰোপণ কৰিব প্ৰধান শিক্ষক চেনিৰাম বৰগোহাঁয়ে। পতাকা উত্তোলন কৰিব সুৰ সপ্তকৰ সভাপতিয়ে। সদৌ অসম ভিত্তিত জ্যোতি সংগীত প্ৰতিযোগিতা উদ্বোধন কৰিব উপাধ্যক্ষ নীলাক্ষি বৰগোহাঁয়ে। দ্বিতীয়া দিনা স্মৃতি তৰ্পণ কৰিব প্ৰাক্তন প্ৰৱক্তা মোহিনী কুমাৰ মহন্তই। ইয়াৰ পাছত ৰূপকোঁৱৰৰ স্মৃতিত সাংস্কৃতিক কাৰ্যসূচী। বিয়লি শিল্পী সম্বৰ্ধনা আৰু বঁটা বিতৰণী সভা। সভাত সভাপতিত্ব কৰিব উদ্‌যাপন সমিতিৰ সভাপতি সদা মহন্তই। বিশিষ্ট অতিথিৰূপে অংশগ্ৰহণ কৰিব বিধায়ক দেৱব্ৰত শইকীয়া, সাংস্কৃতিক সঞ্চালকালয়ৰ অৱসৰপ্ৰাপ্ত বিষয়া অশোক শইকীয়া, যোৰহাটস্থিত অসম সত্ৰীয়া সংগীত মহাবিদ্যালয়ৰ অধ্যক্ষ সাৰংগপাণি বৰদলৈ, জাঁজী হেমনাথ শৰ্মা মহাবিদ্যালয়ৰ উপাধ্যক্ষ কুণ্ডিল মুদৈ আৰু বিশিষ্ট সমাজসেৱিকা কস্তুৰী বৰবৰুৱাই। উদ্‌যাপন সমিতিৰ তৰফৰ পৰা ৰাইজৰ সহায়-সহযোগিতা আৰু উপস্থিতি কামনা কৰা হৈছে।

## কলগাছিয়াৰ ৪০ শিক্ষানুষ্ঠানত ক'ভিড প্ৰতিষেধক অভিযান আৰম্ভ

**কলগাছিয়া, ৪ জানুৱাৰী ঃ** ক'ভিড-১৯এ সমগ্ৰ বিশ্বৰ লগতে উপ-মহাদেশ ভাৰতবৰ্ষতো ভয়ানক ৰূপ ধাৰণ কৰাৰ পাছত দেশৰ জনসাধাৰণক উক্ত মহামাৰীৰ পৰা ৰক্ষা কৰিবলৈ কেন্দ্ৰ আৰু ৰাজ্য চৰকাৰৰ তৎপৰতাত ১৮ বছৰ উৰ্ধ্বৰ লোকক বিনামূলীয়াকৈ টিকাকৰণ কৰা হয়। ইয়াৰ পাছত ১৫ৰ পৰা ১৮ বছৰৰ ভিতৰৰ ল'ৰা-ছোৱালীক চৰকাৰে টিকাকৰণৰ ব্যৱস্থা গ্ৰহণ কৰে। সেই মতে, কালি দেশৰ লগতে বৰপেটা জিলাৰ কলগাছিয়া প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰৰ অধীনত থকা ৪০খন বিদ্যালয়ত অধ্যয়নৰত ছাত্ৰ-ছাত্ৰীক প্ৰথম পালি টিকা প্ৰদান কাৰ্যসূচী ৰূপায়ণ কৰা হয়। কলগাছিয়া ব্লক প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰৰ বিপিএন আবু ছায়েদ খানে জনোৱা মতে, কলগাছিয়াত আজি মুঠ ৩৪৬১ জন ছাত্ৰ-ছাত্ৰীক টিকাকৰণ কৰা হয়। অহা ন জানুৱাৰীৰ ভিতৰত আটাইবোৰ শিক্ষানুষ্ঠানৰ ১৫ বছৰৰ পৰা ১৮ ছাত্ৰ-ছাত্ৰীসকলক সামৰি ল'বলগীয়া হোৱা হেতুকে আজিৰ পৰা দৈনিক ৭০-৮০ খন পৰ্যন্ত শিক্ষানুষ্ঠানৰ ছাত্ৰ-ছাত্ৰীক কৰ'না মহামাৰীৰ প্ৰতিষেধক প্ৰদান কৰাৰ বাবে জিলাৰ স্বাস্থ্য বিভাগে কৰ্মসূচী যুগুতাইছে বুলি জানিব পৰা গৈছে।

## নলবাৰীৰ বালিকৰিয়াত বাসুদেৱ বনমালী গ্ৰাম্য সংগঠনৰ প্ৰথম বাৰ্ষিক সাধাৰণ সভা সম্পন্ন



**অগ্ৰদূত বাৰ্তা**
**নলবাৰী, ৪ জানুৱাৰী ঃ** 'নলবাৰীৰ প্ৰতিটো গোটৰ প্ৰতিগৰাকী মহিলাই আত্মনিৰ্ভৰশীল হোৱাটো বিচাৰো। নলবাৰীৰ প্ৰতিগৰাকী মহিলাই যাতে বছৰত অতি কমেও একলাখ টকা উপাৰ্জন কৰিব পাৰে। তাৰ বাবে পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ অধীনত অসম ৰাজ্যিক গ্ৰামীণ জীৱিকা অভিযান, নলবাৰীয়ে সহায় কৰিব।' এই মন্তব্য অসম ৰাজ্যিক গ্ৰামীণ জীৱিকা অভিযান, নলবাৰীৰ জিলা প্ৰকল্প প্ৰৱন্ধক চন্দন তালুকদাৰৰ। যোৱা তিনি জানুৱাৰীত অসম ৰাজ্যিক গ্ৰামীণ জীৱিকা অভিযান, নলবাৰী আৰু কহুঁৱা মণ্ডল সংগঠনৰ অন্তৰ্গত বাসুদেৱ বনমালী গ্ৰাম্য সংগঠনৰ প্ৰথম বাৰ্ষিক সভা বালিকৰিয়াত অনুষ্ঠিত হয়। বাসুদেৱ বনমালী গ্ৰাম্য সংগঠনৰ সম্পাদিকা কল্পনা বৰ্মনে আঁত ধৰা আৰু কঁহুৱা সংগঠনৰ সভানেত্ৰী সত্যৱতী দত্তই সভাপতিত্ব কৰা সভাত জিলা প্ৰকল্প প্ৰৱন্ধকজনে আকৌ কয় যে কোনো মহিলাই যাতে দুৰ্নীতিৰ আশ্ৰয় গ্ৰহণ নকৰি একমাত্ৰ আত্মনিৰ্ভৰশীল হোৱাৰ বাবেহে কাম কৰি যায়। পূব-নলবাৰী উন্নয়ন খণ্ডৰ খণ্ড সমন্বয়কদ্বয় হৰি দাস আৰু প্ৰাণজিৎ তালুকদাৰে ভাৰত চৰকাৰৰ কনকলতা মহিলা সৱলীকৰণ আঁচনি, দীনদয়াল উপাধ্যায় গ্ৰামীণ কৌশল বিকাশ যোজনাৰ বিষয়ে ব্যাখ্যা আগবঢ়ায়। বাসুদেৱ বনমালী গ্ৰাম্য সংগঠনৰ অন্তৰ্গত আত্মসহায়ক গোট ক্ৰমে বাসুদেৱ, দেৱহুতি, জননী, শিৱ, প্ৰাৰ্থনা, কল্যানী প্ৰগতি, মিলিজুলি, পাখি, বাসুদেৱ নৱজ্যোতি, জোনাকী, দশভুজা, বাসুদেৱ দুই, পাৰিজাত বিষ্ণুজ্যোতি, জোনাকী, নৱজ্যোতি জনশক্তি, মৰমী, ৰেঙণি, পদ্মিনী, লখিমী, সূৰ্যমুখী, মূলাগাভৰু, সোণালী, জয়মতী, গোপাল কৃষ্ণ আত্মসহায়ক গোটৰ প্ৰায় দুই শতাধিক মহিলা উপস্থিত থকা উক্ত সভাখনত আৰটিচি বিষয়া প্ৰাঞ্জল শৰ্মা, গাঁওবুঢ়া প্ৰণৱ বৰ্মন, পশু সখী মলয়া কলিতা, বেংক মিত্ৰ দিপাঞ্জলী ডেকা, জীৱিকা সখী ক্ৰমে যামিনী কলিতা, প্ৰগতি দত্ত বেজবৰুৱা, গীতা দাসৰ লগতে বাসুদেৱ বনমালী গ্ৰাম্য সংগঠনৰ সভানেত্ৰী ৰীণা দেৱীয়ে ভাষণ আগবঢ়ায়।

# মাজুলী শিক্ষা খণ্ডৰ উদ্যোগত দিব্যাংগৰ মাজত কবিতা আবৃত্তি-আকস্মিক প্ৰতিযোগিতা

অগ্ৰদূত বাৰ্তা

**মাজুলী, ৪ জানুৱাৰী ঃ** বিশ্ব ব্ৰেইল দিৱসৰ লগত সংগতি ৰাখি কালি মাজুলী শিক্ষা খণ্ডৰ উদ্যোগত মাজুলী আউনীআটী হেমচন্দ্ৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ত দিব্যাংগ আৰু সাধাৰণ ছাত্ৰ-ছাত্ৰীসকলৰ মাজত কবিতা আবৃত্তি আৰু আকস্মিক বক্তৃতা প্ৰতিযোগিতা আয়োজন কৰা হয়। নিম্ন শাখা প্ৰথমৰ পৰা অষ্টম শ্ৰেণীলৈ আৰু উচ্চ শাখা নৱমৰ পৰা দশম শ্ৰেণীলৈ অনুষ্ঠিত প্ৰতিযোগিতাসমূহৰ আঁত ধৰে সৰ্বাত্মক শিক্ষাৰ অতিৰিক্ত সমল ব্যক্তি বিশ্বজিৎ দত্তই। সহযোগিতা আগবঢ়ায় সৰ্বাত্মক শিক্ষাৰ সমল ব্যক্তি ৰমেন বৰুৱা, সুনীল শইকীয়া আৰু অতিৰিক্ত সমল ব্যক্তি মহেন্দ্ৰ বৰাই। কবিতা আবৃত্তি প্ৰতিযোগিতাত নিম্ন শাখাত প্ৰথম স্থান লাভ কৰে চয়নিকা দত্ত, মাজুলী আউনীআটী হেমচন্দ্ৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়, দ্বিতীয় স্নেহা দাস, মাজুলী আউনীআটী হেমচন্দ্ৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়, তৃতীয় যদুমণি শইকীয়া আৰু নিচুকনি বঁটাৰ বাবে নিৰ্বাচিত হয় আৰোহী দাস, দৰিয়া উত্তৰ কমলাবাৰী মজলীয়া বিদ্যালয়। উচ্চ শাখাৰ কবিতা আবৃত্তি প্ৰতিযোগিতাত প্ৰথম স্থান লাভ কৰে কবিতা হাজৰিকা, মাজুলী আউনীআটী হেমচন্দ্ৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়, দ্বিতীয় স্থান লাভ কৰে কুকি বৰাই। নিম্ন শাখাৰ আকস্মিক বক্তৃতা প্ৰতিযোগিতাত প্ৰথম স্থান লাভ কৰে নীহাৰিকা দেৱনাথ, মাজুলী আউনীআটী হেমচন্দ্ৰ উচ্চতৰ মাধ্যমিক বিদ্যালয় আৰু তৃতীয় স্থান লাভ কৰে চুনুমুনু লহকৰ, দৰিয়া উত্তৰ কমলাবাৰী মজলীয়া বিদ্যালয়। উচ্চ শাখাৰ আকস্মিক বক্তৃতা প্ৰতিযোগিতাত প্ৰথম স্থান লাভ কৰে জুমন বৰা, মাজুলী আউনীআটী হেমচন্দ্ৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়, দ্বিতীয় স্থান লাভ কৰে পূবালী দত্ত, মাজুলী আউনীআটী হেমচন্দ্ৰ উচ্চতৰ মাধ্যমিক বিদ্যালয় আৰু তৃতীয় স্থান লাভ কৰে কবিতা হাজৰিকা, মাজুলী আউনীআটী হেমচন্দ্ৰ উচ্চতৰ মাধ্যমিক বিদ্যালয।



*ঘগ্ৰাপাৰৰ বৰজাৰৰিহাটী প্ৰাথমিক বিদ্যালয়ৰ প্ৰধান শিক্ষকক বিদায় সম্বৰ্ধনা, মঙলবাৰে।*

# কৃষক ছহিদ দিৱসৰ দিনটোত উন্নয়ন খণ্ডৰ আধাৰশিলা স্থাপন কৰিবলৈ দাবী

## ■ প্ৰস্তাৱিত দিপীলা উন্নয়ন খণ্ড সন্দৰ্ভত ৰাজহুৱা সভা

অগ্ৰদূত বাৰ্তা

**দুনী, ৪ জানুৱাৰী ঃ** দিপীলা উন্নয়ন খণ্ড সন্দৰ্ভত যোৱা দুই জানুৱাৰীত দিপীলা গাঁও পঞ্চায়তৰ সভাৰ এখন ৰাজহুৱা সভা অনুষ্ঠিত হয়। অৱসৰপ্ৰাপ্ত বেংক বিষয়া আদ্য প্ৰসাদ শৰ্মাই সভাপতিত্ব কৰা সভাত উদ্দেশ্য ব্যাখ্যা কৰে দিপীলা উন্নয়ন খণ্ড দাবী সমিতিৰ সম্পাদক জয়ন্ত কাকতিয়ে। সভাত পশ্চিম দৰংবাসী ৰাইজে তিনিকুৰি বছৰে দাবী উত্থাপন কৰি অহাৰ পাছতো দিপীলাত উন্নয়ন খণ্ডৰ বাস্তৱ ৰূপ নোপোৱাৰ বিষয়টোৰ সন্দৰ্ভত কে'বাগৰাকী ব্যক্তিয়ে উল্লেখ কৰে। শেহতীয়াভাৱে চৰকাৰী অধিসূচনা জাৰি কৰা ১৮ টা উন্নয়ন খণ্ডৰ ভিতৰত দিপীলাও আছে সেয়ে অহা ২৮ জানুৱাৰীত কৃষক ছহিদ দিৱসৰ দিনটোতে দিপীলা উন্নয়ন খণ্ডৰ আধাৰশিলা শিলা স্থাপন কৰিবলৈ চৰকাৰৰ ওচৰত অনুৰোধ জনায় প্ৰস্তাৱ গ্ৰহণ কৰে। লগতে দাবী সমিতিৰ এক প্ৰতিনিধি এক প্ৰতিনিধি দলে শীঘ্ৰে মুখ্যমন্ত্ৰীক সাক্ষাৎ কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰে। সভাত দাবী সমিতিৰ সভাপতি নগেন্দ্ৰ নাথ কাকতিৰ পৰলোকপ্ৰাপ্তি ঘটাৰ বাবে আদ্য প্ৰসাদ শৰ্মাক সভাপতি হিচাপে মনোনীত কৰা হয়। সভাত গান্ধীবাদী জ্যেষ্ঠ নাগৰিক কালীচৰণ শৰ্মা, দৰং জিলা পৰিষদৰ সভাপতি ধীৰেন ডেকা, ছিপাঝাৰ আঞ্চলিক পঞ্চায়তৰ সভানেত্ৰী দিপালী বৰুৱা, দুনী গাঁও পঞ্চায়তৰ সভাপতি শৈলেন্দ্ৰ ডেকা, পাথৰিঘাট শাখা সাহিত্য সভাৰ সভাপতি মাণিক চন্দ্ৰ ডেকা, দিপীলা গাঁও পঞ্চায়তৰ সভাপতি চন্দ্ৰমা মহন্ত, কৃতী শিক্ষক বুদ্ধিৰাম ডেকা আদি পশ্চিম দৰঙৰ বিশিষ্ট ব্যক্তিসকল উপস্থিত থাকে।

# দুচকীয়া বাহনৰ চালক-আৰোহীক হেলমেট পৰিধানৰ নিৰ্দেশ চৰাইদেউ প্ৰশাসনৰ

অগ্ৰদূত বাৰ্তা

**মৰাণ, ৪ জানুৱাৰী ঃ** চৰাইদেউ জিলাৰ জিলা দণ্ডাধীশ পল বৰুৱাই ভাৰতীয় ফৌজদাৰী কাৰ্যবিধি আইনৰ ১৪৪ ধাৰাৰ অধীনত এক আদেশ যোগে সমগ্ৰ জিলাখনতে প্ৰযোজ্য হোৱাকৈ দুচকীয়া বাহনৰ চালকৰ লগতে আৰোহীকো হেলমেট পৰিধান কৰিবলৈ এক নিৰ্দেশ জাৰি কৰিছে। উল্লেখ্য যে দুচকীয়া বাহনৰ চালক তথা আৰোহীয়ে হেলমেট পৰিধান নকৰিলে পেট্ৰ'ল পাম্পসমূহক পেট্ৰ'ল নিদিবলৈও নিৰ্দশনাটোত উল্লেখ কৰিছে। এই নিষেধাজ্ঞা সমগ্ৰ চৰাইদেউ জিলাখনত ততালিকে বলবৎ কৰা হৈছে আৰু এই আদেশ ৬০ দিনৰ বাবে বাহাল থাকিব। এই নিষেধাজ্ঞা ভংগকাৰীৰ বিৰুদ্ধে 'মটৰ ভেহিকুল আইনৰ' অধীনত শাস্তিমূলক ব্যৱস্থা গ্ৰহণ কৰা হ'ব বুলি জনসংযোগ বিভাগৰ সূত্ৰই সদৰী কৰিছে।

# নকছাৰিৰ দ্বিতীয়জন বাতৰি কাকত প্ৰকাশক মহিম বৰাইকৰ স্মৰণিকা 'স্মৃতিৰ সুভাস' উন্মোচন



অগ্ৰদূত বাৰ্তা

**নকছাৰি, ৪ জানুৱাৰী ঃ** অসম চাহ মজদুৰ সংঘৰ মুখ্য সংগঠক হিচাপে কৰ্মৰত, দিচৈ-বালিজান বাগিচা গাঁও পঞ্চায়ত সমবায় সমিতিৰ প্ৰতিষ্ঠাপক সভাপতি তথা দুই নম্বৰ ভেলাগুৰি বাগান বনুৱা লাইন প্ৰাথমিক বিদ্যালয়, ১০ নম্বৰ জেলকা লাইন প্ৰাথমিক বিদ্যালয় আদি শিক্ষানুষ্ঠানৰ প্ৰতিষ্ঠাপক সমাজকৰ্মী প্ৰয়াত মহিম (মাঙৰা) বৰাইকৰ আদ্যশ্ৰাদ্ধ উপলক্ষে প্ৰকাশিত স্মৰণিকা 'স্মৃতিৰ সুভাস' যোৱা দুই জানুৱাৰীত উন্মোচন কৰে নকছাৰি সাংবাদিক সন্থাৰ সম্পাদক প্ৰদীপ কুমাৰ গগৈয়ে। নকছাৰিৰ পৰা প্ৰথমখন শিশু আৰু চেমনীয়াৰ উপযোগী বাতৰি কাকত 'মইনাৰ বাতৰি' প্ৰকাশৰ প্ৰায় চাৰি দশকৰো অধিক কালৰ পাছত নকছাৰিৰ পৰা প্ৰকাশ পোৱা দ্বিতীয়খন পযেকীয়া বাতৰি কাকত 'জাগৰণ'ৰ প্ৰকাশৰ মন মেলি কে'বাটাও সংখ্যা প্ৰকাশ কৰা সমাজকৰ্মী মহিম বৰাইকৰ আদৰ্শ অনুকৰণীয় বুলি উন্মোচক প্ৰদীপ কুমাৰ গগৈয়ে বক্তব্য আগবঢ়ায়। উন্মোচনী অনুষ্ঠানত বক্তব্য ৰাখে স্মৰণিকা সম্পাদনা সমিতিৰ সভাপতি তথা শিক্ষক যাদৱ দুৱৰা, মজদুৰ সংঘৰ ভেলাগুৰি বাগিচা শাখাৰ সভাপতি চুকলাল তাঁতী, সম্পাদক অভিজিত তেলেংগাই। স্মৰণিকা সম্পাদক বাপুৰাম বেশ্ৰাই আঁত ধৰা অনুষ্ঠানত মহিম বৰাইকৰ পত্নী ৰীণা বৰাইকে বক্তব্য আগবঢ়ায়।

# ২০১৩ৰ প্ৰদেশিকীকৃত উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ গুৰুত্বপূৰ্ণ সভাৰ আহ্বান

**পাটাছাৰকুছি, ৪ জানুৱাৰী ঃ** অহা ন জানুৱাৰীত দিনৰ ১০-৩০ বজাত গুৱাহাটীৰ গড়চুকৰ লাচিতগড় হাইস্কুলত ২০১৩ৰ প্ৰাদেশিকীকৃত উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ এখন গুৰুত্বপূৰ্ণ সভাৰ আহ্বান কৰা হৈছে। সভাত প্ৰতিখন বিদ্যালয়ৰ কমেও দুজনকৈ প্ৰতিনিধি উপস্থিত থকাৰ বাবে আহ্বায়কমণ্ডলীৰ হকে ৰবেন গোস্বামী (৮৪৭৩০০১১৭৪) আৰু ৰজত কলিতা (৯৮৫৪৯২৬৬৩৮)ই অনুৰোধ জনাইছে। উল্লেখ্য যে বিগত ডিচেম্বৰত ৰঙিয়া ছোৱালী উচ্চতৰ মাধ্যমিক বিদ্যালয়ত বহা ২০১৩ৰ প্ৰাদেশিকীকৃত উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ এখন সভাত ৬৮ খন উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ শিক্ষক-কৰ্মচাৰীসকলে যাতে গ্ৰেচুইটি পায় আৰু পুৰণি পেঞ্চন আঁচনিত অন্তৰ্ভুক্ত হয় তাৰ বাবে ল'বলগীয়া পৰৱৰ্তী পদক্ষেপ সম্পৰ্কে আলোচনা কৰাৰ লগতে এখন আহ্বায়ক সমিতি গঠন কৰি দিছিল।

# সাংবাদিকৰ স'তে মত বিনিময় গোৱালপাৰা উপায়ুক্তৰ

অগ্ৰদূত বাৰ্তা

**মাটিয়া, ৪ জানুৱাৰী ঃ** গোৱালপাৰা জিলা উপায়ুক্ত মীনাক্ষী দাস নাথে কালি নৱবৰ্ষ উপলক্ষে সাংবাদিকৰ স'তে মত বিনিময় কৰে। অতিৰিক্ত উপায়ুক্ত মানস দাসে আঁত ধৰা উক্ত মত বিনিময় অনুষ্ঠানত জিলা উপায়ুক্তজনে নতুন বছৰৰ বাবে কেতবোৰ পদক্ষেপ লোৱা বুলি উল্লেখ কৰে। বিশেষকৈ অংগনৱাড়ী কেন্দ্ৰসমূহৰ পাঠদান আৰু খাদ্য বিতৰণত যাতে কোনো ধৰণৰ খেলিমেলি নহয় তাৰ বাবে এটা এপ মুকলি কৰা হৈছে আৰু বিদ্যালয়সমূহৰ বাবে এনে এটা এপ খোলাৰ চিন্তা-চৰ্চা কৰি থকা হৈছে বুলি উল্লেখ কৰে। তদুপৰি আগিয়াৰ গোয়ালমাৰ্ট আৰু পঞ্চৰত্ন ৰিজ'ৰ্টত যাতে পৰ্যটকৰ আগমন ঘটে তাৰ বাবে প্ৰচাৰৰ ব্যৱস্থা কৰিবলৈ সাংবাদিকসকলক আহ্বান জনায়। সভাত সাংবাদিকসকলে জিলাখনৰ উন্নয়নৰ স্বাৰ্থত কেতবোৰ পৰামৰ্শ আগবঢ়ায়।

# কলগাছিয়া অগ্নিনিৰ্বাপক কেন্দ্ৰৰ ভাৰপ্ৰাপ্ত বিষয়া কন্দৰ্প হালৈৰ বিদায় সম্বৰ্ধনা

**কলগাছিয়া ৪ জানুৱাৰী ঃ** বৰপেটা জিলাৰ কলগাছিয়া অগ্নিনিৰ্বাপক 'আপাত কালীন জৰুৰী সেৱা কেন্দ্ৰ' কেন্দ্ৰৰ ভাৰপ্ৰাপ্ত বিষয়া কন্দৰ্প হালৈ আজি চাকৰিৰ পৰা অৱসৰ গ্ৰহণ কৰে। তেওঁ, ১৯৮৬ৰ ৩১ মাৰ্চত অগ্নি মানৱ হিচাপে প্ৰথমে মৰাণ কেন্দ্ৰত চাকৰিত যোগদান কৰে। বঙাইগাঁও জিলাৰ বিজনীত থাকোতে ২০১০ত পদোন্নতি হয় আৰু ২০১৫ উপ-পৰিদৰ্শক পদলৈ উন্নতি হৈ কলগাছিয়া অগ্নিনিৰ্বাপক কেন্দ্ৰৰ ভাৰপ্ৰাপ্ত বিষয়া হিচাপে প্ৰায় ছবছৰ নিষ্ঠা আৰু সততাৰে কাৰ্যনিৰ্বাহ কৰে। উল্লেখ্য যে, ২০১৪ৰ ১ অক্টোবৰত কলগাছিয়া অগ্নিনিৰ্বাপক কেন্দ্ৰ স্থাপনৰ পিছৰ পৰা ২০২১ৰ ৩১ ডিচেম্বৰলৈকে বৃহত্তৰ কলগাছিয়া অঞ্চলত ১৭৫ টা সৰু-ডাঙৰ অগ্নিকাণ্ডৰ ঘটনা সংঘটিত হৈছে। আটাইকেইটা অগ্নিকাণ্ডত তৎপৰতাৰে ভূমিকা পালন কৰাৰ ফলত কে'বা কোটি টকাৰ সা-সম্পত্তি ধ্বংস হোৱাৰ পৰা ৰক্ষা পৰে। তেওঁৰ এই অনবদ্য অৱদানৰ বাবে ২০১৭ত সাহসীকতাৰ বঁটা লাভ কৰিবলৈ সক্ষম হয়। ইয়াৰ উপৰি নতুনকৈ স্থাপন হোৱা কলগাছিয়া অগ্নিনিৰ্বাপক কেন্দ্ৰৰ মাটি অনুমোদন কৰাৰ ক্ষেত্ৰতো আগভাগ লৈছিল। নলবাৰী জিলাৰ কৈঠালকুছি গাঁৱত ১৯৬১ত প্ৰয়াত ঘনকান্ত হালৈ আৰু কামিনী হালৈৰ ঔৰষত জন্ম লাভ কৰা কন্দৰ্প হালৈয়ে ১৯৭৮ত বালি বিদ্যা পীঠ হাইস্কুলৰ পৰা মেট্ৰিক আৰু ১৯৮১ত টিহু কলেজৰ পৰা পি ইউ পাছ কৰি ১৯৮৬ত চাকৰিত যোগদান কৰি ৩৫ বছৰ কাল সেৱা আগবঢ়াই অৱসৰ গ্ৰহণ কৰে। অৱসৰৰ দিনটোত লাংলাত সংঘটিত অগ্নিকাণ্ড নিৰ্বাপনৰ ক্ষেত্ৰত ভূমিকা পালন কৰে। তেওঁ আজি দুপৰীয়া এক অনুষ্ঠানৰ জৰিয়তে তেওঁক সম্বৰ্ধনা জনোৱা হয়। সভাত বৰপেটা জিলাৰ ডি চি অ মৃণাল দাস, অসম লোক সেৱা আয়োগৰ প্ৰাক্তন সদস্য এম মোজাম্মেল হুছেইন, কলগাছিয়া প্ৰেছ ক্লাবৰ সম্পাদক দোস্ত হাফিজুৰ ৰহমান প্ৰমুখ্যে বিশিষ্ট ব্যক্তিসকলে তেওঁৰ কৰ্ম জীৱনৰ ওপৰত আলোকপাত কৰি দীৰ্ঘায়ু কামনা কৰে।

# শিক্ষক প্ৰবীণ দলেক বিদায় সম্বৰ্ধনা



অগ্ৰদূত বাৰ্তা

**মৰিয়নি, ৪ জানুৱাৰী ঃ** মৰিয়নিৰ বৃহত্তৰ জংঘল ব্লক অঞ্চলৰ একমাত্ৰ উচ্চ শিক্ষানুষ্ঠান জংঘল ব্লক উচ্চ মাধ্যমিক বিদ্যালয়ৰ জ্যেষ্ঠ শিক্ষক প্ৰবীণ দলেই যোৱা ৩১ ডিচেম্বৰত চাকৰিৰ পৰা অৱসৰ গ্ৰহণ কৰে। সেই উপলক্ষে যোৱা তিনি জানুৱাৰীত বিদ্যালয়ত অৱসৰ গ্ৰহণ কৰা শিক্ষক প্ৰবীণ দলেক বিদায় সম্বৰ্ধনা জনোৱা হয়। বিদ্যালয়খনৰ প্ৰধান শিক্ষক ধৰ্মেশ্বৰ বৰুৱাৰ সভাপতিত্বত অনুষ্ঠিত বিদায় সভাখনত অৱসৰ গ্ৰহণ কৰা শিক্ষক প্ৰবীণ দলেক বিদ্যালয়খনৰ শিক্ষক-শিক্ষয়িত্ৰী, কৰ্মচাৰী, বিদ্যালয় পৰিচালনা আৰু উন্নয়ন সমিতি, মাতৃগোট, প্ৰাক্তন ছাত্ৰ-ছাত্ৰী, ছাত্ৰ সংসদ, অভিভাৱক, জংঘল ব্লক আঞ্চলিক শিক্ষা সমিতি আদিয়ে বিদায় সম্বৰ্ধনা জনায়। অৱসৰপ্ৰাপ্ত শিক্ষক দলেক গামোচা, চেলেং চাদৰ, সৰুদৈয়া জাপি, ফুলৰ থোপা, ধৰ্মগ্ৰন্থ, সঁফুৰা, সম্বৰ্ধনা পত্ৰ আদিৰে সম্বৰ্ধনা জনোৱা হয়। তেওঁক অৱসৰপ্ৰাপ্ত শিক্ষয়িত্ৰী ৰীণা বাইলুঙেও গামোচা আৰু সঁফুৰাৰে বিদায় সম্বৰ্ধনা জনায়। জ্যেষ্ঠ শিক্ষক নগেন গগৈয়ে আঁত ধৰা সভাখনত অৱসৰপ্ৰাপ্ত শিক্ষক দেহীৰাম পেগু, প্ৰেমধৰ গগৈ, ৰীণা বাইলুং, প্ৰভা চয় ইন্দ, বংশী গোপাল উচ্চ মাধ্যমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক অসীম গগৈ, বিদ্যালয়ৰ শিক্ষক থানেশ্বৰ বৰা, ভুৱন গগৈ, জুৰি গগৈ, সমাজকৰ্মী অভিৰাম কেউৰাই বক্তব্য প্ৰদান কৰি অৱসৰ গ্ৰহণ কৰা শিক্ষক প্ৰবীণ দলেৰ সান্নিধ্যৰ বিষয়ে উল্লেখ কৰে। বিদায় সম্বৰ্ধনা সভাখনত শিক্ষক প্ৰবীণ দলেৰ সহধৰ্মিণী দেৱেশ্বৰী দলে, যুৱ সমাজকৰ্মী সুদীপ শইকীয়া, শিক্ষক বিশ্বজিত চুতীয়া, ৰঞ্জিত বৰঠাকুৰ, শিক্ষয়িত্ৰী চিমি বৰগোহাঁই, নৱনীতা বৰা, কৃষ্ণা জিনা বৰপাত্ৰগোহাঁই, মৌচুমী শ্যাম, ৰাণু গগৈ, দিপ্তী বৰা, মিতালী বৰা, ননী গগৈ, মাণিক দাস আদি বহুসংখ্যক বিশিষ্ট ব্যক্তি উপস্থিত থাকে। অৱসৰ সম্বৰ্ধনা গ্ৰহণ কৰি শিক্ষক দলেই বিদ্যালয়খনলৈ ষ্টীলৰ ছেল্ফ প্ৰদান কৰে।

# জলসিঞ্চন বিভাগ টংলা সংমণ্ডলৰ দুৰ্নীতিৰ অভিযোগ সন্দৰ্ভত আক্ৰাছুৰ মুখ্যমন্ত্ৰী তদাৰকী-দুৰ্নীতি প্ৰতিৰোধ কোষলৈ স্মাৰকপত্ৰ

অগ্ৰদূত বাৰ্তা

**কলাইগাঁও, ৪ জানুৱাৰী ঃ** জলসিঞ্চন বিভাগৰ টংলা সংমণ্ডলত হোৱা দুৰ্নীতি আৰু কেলেংকাৰি সন্দৰ্ভত কেন্দ্ৰীয় আক্ৰাছুৱে মুখ্যমন্ত্ৰী তদাৰকী আৰু দুৰ্নীতি প্ৰতিৰোধ কোষলৈ আজি এখন স্মাৰকপত্ৰ প্ৰেৰণ কৰে। বিভাগটোৰ টংলা সংমণ্ডলৰ ঠিকাদাৰসকলৰ কামৰ বিপৰীতে নন চালান যোগে জমা কৰা আঠ শতাংশকৈ এছড়ি মানি ৪.১৮ কোটি টকাৰ কেলেংকাৰি আৰু দুৰ্নীতি হোৱাৰ সন্দৰ্ভত ধাৰাবাহিকভাৱে বাতৰি প্ৰচাৰ হৈছে। বিভাগটোৰ কাৰ্যবাহী অভিযন্তা সত্যৰাম কলিতাই একাংশ ঠিকাদাৰৰ একাউন্টৰ সহায় লৈ ২০১৭ৰ পৰা ২০২১ৰ মাৰ্চলৈ জমা হোৱা ৪.১৮ কোটি টকা কোষাগাৰ সঞ্চালকৰ পৰা বিভাগটোৰ অধ্যক্ষ তথা চিএইছডি মৃগেন বড়ো আৰু গাণনিক প্ৰভাত কলিতাৰ সহযোগত আত্মসাৎ কৰাৰ অভিযোগ বাতৰিত ফাদিল হৈছে। এই ক্ষেত্ৰত বৰ্তমানলৈ বিভাগটোৱে বা কাৰ্যবাহী অভিযন্তাজনে কোনো ধৰণৰ স্পষ্টীকৰণ প্ৰকাশ নকৰাত বিষয়টোত ৰাইজৰ মাজত প্ৰশ্নৰ উদ্ৰেক হৈছে। এই দুৰ্নীতি-কেলেংকাৰি অভিযোগৰ সন্দৰ্ভত এক নিৰপেক্ষ আৰু উচ্চস্তৰীয় তদন্ত কৰি বিষয়টো পোহৰলৈ অনাৰ বাবে আক্ৰাছুৰ কেন্দ্ৰীয় মুখ্য প্ৰচাৰ সম্পাদক হেমন্ত বৰা কোচ আৰু সহকাৰী সম্পাদক হেমন্ত ডেকাই আৰক্ষী মহাপৰিদৰ্শক মুখ্যমন্ত্ৰী তদাৰকী আৰু দুৰ্নীতি প্ৰতিৰোধ কোষলৈ এখন স্মাৰকপত্ৰ প্ৰেৰণ কৰে।

# ধৰ্মপ্ৰাণ মহিলা অঞ্জনা কলিতাৰ আকস্মিক বিয়োগ

অগ্ৰদূত বাৰ্তা

**আমগুৰি, ৪ জানুৱাৰী ঃ** শিৱসাগৰ জিলাৰ আমগুৰি পৌৰসভাৰ অন্তৰ্গত দুই নম্বৰ ৱাৰ্ডৰ বাসিন্দা তথা ঢলুৱাপথাৰ প্ৰাথমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক হেমকান্ত কলিতাৰ সহধৰ্মিণী অঞ্জনা কলিতা (৫৫)ৰ কালি গুৱাহাটীৰ এখন ব্যক্তিগত চিকিৎসালয়ত চিকিৎসাধীন অৱস্থাতে আকস্মিক মৃত্যু হয়। তিনিদিন পূৰ্বে হঠাৎ শ্বাস-প্ৰশ্বাস লোৱাত অসুবিধা পোৱা সৰবৰহী মহিলাগৰাকীক যোৰহাটৰ চিকিৎসা প্ৰতিষ্ঠানত প্ৰাথমিক চিকিৎসাৰ ব্যৱস্থা কৰাৰ পাছতে একেদিনাই উন্নত চিকিৎসাৰ বাবে গুৱাহাটীলৈ লৈ গৈ তাত এক ব্যক্তিগত চিকিৎসালয়ত চিকিৎসা কৰাই থকা অৱস্থাতে কালি বিয়লি শেষ নিশ্বাস ত্যাগ কৰে। স্বামীসহ, এজন পুত্ৰ আৰু বহু আত্মীয়-স্বজনক ইহসংসাৰত এৰি যায়। সৰবৰহী মহিলগৰাকীৰ মৃত্যুত আমগুৰি ভাগৱত সমাজ, পেঙেৰা ৰাস উৎসৱ সমিতি, শ্ৰীমন্ত শংকৰদেৱ কলাকৃষ্টি প্ৰশিক্ষণ মহাবিদ্যালয়, সদৌ অসম কুমাৰ সন্মিলনীৰ শিৱসাগৰ জিলা আৰু আমগুৰি আঞ্চলিক সমিতিকে মুখ্য কৰি বহু অনুষ্ঠান-প্ৰতিষ্ঠানে শোক প্ৰকাশ কৰিছে।

# ঘিলাধাৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়ত শৈক্ষিক যাত্ৰা বিকাশৰ প্ৰাৰ্থনা

অগ্ৰদূত বাৰ্তা

**ফৰকাটিং, ৪ জানুৱাৰী ঃ** ২০২১ বিদায় ক্ষণ আৰু ২০২২ৰ শুভ আগমনৰ প্ৰাৰ্থনাৰে ঘিলাধাৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ বিজ্ঞান শিক্ষক দেৱজিত বৰাৰ নেতৃত্বত কালি পুৱা বিদ্যালয়ৰ প্ৰাংগণত বন্তি প্ৰজ্বলনেৰে বছৰটোক আদৰাৰ বাবে এক মাংগলিক অনুষ্ঠান অনুষ্ঠিত হয়। সেই উদ্দেশ্যে বিদ্যালয়খনৰ অধ্যক্ষা পাৰিজাত শইকীয়াই বন্তি প্ৰজ্বলন কৰি ছাত্ৰ-ছাত্ৰীসকলে প্ৰাৰ্থনা সভাৰো আয়োজন কৰে। ২০২১ত কৰ'না মহামাৰীৰ দৰে দুৰ্দিন যাতে পুনৰাবৃত্তি নহয় লগতে আগন্তুক বৰ্ষ যাতে শিক্ষাৰ জ্যোতিৰে ছাত্ৰ-ছাত্ৰীসকল আগুৱাই যোৱাৰ কামনাৰে সকলোৰে ভগৱানৰ শ্ৰীচৰণত প্ৰাৰ্থনা জনায়। বিজ্ঞান শিক্ষক দেৱজিৎ বৰাই যোৱা বৰ্ষৰ দৰে মহামাৰীয়ে ছাত্ৰ-ছাত্ৰীসকলৰ মন ভাঙি নাযাবলৈ আহ্বান জনাই তেওঁলোকৰ মনোবল অটুত ৰাখি সদায় আগুৱাই যাবলৈ আহ্বান জনায়।

# খুমটাই উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীক ক'ভিড প্ৰতিষেধক প্ৰদান

**খুমটাই, ৪ জানুৱাৰী ঃ** ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ লগতে খুমটাইতো কালি খুমটাই আদৰ্শ চিকিৎসালয়ৰ উদ্যোগত ১৫-১৮ বছৰ বয়সৰ ছাত্ৰ-ছাত্ৰীসকলক ক'ভিড প্ৰতিষেধক প্ৰদান কাৰ্যসূচী ৰূপায়ণ কৰে। উল্লেখ যে কালি পুৱা ১০ বজাত বিদ্যালয়খনৰ অধ্যক্ষ মৃণাল বৰুৱাই আঁত ধৰা ক'ভিড প্ৰতিষেধক প্ৰদান কাৰ্যসূচীত ক'ভিড প্ৰতিষেধক সন্দৰ্ভত ছাত্ৰ-ছাত্ৰীসকলক সজাগতাৰ উদ্দেশ্য জাৰ্ণেলিষ্ট ইউনিয়ন অৱ আছাম গোলাঘাট জিলা সমিতিৰ সম্পাদক চন্দন বৰা অতিথিৰূপে উপস্থিত থাকি সকলো ছাত্ৰ-ছাত্ৰীকে বিনা দ্বিধাই প্ৰতিষেধক ল'বলৈ ছাত্ৰ-ছাত্ৰী ভিৰ কৰিলেহি বিদ্যালয়খনৰ চৌহদ। আনহাতে, খুমটাই আদৰ্শ চিকিৎসালয়ৰ স্বাস্থ্যকৰ্মীৰ দলটোয়ে বিদ্যালয়খনৰ প্ৰায় তিনিশ ছাত্ৰ-ছাত্ৰীক ক'ভিড প্ৰতিষেধক প্ৰদান কৰে।

# এক নম্বৰ নগাবাট সমষ্টিত কংগ্ৰেছ প্ৰাৰ্থী সুনীল ৰেগনৰ নিৰ্বাচনী প্ৰচাৰ

## ■ ঠেঙাল কছাৰী স্বায়ত্ত শাসিত পৰিষদৰ নিৰ্বাচন

বিশেষ সংবাদদাতা

**নগাবাট, ৪ জানুৱাৰী ঃ** আৰম্ভ হৈছে ঠেঙাল কছাৰী স্বায়ত্ত শাসিত পৰিষদৰ ব্যাপক নিৰ্বাচনী প্ৰচাৰ। শাসক-বিৰোধী উভয়ে নিজা নিজা ৰণকৌশল অনুসৰি জনতাৰ মাজলৈ গৈ ভোটদানৰ আহ্বান জনোৱা আৰম্ভ কৰিছে। আজি পৰিষদৰ অন্তৰ্গত ১ নম্বৰ নগাবাট সমষ্টিত নিৰ্বাচনী ৰণশিঙা বজালে জাতীয় কংগ্ৰেছে। নগাবাট সমষ্টিৰ কংগ্ৰেছ প্ৰাৰ্থী সুনীল ৰেগণৰ হৈ ঠেঙাল গাঁৱৰ নামঘৰত অনুষ্ঠিত প্ৰথমখন নিৰ্বাচনী সভাত অংশগ্ৰহণ কৰে তিতাবৰৰ বিধায়ক ভাস্কৰজ্যোতি বৰুৱাই। সভাত কংগ্ৰেছৰ তিতাবৰৰ তত্বাৱধায়ক ইন্দ্ৰজিৎ পেগু, বেকাজান পঞ্চায়তৰ সভানেত্ৰী ব'হাগী ৰেগণ টাকুৰ লগতে বহুকেইজন স্থানীয় সচেতন ব্যক্তিয়ে বক্তব্য আগবঢ়ায়। সভাৰ পিছতে তিতাবৰৰ বিধায়ক বৰুৱাই সংবাদ মাধ্যমৰ আগত কয়, 'ৰাইজৰ সঁহাৰিয়ে আজি সঁচাকৈ আনন্দিত কৰি তুলিছে। সকলোৱে আজি এটা পৰিৱৰ্তন বিচাৰিছে। ৰাইজৰ সমাগমেই আজি ইয়াক প্ৰতিপন্ন কৰিছে।' কংগ্ৰেছৰ প্ৰাৰ্থী সুনীল ৰেগণ এক নম্বৰ নগাবাট সমষ্টিত জিকাটো খাটাং যেনেই লাগিছে। সেয়া সময়ত লক্ষ্যণীয় হ'ব।'

■ ৭ জানুৱাৰীত ধেমাজিত বঁটা প্ৰদান অনুষ্ঠান

# লখিমপুৰৰ দুই সাংবাদিকলৈ বঁটা

অগ্ৰদূত বাৰ্তা,

**ধেমাজি, ৪ জানুৱাৰী ঃ** ধেমাজি জিলা সাংবাদিক সংস্থা আৰু পূৰ্বোত্তৰ প্ৰদেশীয় মাৰৱাড়ী সন্মিলনৰ মণ্ডল "গ"ৰ দ্বাৰা প্ৰৱৰ্তিত " যুগলকিশোৰ মালপানী আৰু ৰামদুলাৰী দেৱী মালপানী সাংবাদিকতা বঁটা" অহা ৭ জানুৱাৰীত ধেমাজিৰ ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালা স্মৃতিভৱনত প্ৰদান কৰা হ'ব। লখিমপুৰৰ সামাজিক সংগঠন "জন সেৱা"ৰ জ্যেষ্ঠ উপদেষ্টা তথা বিশিষ্ট সাংবাদিক-শিক্ষাবিদ দেৱেন্দ্ৰ কুমাৰ পাণ্ডেক যুগলকিশোৰ মালপানী বঁটা আৰু সাংবাদিক-অনুবাদক অৰুণজ্যোতি বৰালৈ ৰামদুলাৰী দেৱী মালপানী বঁটা প্ৰথমবাৰৰ বাবে আগবঢ়োৱা হৈছে। উত্তৰ লখিমপুৰ নগৰৰ বিশিষ্ট সমাজকৰ্মী ৰাজেশ মালপানীয়ে পিতৃ-মাতৃ ক্ৰমে যুগল কিশোৰ মালপানী আৰু ৰামদুলাৰী দেৱী মালপানীৰ স্মৃতিত উক্ত বঁটা দুটি আগবঢ়াইছে। সাংবাদিকতাৰ ক্ষেত্ৰত বিশিষ্ট বৰঙনি আগবঢ়োৱা দুজন সাংবাদিকক উক্ত বঁটা প্ৰতি দুবছৰৰ মূৰে মূৰে আগবঢ়োৱাৰ সিদ্ধান্ত গ্ৰহণ কৰা হৈছে। উল্লেখ্য যে ২০১৭ত অসম চৰকাৰৰ পৰা সাংবাদিক পেঞ্চন লাভ কৰা দেৱেন্দ্ৰ কুমাৰ পাণ্ডে আৰু সাংবাদিক-আনুবাদক অৰুণজ্যোতি বৰাক এই বৰ্ষৰ বাবে বাছনি কৰিছে। উক্ত বঁটাত নগদ ১১,০০০ টকা মাননীৰ লগতে মান পত্ৰ, ৰাজস্থানী পাগুৰী, চেলেং চাদৰ আদি অন্যান্য সামগ্ৰী প্ৰদান কৰা হ'ব সেইদিনা বিয়লি এক বজাৰ পৰা হ'বলগীয়া বঁটা প্ৰদান অনুষ্ঠানত ধেমাজিৰ সকলো সাংবাদিক আৰু সচেতন ব্যক্তিৰ উপস্থিতি কামনা কৰিছে ধেমাজি জিলা সাংবাদিক সংস্থাৰ সাধাৰণ সম্পাদক জীৱন কোঁৱৰে।

# মুখ্যমন্ত্ৰীক দুতলীয়া আখ্যা

## ■ তিনিচুকীয়াত প্ৰদেশ কংগ্ৰেছ কমিটীৰ সাধাৰণ সম্পাদক ভট্টাচাৰ্য

অগ্ৰদূত বাৰ্তা

**তিনিচুকীয়া, ৪ জানুৱাৰী ঃ** তিনিচুকীয়াত কালি উপস্থিত হোৱা অসম প্ৰদেশ কংগ্ৰেছ কমিটিৰ সাধাৰণ সম্পাদক অপূৰ্ব ভট্টাচাৰ্যই এক সংবাদমেল সম্বোধন কৰি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ লগতে শাসক দল বিজেপিক চোকা সমালোচনা কৰে। তিনিচুকীয়াৰ কংগ্ৰেছ ভৱনত সম্বোধন কৰা সংবাদমেলখনত ভট্টাচাৰ্যই এক জানুৱাৰীত অৰ্থাৎ নতুন বছৰটোৰ প্ৰথম দিনটোত অসমবাসীক সম্বোধন কৰি মুখ্যমন্ত্ৰী ড° শৰ্মাই চৰকাৰ জনপ্ৰিয় হৈছে, বিজেপিক সংগ দিবলৈ ৰাইজ উধাতু খাই পৰিছে, বিৰোধী পক্ষৰ কোনো অস্তিত্ব নাই বুলি কৰা মন্তব্যক তীব্ৰ সমালোচনা কৰি কয় যে যিজন ব্যক্তিয়ে এতিয়াও কংগ্ৰেছৰ ব্যক্তিসকলক নিজৰ দললৈ ভয়, ভাবুকি, প্ৰলোভনেৰে ক্ষমতাৰ দিবাস্বপ্ন দেখুৱাই জোঁৰাই আদৰাদি বিজেপিলৈ আদৰি আছে সেইজন মুখ্যমন্ত্ৰীৰ মুখত এনে মন্তব্য শোভা নাপায়। এনে এজন মুখ্যমন্ত্ৰী আৰু তেওঁৰ নেতৃত্বাধীন চৰকাৰ আৰু বিজেপিক ধিক্কাৰ দিছো। ন্যূনতম গণতান্ত্ৰিক প্ৰমূল্যবোধ নথকা এইজন মুখ্যমন্ত্ৰীয়ে স্ব-ঘোষিত প্ৰতিযোগিতাত অৱতীৰ্ণ হৈছে। ঠেঙাল কছাৰী স্বায়ত্ব শাসিত পৰিষদৰ নিৰ্বাচনৰ প্ৰসংগ উত্থাপন কৰি তেওঁ কয় যে ধেমাজি জিলাৰ ৰূপহী বৰগড়া সমষ্টিৰ কংগ্ৰেছৰ প্ৰাৰ্থীগৰাকীক ক্ষমতাৰ অপব্যৱহাৰ কৰি মুখ্যমন্ত্ৰী শৰ্মাই প্ৰাৰ্থীগৰাকীৰ পৰিয়ালৰ মানুহক প্ৰশাসন যন্ত্ৰৰ দ্বাৰা উঠাই আনি দেওবৰীয়া বন্ধৰ দিনটোতও মনোনয়ন পত্ৰ প্ৰত্যাহাৰ কৰোৱাই হাঁহি হাঁহি এতিয়া আৰু ইয়াত নিৰ্বাচন নহয় বুলি মন্তব্য কৰিছে। দাম্ভিক পুত্ৰ দুৰ্যোধনৰ কাৰণে এশ পুত্ৰৰ ক্ষমতাৰে বলবান হৈ থকা গান্ধাৰীয়েও কিন্তু পুত্ৰ শোকতেই মৃত্যুক আকোঁৱালী লোৱা বুলি মন্তব্য কৰি মুখ্যমন্ত্ৰীৰ দাম্ভিকতা আৰু অহংকাৰে এদিন কাল নমাই আনিব বুলি কয়। সততে আনক শাস্ত্ৰজ্ঞান দিয়া তথা চাণক্যৰ বচন আওৰোৱা মুখ্যমন্ত্ৰী শৰ্মাই আনৰ ঘৰত লুকাই-চুৰকৈ সোমাই ভয়-ভাবুকি আৰু প্ৰলোভনৰ ৰাজনীতি কৰিছে। প্ৰদেশ কংগ্ৰেছৰ সাধাৰণ সম্পাদকজনে বিজেপিক এটা মিথ্যাচাৰী তথা ঠগ-প্ৰবঞ্চকৰ দল বুলি মন্তব্য কৰি যোৱা ২০১৪ৰ নিৰ্বাচনৰ পূৰ্বে দলটোৱে ১০০ দিনৰ ভিতৰত অসমৰ ছয় জনগোষ্ঠীক জনজাতিৰ মৰ্যদা প্ৰদান কৰিব বুলি প্ৰতিশ্ৰুতি দিছিল। কিন্তু এতিয়া জনজাতিকৰণ সন্দৰ্ভত জনজাতিসকলে বাধা প্ৰদান কৰা বুলি টুলুঙা মন্তব্য কৰে দায় হাৰিছে, এনেকোৱা দুতলীয়া আৰু মিছলীয়া মুখ্যমন্ত্ৰী থাকে নে বাৰু।

# তিনিচুকীয়াৰ ই ভি এম আৰু ভি ভি পেট পণ্যাগাৰ ভৱন

অগ্ৰদূত বাৰ্তা

**তিনিচুকীয়া, ৪ জানুৱাৰী ঃ** কালি তিনিচুকীয়াৰ বৰগুৰিত নৱনিৰ্মিত ই ভি এম আৰু ভি ভি পেট পণ্যাগাৰ ভৱনটোৰ ভাৰ্চুৱেলী উদ্বোধন কৰে ৰাজ্যৰ মুখ্য নিৰ্বাচনী বিষয়া নীতিন খাড়ে। নৱনিৰ্মিত পণ্যাগাৰ ভৱনটোৰ উদ্বোধনী অনুষ্ঠানত উপস্থিত থাকে তিনিচুকীয়া জিলাৰ উপায়ুক্ত তথা তিনিচুকীয়া জিলা নিৰ্বাচনী বিষয়া নৰসিং পৱাৰ, অতিৰিক্ত উপায়ুক্ত মনজিৎ বৰকাকতি আৰু তিনিচুকীয়াৰ নিৰ্বাচনী বিষয়া কংকনজ্যোতি শইকীয়াই।

■ খনাখোকোৱা হাইস্কুলত প্ৰাক্তন গুৰু-শিষ্যৰ অন্তৰংগ আলাপ ■ গুৰু সেৱা সম্পন্ন

# নৱ প্ৰজন্মৰ মাজত সামাজিক দায়বদ্ধতা হ্ৰাস পাইছে ঃ ড° ৰঞ্জিত বৰুৱা

অগ্ৰদূত বাৰ্তা

**গৌৰীসাগৰ, ৪ জানুৱাৰী ঃ** 'দেখা গৈছে আধুনিক সমাজ ব্যৱস্থাৰ আগ্ৰাসৰ বাবেই নৱ প্ৰজন্মৰ মাজত সামাজিক দায়বদ্ধতা লক্ষ্যণীয়ভাৱে হ্ৰাস পাইছে। সমাজখনক সুস্থ-সৱলভাৱে আগুৱাই নিবলৈ বিশেষভাৱে নতুন প্ৰজন্মই সামাজিক দায়বদ্ধতাৰ প্ৰতি অধিক মনোনিবেশ কৰাৰ সময় এতিয়াও শেষ হৈ যোৱা নাই।' শিৱসাগৰ জিলাৰ আমগুৰি সমষ্টিৰ অন্তৰ্গত খনাখোকোৱা উচ্চ মাধ্যমিক বিদ্যালয়ৰ ২০১৭ৰ পৰা ২০২১ৰ প্ৰাক্তন শিষ্য বৰ্গৰ উদ্যোগত বীৰ চিলাৰায় ভৱনত কালি উদ্‌যাপিত প্ৰাক্তন ছাত্ৰ-ছাত্ৰীৰ অন্তৰংগ আলাপ আৰু গুৰু সেৱা অনুষ্ঠানত এইদৰে কয় দিখৌমুখ মহাবিদ্যালয়ৰ অধ্যক্ষ ড° ৰঞ্জিত বৰুৱাই। প্ৰাক্তন ছাত্ৰ সন্মিলনীৰ সভাপতি তথা খনাখোকোৱা মধ্য অসমীয়া বিদ্যালয়ৰ প্ৰধান শিক্ষক দুলুমণি বৰাৰ সভাপতিত্বত অনুষ্ঠিত মুকলি সভাত ড° বৰুৱাই কয় যে হতাশজনক বাতাবৰণৰ মাজতো একাংশ নৱ প্ৰজন্মই সামাজিক দায়বদ্ধতাৰ পৰিচয় নিদিয়া নহয়। এনে ধৰণৰ সামাজিক দায়বদ্ধতাৰ বাবেই কালিৰ দৰে অগতানুগতিক অনুষ্ঠান উদ্‌যাপন কৰাৰ পৰিৱেশ গঢ় লৈ উঠিছে। উল্লেখ্য যে পুৱা বিদ্যালয়ৰ প্ৰধান শিক্ষক হীৰেন কুমাৰ নেওগে পতাকা উত্তোলন, পৰিচালনা সমিতিৰ সভাপতি থানেশ্বৰ কলিতাই বন্তি প্ৰজ্বলন, সমাজকৰ্মী সুৰেশ চন্দ্ৰ বৰাই স্মৃতি তৰ্পণ কাৰ্যসূচী সম্পন্ন কৰাৰ পাছতো অৱসৰপ্ৰাপ্ত শিক্ষক-শিক্ষয়িত্ৰীৰ দ্বাৰা বৃক্ষৰোপণ কাৰ্যসূচী ৰূপায়ণ কৰে। দুপৰীয়া অনুষ্ঠিত মুকলি সভাত অৱসৰপ্ৰাপ্ত শিক্ষক হৰেশ্বৰ নাথ, পৰাশ সাধনীদাৰ, ৰমেশ বড়া, আৰু ৰামপ্ৰসাদ দত্ত উপস্থিত থকাৰ উপৰি সকলোকে গুৰু সেৱা জনায়। বিয়লিলৈ অনুষ্ঠিত হয় 'সোঁৱৰণীৰ কুঁৱলী ফালি' শীৰ্ষক প্ৰাক্তন ছাত্ৰ-ছাত্ৰীৰ অন্তৰংগ আলাপ অনুষ্ঠান। সন্ধিয়া বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ দ্বাৰা মঞ্চস্থ হয়। 'দধীচি মুনিৰ অস্থিদান, বৃত্ৰাসুৰ বধ' নাটৰ ভাওনা।

# শিমলুগুৰি পৌৰসভাৰ ঠিকাৰ আবন্টনত খেলিমেলিৰ অভিযোগ



দুমুনিচকীত সাহিত্য-সংস্কৃতি বঁটা প্ৰাপকসকল, মঙলবাৰে।

**অগ্ৰদূত বাৰ্তা**
**শিমলুগুৰি, ৪ জানুৱাৰী ঃ** নাজিৰা মহকুমাৰ শিমলুগুৰি পৌৰসভাৰ অন্তৰ্গত বিভিন্ন ঠিকা কামৰ আবন্টনত ব্যাপক খেলিমেলি হোৱাৰ অভিযোগ উত্থাপিত হৈছে। উল্লেখ্য যে শিমলুগুৰি পৌৰসভাৰ অন্তৰ্গত ২১ টা উন্নয়নমূলক কামৰ বাবে পৌৰসভাই যোৱা ন ডিচেম্বৰত নিবিদা বিচাৰি জাননী জাৰি কৰিছিল। সেই অনুসৰি চতুৰ্দশ বিত্তীয় আয়োগ আৰু পঞ্চদশ বিত্তীয় আয়োগৰ পুঁজিৰে উন্নয়ন হ'বলগীয়া শিমলুগুৰি পৌৰসভাৰ এক নম্বৰ ৱাৰ্ডৰ জানটো আলি উপ-পথ, দুই নম্বৰ ৱাৰ্ডৰ প্ৰভাতীপুৰ পথ, লাচিত পথ, মহেন্দ্ৰ বাইলুং পথ, জামালুদ্দিন নামঘৰ পথ, পছুচুঁত্তী দেওধাই নামঘৰ পথ আৰু বচা টেকেলা চুক পথ, ছয় নম্বৰ ৱাৰ্ডৰ পাৰিজাত নামঘৰ পথ, সাত নম্বৰ ৱাৰ্ডৰ ৰোহিতেশ্বৰ শইকীয়া পথ (প্ৰথম আৰু দ্বিতীয় খণ্ড), হনুমান মন্দিৰ পথ আৰু গোৱালা পথ, আঠ নম্বৰ ৱাৰ্ডৰ মথাউৰি পথ, বাঘ হাজাৰিকা পথ, এ হুছেইন পথ আৰু কৃষি বিষয়া কাৰ্যালয়ৰ পথকে ধৰি আন কে'বাটাও কামৰ বাবে নিবিদা আহ্বান কৰে। পৌৰসভাৰ এই নিবিদা আহ্বানৰ প্ৰতি সঁহাৰি জনাই অঞ্চলটোৰ বহু কেইজন ঠিকাদাৰে নিবিদা পত্ৰ প্ৰদান কৰে। কিন্তু শেহতীয়াকৈ পৌৰসভা কৰ্তৃপক্ষৰ দ্বাৰা ঘোষিত নিবিদাৰ ফলাফলত ব্যাপক খেলি-মেলি হোৱা বুলি অভিযোগ উত্থাপিত হৈছে। প্ৰাপ্ত অভিযোগ অনুসৰি নিজা কোনো নথিপত্ৰ নোহোৱা তথা কাম কৰাৰ কোনো অভিজ্ঞতা নথকা আৰু নিবিদা মূল্যৰ তাৰতম্য থকা ঠিকাদাৰে কে'বাটাও কামৰ আবন্টন লাভ কৰিছে। সেয়েহে নিবিদা পত্ৰ দাখিল কৰা কে'বাজনো ভুক্তভোগী ঠিকাদাৰে এই খেলি-মেলিৰ সন্দৰ্ভত তথ্য জনাৰ অধিকাৰ আইনৰ সহায় লোৱা বুলিও জানিব পৰা গৈছে। বিষয়টোৰ সন্দৰ্ভত পৌৰসভা কৰ্তৃপক্ষই কি ভূমিকা গ্ৰহণ কৰে সেয়া লক্ষ্যণীয় হ'ব।

# উৰিয়ামঘাটৰ ডকাইতি কাণ্ডৰ লগত জড়িত পুনৰ এজনক গ্ৰেপ্তাৰ

**সৰুপথাৰ, ৪ জানুৱাৰী ঃ** সৰুপথাৰ অসম-নগালেণ্ড সীমান্তৱৰ্তী উৰিয়ামঘাটত সোমবাৰে নিশা প্ৰায় ৭ বাজি ৩০ মিনিটত এখন ব্যৱসায়ী প্ৰতিষ্ঠানত এক ডকাইতি কাণ্ড সংঘটিত হয়। উৰিয়ামঘাট চহৰৰ মাজমজিয়াত অৱস্থিত সঞ্জয় শৰ্মা নামৰ ব্যৱসায়ীৰ হাৰ্ডৱেৰ দোকান এখনত সংঘটিত হৈছিল এই ডকাইতি কাণ্ড। চাৰিজনীয়া ডকাইতৰ দল এটাই প্ৰথমে ৰডৰ বল্টু কিনাৰ সুযোগ লৈ দোকানৰ ভিতৰত প্ৰৱেশ কৰে। দোকানখনত দোকানী আৰু দোকানীৰ বন্ধু বহি থকাৰ সুযোগতে এজনৰ ডিঙিত কেচি আৰু আনজনৰ মূৰত বল্টু লগাই ধনৰ বাকচৰ পৰা পইচা উলিয়াই পলাই যাবলৈ লওঁতেই দোকানীজনে চিঞৰ বাখৰ কৰে। তেওঁৰ চিঞৰ শুনি ততাতৈয়াকৈ ওচৰ-চুবুৰীয়া আহি খেদি খেদি এজনক ধৰিবলৈ সক্ষম হয় আৰু বাকীকেইজনে প্ৰায় ত্ৰিশ (৩০) হেজাৰ টকাৰ স'তে মটৰ চাইকেল লৈ পলায়ন কৰে। ঘটনা সন্দৰ্ভত আৰক্ষীক অৱগত কৰাত ঘটনাস্থলীত আৰক্ষী উপস্থিত হৈ ৰাইজে আটক কৰা ডকাইতক গ্ৰেপ্তাৰ কৰি ক্ষিপ্ৰতাৰে তদন্ত আৰম্ভ কৰে। ৰাইজৰ হাতত ধৰা পৰা নৰেন বৰুৱা ওৰফে চুনো বৰুৱাৰ ঘৰ মেৰাপানী আৰক্ষী থানাৰ অন্তৰ্গত চাউদাং পথাৰৰ তৰানীত। ডকাইতি কাণ্ডৰ স'তে জড়িত আন দুজনৰ নাম স্বীকাৰ কৰিছে ধৃত ডকাইতজনে। তেওঁলোকৰ ঘৰ উৰিয়ামঘা ৰাণীপুখুৰী গাঁৱৰ ৰঞ্জিত আৰু বিতু গগৈ বুলি জানিবলৈ দিয়ে। ডকাইতি কাণ্ডৰ স'তে জড়িত লোকজনৰ পৰা কেচি, বল্টু আৰু নগদ ১১,৩৫০ টকা আৰক্ষীয়ে উদ্ধাৰ কৰে।

# শিৱসাগৰ কলেজৰ ইনড'ৰ ষ্টেডিয়াম উদ্বোধন মন্ত্ৰী মহনৰ

**বিশেষ সংবাদদাতা**
**শিৱসাগৰ, ৪ জানুৱাৰী ঃ** ঐতিহ্যমণ্ডিত শিৱসাগৰ কলেজৰ পৰাগধৰ চলিহা খেলপথাৰত নৱনিৰ্মিত ইনড'ৰ ষ্টেডিয়ামৰ আজি উদ্বোধন কৰে অসম চৰকাৰৰ ৰাজহ তথা দুৰ্যোগ ব্যৱস্থাপনা বিভাগৰ মন্ত্ৰী যোগেন মহনে। উল্লেখ্য যে বিশ্ববিদ্যালয় অনুদান আয়োগে মহাবিদ্যালয়খনৰ ইনড'ৰ ষ্টেডিয়ামৰ লগতে খেলপথাৰ আৰু খেলৰ সা-সৰঞ্জামৰ বাবে এক কোটি ১৫ লাখ টকাৰ অনুদান আগবঢ়াইছিল। প্ৰথম কিস্তিৰ ৬০ লাখ টকা মুকলি কৰি দিয়াৰ পাছত মহাবিদ্যালয়খনে নিজা পুঁজিৰ পৰা ৫৫ লাখ টকা সংযোগ কৰি সৰ্বমুঠ এক কোটি ১৫ লাখ টকা ব্যয় সাপেক্ষে এই ইনড'ৰ ষ্টেডিয়াম নিৰ্মাণ কৰি উলিয়াইছে। মন্ত্ৰী মহনে ইনড'ৰ ষ্টেডিয়ামৰ দ্বাৰ মুকলি কৰি গৌৰৱ অনুভৱ কৰাৰ কথা ব্যক্ত কৰাৰ লগতে ক্ৰীড়া বৰ্তমান শিক্ষাৰ এটা অংশ বুলি অভিহিত কৰে। ক্ৰীড়াৰ যোগেদি জাতি তথা দেশ গঢ়াৰ লগতে নিজকে গঢ় দিব পাৰি বুলি মন্ত্ৰী মহনে প্ৰকাশ কৰে। উল্লেখ্য যে অনুষ্ঠানৰ পাছতে মহাবিদ্যালয়খনৰ বাৰ্ষিক ক্ৰীড়া সপ্তাহ আৰম্ভ হয়। এই অনুষ্ঠানতে সাংবাদিকৰ স'তে হোৱা কথা-বতৰাত মন্ত্ৰী মহনে ৰাজ্যৰ ৰাজহ বিভাগে মাটিৰ মূল্য পুনৰ নিৰ্ধাৰণ কৰাৰ এক প্ৰক্ৰিয়া আৰম্ভ কৰিছে বুলি প্ৰকাশ কৰে।

# জামুগুৰি বিদ্যুৎ উপ-সংমণ্ডলৰ কাৰ্যালয়ৰ বিৰুদ্ধে সৰৱ গ্ৰাহক ৰাইজ

## ■ ঘন্টাই ঘন্টাই বিদ্যুৎ কৰ্তন ■ নিয়মিত বিদ্যুৎ যোগানৰ দাবী

**অগ্ৰদূত বাৰ্তা**
**নদুৱাৰ, ৪ জানুৱাৰী ঃ** শোণিতপুৰ জিলাৰ জামুগুৰিহাটস্থিত জামুগুৰি বিদ্যুৎ উপ-সমংগুলৰ কাৰ্যালয়ে ঘন্টাই ঘন্টাই বিদ্যুৎ কৰ্তন কৰি থোৱা বিষয়টোত অতিষ্ঠ হৈ পৰিছে। অঞ্চলটোৰ গ্ৰাহক ৰাইজ। নৱবৰ্ষৰ পহিলা দিনটোৰ পৰাই বিদ্যুতৰ বাবে হাহাকাৰ কৰিব লগা হৈছে গ্ৰাহক ৰাইজে। যোৱা পহিলা জানুৱাৰীৰ পৰা বৃহত্তৰ অঞ্চলটোত বিভাগটোৱে নিশা ১১ বজাৰ পৰা পুৱা ন বজালৈকে প্ৰতিদিনে বিদ্যুৎ কৰ্তন কৰি ৰখাত সমস্যাত পৰিছে। সৰ্বসাধাৰণ ৰাইজ। ইয়াৰ উপৰি দিনটোৰ সৰহখিনি সময়েই বিদ্যুততে লুকা-ভাকু কৰি থকাত বিভাগটোৰ বিৰুদ্ধে অতিষ্ঠ হৈ পৰিছে গ্ৰাহক ৰাইজ। বিদ্যুৎ কৰ্তন বিষয়টোৰ সন্দৰ্ভত সাধাৰণ ৰাইজে জানিব বিচাৰিলে 'ফল্টি' হোৱা বাবেই কাৰেন্ট দিব পৰা নাই বুলি কাৰ্যালয়টোৰ কৰ্মচাৰীয়ে তুলুঙা মন্তব্য কৰাৰ লগতে অভব্য আচৰণ কৰাত এতিয়া জাঙুৰ খাই উঠিছে সাধাৰণ ৰাইজ। ৰাইজৰ অভিযোগ-গ্ৰাহকক নিয়মিত বিদ্যুৎ যোগান ধৰিব নোৱাৰা বিভাগটোৱে বিভিন্ন কূট-কৌশলৰে ৰাইজৰ পৰা বিল আদায় কৰি আহিছে। কাৰ্যালয়টোৰ একাংশ বিষয়া-কৰ্মচাৰীয়ে অঞ্চলটোৰ একাংশ দুখীয়া দৰিদ্ৰ ৰাইজৰ পৰা ঠগ-প্ৰৱঞ্চনাৰে বিদ্যুৎ সংযোগ আৰু কৰ্তনৰ নামত অবৈধভাৱে ধন সংগ্ৰহ কৰি আহিছে। ব্যাপক দুৰ্নীতি অনিয়মৰে কলুষিত কৰি পেলোৱা জমুগুৰি বিদ্যুৎ উপ-সংমণ্ডুল কাৰ্যালয়ৰ বিষয়া-কৰ্মচাৰীসকলৰ নজিৰ-বিহিন কৰ্মকাণ্ডক এতিয়া সকলো শ্ৰেণী ৰাইজে ধিক্কাৰ দিছে। জামুগুৰি বিদ্যুৎ উপ-সংমণ্ডলে অঞ্চলটোৰ গ্ৰাহক ৰাইজক নিয়মিত বিদ্যুৎ যোগান ধৰিব নোৱৰা বিষয়টোৰ উচিত তদন্ত বিচৰাৰ লগতে নিয়মিত বিদ্যুৎ যোগান ধৰাৰো দাবী তুলিছে সচেতন গ্ৰাহক ৰাইজে।

## ডবকাত আৰক্ষীৰ জালত ড্ৰাগছসহ যুৱক

**অগ্ৰদূত বাৰ্তা**
**যমুনামুখ, ৪ জানুৱাৰী ঃ** মাৰাত্মক ড্ৰাগছৰ বিৰুদ্ধে অসম আৰক্ষীৰ অভিযান অব্যাহত আছে। ৰাজ্যৰ সৰ্বত্ৰে সৰ্বগ্ৰাসী ড্ৰাগছৰ বিৰুদ্ধে আৰক্ষীৰ অভিযান অব্যাহত থকাৰ সময়ত হোজাই জিলাৰ ডবকা আৰক্ষীৰ অভিযানত ধৰা পৰিছে ড্ৰাগছ সৰবৰাহকাৰী এজন যুৱক। ধৃত যুৱকজনৰ নাম তাইজুল হক। যোৱা নিশা ডবকাৰ ৫৪ নম্বৰ ৰাষ্ট্ৰীয় পথ গণিপুৰ বাইপাছৰ পৰা ৰাইজৰ সহযোগত যুৱকজনক আৰক্ষীয়ে আটক কৰে। আৰক্ষীয়ে তাইজুলৰ জিম্মাৰ পৰা পাঁচ পেকেট হেৰ'ইন উদ্ধাৰ কৰে। ধৃত যুৱকজনৰ ঘৰ ডবকা নমাটি গাঁৱত।

# লায়ন্স ক্লাব যোৰহাটত ডিচৈ ভেলীৰ ১৯ সংখ্যক বৰ্ষপূৰ্তি উদ্‌যাপন

**অগ্ৰদূত বাৰ্তা**
**পশ্চিম যোৰহাট, ৪ জানুৱাৰী ঃ** যোৰহাটস্থিত লায়ন্স ক্লাব ডিচৈ ভেলীয়ে ১৯ সংখ্যক চাৰ্টাৰ বৰ্ষপূৰ্তি দিনজোৰা কাৰ্যসূচীৰে কালি পালন কৰে। অনুষ্ঠান মুকলি কৰি যোৰহাট জিলাৰ উপায়ুক্তই এজোপা নিম পুলি ৰোপণ কৰি ডিচৈভেলী লায়ন্স ক্লাবৰ এনে বৃক্ষৰোপণৰ পদক্ষেপৰ শলাগ লয়। ডিষ্ট্ৰিক ৩২২-ডিৰ ডিষ্ট্ৰিক গৰ্ভণৰ লায়ন ডঃ ৰীমা শৰ্মা বৰুৱাও এজোপা নিম পুলি ৰোপণ কৰি এনে ঔষধ জাতীয় বৃক্ষৰোপণে পৰিৱেশ, বায়ুমণ্ডল প্ৰদূষণ ৰোধ কৰাত অদূৰ ভৱিষ্যতে সহায়ক হ'ব বুলি বক্তব্য আগবঢ়ায়। সন্ধিয়া ফুডিচ টেবুলত আৰম্ভ হোৱা ক্লাবৰ বৰ্ষপূৰ্তিৰ মূল সভাত সভাপতিত্ব কৰে লায়ন সত্যব্ৰত বৰুৱাই। ডিষ্ট্ৰিক গৰ্ভণৰ লায়ন ডঃ ৰীমা শৰ্মা বৰুৱা উপস্থিত থকা সভাত আদৰণি ভাষণ পাঠ কৰে লায়ন অঞ্জন চলিহাই। সম্পাদকীয় প্ৰতিবেদন পাঠ কৰে ক্লাবৰ সম্পাদক লায়ন ইন্দ্ৰজিৎ প্ৰসাদে। ডিষ্ট্ৰিক গৰ্ভণৰ ডঃ ৰীমা শৰ্মা বৰুৱাই লায়ন্সৰ সাংগঠনিক দিশ আৰু জনহিতকৰ সেৱাৰ্থে আত্মনিয়োগ কৰাৰ লগতে অহা ১৩ জানুৱাৰীত লায়ন্স ক্লাবৰ প্ৰতিষ্ঠাতা মেলভিন জনছৰ জন্মদিনৰ লগত সংগতি ৰাখি জানুৱাৰীত ভোকাতুৰক এসাঁজ আহাৰৰ ব্যৱস্থা কৰিবলৈ অনুৰোধ জনায়। তদুপৰি ক্লাবৰ কৰ্মৰাজি বিশেষকৈ পথ সুৰক্ষা সজাগতাৰ ভূয়সী প্ৰশংসা কৰে। যোৰহাট লায়ন্স ক্লাব, যোৰহাট চিটি কুইনৰ বিষয়ববীয়া উপস্থিত থকা সভাত ডিষ্ট্ৰিক গৰ্ভণৰে চিমি শৰ্মা বৰুৱাক লায়ন সদস্য হিচাপে শপত পাঠ কৰায়।



## লাহৰীঘাটৰ ধুমকুৰা বালিকা মধ্য ইংৰাজী বিদ্যালয়ত উত্তপ্ত পৰিস্থিতি

**অগ্ৰদূত বাৰ্তা**
**লাহৰীঘাট, ৪ জানুৱাৰী ঃ** মৰিগাঁও জিলাৰ লাহৰীঘাট শিক্ষা খণ্ডৰ অন্তৰ্গত ধমুকুৰা বালিকা মধ্য ইংৰাজী বিদ্যালয়ত কালি উত্তপ্ত পৰিস্থিতিৰ সৃষ্টি হয়। উল্লেখ্য যে বিদ্যালয়খনত দীৰ্ঘদিন ধৰি সংঘটিত হৈছে ব্যাপক দুৰ্নীতি আৰু অনিয়ম। বিদ্যালয়খনৰ মধ্যাহ্ন ভোজন, ইউনিফৰ্ম আদিৰ নামত দুৰ্নীতি সংঘটিত কৰাৰ অভিযোগ উঠিছে প্ৰধান শিক্ষক মোবাৰক আলীৰ বিৰুদ্ধে। আনকি ছাত্ৰ-ছাত্ৰীৰ জলপানী আবেদনৰ বাবেও পাঁচশ টকাকৈ সংগ্ৰহ কৰাৰ লগতে যোৱা পাঁচমাহ ধৰি বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীক মধ্যাহ্ন ভোজন যোগান নধৰাৰ অভিযোগ উত্থাপন কৰিছে ছাত্ৰ-ছাত্ৰীৰ অভিভাৱকসকলে। কিন্তু বিদ্যালয়খনৰ প্ৰধান শিক্ষক আলীয়ে এই অভিযোগসমূহৰ প্ৰতি কোনো গুৰুত্ব নিদিয়াত অভিভাৱকসকল ক্ষুব্ধ হৈ পৰে। অৱশেষত ক্ষোভিত হৈ অভিভাৱকসকলে প্ৰধান শিক্ষকক বিদ্যালয়তে ঘেৰাও কৰি জবাবদিহি কৰে। পাছত উপায়হীন হৈ প্ৰধান শিক্ষকজনে ক্ষুব্ধ ৰাইজৰ মাজৰ পৰা গুচি যায়। উল্লেখ্য যে কণ কণ ছাত্ৰ-ছাত্ৰীৰ মুখৰ ভাত কাঢ়ি খোৱা প্ৰধান শিক্ষকজনৰ বিৰুদ্ধে বিহিত ব্যৱস্থা গ্ৰহণ কৰিবলৈ স্থানীয় ৰাইজ তথা অভিভাৱকসকলে বিভাগীয় কৰ্তৃপক্ষক দাবী জনাইছে।

## শিক্ষক ৰেৱকান্ত গগৈৰ মৃত্যুত শোক

**অগ্ৰদূত বাৰ্তা**
**পশ্চিম যোৰহাট, ৪ জানুৱাৰী ঃ** যোৰহাটৰ উত্তৰ-পশ্চিম যোৰহাট শিক্ষাখণ্ডৰ অন্তৰ্গত ৰজাখাট প্ৰাথমিক বিদ্যালয়ৰ সহকাৰী শিক্ষক তথা কেৰিমেৰিৰ ৰেৱকান্ত গগৈ (৫২)ৰ যকৃত আৰু বৃক্কজনিত ৰোগত আক্ৰান্ত হৈ আজি নিজা বাসগৃহত মৃত্যু হয়। অমায়িক-মৰমিয়াল মনৰ অধিকাৰী শিক্ষকজনৰ মৃত্যুত বিদ্যালয়খনৰ লগতে সমগ্ৰ অঞ্চলটোত শোকৰ ছাঁ পৰিছে। মৃত্যুৰ সময়ত তেওঁ পত্নীৰ লগতে বহু আত্মীয়ক ইহসংসাৰত এৰি যায়।

# হিটলাৰ দিহিঙীয়াৰ আত্মহনন ঃ জাগৃত নাৰী শক্তি সমিতিৰ এজাহাৰ দাখিল

**বিশেষ সংবাদদাতা**
**লখিমপুৰ, ৪ জানুৱাৰী ঃ** লখিমপুৰৰ চৰাইমৰীয়াত আত্মহননৰ পথ বাছি লোৱা আটাছুৰ নেতা হিটলাৰ দিহিঙীয়াৰ মৃত্যুৰ ঘটনাৰ উচিত তদন্ত আৰু দোষীৰ শাস্তিৰ দাবীত আজি তেওঁৰ বিধবা পত্নীয়ে সদৰ থানাত উপস্থিত হয়। কণমানি সন্তানসহ থানালৈ আহি তেওঁ কান্দি কান্দি স্বামীৰ মৃত্যুৰ ঘটনাৰ উচিত বিচাৰ কৰাৰ লগতে আত্মহত্যাৰ টোকাৰ উল্লেখ থকা ব্যক্তিকেইগৰাকীৰ বিৰুদ্ধে ব্যৱস্থা ল'বলৈ আৰক্ষীক আহ্বান জনায়। ইফালে, জাগৃত নাৰী শক্তি সমিতিৰ লখিমপুৰ-ধেমাজি সমিতিয়েও সদৰ থানাত উক্ত ঘটা সন্দৰ্ভত এখন এজাহাৰ দাখিল কৰে। এজাহাৰখনত সমিতিয়ে হিটলাৰৰ আত্মহত্যাৰ টোকাত উল্লেখ থকা গুণ ফুকন, মৃদুল কোঁৱৰ আৰু অচ্যুত বুঢ়াগোহাঁইক গ্ৰেপ্তাৰৰ দাবী জনায়। সমিতিৰ সম্পাদিকা মানসী ৰাজখোৱাই সংবাদ মাধ্যমৰ আগত প্ৰকাশ কৰা মতে, তাই আহোম ছাত্ৰ সন্থাৰ লগতে তাই আহোম কৃষ্টি বিকাশ কেন্দ্ৰৰ অন্যতম প্ৰতিষ্ঠাতা হিটলাৰ দিহিঙীয়াই সংগঠনৰ একাংশই অৱহেলা কৰাৰ বাবেই হতাশাগ্ৰস্ত হৈ আত্মহননৰ পথ বাছি লয়। ঘটনা সন্দৰ্ভত আৰক্ষীয়ে উচিত তদন্তৰে পদক্ষেপ গ্ৰহণ নকৰিলে সমিতি ৰাজপথলৈ ওলাই আহিবলৈ বাধ্য হ'ব বুলি তেওঁ কয়। উল্লেখ্য যে আৰক্ষীয়ে ঘটনা সন্দৰ্ভত উচিত তদন্তৰ আশ্বাস দিলেও এই পৰ্যন্ত কাকো গ্ৰেপ্তাৰ কৰিব পৰা নাই। সকলোৱে আৰক্ষীৰ তদন্তই এই ঘটনাৰ ৰহস্য উন্মোচন কৰাৰ আশাৰে বাট চাই আছে।

# মৰিয়নিত সঘনাই মটৰ চাইকেল চুৰি

**অগ্ৰদূত বাৰ্তা**
**মৰিয়নি, ৪ জানুৱাৰী ঃ** মৰিয়নি আৰক্ষীৰ নিৰ্লিপ্ততাৰ সুযোগ লৈ মৰিয়নিত পুনৰ আৰম্ভ হৈছে মটৰ চাইকেল চোৰৰ টিঘিলঘিলনি। বিগত প্ৰায় ২০ দিনত তিনিখনকৈ মটৰ চাইকেল চুৰি হৈছে মৰিয়নিত। মৰিয়নিৰ বাপুজী ষ্টেডিয়ামৰ সন্মুখৰ পৰা এখন মটৰ চাইকেল কেইদিনমানৰ পূৰ্বে চুৰি হোৱাৰ পাছত পুনৰ নগৰৰ মাজমজিয়াৰ শ্ৰীশ্ৰী শংকৰদেৱ কীৰ্তন ঘৰৰ প্ৰায় সন্মুখৰ পৰা যোৱা ২১ ডিচেম্বৰত আন এখন মটৰ চাইকেল চুৰি হৈছিল। যোৱা তিনি জানুৱাৰীত সন্ধিয়া পুনৰ আন এখন মটৰ চাইকেল মৰিয়নি নগৰৰ মাজমজিয়াৰ পৰা চুৰি হয়। প্ৰাপ্ত তথ্য মতে, মৰিয়নি ৰেলৱে কেঁচা কল'নীৰ বাবুল আলীয়ে সন্ধিয়া ৫-৪৫ মান বজাত নিজৰ এ এছ-০৩ এছ-৩৯৩৩ নম্বৰৰ ক'লা ৰঙৰ টিভিএছ আপাচে ১৮০ আৰটিআৰ মটৰ চাইকেলখন নগৰৰ পঞ্জাৱ নেচনেল বেংকৰ সন্মুখত ৰখাই বেংকৰ ওপৰলৈ যায়। তাৰ ১৫-২০ মিনিটমানৰ পাছত উভতি আহি ৰখাই থোৱা স্থানত মটৰ চাইকেলখন নেদেখি বিচাৰ-খোচাৰ কৰে যদিও কোনো সন্ধান নাপালে। ঘটনাৰ সম্পৰ্কে মৰিয়নি আৰক্ষী থানাত বাবুলে অৱগত কৰিছে যদিও বৰ্তমানলৈকে কোনো সন্ধান পোৱা নাই। উল্লেখ্য যে মৰিয়নিত ইয়াৰ পূৰ্বেও বহু বাহন চুৰি হৈছে যদিও সেইসমূহৰ কোনো সন্ধান পোৱা নাই। আৰক্ষীয়েও কোনো কাৰ্যকৰী ব্যৱস্থা গ্ৰহণ কৰা নাই যাৰ সুযোগ লৈ বাহন চোৰৰ দলে ইখনৰ পাছত সিখন চুৰি কৰি আহিছে।

# মাজুলীত আউনীআটী-জুগুনীধাৰী পানী

১২ পৃষ্ঠাৰ পৰা বৈষ্ণৱসকলক ধন্যবাদ জ্ঞাপন কৰে। বিষয়াজনে লগতে এই আঁচনিখনৰ পৰা পানী গ্ৰহণ কৰি কিদৰে ৰাইজে নিৰোগী জীৱন লাভ কৰিব পাৰিব তাৰ সবিশেষ ব্যাখ্যা আগবঢ়ায়। সভাত অতিৰিক্ত উপায়ুক্ত অৰিন্দম বৰুৱা, ডেকা সত্ৰাধিকাৰ দেৱানন্দ দেৱ গোস্বামী, সাংবাদিক সন্থাৰ সম্পাদক দীপু বৰাই শুভেচ্ছামূলক ভাষণ দিয়ে। সভাত বিভাগৰ সহকাৰী অভিযন্তা অমলজিৎ ভড়ালী, ঠিকাদাৰ পাপন গগৈ প্ৰমুখ্যে সত্ৰৰ বৈষ্ণৱসকল উপস্থিত থাকে।

# সাংস্কৃতিক কৰ্মী ৰঞ্জিত নাথৰ ৰাজহুৱা

১২ পৃষ্ঠাৰ পৰা অধ্যক্ষদ্বয় তাৰানাথ শইকীয়া, সোমেশ্বৰ শইকীয়া, সাংস্কৃতিক কৰ্মী দিদিন হাজৰিকা, অতুল নেওগ, নাথ-যোগী সন্মিলনীৰ সম্পাদক দিগন্ত নাথকে আদি কৰি বিশিষ্ট লোকসকলে ৰঞ্জিত নাথ এজন আনৰ দুখত দুখী হোৱা পৰোপকাৰী সামাজিক-সাংস্কৃতিক মনৰ লোক আছিল বুলি একেমুখে স্বীকাৰ কৰে। উল্লেখনীয় যে তেল আৰু প্ৰাকৃতিক গেছ আয়োগৰ কৰ্মচাৰী অত্যন্ত অমায়িক নাথ ঐতিহ্যমণ্ডিত কৰঙা ৰাসোৎসৱ সমিতিৰ সভাপতি হিচাপে কাৰ্যনিৰ্বাহ কৰাৰ লগতে অঞ্চলটোৰ প্ৰায়বোৰ সামাজিক অনুষ্ঠানৰ স'তে জড়িত আছিল।

# প্ৰতিগৰাকী লোকৰ মাজত অন্তৰ্নিহিত

১২ পৃষ্ঠাৰ পৰা এনে কাৰ্যত মোহিত হৈ যমে তিনি বৰ দিবৰ বাবে প্ৰতিশ্ৰুতিবদ্ধ হ'ল। এনেদৰেই যমৰ স'তে বহু প্ৰশ্নৰ অৱতাৰণা হ'ল নাছিকেতাৰ। যমে দিয়া তিনি বৰৰ ভিতৰত নাছিকেতাই বিছৰা আত্মাৰ জ্ঞান দিবলৈ কুণ্ঠাবোধ কৰিছিল যদিও শেহত দিবলৈ বাধ্য হৈছিল যমে।' শৰ্মাই কয় যে আমাৰ জীৱনৰ অভিযাত্ৰা মৃত্যু নহয়, আমাৰ লক্ষ্য মৃত্যু নহয়। অমৰত্ব আমাৰ লক্ষ্য হোৱা উচিত। যদিও সম্ভৱ নহয় বুলি মত পোষণ কৰে। জীৱন, যৌৱন, মৃত্যুৱেই জীৱনৰ শেষ লক্ষ্য হোৱা অনুচিত বুলি ব্যক্ত কৰি শৰ্মাই কয় যে নাচিকেতা, আমাৰ সকলোৰে মাজত আছে। নাচিকেতাৰ দৰে দৰ্শন আমাৰ সকলোৰে মাজত আছে।মাথোঁ তাক বিচাৰি ল'বলৈ জানিব লাগিব। নাচিকেতাৰ দৰে উচ্চ আকাংক্ষা থকাতো জীৱনত খুৱেই প্ৰয়োজনীয়। এই বিশ্বত ৭০০ কোটিৰ অধিক নাচিকেতা থকাৰ কথা উল্লেখ কৰি নাচিকেতাৰ দৰে জীৱন দৰ্শন, আদৰ্শ আৰু স্থিতপ্ৰজ্ঞ হোৱাটো বাঞ্ছনীয় বুলি মত পোষণ কৰে শৰ্মাই। মহাবিদ্যালয়ৰ প্ৰেক্ষাগৃহত আয়োজিত বক্তৃতা অনুষ্ঠানত মনোহাৰী মহিলা মহাবিদ্যালয়ৰ উপাধ্যক্ষা ডঃ অঞ্জু বৰা, ডঃ লোহিত শইকীয়া, ডঃ মানসী শৰ্মা, পূৰ্ণিমা চুতীয়া, ডঃ মৌচুমী বাগচী, ডঃ ৰেজিয়া বেগম লস্কৰ, ডঃ শেখৰ পুৰকায়স্থ, অশ্বিনী মাচে, ডঃ শেখৰ চক্ৰৱৰ্ত্তী, দিপাংকৰ শৰ্মা, উৎপল গগৈ প্ৰমুখ্যে গৰিষ্ঠ সংখ্যক অধ্যাপক, কৰ্মচাৰী আৰু শতাধিক ছাত্ৰীয়ে অংশগ্ৰহণ কৰা বক্তৃতা অনুষ্ঠানতাত দিগন্ত বিশ্ব শৰ্মাই বৃহাদৰণ্য উপনিষদৰ উদ্ধৃতি দি জনক আৰু যাজ্ঞবল্কৰ মাজত হোৱা কথোপকথন ব্যক্ত কৰি উপস্থিতসকলক এক দৰ্শন দিয়াৰ প্ৰয়াস কৰি আধুনিক শিক্ষা ব্যৱস্থাৰ ওপৰতো আলোকপাত কৰে। শিক্ষা ব্যৱস্থাত থকা তিনি প্ৰকাৰৰ আহিলাৰ সম্পৰ্কত কয় যে সেয়া বিষয় বুৎপত্তি, বস্তু পৰিচয় আৰু বৃত্তিৰ উৎকৰ্ষ বুলি মন্তব্য কৰি এইবিলাকো শিক্ষাৰ অংগ হলেও সমগ্ৰ নহয় বুলি মতপোষণ কৰে। তেওঁ পুনৰাই কয় যে বৰ্তমানৰ শিক্ষা ব্যৱস্থাৰ লগত আমাৰ আত্মাৰ কোনো সম্পৰ্ক নাই। আজিৰ শিক্ষা ব্যৱস্থাই শিক্ষাৰ্থীসকলক কেৱল প্ৰতিযোগিতাৰ পাছত দৌৰিব শিকাইছে। একোজন শিক্ষাৰ্থীৰ মূল্যাংকনে, তেওঁৰ জ্ঞান বা শিক্ষাৰ মাপকাঠি নিৰ্দ্ধাৰণ নকৰে বুলি সদৰী কৰি আত্মাৰ স'তে যদি শিক্ষাক জড়িত কৰিব নোৱাৰি, তেনেহ'লে সেয়া সৰ্ব্বোচ নহয় বুলিও উল্লেখ কৰে বক্তা শৰ্মাই।

# সৃষ্টিশীলতাৰে জীৱনৰ সকলো

১২ পৃষ্ঠাৰ পৰা নামৰ ১৫ বছৰীয়া কিশোৰজনৰ দুহাতৰ লগতে মন-মগজুত আছে সৃষ্টিশীলতাৰ অসামান্য প্ৰতিভা। বাঁহ-বেতৰে নতুবা মাটিৰে গোবিনে সাজিব পাৰে দৃষ্টিনন্দন সামগ্ৰী। হাতত এখন কটাৰী লৈ তেওঁ যেতিয়া খেৰ নতুবা বাঁহত স্পৰ্শ কৰে তেতিয়াই সৃষ্টি হয় একোটা দৃষ্টিনন্দন সামগ্ৰীৰ। কোনো ধৰণৰ প্ৰশিক্ষণ নোলোৱাকৈয়ে নিজৰ একান্ত সাধনাৰে শৈশৱৰ পৰাই তেওঁ গঢ়িবলৈ লয় বিভিন্ন আৰ্হিৰ লগতে মূৰ্তি গোবিনে নিজৰ সৃষ্টিশীলতাৰে বাঁহ-বেতৰেই গঢ়ি তুলিছে বিশ্বখ্যাত তাজমহল, মন্দিৰ তথা চাংঘৰৰ আৰ্হি। দেশ তথা ৰাজ্যৰ বিভিন্ন ঐতিহাসিকভাৱে গুৰুত্বপূৰ্ণ মঠ-মন্দিৰ আদিও তেওঁ সেই আৰ্হিৰে নিৰ্মাণ কৰিছে বাঁহ-বেতৰে। একেদৰে তাহানিৰ ৰাজকাৰেঙে প্ৰাণ পাই উঠিছে তেওঁৰ দুহাতৰ সৃষ্টিত। বহু অট্টালিকা, বিভিন্ন ধৰণৰ আবাসগৃহ নিখুঁত আৰু চকুত লগাকৈ সাজি উলিয়াবলৈ সক্ষম এইজন কিশোৰ শিল্পী। কোনো ধৰণৰ সৰঞ্জাম অবিহনে এখন কটাৰীৰেই এনে ধৰণৰ সামগ্ৰী সাজি চমকপ্ৰদ প্ৰতিভাৰ পৰিচয় দিয়া গোবিনে ৰাধা, কৃষ্ণ, শিৱকে ধৰি বহু সংখ্যক দেৱ-দেৱীৰ অনিন্দ্য সুন্দৰ প্ৰতিমা সাজি উলিওৱাৰ উপৰি মাটিৰে সাজিব পাৰে আন বহু সামগ্ৰী। অবিশ্বাস্য দক্ষতাৰ অধিকাৰী গোবিনে তেওঁৰ এই সৃষ্টিশীলতাৰ বিপৰীতে সমানেই চলাই নিবলগীয়া হৈছে জীৱন যুঁজখনো। প্ৰতিটো সৃষ্টিতে একোটা নতুন কৌশল প্ৰয়োগৰ চেষ্টা কৰা কিশোৰ শিল্পীজনে এই ক্ষেত্ৰত নিজৰ উদ্ভাৱনী ক্ষমতাক নতুন মাত্ৰা প্ৰদান কৰিবলৈ সক্ষম হৈছে। ইতিমধ্যে কে'বাবছৰ পূৰ্বেই তেওঁ হেৰুৱাইছে পিতৃক। এনে স্থলত দিন হাজিৰা কৰি জীৱিকা নিৰ্বাহ কৰিবলগীয়া হৈছে গোবিনৰ মাতৃ কাজক ক্ৰোপীয়ে। গোবিনৰ আন এজন ভ্ৰাতৃসহ মুঠ তিনিজনীয়া পৰিয়ালটো এইপৰ্যন্ত বঞ্চিত হৈ আছে চৰকাৰী বিভিন্ন আঁচনিৰ পৰা। কাৰ্বি আনগোষ্ঠীয় ঐতিহ্য আৰু পৰম্পৰাগত চানেকিও সুন্দৰভাৱে নিৰ্মাণ কৰা যুৱশিল্পীজনৰ পৰিয়ালে তাহানিতে লাভ কৰা ইন্দিৰা আৱাস যোজনাৰ বাসগৃহটোৰ অৱস্থা বৰ্তমান জৰাজীৰ্ণ। ইতিমধ্যে বৈদ্যুতিক সামগ্ৰী মেৰামতি কৰাৰ ক্ষেত্ৰত পাকৈত হৈ উঠা গোবিনে মাজে মাজে স্থানীয়ভাৱে অনুষ্ঠিত সভা-সমিতিত তেওঁ সৃষ্টি কৰা সামগ্ৰীৰ প্ৰদৰ্শন তথা বিক্ৰী কৰিবলৈ সক্ষম হয়। মূকবধিৰ কিশোৰজনে শিশুকালতে আকাৰে ইংগিতে আনুষ্ঠানিক শিক্ষাৰ প্ৰথম শ্ৰেণীৰ পাঠ আয়ত্ত কৰিবলৈ সক্ষম হোৱাৰ পাছত তেওঁক এতিয়া কোনো লোকে যিকোনো বিষয় লিখি প্ৰকাশ কৰিলে তেওঁ সেয়া পঢ়ি নিৰ্ভুলভাৱে বুজি উঠে। উল্লেখ্য যে স্থানীয় পঞ্চায়ত প্ৰতিনিধিয়ে এইজন কিশোৰ শিল্পীৰ লগতে তেওঁৰ পৰিয়ালৰ আৰ্থিক প্ৰত্যাহ্বান তথা কষ্টকৰ জীৱন যাত্ৰাৰ বিষয়ে অৱগত। কিন্তু তৎসত্ত্বেও আচৰিতভাৱে চৰকাৰী কোনো উল্লেখযোগ্য আঁচনিয়ে স্পৰ্শ কৰা নাই এই পৰিয়ালটোক। নীৰৱে, অৱহেলাৰ মাজত আৰু প্ৰৱল ইচ্ছা থকা সত্ত্বেও মূকবধিৰ শিল্পীজনে তেওঁৰ সৃষ্টিমূলক কামৰ বাবে প্ৰয়োজনীয় সা-সৰঞ্জাম ক্ৰয় কৰিব পৰা নাই একমাত্ৰ চূড়ান্ত আৰ্থিক অনাটনৰ বাবেই। স্বভাৱজাত প্ৰতিভাৰে উদ্ভাসিত এইজন শিল্পীয়ে তেওঁৰ মনৰ সমস্ত দুখবোৰকে যেন তেওঁৰ সৃষ্টিশীলতাৰ মাধ্যমেৰেই প্ৰকাশ কৰে। কিশোৰ শিল্পী গোবিনৰ এই প্ৰতিভাত বিস্ময় বিমুগ্ধ বহুজনেই বিশ্বনাথ প্ৰশাসন তথা চৰকাৰৰ প্ৰতি আহ্বান জনাইছে তেওঁৰ লগতে পৰিয়ালটোক সকাহ দিব পৰাকৈ কিছু ফলপ্ৰসূ ব্যৱস্থা গ্ৰহণ কৰিবলৈ। এই ক্ষেত্ৰত স্থানীয় দল- সংগঠনসমূহকো আগবাঢ়ি আহিবলৈ আহ্বান জনাইছে বহুসংখ্যক লোকে।

# এন চি টি ইয়ে প্ৰতিবন্ধকতা আঁতৰালে লখিমপুৰ প'ষ্ট গ্ৰেজুৱেট ট্ৰেইনিং কলেজৰ

**অগ্ৰদূত বাৰ্তা**
**লখিমপুৰ, ৪ জানুৱাৰী ঃ** নেছনেল কাউঞ্চিল ফৰ টিছাৰ এডুকেচন চমুকৈ এন চি টিয়ে সকলো উৎকণ্ঠাৰ অৱসান ঘটাই প্ৰতিবন্ধকতা দূৰ কৰে লখিমপুৰ প'ষ্ট গ্ৰেজুৱেট ট্ৰেইনিং কলেজৰ। কিছুদিনৰ পূৰ্বে এই কলেজখনৰ সন্দৰ্ভত চৰ্ত আধৰুৱা হোৱাৰ অজুহাত লৈ এন চি টিয়ে নতুন শিলাবৰ্ষ আৰম্ভ কৰাত প্ৰতিবন্ধকতা আৰোপ কৰিছিল। উল্লেখ্য যে ১৯৭৬তে স্থাপিত এই কলেজখন সুনামযুক্ত শিক্ষা প্ৰতিষ্ঠান হ'লেও আজি পৰ্যন্ত কলেজখন চৰকাৰীকৰণ হোৱা নাই। উচ্চ মানৰ চলি থকা এই কলেজখনৰ পূৰ্বৰ অধ্যক্ষ ৰুক্ম গোহাঁই বৰুৱা অসম উচ্চতৰ শিক্ষা সংসদৰ অধ্যক্ষৰূপে নিৰ্বাচিত হোৱাৰ পাছত অধ্যক্ষৰ আসনখন পূৰ কৰা হয় যদিও এন চি টি ইয়ে কেনা লগায়। এন চি টি ইয়ে কিছুদিনৰ পূৰ্বে ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ অধীনত চলি থকা লখিমপুৰ প'ষ্ট গ্ৰেজুৱেট ট্ৰেইনিং কলেজকে ধৰি ৰাজ্যৰ মুঠ ছখন এনে শৈক্ষিক প্ৰতিষ্ঠানৰ স্বীকৃতি বাতিল কৰিছিল। এনে কলেজসমূহৰ বিভিন্ন চৰ্ত পূৰণ নোহোৱাৰ বাবেই এন চি টি ইয়ে এনে পদক্ষেপ লৈছিল। লখিমপুৰ কলেজখনৰ অধ্যক্ষৰ পদটোৰ এন চি টি ইৰ চৰ্ত মতে সেই সময়ত তথ্য দাখিল কৰা হৈছিল যদিও এন চি টি ইৰ সভা অনুষ্ঠিত নোহোৱাৰ বাবে অনুমোদন হোৱা নাছিল। যাৰ বাবে এই সংকটৰ উদ্ভৱ হয়। এই লৈ কলেজ কৰ্তৃপক্ষ চিন্তিত হৈ পৰিছিল। কিয়নো এন চি টি ইৰ চৰ্ত মতে সকলো তথ্য দাখিল কৰা হ'লেও সভা অনুষ্ঠিত নোহোৱাৰ বাবে অনুমোদন হোৱা নাছিল আৰু সভা কেতিয়া অনুষ্ঠিত হ'ব তাৰ কোনো নিশ্চয়তা নাছিল। আনহাতে, নতুন শিক্ষা বৰ্ষৰ নাম ভৰ্তিৰ প্ৰক্ৰিয়া আৰম্ভ কৰাৰ সময়ো আহিল। যাৰ বাবে কিছুদিন কলেজ কৰ্তৃপক্ষই উদ্বেগেৰে সময় পাৰ কৰিবলগীয়া হৈছিল। অৱশেষত যোৱা ২৮ ডিচেম্বৰত এন চি টি ইৰ সভা অনুষ্ঠিত হয় আৰু কলেজখনৰ চৰ্ত সম্পূৰ্ণ হৈ থকা প্ৰত্যক্ষ কৰি প্ৰতিবন্ধকতা দূৰ কৰে। সম্প্ৰতি কলেজখনে নতুন বৰ্ষৰ নামভৰ্তিৰ প্ৰক্ৰিয়া আৰম্ভ কৰিবলৈ লৈছে।

## মঙলদৈ মহকুমা প্ৰাথমিক শিক্ষক সন্মিলনীৰ সমিতিৰ শপত গ্ৰহণ

**অগ্ৰদূত বাৰ্তা**
**দেওমৰনৈ, ৪ জানুৱাৰী ঃ** অসম ৰাজ্যিক প্ৰাথমিক শিক্ষক সন্মিলনীৰ নৱনিৰ্বাচিত কাৰ্যনিৰ্বাহক সমিতিৰ শপতগ্ৰহণ অনুষ্ঠান আজি সম্পন্ন হয়। মহকুমা সন্মিলনীৰ কাৰ্যালয়ত বিয়লি অনুষ্ঠিত এখন সভাত সমিতিৰ বিষয়ববীয়াসকলক শপত বাক্য পাঠ কৰোৱায় মঙলদৈ মহকুমা প্ৰাথমিক শিক্ষক সন্মিলনীৰ প্ৰাক্তন সম্পাদক মহেন্দ্ৰ নাথ শৰ্মাই। মহকুমা সন্মিলনীৰ সভাপতি পৱন কুমাৰ ঝাৰ সভাপতিত্বত অনুষ্ঠিত সভাত শপতগ্ৰহণৰ লগতে সাংগঠনিক দিশ সম্পৰ্কে আলোচনা কৰা হয়।

# অন্ত পৰিল ডিগবৈ নাজিৰাটিং পৰ্যটন উৎসৱ

## ■ মুখ্যমন্ত্ৰী উপস্থিত নথকাৰ বাবে অনুষ্ঠিত নহ'ল পৰ্যটন উৎসৱৰ মুকলি সভা

**ডিগবৈ, ৪ জানুৱাৰী ঃ** অসমৰ জনপ্ৰিয় কণ্ঠশিল্পী জুবিন গাৰ্গৰ সংগীতানুষ্ঠানৰে নিজম পৰিল ডিগবৈ নাজিৰাটিং তামুলী পৰ্যটন উৎসৱ। পহিলা জানুৱাৰীৰ পৰা তিনিদিনীয়াকৈ অনুষ্ঠিত কৰা পৰ্যটন উৎসৱৰ অন্তিম দিনা হ'বলগীয়া মুকলি সভাত বিগত দুমাহে মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই অংশগ্ৰহণ কৰিব বুলি প্ৰচাৰ কৰি শেষ মুহূৰ্তলৈ অহাৰ ঘোষণা কৰাৰ পাছতো মুখ্যমন্ত্ৰী নহাত মুকলি সভা বাতিল কৰে। পৰ্যটন উৎসৱৰ গোটেই দিনটো উৎসৱস্থলীৰ মূল মণ্ডপত মিচিং বিহু দল, লেচেৰী নৃত্য, বিহু নৃত্য, মৰাণ নৃত্য, ঝুমুৰ আদি বৰ্ণাঢ্য সাংস্কৃতিক অনুষ্ঠানেৰে জীপাল কৰি তোলে ডিব্ৰু নৈ পাৰৰ পৰ্যটন উৎসৱ। মুকলি সভালৈ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা নাহিল তথাপি অন্তিম দিনা পৰ্যটন উৎসৱস্থলী জনসমুদ্ৰলৈ পৰিণত হোৱা পৰিলক্ষিত হয়। অসমৰ জনপ্ৰিয় কণ্ঠশিল্পী জুবিন গাৰ্গৰ সংগীতানুষ্ঠানৰে হেজাৰ হেজাৰ দৰ্শকক মন্ত্ৰমুগ্ধ কৰিলে পৰ্যটনস্থলী। নাজিৰাটিং তামুলী পৰ্যটনস্থলী পৰিচালনা সমিতিৰ সভাপতি তথা বিধায়ক সুৰেন ফুকনে পৰ্যটন উৎসৱত ৰাইজৰ সমাগম দেখি নিজকে অভিভূত হৈ তিনিওদিনৰ কাৰ্যসূচীত ৰাইজৰ বিপুল সঁহাৰিৰ বাবে সকলোলৈ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰে।







## বতাহ বয় কিয় ?



পৃথিৱীৰ চাৰিওফালে থকা বায়ুমণ্ডল কেতিয়াও একে ঠাইত স্থিৰ হৈ নাথাকে। বায়ুমণ্ডলে চলাচল কৰি থাকে। তাকেই আমি বতাহ বুলি কওঁ। গৰম বতাহ ওপৰলৈ উঠি যায় আৰু শীতল বতাহ তললৈ নামি আহে। গৰম বতাহ যেতিয়া ওপৰলৈ উঠি যায়, তেতিয়া সেই খালী ঠাই পূৰণ কৰিবলৈ ওপৰৰ ঠাণ্ডা বতাহ তললৈ নামি আহে। সূৰ্যৰ উত্তাপৰ বাবে ভূ-স্থল আৰু সমুদ্ৰৰ বেলেগ বেলেগ অংশত বেলেগ বেলেগ সময়ত গৰম পৰে। সেইদৰেই পৃথিৱীত বতাহ বলাৰ কাৰ্য অব্যাহত থাকে। বতাহৰ এটা বৃহৎ অংশক 'এয়াৰ মাচ্চ' বা বায়ু সংহিতি বুলি কোৱা হয়। এই বায়ু সংহিতি যেতিয়া ওচৰৰ ভূ-স্থল বা সমুদ্ৰৰ কোনো অংশৰ ওপৰেদি পাৰ হৈ যায়, তেতিয়া সেই স্থানৰ তাপমান অনুসৰি গৰম, শুকান, ঠাণ্ডা বা সিক্ত হৈ পৰে। অতিশয় বেগী বতাহক ধুমুহা বুলি কোৱা হয়। এই বতাহ অতি বিপজ্জনক। যেতিয়া বতাহে গোলাকাৰ হৈ ঘূৰি ঘূৰি আগবাঢ়ি যায়, তেতিয়া ঘূৰ্ণী বতাহ বুলি কোৱা হয়। ঘূৰ্ণী বতাহে ঘৰ আদি উৰুৱাই নিয়ে আৰু সাগৰত বিশাল ঢৌৰ সৃষ্টি কৰে। এই বতাহো অতি ধ্বংসাত্মক। এনে ধুমুহা সচৰাচৰ গৰম আৰু সিক্ত জলবায়ু থকা অঞ্চলৰ পৰা আৰম্ভ হয়। কেতিয়াবা বতাহ অতিশয় গৰম হৈ পৰে আৰু শৰীৰত লু বতাহ লাগে। তেনে বতাহ অতিশয় অস্বস্তিকৰ। তেনে অৱস্থাত চৰাই আদিয়েও উৰিবলৈ কষ্ট পায়। চিলাও তেনে বতাহত উৰাব নোৱাৰি। চিলা উৰুৱাবলৈ পাতল বতাহৰ প্ৰয়োজন।

## জুনুকা বজোৱা সাপ



বিশ্বৰ সবাতোকৈ বিষধৰ সাপবোৰৰ ভিতৰত অন্যতম হ'ল ৰেটল স্নেক। ভাইপেৰিডি পৰিয়ালৰ এইবিধ সাপ সচৰাচৰ মৰু আৰু শিলাময় অঞ্চলত বেছিকৈ দেখা যায়। বিশ্বত প্ৰায় ৩২টা প্ৰজাতিৰ ৰেটল সাপ আছে। এই সকলোবোৰ প্ৰজাতি কেৱল আমেৰিকা মহাদেশতে পোৱা যায়। ৰেটলক জুনুকা বজোৱা সাপ বুলিও ক'ব পাৰা। কিয়নো এইবিধ সাপৰ এটা বিশেষত্ব আছে। নেজৰ শেষভাগত এটা জুনুকাৰ ঝুনঝুননিৰ দৰে শব্দ ওলোৱা অংশ আছে, যাৰ ইংৰাজী নাম হ'ল 'ৰেটল' (Rattle)। নেজৰ শেষ অংশত কিছুমান ফোপোলা ধৰণৰ খাপ ওপৰা-ওপৰিকৈ সুবিন্যস্ত হৈ এটা ৰেটল তৈয়াৰ কৰে। আচলতে সাপডালে প্ৰতিবাৰ মোট সলোৱাৰ সময়ত এই ফোপোলা খাপবোৰ এটা এটাকৈ নেজত যুক্ত হয়। সেইবাবেই পোৱালি সাপৰ ৰেটল নাথাকে। ৰেটলৰ কিছুমান প্ৰজাতিয়ে কণী পাৰি পোৱালি জন্ম দিয়ে। আন কিছুমানে গৰ্ভত ধাৰণ কৰি পোৱালি জন্ম দিয়ে। জন্মৰে পৰা ৰেটলৰ পোৱালিৰ সুগঠিত বিষদাঁত থাকে। সেয়ে জন্মৰ পৰাই পোৱালিবোৰেও সম্পূৰ্ণভাৱে বিষ প্ৰয়োগ কৰিব পাৰে। অধিকাংশ ৰেটল সাপৰ প্ৰজাতিৰ বিষ হেমোটক্সিক, অৰ্থাৎ ৰক্তকোষ ভাঙি পেলায়। ফলত দ্ৰুতগতিৰে চিকিৎসা নল'লে আক্ৰান্ত ব্যক্তিজনৰ মৃত্যু প্ৰায় নিশ্চিত। আমেৰিকা যুক্তৰাষ্ট্ৰত প্ৰতি বছৰে প্ৰায় ৭ৰ্ক্ট৮ হেজাৰ মানুহ বিষধৰ সাপৰ দংশনৰ বলি হয়, ইয়াৰে প্ৰায় ৭২ শতাংশ মানুহক দংশন কৰে মতা ৰেটল সাপে।

## পিতা-পুত্ৰৰ শিক্ষা



দেশৰ প্ৰাক্তন প্ৰধানমন্ত্ৰী অটল বিহাৰী বাজপেয়ীক নিশ্চয় তোমালোকে জানা। ৰাজনৈতিক নেতা বা প্ৰধানমন্ত্ৰী হিচাপে বাজপেয়ীৰ জনপ্ৰিয়তা আছিল প্ৰচুৰ। আজিও সেই জনপ্ৰিয়তা মাৰ যোৱা নাই। বাজপেয়ীৰ পিতৃৰ নাম আছিল কৃষ্ণ বিহাৰী বাজপেয়ী আৰু মাতৃৰ নাম আছিল কৃষ্ণা দেৱী। দেউতাক কৃষ্ণ বিহাৰী আছিল এজন শিক্ষক আৰু প্ৰতিষ্ঠিত কবি। দেউতাকৰ দ্বাৰা প্ৰভাৱিত হৈয়েই অটল বিহাৰীও শিক্ষিত ব্যক্তি আৰু প্ৰতিষ্ঠিত কবিত পৰিগণিত হৈছিল। জানি থোৱা ভাল যে অটল বিহাৰী বাজপেয়ী আৰু তেওঁৰ দেউতাকে একেলগে আইনৰ শিক্ষা গ্ৰহণ কৰিছিল। স্নাতকোত্তৰ ডিগ্ৰী গ্ৰহণ কৰাৰ পাছত অটল বিহাৰীয়ে আইন পঢ়িবলৈ কানপুৰৰ ডি এ ভি কলেজত নামভৰ্তিৰ ইচ্ছা ব্যক্ত কৰিলে। তেওঁৰ কথা শুনি পিতৃ কৃষ্ণ বিহাৰীয়ে ক'লে, 'ময়ো তোমাৰ লগতে আইনৰ শিক্ষা গ্ৰহণ কৰিম।' কথা মতে কাম। দুয়ো গৈ কানপুৰত উপস্থিত হ'ল। সেই সময়ত ডি এ ভি কলেজৰ উপাচাৰ্য আছিল কাল্‌কাপ্ৰসাদ ভাটনাগৰ। পিতা-পুত্ৰই নামভৰ্তি কৰাৰ উদ্দেশ্যে তেওঁৰ কাষ পালেগৈ। উপাচাৰ্যই দুয়োৰে উদ্দেশ্য শুনি আচৰিত হ'ল যদিও তেওঁলোকৰ নামভৰ্তি কৰিলে। কেতিয়াবা যদি অটলজী শ্ৰেণীলৈ নাহে, তেতিয়া অধ্যাপকে সোধে, 'আপোনাৰ পুত্ৰ ক'লৈ গ'ল?' আনহাতে, যিদিনা কৃষ্ণ বিহাৰী শ্ৰেণীলৈ নাহে, সেইদিনা সোধে, 'আপোনাৰ দেউতাক ক'লৈ গ'ল?' মজাৰ কথা যে, তেওঁলোক দুয়ো একেটা ছাত্ৰাবাসৰ একেটা কোঠাতে ছাত্ৰ হিচাপে বাস কৰিছিল। কলেজৰ আনবোৰ ছাত্ৰই দলে দলে তেওঁলোকক ছাত্ৰাবাসৰ কোঠাত চাবলৈ আহিছিল।

## ভগৱানে যি কৰে ভাল কৰে



**প্ৰদীপ নাৰায়ণ ভট্ট**

আজিৰ পৰা কে'বাশ বছৰ আগৰ ঘটনা। আমাৰ দেশ ভাৰতবৰ্ষৰ পশ্চিমীয়া সীমাত থকা এখন সৰু গাঁৱত ধৰমদেৱ আৰু ৰূপমদেৱ নামৰ এই দুই বন্ধুৱে বাস কৰিছিল। ধৰমদেৱ আছিল পৰম ঈশ্বৰ বিশ্বাসী আৰু বৰ ধাৰ্মিক। আনহাতে, ৰূপমদেৱ আছিল, কিছু অহংকাৰী আত্মকেন্দ্ৰিক। ধৰমদেৱে বহুদিন তাৰ বন্ধু ৰূপমদেৱক বুজাইছিল যে ঈশ্বৰে যি কৰে ভাল কৰে আৰু ঈশ্বৰক বাদ দি কোনো সাধনা সাধ্য নহয়। ৰূপমদেৱে ধৰমদেৱৰ কথাৰ অৰ্থ নুবুজে। সি তেনে কথাৰ গভীৰতা বুজিবলৈ চেষ্টাও নকৰে। তথাপি সিহঁতৰ মাজত বন্ধুত্ব চলি থাকিল। এবাৰ সিহঁত দুটাই বহুদিনৰ কাৰণে ভ্ৰমণত ওলাইছিল। সিহঁতে গৈ গৈ এখন অতি পিছপৰা গাঁৱত প্ৰৱেশ কৰিছিল। গাঁওখন আছিল হয়বৰ নামৰ এখন ৰাজ্যৰ অন্তৰ্গত। ৰাজ্যখনৰ ৰজাজন বৰ ধৰ্মভীৰু আৰু নিষ্ঠুৰ আছিল। ৰূপমদেৱ আৰু তাৰ বন্ধু ধৰমদেৱ এই দিশত একেবাৰে অজ্ঞ আছিল। সিহঁতে ক্ষন্তেকৰ বাবে বৰ ভাগৰুৱা আৰু ভোকাতুৰ হৈ পৰিছিল। এনেতে ধৰমদেৱে লক্ষ্য কৰিছিল যে এজোপা গছত মধুৰিআম থোপা থোপে লাগি আছে। দৃশ্যটো দেখি দুয়োজনৰ জিভাৰ পানী পৰিবলৈ ধৰিলে। ৰূপমদেৱে ক্ষন্তেক সময়ো পলম নকৰি গছজোপাৰ ওপৰলৈ বগাবলৈ ধৰিলে। এনেদৰে ওপৰলৈ বগাই যাওতে তাৰ লগত থকা তীক্ষ্ণ ছুৰীখনৰ আঘাতত তাৰ এটা আঙুলি বৰ বেয়াকৈ কাটি গৈছিল। আঙুলিটোৰ পৰা ধাৰাসাৰে তেজ নিৰ্গত হোৱা দেখি ৰূপমদেৱ গছৰ ওপৰৰ পৰা নামি আহিছিল। ধৰমদেৱ বন্ধু ৰূপমদেৱৰ তেনে অৱস্থা দেখি লৰালৰিকৈ গাৰ কাপোৰ এটুকুৰা ছিঙি আনি তাৰ আঙুলিত বান্ধি দিছিল আৰু বৰ শান্তভাৱে কৈছিল, বন্ধু চিন্তা নকৰিবা, সকলো ঈশ্বৰৰ ইচ্ছা, ভগৱানে যি কৰে ভাল কৰে। বন্ধু ধৰমদেৱৰ কথা শুনি ৰূপমদেৱ খঙত জ্বলি গৈছিল। সি খঙৰ ভমকত বন্ধু ধৰমদেৱক এটা গোৰ মাৰি দিছিল। বেচেৰা ধৰমদেৱ ছিটিকি গৈ ওচৰৰ দ' খাৱৈ এটাত পৰি গৈছিল। সি বহু সময় চেষ্টা কৰিও তাৰ পৰা উঠিব নোৱাৰিলে। বন্ধু, ৰূপমদেৱে তাক তাত তেনেদৰে এৰি থৈ অহা বাটে এখোজ-দুখোজকৈ উভতি যাবলৈ আয়োজন কৰিছিল। দুৰ্ভাগ্য যে সেই দিশেৰে সেই ৰাজ্যৰ ৰজাৰ কিছুমান সৈন্য আহি আছিল। সিহঁতে ৰূপমদেৱক ধৰি বান্ধি লৈ গৈছিল। কাৰণ সি আছিল দেখিবলৈ ধুনীয়া আৰু ৰাজলক্ষণ যুক্ত। ৰজাই তাক দেৱীৰ আগত বলি দি পুণ্য অৰ্জন কৰিব। ৰূপমদেৱৰ ভয়ত প্ৰাণবায়ু ওলাই যাওঁ যাওঁ হ'ল। সি কৰিব, কি নকৰিব একো উপাই ভাবি নোপোৱাত পৰিল। অৱশেষত ৰজাৰ সন্মুখত উপস্থিত কৰোৱা হ'ল। ৰূপমদেৱক দেখি ৰজাই বৰ সন্তুষ্ট হ'ল। মনতে ভাবিলে, এইবাৰ দেৱী সন্তুষ্ট নোহোৱাৰ কোনো কাৰণ থাকিব নোৱাৰে। বলি দিয়াৰ বাবে সকলো আয়োজন কৰিবলৈ হুকুম দিলে। যথা সময়ত বলিক শেষবাৰলৈ দেহত তন্ন-তন্নকৈ নিৰীক্ষণ কৰা হ'ল। কিন্তু হঠাৎ আঙুলিত কটা চিহ্ন দেখি ৰাজপুৰোহিত থমকি ৰ'ল। এয়া একেবাৰে অসম্ভৱ, অংগক্ষত কোনো বলি দেৱীয়ে গ্ৰহণ নকৰে। লগে লগে ৰজাক কথাটো জনোৱা হ'ল। ৰজা মহা বিপাঙত পৰিল। এতিয়া কি কৰা যায়? অৱশেষত ৰূপমদেৱক এৰি দিয়া হ'ল। ৰাজসভাৰ পৰা উভতি আহিবৰ সময়ত ৰূপমদেৱৰ এষাৰ কথা বাৰে বাৰে হৃদয়ত প্ৰতিধ্বনি হ'বলৈ ধৰিলে। সেই কথাষাৰ আছিল তাৰ বন্ধু ধৰমদেৱে কোৱা— ভগৱানে যি কৰে, ভাল কৰে। সি তাৰ ভুলৰ বাবে অনুশোচনাত দগ্ধ হ'বলৈ ধৰিলে। সি পুনৰ আগৰ ঠাইলৈ দৌৰি গ'ল। সেই সময়তো ধৰমদেৱে গাঁতৰ ভিতৰতে আছিল। ৰূপমদেৱে বৰ কষ্টৰে তাৰ বন্ধুক পাৰলৈ উঠাই আনিলে। সি তাৰ বন্ধুৰ ভৰিত দীঘল হৈ পৰিল আৰু ক্ষমা ভিক্ষা মাগিলে। বন্ধু ধৰমদেৱ এনেও বৰ দয়ালু। সি বন্ধুক ক্ষমা কৰি দিলে। উভতিবৰ সময়ত ৰূপমদেৱে সকলো কথা বন্ধুক বিৱৰি ক'লে, তেতিয়া বন্ধু ধৰমদেৱে ক'লে যে যদিহে সি তাক তেনেদৰে খাৱৈত পেলাই নিদিলেহেঁতেন, হয়তো সিয়ে ৰজাৰ বলি হ'ব লগা হ'লহেঁতেন। এতেকে ভগৱানে যি কৰে ভালৰ বাবেই কৰে। সঁচাই ভগৱানৰ কাৰ্যত কোনো ভুল নাথাকে। আমাৰ মংগলৰ বাবে তেওঁ সকলো কৰে।

## প্ৰতিৰূপা বৰ বুদ্ধিমতী ছোৱালী



**মইনা পৰাশৰ**

কামৰূপ জিলাৰ অতিকৈ ভিতৰুৱা গাঁও ৰঙাজানৰ পদুম কটকী আৰু জোনমণি কটকীৰ একমাত্ৰ ছোৱালী প্ৰতিৰূপা কটকী এজনী বৰ মৰমিয়াল ছোৱালী। কামে-কাজে সকলোতে পাৰ্গত। প্ৰতিৰূপা এই কাৰণে বুদ্ধিমতী ছোৱালী তাই সময়ৰ শৰ সময়ত মাৰিব জানে। তাই মাক-দেউতাকৰ সকলোবোৰ কথাই মানি চলিব ভাল পায়। তাই নিজৰ পঢ়া-শুনাৰ প্ৰতি বৰ সচেতন। পদুম কটকী চৰকাৰী চাকৰিয়াল নহ'লেও পৰিয়ালটোক চলাই নিব পৰাকৈ সকলোখিনি তেওঁৰ আছে। একমাত্ৰ ছোৱালী প্ৰতিৰূপাৰ কাৰণে তেওঁলোকে কিমান যে সপোন দেখিছে কল্পনা কৰিব নোৱাৰা। প্ৰতিৰূপাই মেট্ৰিকৰ ডেওনা পাছ কৰি নিজৰ গাঁৱৰ কলেজতে নাম লিখিছে। তাইৰ কিমান যে ফূৰ্তি-উদ্দীপনা। তাই নিজকে আগুৱাই লৈ যাবলৈ অনেক কষ্ট কৰিছে। তাইৰ মাক-দেউতাকেও তাইৰ পঢ়া-শুনাৰ কোনো ধৰণৰ বাধা প্ৰদান কৰা নাই। তাই কোনো ধৰণৰ টিউটৰ নোহোৱাকৈ নিজকে প্ৰস্তুত কৰি তুলিছে সকলো বিষয়তে। ইয়াক লৈ গাঁৱৰ কিছুমান লগৰ সমনীয়াই হা-হুমুনিয়াহ কাঢ়ি দিন নিয়াইছে। প্ৰতিৰূপা সকলো ক্ষেত্ৰতে পাৰ্গত ইয়াক লৈ তেওঁলোকৰ মাজত গুণা-গথা চলিছে। প্ৰতিৰূপাৰ ইয়াক লৈ কোনো ধৰণৰ আক্ষেপ নাই। কাৰণ তাই কষ্ট কৰিছে কষ্টৰ ফল পাবই। পদুম কটকী আৰু জোনমণি কটকীয়ে তেওঁলোকৰ একমাত্ৰ ছোৱালী প্ৰতিৰূপাক অনেক কষ্ট কৰি হ'লেও আগুৱাই লৈ যাব বিচাৰে। তেওঁলোকে সুশিক্ষিত কৰি গঢ়ি তুলিব বিচাৰে। সমাজৰ মাজত তেওঁলোক আদৰ্শবান মাক-দেইতাক হৈ ৰ'ব বিচাৰে। প্ৰতিৰূপাই মাক-দেউতাকৰ সপোন বাস্তৱত পৰিণত কৰিলে। গাঁৱৰ লোকসকলে প্ৰতিৰূপাক প্ৰশংসা কৰিলে। প্ৰতিৰূপাৰ দৰে প্ৰত্যেকজন গাঁৱৰ ল'ৰা-ছোৱালীয়ে পঢ়া-শুনাত সমানে আগুৱাই গ'লহেঁতেন তেতিয়াহ'লে গাঁওবাসীৰ কাৰণে এক গৌৰৱৰ কথা হ'লহেঁতেন। প্ৰতিৰূপাক লৈ গৌৰৱবোধ কৰিলে। শেষত প্ৰতিৰূপাৰ দৰে প্ৰত্যেকজনে যদি নিজৰ নিজৰ বিচাৰ-বিবেচনাৰে আগুৱাই তেতিয়া হ'লে সফলতাই হাত বাউলি দি ৰিঙিয়াই মাতিব। মাক-দেউতাক আৰু প্ৰতিৰূপাই উৎসাহ, উল্লাস আৰু উদ্যমৰে দিন নিয়াব ধৰিলে।



## মাছৰ টোপনি

পৃথিৱীৰ সকলো প্ৰাণীৰ দৰে মাছবোৰো টোপনি যায়। তোমালোকে হয়তো ভাবিবা যে পানীত সাঁতুৰি ফুৰা মাছবোৰে বাৰু কেনেকৈ শুব পাৰে? কিন্তু আচৰিত কথা যে মাছবোৰো টোপনি যায়। মাছ আৰু মানুহৰ চকুৰ গঠন অনেক মিল আছে। কিন্তু মানুহৰ দৰে চকুৰ 'পতা' মাছৰ নাথাকে। আমি দুয়োটা চকুৰে যিকোনো এটা বস্তু চাওঁতে বস্তুটোক এটাকৈ দেখো, কিন্তু মাছৰ দুয়োটা চকুয়েই বেলেগ বেলেগকৈ দেখা পায়। মাছে আগ-পিছ, তল-ওপৰ সকলোফালে একে সময়তে দেখা পায়। দৰকাৰ হ'লে দুয়ো চকুৰে এটা বস্তুকে চাব পাৰে। আমি শোৱাৰ দৰে মাছে চকুৰ পতা জপাই শুব নোৱাৰে। কাৰণ সিহঁতৰ চকুৰ পতা নাই। নিশা মাত্ৰ সিহঁতে অলৰ-অচৰ হৈ জিৰণি লোৱাৰ দৰে চকু মেলা অৱস্থাতে শোৱে।

## জাংক' চৰাই

উত্তৰ আমেৰিকাত বসবাস কৰা আন এবিধ আচহুৱা পক্ষী হ'ল জাংক'। ইহঁতৰ আকাৰ সৰু আৰু ওজনো বৰ কম। শৰীৰৰ ধূসৰ আৰু সেউজীয়া ৰঙৰ বাবে জাংক' পক্ষীয়ে অতি সহজে জোপোহা বন বা গছৰ ডালত লুকাই থাকিব পাৰে। ইহঁতৰ পেটৰ অংশ বগা। ওপৰ অংশ প্ৰজাতি ভেদে সেউজীয়া বা ধূসৰ হয়। আমাৰ ঘৰচিৰিকাৰ দৰে জাংক' চৰাই বৰ মৰমলগা। কিন্তু ঠোঁটখনৰ স'তে গোটেই দেহটো ইংৰাজীৰ 'V' বৰ্ণটোৰ দৰে হোৱাৰ বাবে ইহঁতক দেখাত অন্যতম হাঁহি উঠা চৰাই বুলি অভিহিত কৰা হয়।



## সত্যৰ জয়

### ইংলণ্ডৰ ৰূপকথা

**দিলীপ কুমাৰ নেওগ**

**বহু দিনৰ** আগৰ কথা। ইংলণ্ডৰ এখন গাঁৱৰ এগৰাকী বিধৱাৰ দুজন ল'ৰা আছিল। ডাঙৰ ল'ৰাজনৰ নাম আছিল জন আৰু সৰুজনৰ নাম আছিল টম। জন আছিল সত্যবাদী। আনহাতে টমে সকলো সময়তে মিছা কথা কৈছিল।

জন আৰু টম ক্ৰমান্বয়ে ডাঙৰ হৈ উঠিল। তাৰ পাছত এদিন মাকৰ অনুমতি লৈ সিহঁত দুয়োয়ে জীৱিকা অৰ্জনৰ বাবে ওলাই গ'ল। মাকে দুয়োকে খোৱা-বোৱাৰ বাবে দুটা আহাৰৰ সামগ্ৰীৰ টোপোলা বান্ধি দিলে। তাৰ পাছত মাকৰ ওচৰৰ পৰা দুয়ো বিদায় লৈ ৰাস্তাত খোজ দিলে।

খোজ কাঢ়ি কাঢ়ি আহি দুয়োজনে এখন নদীৰ কাষ পালেহি। দুয়োজনেই তৃষ্ণাত খুব ক্লান্ত হৈ পৰিছিল। এজোপা গছৰ ছাঁত বহি সিহঁতে টোপোলা দুয়োটা উলিয়াই ল'লে।

টমে তাৰ ককায়েকজনক ক'লে— 'দাদা তোমাৰ টোপোলাত থকা বস্তুখিনি শেষ কৰি লওঁ। তাৰ পাছত মোৰ টোপোলাটোৰ বস্তুবোৰ খাম।'

জনে ক'লে, 'বেছ তাকেই হওক।' এই বুলি দুয়োটাই খাবলৈ আৰম্ভ কৰিলে। টমে ভাল বস্তুবোৰ খৰধৰকৈ খাই শেষ কৰি পেলালে। শেষত যি অলপমান ৰ'ল তাকে দাদাকক দিলে। পাছদিনা জনৰ টোপোলাত যি অলপ খাবৰ বাবে আছিল তাৰেই যি পুৱাবেলা আৰু দুপৰ বেলাটো চলাই নিলে।

গোটেই দিনটো ৰাস্তাত খোজ কাঢ়ি কাঢ়ি সন্ধ্যাবেলা সিহঁতৰ পুনৰ ভোক লাগিল। কিন্তু টমে কোনোপধ্যেই তাৰ টোপোলাৰ পৰা ককায়েকক অকণমানো খাবলৈ দিবলৈ ৰাজী নহ'ল। মাত্ৰ ক'লে এই খোৱা বস্তুবোৰ তাৰ। টোপোলাটোত যিখিনি আছে, সেইখিনিৰে তাৰ নিজৰেই একো নহ'ব।' টমৰ কথা শুনি জনৰ খুব খং উঠিল। সি ক'লে, 'মোৰ টোপোলাটোত থকা সৰহভাগ বস্তু তয়েই খালি।'

টমে উত্তৰ দিলে— 'তোৰ দৰে মূৰ্খ কোনো নাই। নিজৰ খোৱা বস্তু আনক দিছিলি কিয়? এতিয়া তাৰ ফল ভোগ কৰ।'

জনে ক'লে, বেছ ঠিক আছে। তোৰ নামো টম্, স্বভাৱ-চৰিত্ৰত কুকুৰৰ দৰে। ইমানদিনে তোৰ স্বভাৱ চৰিত্ৰ যি আছিল ভৱিষ্যতেও একেই থাকিব।' জনৰ কথা শুনি টমে দুয়োটা চকু ৰঙা কৰি খেদি গ'ল। খেদি গৈ টমে ক'লে 'জন, তই গোটেই জীৱনটো অন্ধ হৈ থাক।' এই বুলি টমে তাৰ ককায়েকৰ চকু উঘালি পেলালে। তাৰ পাছত অন্ধ অৱস্থাত তাৰ ককায়েকক অকলে সেই অৰণ্যৰ মাজত পেলাই থৈ সি পলাই গুচি গ'ল।

হঁতভগীয়া জনে কষ্টেৰে উঠি থিয় হৈ যোৱাৰ চেষ্টা কৰিলে। কিন্তু এতিয়া যে সি অন্ধ। গতিকে সি নিৰুপায়ত পৰিল। তাৰ সন্মুখত সকলোৰেই আন্ধাৰ। সি কোনফালে যাব, কি কৰিব, একোৱেই ভাবি নাপালে। এখোজ-দুখোজকৈ আগুৱাই গৈ সি এজোপা গছৰ সন্মুখ পালেগৈ। সেই গছৰ গুৰিটো দুই হাতেৰে গবামাৰি ধৰিলে। তেতিয়া সি চিন্তা কৰিলে এই অৱস্থাত এই গছডালত উঠিয়েই জন্তু জানোৱাৰৰ পৰা ৰাতিটো বাচি যাব পাৰিব।

সি ভাবিলে গছৰ ডালত যেতিয়া পক্ষীয়ে কলকলাব, তেতিয়াই সি বুজিব পাৰিব যে ৰাতি পুৱাইছে। তেতিয়া যি পাৰে সি চিন্তা-ভাবনা কৰিব। এই ভাবি সি গছৰ ডালতে বহি থাকিল। কিছু সময়ৰ পাছত সি বহুতো ভৰিৰ শব্দ শুনিবলৈ পালে। সেই শব্দবোৰ যেন সি উঠি থকা গছ জোপাৰ ফালে আহি আছে। অলপ পাছত গছজোপাৰ তলত কাৰোবাৰ ফিচ ফিচ শব্দ তাৰ কাণত পৰিল।

এটা ভালুক, এটা ৰাং কুকুৰ, এটা শিয়াল আৰু এটা শহাপহু আহি গছজোপাৰ তলত থিয় হ'লহি। প্ৰত্যেক বছৰেই সিহঁতে এই গছজোপাৰ তলত গ্ৰীষ্মৰ উৎসৱ পালন কৰে। হৈ হাল্লা নাচ-গান, খানা-পিনা চলে। আজিও তাৰ ব্যতিক্ৰম হোৱা নাই। ভালুক, ৰাং কুকুৰ, শিয়াল আৰু শহাপহু চাৰিওটা মিলি গোটেই বন তোলপাৰ কৰি তুলিলে। খোৱা-বোৱা, নাচ-গান আৰু আনন্দ স্ফূৰ্তি শেষ হোৱাৰ পাছত শিয়ালে ক'লে— 'আহা, এতিয়া আমি প্ৰত্যেকে একোটাকৈ গল্প কওঁ।' ভালুক ৰাং কুকুৰ আৰু শহাপহু শিয়ালৰ কথাত বৰ আনন্দিত হ'ল। ভালুকে ক'লে— 'তেতিয়াহ'লে প্ৰথমে ময়ে আৰম্ভ কৰো।' এই বুলি গল্প ক'বলৈ ধৰিলে। 'ইংলণ্ডৰ ৰজাৰ চকু কেইটা একেবাৰেই বেয়া আছিল। সম্পূৰ্ণ অন্ধ। তেওঁ যদি এই ৰাতিপুৱা, এই গছজোপাৰ তললৈ আহি ঘাঁহৰ ওপৰত পৰি থকা নিয়ৰবোৰ চকুত লগাই দিয়ে, তেতিয়া তেওঁ পুনৰ দেখিবলৈ পাব। তেওঁৰ চকু পুনৰ ভাল হৈ যাব।' (অহা সংখ্যাত)



## সময়ৰ মিছিল..এক উপলব্ধি

**•প্ৰাঞ্জল গোহাঁই**



জনঅৰণ্যৰ মৌনতাত বদনৰ মান
ৰণ দুন্দুভিত আসক্ত
পুঁজিপতি হোৱাৰ অন্ধ প্ৰতিযোগিতা।
ৰ'দে পোৰা পিঠিত মিথ্যাবাদৰ কোপ
সত্যতাৰ নীতিত....
মন্দিৰৰ ভগ্নাৱশেষৰ কৰুণ বাঁহী।
প্ৰতিবাদৰ আঁৰত ৰঘুমলাৰ নৃত্য
কথাৰ ফুলজাৰিত ধৰাশায়ী
গীতাৰ বাণী...দৰ্শন তত্ত্ব, তন্ত্ৰ অথবা
লেলিন, মাৰ্ক্স, টলষ্টয় আৰু গান্ধীজীৰ বাণী।

অনীতি, ধোঁৱাতুলসীৰ পাত আজিকালি।
মুখাৰ আঁৰত মুখ, পানী তলৰ কাঁইট।
বগলীভকতৰ স্বপ্নীল আকাশত
লেওসেও যুক্তিবাদী মিছিল।

তথাকথিত বিবেকৰ গজালি
হ'ব পাৰে বেলিৰ দৰে গতি,
প্ৰতিটো প্ৰহৰতে সলাই পেলায়
নিজস্বতা কিম্বা স্থিতি।
প্ৰতিনিয়ত সজীৱ
মানুহক ঠগি খোৱা
এটম ব'মৰ ফৰ্মূলাটি।
জ্বলাই পেলাই নিমিষতে
সহজ-সৰল অনুভৱী মনৰ সুন্দৰতাখিনি।
মুখাৰ আঁৰত মুখ...
বৰ্তমানৰ ভয়াৱহ ভাইৰাছ এবিধ।
ভয়ত বিতত মন
উৰি যায়...গুচি যায়..হেৰুৱাবলৈ...
আমাৰ মানৱতাবাদ, সাম্যবাদ অথবা
ল'ৰালি দিনতে শিকা
ৰমজানৰ জোনাক সদৃশ মৈত্ৰীবাদ।


## বান্দৰ ভায়া

ডালে ডালে ঘূৰি ফুৰা
অ' বান্দৰ ভাই,
তোমাৰ দৰে বগাবলৈ
মোকো দিবা শিকাই।
তোমাৰ বাবে আনিম কল
তোমাৰ পোৱালিলৈ,
শিকাই দিয়া তোমাৰ দৰে
মোকো জঁপিয়াবলৈ।
নামি আহা বান্দৰ ভাই
ভয় নকৰিবা,
তোমাৰ ভাওনাবোৰ
মোকো শিকাই দিবা।

**সেউজ কলিতা**




*তপস্যা ভট্টাচাৰ্য, দ্বিতীয় শ্ৰেণী, প্ৰজ্ঞা একাডেমী ক্ষুদ্ৰ ডিমু।*



*অন্বেষ ভট্টাচাৰ্য, পঞ্চম শ্ৰেণী, পায়নিয়াৰ একাডেমী পুঠিমাৰী।*



*ভাস্কৰণ বৰা, প্ৰথম শ্ৰেণী, শিক্ষা জুনিয়ৰ একাডেমী পাঞ্জাবাৰী।*



*সংস্কৃতা ভট্টাচাৰ্য, দশম শ্ৰেণী, জনতা হাইস্কুল ডিমু।*



*অন্বয় ভট্টাচাৰ্য, পঞ্চম শ্ৰেণী, পায়নিয়াৰ একাডেমী পুঠিমাৰী।*






## কেৰিয়াৰৰ শ্ৰেষ্ঠ প্ৰদৰ্শনৰে সাতটা উইকেট লাভ ঃ ২২৯ ত প্ৰথম ইনিংছ সামৰিলে দক্ষিণ আফ্ৰিকাই

# ভাৰতক দ্বিতীয় সুযোগ দিলে শ্বাৰ্দুলে




**জোহান্সবাৰ্গ, ৪ জানুৱাৰী ঃ** দক্ষিণ আফ্ৰিকাই চলিত দ্বিতীয় টেষ্টত ভাৰতৰ বিৰুদ্ধে প্ৰথম ইনিংছত ২৭ ৰাণৰ অগ্ৰগতি লাভ কৰিছে। উল্লেখ্য যে ভাৰতৰ প্ৰথম ইনিংছৰ ২০২ ৰাণৰ প্ৰত্যুত্তৰত আজি দ্বিতীয় দিনা দক্ষিণ আফ্ৰিকাই ২২৯ ৰাণত প্ৰথম ইনিংছ সামৰে। ভাৰতৰ দৰেই দক্ষিণ আফ্ৰিকাৰ বেটছমেনও বেটিং বিপৰ্যয়ৰ সন্মুখীন হয়। টীম ইণ্ডিয়াৰ পেচাৰ শ্বাৰ্দুল ঠাকুৰৰ কেৰিয়াৰ শ্ৰেষ্ঠ বলিঙৰ বাবেই প্ৰথমদিনা শক্তিশালী স্থিতিত উপনীত হোৱাৰ পাছতো সুযোগ ল'ব নোৱাৰিলে দক্ষিণ আফ্ৰিকাই। উল্লেখ্য যে ঠাকুৰে ৬১ ৰাণত সাতটা উইকেট দখল কৰি ভাৰতক এতিয়াও মেচত ধৰি ৰাখিবলৈ সক্ষম হয়। দুটা উইকেট লাভ কৰে মহম্মদ ছামিয়ে। বিপৰীতে দক্ষিণ আফ্ৰিকাৰ হৈ পীটাৰছেনে ৬২, বাভুমাই ৫১ আৰু এলগাৰে ২৮ ৰাণ কৰে। কিন্তু দলক প্ৰথম ইনিংছত অগ্ৰগতি দিয়াত মূল ভুমিকা লয় ২১ ৰাণকৈ কৰা ভেৰেনি, জানছেন আৰু মহাৰাজে। ইফালে, ভাৰতে দ্বিতীয় ইনিংছ আৰম্ভ কৰি দিনান্তত ৮৫-২ ৰাণ কৰিছে। দুই অপেনাৰ ৰাহুল (৮) আৰু মায়ংক (২৩) আউট হোৱাৰ বিপৰীতে উইকেটত আছে পূজাৰা (৩৫) আৰু ৰাহানে (১১)। ভাৰতে ৫৮ ৰাণৰ অগ্ৰগতি লাভ কৰিছে যদিও দ্বিতীয় ইনিংছত আৰু দলে দুশ ৰাণ নিশ্চিতভাবে কৰিব লাগিব। উল্লেখ্য যে দক্ষিণ আফ্ৰিকাৰ বিৰুদ্ধে প্ৰথম টেষ্টত জয়লাভ কৰি আত্মবিশ্বাসী হৈ থকা ভাৰতে চলিত তিনিখনীয়া শৃংখলাৰ দ্বিতীয়খন টেষ্টৰ প্ৰথম ইনিংছত কিন্তু নিজৰ দৃঢ়তা ধৰি ৰাখিবলৈ সক্ষম নহ'ল। জোহান্সবাৰ্গ টেষ্টত পোনতে বেটিং কৰা ভাৰতে প্ৰথমদিনাই ২০২ ৰাণত প্ৰথম ইনিংছ সামৰিবলৈ বাধ্য হয়। এতিয়া ভাৰতৰ বাবে দ্বিতীয় ইনিংছ গুৰুত্বপূৰ্ণ হ'ব। উল্লেখ্য যে, ভাৰতে তিনিখনীয়া টেষ্ট শৃংখলাৰ প্ৰথমখন টেষ্টত দক্ষিণ আফ্ৰিকাক ১১৩ ৰাণৰ ব্যৱধানত পৰাস্ত কৰি শৃংখলাত ১-০ ৰ অগ্ৰগতি লাভ কৰিছে। এতিয়া টীম ইণ্ডিয়াৰ লক্ষ্য দ্বিতীয় টেষ্ট জয়ৰে শৃংখলা দখল কৰা। উল্লেখ্য যে আই চি চি বিশ্ব টেষ্ট চেম্পিয়নশ্বিপৰ অন্তৰ্গত দক্ষিণ আফ্ৰিকা আৰু ভাৰতীয় ক্ৰিকেট দলৰ মাজৰ এই তিনিখনীয়া টেষ্ট শৃংখলা। শৃংখলা জয়ে ভাৰতক শীৰ্ষস্থান দিব পইণ্ট তালিকাত।





## বিজনীৰ চিন্ময় ইলেভেন ছেমিত

**অগ্ৰদূত ব্যুৰ',**
**বঙাইগাঁও, ৪ জানুৱাৰী ঃ** বিজনী যুৱক সংঘৰ উদ্যোগত চলি থকা টি-২০ ক্ৰিকেট প্ৰতিযোগিতাত বিজনীৰ চিন্ময় ইলেভেন ছেমিফাইনেলত উপনীত হৈছে। বিজনী বিদ্যাপীঠ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ খেলপথাৰত অনুষ্ঠিত আজিৰ খেলত চিণ্ময় ইলেভেনে পশ্চিমবংগৰ ফালাকাটাক ১১০ ৰাণৰ বৃহৎ ব্যৱধানত পৰাজিত কৰে । প্ৰথমে বেটিং কৰি চিন্ময় ইলেভেনে নিৰ্ধাৰিত ২০ অভাৰত চাৰি উইকেটৰ বিনিময়ত ১৯৪ ৰাণ কৰাৰ বিপৰীতে ফালাকাটাই ১৩.৪ অ'ভাৰত ৮৪ ৰাণতে ইনিংছ সামৰে। বিজয়ী দলৰ হৈ ৬৮ ৰাণ কৰা আৰু এটা উইকেট দখল কৰা নিবিৰ ডেকা মেন অৱ দ্য মেচ বিবেচিত হয়।

## অসম প্ৰিমিয়াৰ ক্লাব চেম্পিয়নশ্বিপ

## ছেমিফাইনেলত টপ ইলেভেন ক্ৰিকেট ক্লাব

**অগ্ৰদূত বাৰ্তা**
**মাজুলী, ৪ জানুৱাৰী ঃ** চলিত অসম প্ৰিমিয়াৰ ক্লাব চেম্পিয়নশ্বিপৰ আজি মাজুলী মিনি ষ্টেডিয়াম, গড়মূৰত অনুষ্ঠিত হোৱা খেলত টপ ইলেভেন ক্ৰিকেট ক্লাবে লিঅ'পাৰ্ডছ ক্লাবক আঠ উইকেটত পৰাজিত কৰি ছেমিফাইনেলত প্ৰৱেশ কৰিছে। প্ৰথমে বেট ধৰি লিঅ'পাৰ্ডছ ক্লাবে ১৯.৩ অভাৰত আটাইকেইটা উইকেট হেৰুৱাই ৬০ ৰাণ কৰে ।প্ৰত্যুত্তৰত টপ ইলেভেনে ৯.৩ অভাৰত দুটা উইকেটৰ বিনিময়ত ৬৪ ৰাণ কৰি জয়লাভ কৰে। কালিলৈ খেলত পেন্থাৰ ক্লাবে খেলিব ৰিভাৰাইন ক্লাবৰ বিৰুদ্ধে। উল্লেখ্য যে ৰাইজিং ষ্টাৰ ক্লাবে ইতিমধ্যে ছেমিফাইনেলত প্ৰৱেশ কৰিছে। উল্লেখ্য যে অলপতে বৰ্ষাপাৰা ষ্টেডিয়ামত হোৱা বিশেষ সাধাৰণ সভাত অসম ক্ৰিকেট সন্থাই আনুষ্ঠানিকভাৱে স্বীকৃতি প্ৰদান কৰিছিল মাজুলী জিলা ক্ৰিকেট সন্থাক। অসম ক্ৰিকেট সন্থাৰ ৪২ নম্বৰ গোট হ'ল মাজুলী জিলা ক্ৰিকেট সন্থা। এই স্বীকৃতিৰ পাছতেই মাজুলীয়ে অসম ক্ৰিকেট সন্থাৰ সকলো ৰাজ্যিক প্ৰতিযোগিতাত অংশ ল'বলৈ সক্ষম হৈছে। উল্লেখ্য যে মাজুলীত চলি থকা অসম প্ৰিমিয়াৰ ক্লাব চেম্পিয়নশ্বিপত মুঠ ১২ টা দলে অংশ লৈছে। অসম ক্ৰিকেট সন্থাই আনুষ্ঠানিকভাৱে মাজুলী জিলা ক্ৰিকেট সন্থাক স্বীকৃতি প্ৰদান কৰাৰ পাছতে এতিয়া মাজুলীত আৰম্ভ হৈছে চলিত অসম প্ৰিমিয়াৰ ক্লাব চেম্পিয়নশ্বিপৰ খেল।

## নিউজিলেণ্ডৰ ভূমিত ঐতিহাসিক টেষ্ট জয়ৰ সুযোগ বাংলাদেশৰ



**মাউণ্ট মৌনগানুই, ৪ জানুৱাৰী ঃ** বাংলাদেশে নিউজিলেণ্ডৰ ভূমিত ঐতিহাসিক টেষ্ট জয়ৰ সুযোগ লাভ কৰিছে। উল্লেখ্য যে চলিত প্ৰথমখন টেষ্টত নিউজিলেণ্ডৰ বিৰুদ্ধে প্ৰথম ইনিংছত অগ্ৰগতি লাভ কৰি শক্তিশালী স্থিতিত উপনীত হৈছে বাংলাদেশ। নিউজিলেণ্ডৰ প্ৰথম ইনিংছৰ ৩২৮ ৰাণৰ প্ৰত্যুত্তৰত আজি চতুৰ্থদিনা বাংলাদেশে প্ৰথম ইনিংছত ৪৫৮ ৰাণ কৰি মুঠ ১৩০ ৰাণৰ অগ্ৰগতি লয়। ইফালে, নিউজিলেণ্ডে দ্বিতীয় ইনিংছ আৰম্ভ কৰি চতুৰ্থদিনাৰ খেলৰ অন্তত পাঁচটা উইকেট হেৰুৱাইছে ১৪৭ ৰাণত। নিউজিলেণ্ডে এতিয়া ১৭ ৰাণত অগ্ৰগতি লৈছে যদিও দল এতিয়াও বিপদমুক্ত হোৱা নাই। বিপৰীতে কাইলৈ অন্তিমদিনা বাংলাদেশে চমক দিব পাৰিলে নিউজিলেণ্ডৰ ভূমিত ঐতিহাসিক টেষ্ট জয়ৰ গৌৰৱ লাভ কৰিব পাৰে। নিউজিলেণ্ডৰ হৈ দ্বিতীয় ইনিংছত ইয়ঙে ৬৯ ৰাণ কৰাৰ বিপৰীতে বাংলাদেশৰ হুচেইনে চাৰিটা উইকেট পায়। উল্লেখ্য যে কালি তৃতীয়দিনাৰ খেলৰ অন্তত বাংলাদেশে প্ৰথম ইনিংছত ছটা উইকেট হেৰুৱাই ৪০১ ৰাণ কৰিছিল আৰু চাৰিটা উইকেট হাতত থকা অৱস্থাত আলহি দলটোৱে প্ৰথম ইনিংছত লাভ কৰিছিল ৭৩ ৰাণৰ অগ্ৰগতি। আজি দলে অগ্ৰগতি বৃদ্ধি কৰি দৃঢ় স্থিতিত উপনীত হয়। বাংলাদেশৰ হৈ মোমিনুল হকে ৮৮, লিটন দাসে ৮৬, মহমুদুল্লা হাছানে ৭৮ আৰু নাজমুলে ৬৪ ৰাণ কৰে। ইয়াৰপূৰ্বে নিউজিলেণ্ডে প্ৰথম ইনিংছত ৩২৮ ৰাণ কৰিছিল। ঘৰুৱা দলৰ হৈ ক'নৱে ১২২ ৰাণৰ শতকীয় ইনিংছ খেলাৰ বিপৰীতে নিকলছে ৭৫ আৰু ইয়ঙে ৫২ ৰাণ কৰে। কাইলৈৰ দিনটো নিউজিলেণ্ডৰ বাবেও গুৰুত্বপূৰ্ণ হ'ব।

## ৰাজ্যিক দলত স্থান লাভ যোৰহাটৰ মধুৰ

**অগ্ৰদূত বাৰ্তা**
**চিনামৰা, ৪ জানুৱাৰী ঃ** খেল' ইণ্ডিয়া যুথ গেমছত প্ৰথমবাৰৰ বাবে অন্তৰ্ভূৰ্ক্ত হোৱা সমৰকলা কালাৰিপায়াট্টুত অসম দলত



স্থান লাভ কৰিবলৈ সমক্ষ হৈছে যোৰহাটৰ মধু শৰ্মাই। উল্লেখ্য যে গুৱাহাটীৰ ডি টি আৰ পি ইনড'ৰ ষ্টেডিয়ামত অনুষ্ঠিত হোৱা ৰাজ্যিক বাচনি শিবিৰত বিভিন্ন জিলাৰ মুঠ ১৫০ গৰাকী খেলুৱৈৰ মাজৰ পৰা নিৰ্বাচিত কৰা ১২ জনীয়া দলটোত যোৰহাটৰ মধু শৰ্মাইও স্থান লাভ কৰিছে। তেওঁ যোৰহাট জিলাৰ পেন্থাৰ মাৰ্চিয়েল আৰ্ট একাডেমীৰ মূখ্য প্ৰশিক্ষক তথা ক্ৰীড়া সংগঠক মৃণাল কুমাৰ শইকীয়াৰ তত্বাৱধানত প্ৰশিক্ষণ গ্ৰহন কৰি আছে। উল্লেখ্য যে অহা ফেব্ৰুৱাৰীত হাৰিয়ানাত খেল ইণ্ডিয়াৰ খেলসমূহ অনুষ্ঠিত হব।



আঘাতপ্ৰাপ্ত চিৰাজ

## প্ৰাইজমানি দিবা-নৈশ ক্ৰিকেট প্ৰতিযোগিতা

**অগ্ৰদূত বাৰ্তা**
**অভয়াপুৰী, ৪ জানুৱাৰী ঃ** বঙাইগাঁও জিলাৰ লেংটিছিঙা যুৱ সংঘৰ উদ্যোগত তৃতীয় সংখ্যক প্ৰাইজমাণি দিবা-নৈশ ক্ৰিকেট প্ৰতিযোগিতাখন অহা ছয় জানুৱাৰীৰ পৰা তিনিদিনীয়াকৈ অনুষ্ঠিত কৰাৰ বাবে প্ৰস্তুতি চলাইছে । লেংটিছিঙা ৰাজীৱ গান্ধী সোঁৱৰণী মহাবিদ্যালয় খেল পথাৰত আয়োজন কৰা প্ৰতিযোগিতাখনৰ ভৰ্ত্তি মাছুল ২৫৯৯ টকা নিৰ্ধাৰণ কৰা হৈছে। উল্লেখ্য যে প্ৰাইজমাণি দিবা-নৈশ ক্ৰিকেট প্ৰতিযোগিতাখনৰ চেম্পিয়নে ৩১ হেজাৰ টকা আৰু ৰানাৰ্ছআপ দলে ২১ হেজাৰ টকা লাভ কৰিব। আয়োজক লেংটিছিঙা যুৱ সংঘই জনোৱা অনুসৰি প্ৰতিযোগিতাখন আই চি চিৰ নিয়মানুসাৰে আৰু কভিড প্ৰটকল মানি অনুষ্ঠিত হ'ব। ইচ্ছুক প্ৰতিযোগী দলক ৯১০১০- ৫৭৩৪১ নং ম'বাইলত যোগাযোগ কৰিবলৈ সমিতিয়ে আহ্বান জনাইছে।

## আজিৰে পৰা ছিডনীত এছেজ শৃংখলাৰ চতুৰ্থ টেষ্ট

## অষ্ট্ৰেলিয়াৰ শৃংখলা দখল নিশ্চিত হোৱাৰ পাছত সন্মানৰ যুঁজ ইংলণ্ডৰ



**ছিডনী, ৪ জানুৱাৰী ঃ** চলিত এছেজ শৃংখলাৰ চতুৰ্থখন টেষ্ট কাইলৈৰ পৰা ছিডনীত আৰম্ভ হ'ব। উল্লেখ্য যে অষ্ট্ৰেলিয়াই প্ৰথম তিনিখন টেষ্টত জয়ী হৈ ইতিমধ্যে এছেজ শৃংখলা দখল কৰিবলৈ সক্ষম হৈছে। সেয়ে বাকী থকা দুয়োখন টেষ্ট এতিয়া গুৰুত্বহীন শৃংখলাৰ তৃতীয়খন টেষ্টত জয়লাভ কৰি ৩-০ ৰ অগ্ৰগতিৰে শৃংখলা জয় নিশ্চিত কৰিছিল কেংগাৰু বাহিনীয়ে। বক্সিং ডে টেষ্টখনত অষ্ট্ৰেলিয়াই এক ইনিংছ আৰু ১৪ ৰাণত ইংলণ্ডৰ বিৰুদ্ধে জয়লাভ কৰে। মেলবৰ্ণত হোৱা তৃতীয় টেষ্টৰতৃতীয় দিনা ইংলণ্ডে মাত্ৰ ৬৮ ৰাণত দ্বিতীয় ইনিংছ সামৰে তথা এক ইনিংছ আৰু ১৪ ৰাণত পৰাজয় স্বীকাৰ কৰি শৃংখলাও হেৰুৱায়। উল্লেখ্য যে বক্সিং ডে টেষ্টখনত প্ৰথমদিনা বেটিং কৰি ইংলণ্ডে মাত্ৰ ১৮৫ ৰাণতে প্ৰথম ইনিংছ সামৰিছিল। প্ৰত্যুত্তৰত, অষ্ট্ৰেলিয়াই প্ৰথম ইনিংছত ২৬৭ ৰাণ কৰি ৮২ ৰাণৰ গুৰুত্বপূৰ্ণ অগ্ৰগতি লাভ কৰে। ইফালে, ইংলণ্ডে মাত্ৰ ৬৮ ৰাণত দ্বিতীয় ইনিংছ সামৰে। উল্লেখ্য যে চলিত এছেজ শৃংখলাৰ প্ৰথম দুখন টেষ্টত অষ্ট্ৰেলিয়াই বিধ্বস্ত কৰিছিল ইংলণ্ডক। অষ্ট্ৰেলিয়াই শৃংখলাৰ প্ৰথমখন টেষ্টত ন উইকেটত জয়লাভ কৰাৰ পাছত দ্বিতীয় টেষ্টত ইংলণ্ড ২৭৫ ৰাণত পৰাজয় স্বীকাৰ কৰে।

## ৰামপুৰ মাধ্যমিক বিদ্যালয় চেম্পিয়ন

**ছয়গাঁও ৪ জানুৱাৰী ঃ** কামৰূপ জিলা প্ৰশাসনৰ উদ্যোগত উচ্চতৰ মাধ্যমিক পৰ্যায়ত সজাগ ভোটাৰ ফুটবল প্ৰতিযোগিতাত মাণ্ডলিক পৰ্যায়ত ৰামপুৰ উচ্চতৰ মাধ্যমিক বিদ্যালয় চেম্পিয়ন হৈছে । আজি ৰামপুৰ উচ্চতৰ মাধ্যমিক বিদ্যালয় খেলপথাৰত অনুষ্ঠিত প্ৰতিযোগিতাৰ ফাইনেলত ৰামপুৰে দামপুৰ উচ্চতৰ মাধ্যমিকক ১-০ গোলত হৰুৱায় । ইয়াৰপূৰ্বে অনুষ্ঠিত হোৱা প্ৰতিযোগিতাৰ ছেমিফাইনেলত দামপুৰে ছয়গাঁও উচ্চতৰ মাধ্যমিকক আৰু ৰামপুৰে ৰামদিয়া উচ্চতৰ মাধ্যমিকক পৰাস্ত কৰিছিল । আজিৰ প্ৰতিযোগিতাত অতিথি ৰূপে কামৰূপৰ নিৰ্বাচনী বিষয়া মানস প্ৰতীম বৰা, জিলা ক্ৰীড়া বিষয়া ধ্ৰুবজ্যোতি ডেকা, আই পি চন্দন তালুকদাৰ, পলাশবাৰীৰ সংলগ্ন চক্ৰ বিয়য়া দীপা তালুকদাৰ, দক্ষিণ কামৰূপ জিলা ক্ৰীড়া সন্থাৰ কাৰ্যকৰী সভাপতি অমৰেন্দ্ৰ ঠাকুৰীয়া আৰু সাধাৰণ সম্পাদক সুকুমাৰ মেধি উপস্থিত আছিল । ৰামপুৰে পৰৱৰ্তী আন্ত মাণ্ডলিক প্ৰতিযোগিতাত প্ৰতিদ্বণ্ডিতা কৰিব।



## ছিনিয়ৰ আন্তঃজিলা ভলীবল প্ৰতিযোগিতা

## গুৱাহাটীৰ উভয় দল ঘোষণা

**বঙাইগাঁও, ৪ জানুৱাৰী ঃ** অহা ১৭ জানুৱাৰীৰ পৰা তেজপুৰত অনুষ্ঠিত হ'ব ৫৮ সংখ্যক ছিনিয়ৰ আন্তঃজিলা ভলীবল প্ৰতিযোগিতা। উক্ত প্ৰতিযোগিতাত অংশ লোৱাৰ বাবে গুৱাহাটীৰ পুৰুষ আৰু মহিলাৰ দল ঘোষণা কৰিছে গুৱাহাটী ক্ৰীড়া সন্থাই । উল্লেখ্য যে গুৱাহাটীৰ মহিলা ভলীবল দলটোৰ খেলুৱৈসকল হ'ল ঃ প্ৰিয়ংকা দৈমাৰী, পাৰবীন চুলতানা, কবিতা ডেকা, পূজা মালিক, হাছিনা বড়ো, শিখা গগৈ, হীৰামণি দাস, সুনীতা ৰয়, দীক্ষা গগৈ, তৰালী বৰ্মন, জুলী বড়ো, কৰিশ্মিতা বৰুৱা । আনহাতে, গুৱাহাটীৰ পুৰুষ দলটোৰ খেলুৱৈসকল হ'ল: আব্দুল বাতেন, দয়াল বসুমতাৰী, ধ্ৰুৱজ্যোতি বড়ো, দীপাংকৰ ৰায়, নুৰ আলম, অমৰ বড়ো, ধনমণি দাস, অৰবিন্দ দৈমাৰী, আব্দুল কৰিম, হৰকুমাৰ ৰয়, মানস প্ৰতীম হালৈ, চনু কুমাৰ ঝা।

## পূৰ্ণগতিত চলিছে আন্তঃদৰং জিলা বিদ্যালয় বেডমিন্টন প্ৰতিযোগিতা

**অগ্ৰদূত বাৰ্তা**
**মঙলদৈ, ৪ জানুৱাৰী ঃ** দৰং জিলা বেডমিন্টন সন্থাৰ উদ্যোগত তথা দ্য মঙলদৈ ক্লাবৰ সহযোগত ইয়াৰ গোপীনাথ বৰদলৈ ইনড'ৰ ষ্টেডিয়ামত আৰম্ভ হোৱা স্কুলীয়া ছাত্ৰ -ছাত্ৰীৰ বেডমিন্টন প্ৰতিযোগিতা পূৰ্ণগতিত চলি আছে । প্ৰতিযোগিতাত আজি সকেলা শাখাৰে ছেমিফাইনেলৰ খেলসমূহ সম্পন্ন হয়। সেই অনুসৰি ল'ৰাৰ জুনিয়ৰ শাখাত হাৰ্ছেল কাশ্যপে অংশুমান নাৰায়ণক আৰু হিমাংশু ডেকাই অৰ্ণৱ বসুমতাৰীক পোনপটীয়া গেমত পৰাস্ত কৰি ফাইনেলত প্ৰৱেশ কৰিছে। ইফালে, ছোৱালীৰ জুনিয়ৰ শাখাত প্ৰাৰ্থনা ডেকাই কৃষ্ণা বৰুৱাক তথা মেঘময়ূৰী চহৰীয়াই কাব্যশ্ৰী কাশ্যপক পৰাজিত কৰি ফাইনেলত স্থান দখল কৰিছে । ল'ৰাৰ ছিনিয়ৰ শাখাত ধ্যানজ্যোতি দাসে চান্দ্ৰিল শৰ্মাক আৰু অৰ্ণৱ শৰ্মাই মেঘান্ত হীৰাক হৰুৱাই ফাইনেলত প্ৰৱেশ কৰিছে। ছোৱালীৰ ছিনিয়ৰত নিশিতা ডেকাই কৃষ্ণা বৰুৱাক আৰু লিপ্সিতা দাসে প্ৰাৰ্থনা ডেকাক পৰাজিত কৰে । আনহাতে মিক্সড ডাবলছত অৰ্ণৱ - লিপ্সিতা যুটীয়ে চান্দ্ৰিল - কৃষ্ণা যুটীক আৰু ধ্যানজ্যোতি - নিশিতা যুটীয়ে জিন্টিমণি -অংশুমান যুটীক পোনপটীয়া গেমত পৰাজিত কৰি ফাইনেলত প্ৰৱেশ কৰিছে । ইপিনে, ছাব-জুনিয়ৰ শাখাত অৰ্পিতা দাস আৰু নিলিমেশ বৰুৱাই ফাইনেলত প্ৰৱেশ কৰিছে।



মেছিৰ অনুপস্থিতিত পি এছ জিক জয় দিলে এমবাপ্পে।


## বিলাসনন্দন চ'ৰা



# চাইনাৰ ফ্লেগ-চাইনীজ মাল

**ইণ্ডিয়াত** চাইনাৰ পতাকা উৰিছে। কথাটোক লৈ অলপ হৈ-হাল্লা হৈছে। দুই-একে কৈছে— চাইনাৰ উৎপাত অলপ বাঢ়িছে। আন দুজনমানৰ মতে, চাইনাত চাগে পতাকা উৰুৱাবলৈ জাগা নোহোৱা হৈছে। সেইকাৰণে চাগে ইণ্ডিয়াত সোমাই উৰুৱাব লগা হৈছে। বহুতে আকৌ কৈছে—চাইনাত চাগে কৰ'না বেছি হৈছে। সৰৰে গাত চাগে কৰ'না লাগিছে। আটাইৰে চাগে ক'ভিড পজিটিভ হৈ গৈছে। পতাকাখন যাতে ক'ভিড নিগেটিভ হৈ থাকে, তাৰ বাবে ইণ্ডিয়াত সোমাই উৰুৱাব লগা হৈছে। কিন্তু ইণ্ডিয়াত সোমাই চাইনাৰ ফ্লেগে বতাহ কোবাই থকাৰ পাছতো আমাৰ দেছপ্ৰেমীসকলৰ নেছনেলিজমে সেই হাৰত চেনেলবোৰক কোবোৱা নাই। দুই-একে মাত মাতিছে যদিও মুখেদি মতা নাই, নাকেদিহে মাতিছে যাতে শব্দবোৰ অস্পষ্ট হৈ ওলায়। তৎক্ষণাত যাতে চাইনীজবোৰে বুজি নাপায় কি কৈছে। ক'ৰবাত পাকিস্তানৰ ফ্লেগ এখন উৰিলেই মিউট চেনেলবোৰে মিউজিক বজাই বজাই দেছপ্ৰেমৰ এনে বোমা ফুটায় যেন তাৰ বিস্ফোৰণত গোটেই দেছখন হিৰোচিমা-নাগাচাকিহে হৈ যাব। কিন্তু চাইনাৰ ফ্লেগ উৰোতে বোমা বা ফুলজাৰি ফুটাতো বাদেই, সাধাৰণ দিয়াচলাইৰ কাঠি এটাও জ্বলা নাই। কিয় জ্বলা নাই? পাকিস্তানৰ অপকৰ্মৰ বিৰুদ্ধে মাত মতাটো যদি নেছনেলিজম হয়, তেন্তে চাইনাৰ অপকৰ্মৰ বিৰুদ্ধে মুখেদি মাত নামাতি নাকেদিহে মাত মতাটো কি হ'ব? নিশ্চয় নেজেলিজম। নেজেল ভয়চতহে মাত মতা হয় কাৰণে ই নেজেলিজম। হকে-বিহকে পাকিস্তানক জাৰণ দি থকাটো যদি জাৰণেলিজম হয়, চাইনাৰ বেলিকা চুপচাপ হৈ থকাটো কি? চাপ্লুচিজম!

কথাটো আচলতে সৰু ল'ৰা-ছোৱালীৰ কাজিয়াৰ দৰে! ছোৱালী নহয়, সৰু ল'ৰাৰ কাজিয়াৰ দৰে! চিনেমাৰ ষ্টাইলত কাজিয়া লাগিল। দুটা পাৰ্টি হ'ল। এটা পাৰ্টিত বাহুবলী এটা থাকিল। বাহুবলীৰ পাৰ্টিত দুটামান দুৰ্বলো পৰিল। দুৰ্বল দুটাৰ তৰ্জন-গৰ্জন বেছি। সিহঁতে মাৰিব আহিলে সিটো পাৰ্টিয়ে 'চাই ল'ম' জাতীয় কথা নকয়, চিধাই হাত-ভৰি চলাই চায়ে লয়। কিন্তু বাহুবলীটোৱে কিবা কৰিলে সিটো পাৰ্টিৰ ল'ৰাখিনিয়ে দূৰৈলৈ গৈ সৰুকৈ 'চাই ল'ম' বুলি কৈ গুচি যায়। ধৰি ল'ব পাৰে যে চাইনাৰ ক্ষেত্ৰতো তেনেকুৱাই কিবা এটা হৈছে। কিন্তু এনে বহু গেৰুৱা গেৰুৱা মানুহ আছে যি ইণ্ডিয়াত চাইনাৰ ফ্লেগ উৰা কাৰ্যটোক পজিটিভলী লৈছে। দুই-এক গেৰুৱাই কৈছে যে এই কামটোৱে এটা কথাকে প্ৰমাণিত কৰিছে। সেয়া হ'ল ইণ্ডিয়া বিশ্বগুৰু হ'বলৈ আগবাঢ়িছে। যাৰ বাবে চাইনাৰ দৰে মহাশক্তিধৰ দেছেও তাৰ ফ্লেগখন উৰুৱাবলৈ ইণ্ডিয়াৰ মাটিহে বিচাৰি ল'ব লগা হৈছে। আন দুই-এজন গেৰুৱাই এইবুলিও কৈছে যে চাইনাৰ লগত ফাইট কৰি মিছাতে নিজৰ ধৰ্ম নষ্ট কৰিব নোৱাৰি। পাকিস্তানৰ লগত ফাইট কৰিলে ভাল দেখি। কাৰণ পাকিস্তানৰ একো নাথাকিলেও ধৰ্ম এটা আছে। কিন্তু চাইনাৰতো একো ধৰ্ম নাই। এখন মস্ত অধৰ্মী দেছ। এনে অধৰ্মীৰ লগত ফাইট কৰিলে নিজৰহে ধৰ্ম নষ্ট হ'ব।



বহু এক্সপাৰ্টে আকৌ এইবুলিও কৈছে যে ইণ্ডিয়াত চাইনাই এণ্ট্ৰি মৰাটো ভাল কথা হৈছে। এ গুড চাইন্ অৱ ডেভেলপমেণ্ট! ইমানদিনে চাইনাৰ এয়াৰপোৰ্টকে নিজৰ এয়াৰপোৰ্ট বুলি দেখুৱাই পাব্লিকক ইম্প্ৰেছ কৰিবলৈ চেষ্টা কৰি অহা হৈছে। এতিয়া আৰু সেইবোৰ মনে মনে কৰিব নালাগে। চাইনাই বোলে ফ্লেগ উৰুওৱা জাগাত দলঙো বনাই আছে। চাইনাই আহি আহি যদি দলং, ৰাস্তা, এয়াৰপোৰ্ট আদি আটকধুনীয়াকৈ বনাই থৈ যায়, তেন্তে সেইবোৰতে ফটো লগাই 'সৱকা বিকাছ' বুলি পাব্লিচিটী কৰি ২০২৪ক গুলজাৰ কৰি পেলাব পৰা যাব। সেইকাৰণে চাগে চাইনাই যি বনায়, বনাই থাকিবলৈ দিয়া হৈছে। পাছত সেইবোৰেই কামত দিব। চাইনাৰ দলং আমাৰ দলং হ'ব। চাইনাৰ ৰাস্তা আমাৰ ৰাস্তা হ'ব। লাগিলে চাইনাৰ ফ্লেগো আমাৰ ফ্লেগ হ'ব। হওক। কোনো কথা নাই। পকেট খালী যেতিয়া দোকানৰ বাকীতো খাবই লাগিব!

চাইনাই যে ইণ্ডিয়াত এণ্ট্ৰি মাৰি ফ্লেগ উৰুৱাইছে, সেই নিউজটো পোৱাৰ পাছত বাদশ্বাহে পাকিস্তানত চাৰ্জিনেল ষ্ট্ৰাইক কৰাৰ দৰে চাইনাতো মাৰ্জিনেল ষ্ট্ৰাইক এটা কৰিব বুলি ভবা হৈছিল। কিন্তু তেনে একো নকৰিলে বাদশ্বাহে। তেওঁ যেন হাৱাই দিয়া নাই ঘটনাটোক। কোনোবাই বৰ বেছিকৈ বকি থাকোতে বাদশ্বাহে হেনো বিৰক্তিহে প্ৰকাশ কৰিলে—'হ'ব দিয়াহে। চাইনাই ফ্লেগ উৰুৱাইছে যদি উৰুৱাব দিয়া। চাইনীজ মাল! কেইদিন টিকিবনো? দুদিন পাছতে ফটা কাপোৰ হ'ব।'

*(বিলাসনন্দন চ'ৰাৰ উদ্দেশ্য ব্যংগ ৰস সৃষ্টিহে, কোনো ব্যক্তি বিশেষৰ মনত আঘাত দিয়াটো নহয়।)*






# সচ্ছল জীৱনৰ আহিলা হ'ব পাৰে অনাদৃত যোনা শামুক

## শামুকৰ পেটত মাণিক বিচাৰি সঞ্জীৱৰ স্বাৱলম্বনৰ কচৰৎ

## নলবাৰীত শিক্ষিত যুৱকৰ ব্যতিক্ৰমী প্ৰয়াস

■ **কিশোৰ কুমাৰ কলিতা**

**নলবাৰী, ৪ জানুৱাৰী ঃ** অসমৰ জলসম্পদৰ অংগ নদী, খাল, বিল, দোং, জলাশয় আদি জৈৱ বৈচিত্ৰ্যৰে ভৰা। জৈৱ বৈচিত্ৰ্যৰ উপাদান খাল, বিল, দোং, নদী, জলাশয়ত পোৱা শামুকো যে এতিয়া সচ্ছল জীৱনৰ আহিলা হ'ব পাৰে সম্প্ৰতি তাৰেই উমান পোৱা গৈছে। ৰাজ্যৰ শিক্ষিত নিবনুৱাসকললৈ এক আশাৰ বতৰা কঢ়িয়াই আনি নলবাৰীৰ এজন শিক্ষিত যুৱকে এক ব্যতিক্ৰমী ব্যৱসায়েৰে নিজে স্বাৱলম্বী হোৱাৰ সপোন দেখিছে। এই শিক্ষিত যুৱকজন হ'ল ৬১ নম্বৰ ধৰ্মপুৰ বিধানসভা সমষ্টিৰ অন্তৰ্গত নিজ পকোৱা গাঁৱৰ সঞ্জীৱ কুমাৰ দত্ত। সঞ্জীৱে এতিয়া শামুকক লৈ এখন বজাৰ সৃষ্টি কৰি স্বাৱলম্বী হোৱাৰ পথ প্ৰশস্ত কৰিছে। বিজ্ঞানৰ স্নাতক আৰু মাছকমিউনিকেছনৰ স্নাতকোত্তৰ ডিগ্ৰীধাৰী সঞ্জীৱে যোৱা দুবছৰ ধৰি নিজ ঘৰৰ পুখুৰীত শামুকৰ খেতি কৰি আহিছে। যাৰ ফলত জ্যোতিষশাস্ত্ৰ বিশ্বাস কৰা লোকসকল অথবা ইয়াৰ লগত জড়িত ব্যৱসায়ীসকল শামুকৰ পেটৰ পৰা ওলোৱা মকুতা বিচাৰি এতিয়া সাগৰ তীৰলৈ যাব নালাগে। মূল্যবান মুকুতা এতিয়া নলবাৰীতে পোৱা যাব। উচ্চশিক্ষিত সঞ্জীৱে নিজ প্ৰচেষ্টাত নিজৰ পুখুৰীত উৎপাদন কৰিছে মুকুতা। শামুকক বিশেষভাৱে অস্ত্ৰোপ্ৰচাৰ কৰি এইজন যুৱকে প্ৰস্তুত কৰি উলিয়াইছে মুকুতা। সচৰাচৰ বিল জলাশয় আদিত উপলদ্ধ এইবিধ শামুক আনি অস্ত্ৰোপচাৰ কৰি বিশেষভাৱে পুখুৰীত পোহাৰ পাছত এবছৰৰ ভিতৰত সম্পূৰ্ণ হৈ উঠে মুকুতা। লক্ষ্যণীয় অতি কম খৰচতে এটা শামুকৰ ভিতৰত পাব পাৰি চাৰিটাকৈ মুকুতা।


এই ব্যৱসায় সন্দৰ্ভত দত্তই 'দৈনিক অগ্ৰদূত'ক কয়, 'গোটেই বিশ্বজুৰি যি মুকুতা পালন কৰা হয়, সেই মুকুতা পালনৰ বাবে উপযোগী শামুক পোৱা যায় অসমৰ খাল-বিল-নদীত। অসম ভূমিৰ যিকোনো নদী, উপ-নদীত অতি সহজতে পোৱা যোনা শামুকৰ পেটত এক বিশেষ ধৰণৰ অস্ত্ৰোপচাৰেৰে সৃষ্টি কৰিব পাৰি মুকুতাৰ। চেণ্ট্ৰেল ইনষ্টিটিউট অৱ ফ্ৰেচৱাটাৰ একুৱাকালচাৰ চমুকৈ চিফাৰ লগতে আন ভালেমান সংস্থাই দি আহিছে এই প্ৰশিক্ষণ। এই প্ৰশিক্ষণৰ দ্বাৰা ৰাজস্থানৰ দৰে গৰম ৰাজ্যতো ভালেমান খেতিয়কে কৰি আহিছে মুকুতাৰ খেতি।' নিজে প্ৰশিক্ষণ লৈ এই খেতিৰে লাভবান হোৱা সঞ্জীৱে পুনৰ কয়, 'বৰ্তমান ২০০০ শামুকৰ অস্ত্ৰোপচাৰ কৰি মুকুতা পালন কৰি আছো। শামুকৰ আকাৰ অনুসৰি একোটা শামুকত দুইৰ পৰা চাৰিটালৈকে সৃষ্টি কৰিব পাৰি মুকুতা। বৰ্তমান মণি-মুকুতাৰ বজাৰখন ভৰি পৰিছে বিভিন্ন দেশৰ পৰা অহা নকল মুকুতাৰে। অতি বেছি দামত মানুহে ক্ৰয় কৰি আহিছে নকল মুকুতা। কিন্তু মুকুতা পালনেৰে নকল মুকুতাৰ বজাৰখন দখল কৰিব পাৰি আচল মুকুতা পালনেৰে।' তেওঁ কয় যে একোটা মুকুতাৰ বজাৰ মূল্য তাৰ মান অনুসৰি সৰ্বনিম্ন ১৫০-২০০ৰ পৰা ১০০০-১৫০০লৈকে লাভ কৰিব পাৰে এগৰাকী মুকুতা পালনৰ কৃষকে। আনহাতে, বহিঃৰাষ্ট্ৰত যদিও মুকুতাৰ খেতিত যথেষ্ট আগবঢ়া কিন্তু ভাৰতবৰ্ষতো কিছু কিছু ঠাইতে মুকুতা খেতি কৰা দেখা যায়। ইফালে, প্ৰতিটো মুকুতাৰ বজাৰ মূল্য যথেষ্ট হোৱা বাবে কম পৰিমাণৰ খেতি কৰিও লাখ লাখ টকা উপাৰ্জন কৰিব পাৰি বুলি সঞ্জীৱে প্ৰকাশ কৰে।



# ৰাজ্যৰ ভিতৰত প্ৰথম দৃষ্টিহীনৰ ওপৰত ৰচনা কৰা বুদ্ধিনাথ কলিতাৰ গ্ৰন্থ উন্মোচন

বিশেষ সংবাদদাতা

নগাঁও, ৪ জানুৱাৰী ঃ দৃষ্টিহীনসকলৰ ওপৰত ৰচনা কৰা ৰাজ্যৰ ভিতৰতে প্ৰথমখন গ্ৰন্থ 'পোহৰ বিচাৰি' আজি উন্মোচন কৰা হয়। নগাঁও জিলাৰ পুৰণিগুদামৰ ঐতিহাসিক কলঙৰ বাকৰি পাৰঘাটত গ্ৰন্থখন উন্মোচন কৰে সাহিত্যিক পেঞ্চনাৰ, বিশিষ্ট গল্পকাৰ ফণীন্দ্ৰ নাথ গায়নে। লেখক, অভিনেতা বুদ্ধিনাথ কলিতাই ৰচনা কৰা পোহৰ বিচাৰি গ্ৰন্থখন উন্মোচন কৰি সাহিত্যিক গায়নে কয় যে পোহৰ বিচাৰি গ্ৰন্থখন এখন তত্ত্বগধুৰ গ্ৰন্থ। দৃষ্টিহীনসকলৰ ওপৰত ৰচিত এই গ্ৰন্থখন ৰাজ্যৰ ভিতৰত প্ৰথমখন গ্ৰন্থ। য'ত সন্নিবিষ্ট হৈছে দৃষ্টিহীনসকলে সমাজত কেনেকৈ আগবাঢ়ি গৈছে বা কেনেকৈ আগবাঢ়ি যাব। তদুপৰি তেওঁলোকৰ সুখ দুখৰ কথা। শিক্ষকতাৰ জীৱনৰ অভিজ্ঞতাৰে লেখকে বিভিন্ন সময়ত ৰচনা কৰা লেখা একত্ৰিত কৰি গ্ৰন্থখন প্ৰকাশ কৰিছে। ভৱিষ্যতে ইংৰাজীলৈ গ্ৰন্থখন অনুবাদ হ'লে দৃষ্টিহীনসকলৰ লগতে সমাজৰ সকলো শ্ৰেণীৰ লোক উপকৃত হ'ব। পাৰঘাট নাট্যমন্দিৰ প্ৰাংগণত অংগাভিনয় নামৰ অনুষ্ঠানটিৰ প্ৰতিষ্ঠা দিবসৰ কাৰ্যসূচীত বুদ্ধিনাথ কলিতাৰ পোহৰ বিচাৰি গ্ৰন্থখনৰ লগতে অন্বেষা নামৰ আন এখন গ্ৰন্থ উন্মোচন কৰা হয়। গ্ৰন্থ উন্মোচনৰ অনুষ্ঠানত উন্মোচক গায়নৰ লগতে দ্বীজেন্দ্ৰ মোহন শইকীয়া, দুলাল বৰা, দ্বীপেন বৈৰাগী, উজ্জ্বল জ্যোতি দাস, তপন কটকী, নীলৰঞ্জন শৰ্মা, দুৰ্লভ বৰুৱা আদি উপস্থিত থাকে। উন্মোচনী সভাত লেখক কলিতাই উন্মোচিত গ্ৰন্থ পোহৰ বিচাৰি আৰু অন্বেষাক পঢুৱৈ ৰাইজে আঁকোৱালি ল'ব বুলি আশা প্ৰকাশ কৰে। ইফালে, অংগাভিনয়ৰ প্ৰতিষ্ঠা দিৱস উপলক্ষে গ্ৰন্থ উন্মোচনৰ পাছতে কেলিগোপাল নাটখন মঞ্চস্থ কৰা হয়।



# হোজাইত অবৈধভাৱে মাটি কঢ়িওৱা ট্ৰেক্টৰৰ সন্ত্ৰাস

অগ্ৰদূত বাৰ্তা

**হোজাই, ৪ জানুৱাৰী ঃ** হোজাইৰ পৰিবহণ বিভাগৰ অমনোযোগিতাত অবৈধভাৱে মাটি কঢ়িওৱা ট্ৰেক্টৰৰ সন্ত্ৰাস আৰম্ভ হৈছে হোজাইত। আজি অবৈধভাৱে মাটি কঢ়িওৱা ট্ৰেক্টৰৰ বাবেই জিলা পৰিবহণ বিভাগৰ কাৰ্যালয়ৰ সমীপৰ বৰবহাত এক ভয়ংকৰ পথ দুৰ্ঘটনা সংঘটিত হোৱা ঘটনাই প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে। ৫৪ নম্বৰ ৰাষ্ট্ৰীয় পথৰ পৰা প্ৰায় এশ মিটাৰ দূৰত ছিটিকি পৰে এখন অল্ট' বাহন। ফলত গুৰুতৰভাৱে আহত অল্ট'ত থকা লোকজনক যাত্ৰীবাহী বাছেৰে লগে লগে লংকা চিকিৎসালয়লৈ প্ৰেৰণ কৰে স্থানীয় লোকে। নীলবাগানৰ পৰা লংকা অভিমুখে গৈ আছিল অল্ট' বাহনখন। মাটি অবৈধভাৱে কঢ়িওৱা এখন ট্ৰেক্টৰৰ ভুলৰ বাবেই এই দুৰ্ঘটনা সংঘটিত হ'ল বুলি প্ৰত্যক্ষদৰ্শীয়ে অভিযোগ কৰে। হঠাৎ বিপৰীত দিশৰ পৰা ট্ৰেক্টৰখনে ৰাষ্ট্ৰীয় ঘাইপথ পাৰ হোৱাৰ চেষ্টা চলাওতেই দুৰ্ঘটনাটো সংঘটিত হয়। বৰবহা ৪৫ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথৰ পৰা এশ মিটাৰ দূৰত ছিটিকি পৰা বাহনখনৰ নম্বৰ এ এছ-০১ এ ইউ-২৮৮২ লগে লগে ট্ৰেক্টৰখনে ঘটনাস্থলীৰ পৰা পলায়ন কৰে। অল্ট' বাহনত থকা আঘাতপ্ৰাপ্ত লোকজন লংকাৰ তাজেল ইছলাম।



# ডিফুৰ তাৰালাংছ'ৰ বাকৰিত কাৰ্বি যুৱ মহোৎসৱৰ প্ৰস্তুতি

## ডেৰশজনীয়া অভ্যৰ্থনা সমিতি গঠন

**ডিফু, ৪ জানুৱাৰী ঃ** প্ৰতি বৰ্ষৰ ১৫ৰ পৰা ১৯ ফেব্ৰুৱাৰীলৈ ডিফুৰ তাৰালাংছ'ৰ 'কাৰ্বি পিপ'লছ হল'ৰ সুবিশাল বাকৰিত অনুষ্ঠিত হৈ অহা হেপাহৰ মহোৎসৱটি আয়োজন কৰাৰ বাবে এইবাৰো পূৰ্বৰ দৰে সকলোধৰণৰ প্ৰস্তুতি চলোৱা হৈছে। মহোৎসৱটিৰ আয়োজনত প্ৰতিবাৰৰ দৰে এইবাৰো কাৰ্বি আংলং স্বায়ত্তশাসিত পৰিষদৰ তৰফৰ পৰা সকলোধৰণৰ সহযোগিতা আগবঢ়োৱাৰ কথা ঘোষণা কৰিছে পৰিষদখনৰ মুখ্য কাৰ্যবাহী সদস্য তুলিৰাম ৰংহাঙে।

এই বাৰো মহোৎসৱটিৰ আয়োজনৰ বাবে পৰিষদৰ তৰফৰ পৰা ১ কোটি টকাৰ অনুদান আগবঢ়োৱা হ'ব বুলি ঘোষণা কৰিছে মুখ্য কাৰ্যবাহী সদস্যগৰাকীয়ে। লগতে মহোৎসৱথলীৰ আন্তঃগাঠনি সুবিশালকৈ নিৰ্মাণ কৰাৰ বাবে ৰাজ্য চৰকাৰৰ পৰাও ৫ কোটি টকাৰ অনুদান বিছৰা হৈছে বুলি ৰংহাঙে জানিব দিয়ে। মহোৎসৱটি সফলভাৱে অনুষ্ঠিত কৰাৰ বাবে আজি মহোৎসৱথলীত অনুষ্ঠিত হোৱা এখন সভাত ইয়াৰ অভ্যৰ্থনা সমিতিখন গঠন কৰা হয়। কাৰ্বি আংলং স্বায়ত্তশাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য তুলিৰাম ৰংহাঙক মুখ্য উপদেষ্টা, অসম বিধানসভাৰ উপাধ্যক্ষ তথা বোকাজানৰ বিধায়ক ডাঃ নোমল মমিন, হাওৰাঘাটৰ বিধায়ক দৰছিং ৰংহাং আৰু বৈঠালাংছ'ৰ বিধায়ক ৰূপছিং টেৰণক উপদেষ্টা হিচাপে লৈ গঠন কৰা সমিতিখনৰ সভাপতিৰ দায়িত্ব অৰ্পণ কৰা হৈছে ডিফুৰ বিধায়ক বিদ্যাছিং ইংলেঙক। সাধাৰণ সম্পাদকৰ দায়িত্ব দিয়া হৈছে এম এ চি ৰিচাৰ্ড টকবীক। তৰালাংছ'ত আজি কাৰ্বি সাংস্কৃতিক সমাজৰ সভাপতি চন্দ্ৰছিং ক্ৰ'ৰ সভাপতিত্বত অনুষ্ঠিত হোৱা সভাখনত কমল তিমুঙক কাৰ্যকৰী সভাপতি, সূৰ্য ৰংফাৰ, মোহন তিচ', অশোক টেৰণ, ৰামছিং টকবিক উপ-সভাপতি, ৰিচাৰ্ড টকবিক সাধাৰণ সম্পাদক, ডেনিয়েল বে', লাইচান ইংলেং, নিপুচৰণ দত্ত, মিৰজেং ক্ৰ'ক সহকাৰী সম্পাদক হিচাপে লৈ ডেৰশজনীয়া অভ্যৰ্থনা সমিতিখন গঠন কৰা হয়। সভাৰ অন্তত সাংবাদিকৰে হোৱা বাৰ্তালাপত কাৰ্বি সাংস্কৃতিক সমাজৰ সভাপতি চন্দ্ৰছিং ক্ৰ'ৱে অভ্যৰ্থনা সমিতিৰ সবিশেষ সাংবাদিকৰ আগত ব্যাখ্যা কৰাৰ লগতে এইবাৰ মহোৎসৱৰ উদ্বোধনী সভাৰ মুখ্য অতিথি হিচাপে মুখ্যমন্ত্ৰীক আমন্ত্ৰণ জনোৱা হ'ব বুলি উল্লেখ কৰে। সভাত অংশগ্ৰহণ কৰি সাংবাদিকৰে হোৱা বাৰ্তালাপত কাৰ্বি আংলং স্বায়ত্তশাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য তুলিৰাম ৰংহাঙে এইবাৰৰ যুৱ মহোৎসৱ বিশেষ আকৰ্ষণীয়ভাৱে অনুষ্ঠিত কৰাৰ লগতে আকৰ্ষণীয় আলোকসজ্জাৰো ব্যৱস্থা কৰা হ'ব বুলি জানিবলৈ দিয়ে। সভাখনত কাৰ্বি আংলঙৰ বিভিন্ন প্ৰান্তৰ পৰা অহা প্ৰতিনিধি তথা বিশিষ্ট ব্যক্তিসকল উপস্থিত থাকে।

# দুমুনিচকী শ'লপামত বাঘৰ আতংক মুৰ্গীৰ ফাৰ্মত সোমাল নাহৰফুটুকী

অগ্ৰদূত বাৰ্তা

**দুমুনিচকী/ছিপাঝৰ, ৪ জানুৱাৰী ঃ** দৰং জিলাৰ লোক্ৰাই গাঁও পঞ্চায়তৰ অন্তৰ্গত শ'লপাম গাঁৱত বাঘৰ আতংক। যোৱা নিশা গাঁওখনৰ কোমল নাথ নামৰ লোকজনৰ মুৰ্গীৰ ফাৰ্ম এখনৰ ভিতৰত শুই থকা অৱস্থাত এটি নাহৰফুটুকী বাঘ প্ৰত্যক্ষ কৰে। প্ৰাপ্ত তথ্য অনুসৰি যোৱা নিশা মুৰ্গীৰ দানা দিবলৈ গৈ নিজৰ ফাৰ্মৰ ভিতৰত নাহৰফুটুকী বাঘটো প্ৰত্যক্ষ কৰে ফাৰ্মৰ গৰাকীয়ে। নাহৰফুটুকীটো দেখি আতংকিত হৈ পৰা ফাৰ্মৰ গৰাকীয়ে লগে লগে ওচৰ-চুবুৰীয়াক ঘটনাটো অৱগত কৰাত গাঁওবাসীৰ মাজতো আতংকৰ সৃষ্টি হয়। সেই আতংকৰ মাজতে বাঘটো চাবলৈ সহস্ৰাধিক গঞাই ভিৰ কৰাত এক হুলস্থূলীয়া পৰিৱেশৰ সৃষ্টি হয়। গাঁওবাসীৰ আহ্বানমৰ্মে ঘটনাস্থলীত উপস্থিত হয় ছিপাঝাৰ ৰাজহ চক্ৰ বিষয়া কে শৰ্মা। আনহাতে, কুৰুৱা বনাঞ্চলিক বিষয়া দীপাংকৰ দেবৰ নেতৃত্বত বন বিভাগৰ এটা দলে ঘটনাস্থলীত উপস্থিত হৈ বাঘটো কৰায়ত্তৰ বাবে পুৱতি নিশালৈ আপ্ৰাণ চেষ্টা চলায়। বাঘ ধৰা উপযুক্ত আহিলা নথকাত নেটৰ জৰিয়তে বাঘটো ধৰিবলৈ বনকৰ্মীসকলে চেষ্টা চলাই যদিও সেই চেষ্টা ব্যৰ্থ হয়। কুৰুৱা বনাঞ্চলিক বিষয়া দীপাংকৰ দেবে পোৱালি নাহৰফুটুকী বুলি জানিব দিয়া বাঘটো বৰ্তমানো শ'লপাম গাঁৱৰ ৰিজাৰ্ভত আশ্ৰয় লৈ থকাত ৰাইজৰ মাজত বাতৰি লিখা সময়লৈ আতংকই বিৰাজ কৰি আছে। বনকৰ্মীৰ দলে ঘটনাস্থলীত টহল দি আছে যদিও বাঘটোৰ সন্ধান উলিয়াব পৰা নাই।






অগ্ৰদূত পাব্লিচাৰ্ছ প্ৰাইভেট লিমিটেড, গুৱাহাটী-৬ৰ হৈ বি এছ ডেকাৰ দ্বাৰা অগ্ৰদূত ভৱন, দিছপুৰ, গুৱাহাটী-৬, তৰাজান, যোৰহাট আৰু দোলাবাৰী, তেজপুৰত মুদ্ৰিত আৰু প্ৰকাশিত। সম্পাদক ঃ প্ৰাঞ্জলসেন ডেকা। মুখ্য সম্পাদক ঃ কনকসেন ডেকা।
ফোন ঃ (গুৱাহাটী) সম্পাদনা ঃ (০৩৬১) ২২৬১৯২৩, ২২২৪৯৩৩, চাৰ্কুলেচন- ২২৩৪২০৯ ফেক্স ঃ (০৩৬১) ২২৬০৬৫৫, ২২৬৯১৪৭, আৰু বিজ্ঞাপন - ৯৮৬৪৮৯৭১৭৫। ফোন (যোৰহাট) ঃ (০৩৭৬) ২৩৭১৮৯৫, তেজপুৰ ঃ (০৩৭১২) ২২১৫৫১, ডিব্ৰুগড় ঃ (০৩৭৩) ২৩২৭৮৫৯।
E-MAIL : agradoot@gmail.com, editor.agradoot@gmail.com